● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

শক্তিশালী মানুহে আনক তললৈ ঠেলি নিদিয়ে... বৰঞ্চ তেওঁলোকক ওপৰলৈহে তোলে।



মাইকেল পি ৰাটছন
*ব্ৰিটিছ বক্সাৰ*

www.dainikagradoot.in

৭ পৰমাণু নিৰস্ত্ৰীকৰণ চুক্তিত বাধা দান ৰাছিয়াৰ
১৫ আজি গুৱাহাটীত ওড়িছা-দিল্লী এফ চি
৪ অসম নিবনুৱাহীন ঃ বহিঃৰাজ্যৰ প্ৰাৰ্থীৰ প্ৰয়োজন

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩১৯তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১২ ভাদ ১৪২৯ ভাস্কৰাব্দ ২৯ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 29 August 2022 মূল্য ঃ ৯.০০ টকা

## গেলা মাছ!

■ প্ৰাঞ্জলসেন ডেকা

**দুৰ্নীতিমুক্ত,** স্বচ্ছ আৰু নিকা অসম! এয়া কি কোনো স্বপ্ন নে দুঃস্বপ্ন! দৰাচলতে দুৰ্নীতিমুক্ত দেশ অথবা ৰাজ্য এখন কেনে ধৰণৰ হ'ব পাৰে, সেই ধাৰণা অসমীয়া বাদেই, কোনো ভাৰতীয়ৰে নাই বুলি ক'লেও বেছি কোৱা নহয়। সম্প্ৰতি দুৰ্নীতি ভাৰতীয়সকলৰ এনেদৰে মজ্জাগত হৈ পৰিছে যে দুৰ্নীতিমুক্তৰ কোনো ধাৰণা স্পষ্ট নোহোৱাটোৱেই স্বাভাৱিক। বৰঞ্চ দুৰ্নীতি জীৱন ধাৰণৰ এক অৱধাৰিত প্ৰক্ৰিয়াত পৰিণত হৈছে। দিন যোৱাৰ লগে লগে পৰিস্থিতি অধিক গভীৰ হৈ গৈ আছে। অৱশ্যে তাৰ মাজতো সময়ে সময়ে দুৰ্নীতিমুক্ত, স্বচ্ছ আৰু নিকা অসম অথবা দুৰ্নীতিৰ বিৰুদ্ধে *১০ পৃষ্ঠাত চাওক*



*ইয়াত এখন নদী আছিল! পাঁচশ বছৰীয়া ইতিহাসত প্ৰথমবাৰলৈ এনেদৰে শুকাই গ'ল এখনৰ পাছত আনখন ইতিহাস প্ৰসিদ্ধ নদী।*

■ বিশ্বজুৰি বিলুপ্ত মানৱ সভ্যতাৰ সাক্ষী বহু নদী ■ খৰাং পৰিস্থিতি, গ্ৰীষ্ম প্ৰবাহে অপমৃত্যু ঘটালে ■ গোলকীয় উষ্ণতাৰ ভয়াৱহ ছবি ■ ক্ষত-বিক্ষত জলপৃষ্ঠ ভয়াৱহ অৰ্থনৈতিক বিপৰ্যয়

# শুকাই গ'ল এখনৰ পাছত আনখন নদী

আমেৰিকাৰ পৰা ইউৰোপ-চীন-মধ্যপ্ৰাচ্যলৈ জলপথ বাধাগ্ৰস্ত ঃ খাদ্যৰ পৰা শক্তিখণ্ডলৈ সংকট

■ নিউজ ব্যুৰ'

**ৱাশ্বিংটন ডিচি, ২৮ আগষ্ট ঃ** বিশ্বজুৰি বহু ইতিহাস প্ৰসিদ্ধ, ঐতিহ্যবাহী গাভিনী নৈবোৰ এতিয়া খৰাং সুঁতিলৈ পৰিণত হ'বলৈ ধৰিছে। পৃথিৱীৰ বহু দেশতে বিলুপ্ত হৈছে মানৱ সভ্যতাৰ সাক্ষীস্বৰূপ নৈ। আমেৰিকাৰ পৰা ইটালী, চীন, মধ্যপ্ৰাচ্যলৈ সভ্যতাৰ ইতিহাস কঢ়িওৱা বহু নৈৰ পানী শুকাই গৈছে। নৈৰ পাৰতে সৃষ্টি হৈছিল মানৱ সভ্যতা। বিশ্বজুৰি জলবায়ু পৰিৱৰ্তনৰ ভয়াৱহতাৰ ফলত নৈৰ মৃত্যু ঘটিবলৈ ধৰাত সেয়ে সভ্যতালৈকে গভীৰ আশংকাৰ সৃষ্টি হৈছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ লগে লগে খৰাং পৰিস্থিতি আৰু অভাৱনীয় গ্ৰীষ্ম প্ৰৱাহৰ ফলত এদিন মৃত্যু ঘটিব নেকি মানৱ সভ্যতাৰ। এনে শংকাও ঘনীভূত হ'বলৈ ধৰিছে।

দৰাচলতে বিশ্বৰ বিভিন্ন প্ৰান্তত এসময়ৰ খৰস্ৰোতা বহু নদীৰ সাম্প্ৰতিক সময়ত অপমৃত্যু ঘটাটো বিজ্ঞানী মহলৰ বাবে অন্যতম চৰ্চিত বিষয় হৈ পৰিছে। শেহতীয়াভাৱে প্ৰকাশিত বিভিন্ন প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে আমেৰিকাৰ পৰা ইউৰোপ, চীন তথা মধ্যপ্ৰাচ্যকে ধৰি বিশ্বৰ বৃহৎ অঞ্চলত জলপৃষ্ঠৰ পৰিমাণ সংকুচিত হ'বলৈ ধৰিছে। কোবাল জলধাৰা বহন কৰা বহু নৈৰ ঠাইত এতিয়া আছে পলস আৰু ক্ষীণ সুঁতিৰে বৈ থকা সামান্য জলধাৰাৰে অনুৰ্বৰ পাৰবোৰ, আছে বোকা ভৰা বালিবোৰ। মানৱ সভ্যতাৰ বহু উত্থান-পতনৰ সাক্ষী হৈ ৰোৱা এনে বহু উৰ্বৰ নৈৰ বুকু *দুই পৃষ্ঠাত চাওক*

## শিৱসাগৰত ক্ষুদ্ৰ ব্যৱসায়ীক অপহৰণ কৰি নিৰ্মম অত্যাচাৰ অস্ত্ৰধাৰী দুৰ্বৃত্তৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৮ আগষ্ট ঃ** তৃতীয় বৰ্গৰ লিখিত পৰীক্ষাক লৈ সমগ্ৰ শিৱসাগৰ চহৰখন আৰক্ষী-অৰ্ধ সামৰিক বাহিনীয়ে অভেদ্য দুৰ্গস্বৰূপ কৰি তোলাৰ সময়তে চহৰৰ মাজমজিয়াতেই সংঘটিত হ'ল এক চাঞ্চল্যকৰ অপহৰণ কাণ্ড। শিৱসাগৰ *দুই পৃষ্ঠাত চাওক*



*ৰাজ্য চৰকাৰৰ তৃতীয় বৰ্গৰ নিযুক্তিৰ বাবে অনুষ্ঠিত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ প্ৰাৰ্থীৰ শাৰী, মহানগৰীত দেওবাৰে।*

■ আশা-প্ৰত্যাশাৰ মাজেৰে ন লাখ নিবনুৱাৰ ভাগ্য ষ্ট্ৰং ৰূমত বন্দী
■ বহু প্ৰত্যাশিত তৃতীয় বৰ্গৰ পৰীক্ষাত আঠ লাখ ৫২ হেজাৰ প্ৰাৰ্থী

## এমাহৰ ভিতৰত ফলাফল, অনুত্তীৰ্ণ প্ৰাৰ্থীয়ে ঘূৰাই পাব আবেদনৰ মাচুল

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ আগষ্ট ঃ** ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ বহু প্ৰত্যাশিত ২৬,৪৪১টা পদৰ নিযুক্তি প্ৰক্ৰিয়াৰ তৃতীয় বৰ্গৰ পদৰ বাবে আজি ৰাজ্যৰ ২৪ খন জিলাৰ ১,৯০৩টা কেন্দ্ৰত অনুষ্ঠিত পৰীক্ষাত ৮,৫২,১৮১ প্ৰাৰ্থী অৱতীৰ্ণ হয়। যোৱা ২১ আগষ্টত অনুষ্ঠিত চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষাত ৫,০৮,৮০৩ জন প্ৰাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰ পাছতে আজি দুটা পৰ্যায়ত অনুষ্ঠিত হোৱা তৃতীয় বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষাত পুৱা ১০ বজাৰ পৰা ১২ বজালৈ ২৪ খন জিলাৰ ১,২১১টা কেন্দ্ৰত অনুষ্ঠিত (উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ) পৰীক্ষাত ৫,০৪,০৮৩ জন প্ৰাৰ্থী অৱতীৰ্ণ হয়। আনহাতে, বিয়লি দুই বজাৰ পৰা চাৰি বজালৈ তৃতীয় বৰ্গৰ (স্নাতক ডিগ্ৰীধাৰী) ৬৯২ টা কেন্দ্ৰত অনুষ্ঠিত পৰীক্ষাত ৩,৪৮,০৯৮ প্ৰাৰ্থীয়ে অৱতীৰ্ণ হয়। ইয়াৰ উপৰি অহা ১১ ছেপ্টেম্বৰত তৃতীয় বৰ্গৰ চালক পদ (দশম উত্তীৰ্ণ)ৰ বাবে ৮৭টা কেন্দ্ৰত অনুষ্ঠিত হ'ব লগা পৰীক্ষাত *১০ পৃষ্ঠাত চাওক*

■ ন ছেকেণ্ডতে অতীত হ'ল প্ৰায় ১০ বছৰ ধৰি নিৰ্মাণ হোৱা 'যমজ অট্টালিকা' ■ ন বছৰৰ আইনী যুঁজৰ অন্তত ৩৭০০ কেজি বিস্ফোৰকৰ খুন্দাত মুহূৰ্ততে খহি পৰিল 'নয়ডাৰ গৌৰৱ'

## ৰুদ্ধশ্বাস পৰিৱেশত ধূলিসাৎ টুইন টাৱাৰ

■ ২৪ মহলাৰ অনুমতি লৈ ৪০ মহলা নিৰ্মাণ কৰাৰ পৰাই বিতৰ্ক ■ ভয়ানক বিস্ফোৰণৰ প্ৰাক্‌মুহূৰ্ততো বিমল প্ৰশান্তিত নিদ্ৰামগ্ন 'টুইন টাৱাৰ'ৰ প্ৰতিবেশী ■ কোনোমতেহে উদ্ধাৰ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৮ আগষ্ট ঃ** দিনৰ প্ৰায় ২-৩০ বজাৰ লগে লগে মাত্ৰ ন ছেকেণ্ডৰ ভিতৰতে অতীত হৈ পৰিল নয়ডাৰ 'গৌৰৱ' হ'বলৈ চেষ্টা কৰা 'টুইন টাৱাৰ'। ৩৭০০ কিলোগ্ৰাম বিস্ফোৰক পদাৰ্থৰ ভয়ংকৰ বিস্ফোৰণত মুহূৰ্তৰ ভিতৰতে ধূলিত মিহলি হৈ পৰিল ২৯ আৰু ৩২ মহলাৰ দুটাকৈ সু-উচ্চ অট্টালিকা। সুদীৰ্ঘ ১০ বছৰ ধৰি *১০ পৃষ্ঠাত চাওক*



## কনিষ্ঠ ভ্ৰাতৃৰ শ্ৰাদ্ধলৈ আহি ৰেলৰ খুন্দাত জ্যেষ্ঠৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**লংকা, ২৮ আগষ্ট ঃ** লংকাত আজি এক মৰ্মান্তিক ঘটনা সংঘটিত হয়। কনিষ্ঠ ভ্ৰাতৃৰ মৃত্যুত আয়োজন কৰা শ্ৰাদ্ধলৈ আহি জ্যেষ্ঠ ভ্ৰাতৃৰ মৃত্যু হোৱা ঘটনাই লংকাত শোকাকুল পৰিৱেশৰ সৃষ্টি কৰে। ঘটনাৰ বিৱৰণি অনুসৰি, *দুই পৃষ্ঠাত চাওক*

## নাৱত ছেল্‌ফী উঠিবলৈ গৈ ব্ৰহ্মপুত্ৰত সন্ধানহীন সেনা জোৱান

ষ্টাফ ৰিপ'ৰ্টাৰ,

**তেজপুৰ, ২৮ আগষ্ট ঃ** তেজপুৰ-নগাঁও সংযোগী কলিয়াভোমোৰা দলঙৰ তলত এক অঘটন সংঘটিত হৈছে। আজি নিশা এখন নাৱত উঠি ব্ৰহ্মপুত্ৰত ছেল্‌ফী তুলিবলৈ গৈ সন্ধানহীন হ'ল *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩২° | ২৬° |
| ডিব্ৰুগড় | ২৮° | ২৬° |
| দিল্লী | ৩৫° | ২৮° |
| কলকাতা | ৩১° | ২৭° |
| মুম্বাই | ৩১° | ২৬° |
| চেন্নাই | ৩১° | ২৬° |
| বাংগালুৰু | ২৮° | ২০° |
| শ্বিলং | ২৩° | ১৮° |

*২৮ আগষ্ট, ২০২২*



## বিধায়কৰ জাননী ঃ কাম নাই বাবে ইয়াত বহিবলৈ নাহিব

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ আগষ্ট ঃ** 'মোৰ কাম বন ঢেৰ'.... সমষ্টিবাসীক উদ্দেশ্যি এইবাৰ উক্ত শিৰোনামাৰে নিজ ঘৰত জাননী আঁৰিলে এজন জনপ্ৰতিনিধিয়ে। দিছপুৰৰ দৰে ৰাজ্যৰ এটা গুৰুত্বপূৰ্ণ সমষ্টিক প্ৰতিনিধিত্ব কৰা *১০ পৃষ্ঠাত চাওক*

■ ১৫ খন জিলাত ভয়াৱহ ৰূপ সংক্ৰমিত ভাইৰাছৰ ■ এছঅ'পি জাৰি স্বাস্থ্য বিভাগৰ

## সংহাৰী ৰূপ জাপানীজ এনকেফেলাইটিছৰ, ৰাজ্যত দুমাহতে ৮৫ জনৰ মৃত্যু

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ আগষ্ট ঃ** ক'ভিড-১৯-এ ৰাজ্যখনত সৃষ্টি কৰা ভয়াৱহ পৰিস্থিতিৰ পাছত এইবাৰ অতি জটিল ৰূপ ধাৰণ কৰিছে জাপানীজ এনকেফেলাইটিছে। ম'হৰ কামোৰৰ জৰিয়তে মানৱ দেহলৈ সংক্ৰমিত হোৱা জাপানীজ এনকেফেলাইটিছৰ ভাইৰাছে মানৱ দেহৰ মগজুত সংক্ৰমণ সংঘটিত কৰি মৃত্যুমুখলৈ ঠেলি দিয়াৰ দৰে এই ভয়াৱহ ৰোগত ৰাজ্যখনত বিগত দুটা মাহতে ৮৫ জন লোকৰ মৃত্যু ঘটিছে। দিন যোৱাৰ লগে লগে পৰিস্থিতি এনে পৰ্যায়ত উপনীত হৈছে যে *দুই পৃষ্ঠাত চাওক*



*প্ৰধানমন্ত্ৰীৰ 'মন কী বাত' সম্প্ৰচাৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী, দেওবাৰে।*

কাঁহিকুছিত সম্প্ৰচাৰিত অনুষ্ঠানত মুখ্যমন্ত্ৰী

## বিকাশমুখী ধাৰাৰ স্পষ্ট ছবি প্ৰতিফলিত প্ৰধানমন্ত্ৰীৰ 'মন কী বাত'ত

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় জনতা পাৰ্টিৰ পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ ৰাণী মণ্ডলৰ অন্তৰ্গত ২২ নম্বৰ বুথৰ দ্বাৰা কাঁহিকুছি গাঁও পঞ্চায়তৰ যোগীপাৰা সামূহিক ভৱনত আজি আয়োজিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন্ কী বাত্' সম্প্ৰচাৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেশৰ নিৰন্তৰ প্ৰগতিৰ লগতে বিভিন্ন প্ৰান্তত অব্যাহত থকা বিকাশমুখী ধাৰাৰ স্পষ্ট ছবিখন প্ৰধানমন্ত্ৰীৰ *১০ পৃষ্ঠাত চাওক*

■ মৃত্যুৰে যুঁজ দিছে ৰাজ্যৰ হস্ততাঁত-হস্তশিল্পজাত উদ্যোগটোৱে

## শিপিনীক মাধমাৰ শোধাই ডেৰ বছৰে উৎপাদন-যোগান বন্ধ 'আৰ্টফেড'ৰ



কৰ্মচাৰী সন্থাৰ সাধাৰণ সভাত উন্মোচিত ছবি

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ আগষ্ট ঃ** যি সময়ত আত্মনিৰ্ভৰ অসম গঢ় দিয়াৰ লক্ষ্যৰে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে, সেই সময়তে হস্ততাঁত আৰু হস্তশিল্পজাত সামগ্ৰী উৎপাদনৰ *১০ পৃষ্ঠাত চাওক*

■ কলিয়াবৰ-নগাঁও লোকসভা দখলৰ ৰণশিঙা বজালে কেন্দ্ৰীয় মন্ত্ৰী ৰিজিজুৱে

## য'ত বিজেপিৰ এমপি-এমএলএ নাই, তাত ৰাইজৰ এনেই লোকচান হৈ যায়



বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**নগাঁও/চামগুৰি, ২৮ আগষ্ট ঃ** 'প্ৰথমে মই বিজেপিৰ এজন কৰ্মকৰ্তা; মন্ত্ৰী পাছত। দলীয় কৰ্মকৰ্তা হিচাপে, কেন্দ্ৰীয় চৰকাৰৰ এজন মন্ত্ৰী হিচাপে আমাৰো কিছুমান দায়িত্ব আছে। বিজেপি চৰকাৰে ৰাইজৰ বাবে কৰা ভাল কামবোৰৰ কথা ৰাইজৰ মাজলৈ লৈ যাব লাগিব। ইয়াৰ কি প্ৰভাৱ পৰিছে কৰ্মকৰ্তাৰ মাজত তাৰ পৰ্যালোচনা কৰিছো।' আজি নগাঁৱত আগন্তুক লোকসভা নিৰ্বাচন উপলক্ষে এক দলীয় অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ আগত *১০ পৃষ্ঠাত চাওক*

## কোচবিহাৰক কেন্দ্ৰীয় শাসিত ৰাজ্য গঠনৰ বিৰোধ নকৰিব, ক'লে মহাৰাজে

কোচবিহাৰ ভাৰতৰে চামিল দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৮ আগষ্ট ঃ** কোচবিহাৰক কেন্দ্ৰীয় শাসিত ৰাজ্যৰূপে গঠনৰ বিৰোধিতা নকৰিবলৈ আজি সকলো পক্ষকে আহ্বান জনাইছে অনন্ত ৰায় মহাৰাজে। ১৯৪৯ত ২৮ আগষ্টত কোচবিহাৰ ভাৰতৰে চামিল হোৱা উপলক্ষে আজি চিৰাং জিলাৰ কদমতলিত আয়োজিত চামিল দিৱস অনুষ্ঠানত অংশ লৈ অনন্ত ৰায় মহাৰাজে *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*মূল্যবৃদ্ধি যে হৈছে এতিয়া বুজিব পাৰিছো, নহ'লে এজন এমেলেৰ দাম ২৫ কোটি হয়নে!*

■ ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ নিৰ্দেশ অৱমাননা পৌৰ নিগমৰ ঃ অভিযোগ সুৰক্ষা মঞ্চৰ

## দুমুখীয়া নীতিৰ ফলত মৃত্যুমুখী দীপৰ বিল

সদনত মিছা তথ্য দাখিলৰ অভিযোগ মন্ত্ৰী সিংঘালৰ বিৰুদ্ধে

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৮ আগষ্ট ঃ** ৰাজ্যৰ একমাত্ৰ ৰামছাৰ ক্ষেত্ৰ তথা অতি গুৰুত্বপূৰ্ণ চৰাই সংৰক্ষিত অঞ্চলৰূপে চিহ্নিত ৰাজধানী মহানগৰীৰ গাতে লাগি থকা এক বিস্তৃত জলাহভূমি-পৰিৱেশ সংবেদনশীল মণ্ডল দীপৰ বিলে চৰকাৰৰ দুমুখীয়া নীতি আৰু তথাকথিত উন্নয়নৰ বাবে তিলতিলকৈ মৃত্যুমুখলৈ গতি কৰিছে। এই অভিযোগ উত্থাপন কৰিছে দীপৰ বিল সুৰক্ষা মঞ্চই। শেহতীয়াকৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিলখনৰ সংৰক্ষণৰ সন্দৰ্ভত কিছু মন্তব্য দাঙি ধৰাৰ পাছতে আজি সুৰক্ষা মঞ্চই এক সংবাদমেলত গুৱাহাটী পৌৰ নিগম কৰ্তৃপক্ষই বেলৰ আলিত ২০২১ৰ আগষ্টত নীতিবহিৰ্ভূত স্থাপন কৰা ডাম্পিং গ্ৰাউণ্ডে বিলখনৰ পৰিৱেশ সম্পূৰ্ণৰূপে বিনষ্ট কৰি পেলালে বুলি অভিযোগ কৰে। সুৰক্ষা মঞ্চৰ সভাপতি *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৯ আগষ্ট, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

## উদ্ধাৰ ১১.৬২ গ্ৰাম হেৰ’ইন, সোধপোছৰ বাবে আটক মহিলা

# চাচনী আমগুৰিত ড্ৰাগছবিৰোধী অভিযান



**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ২৮ আগষ্ট ঃ** আজি নাহৰকটীয়াৰ চাচনীৰ আমগুৰি গাঁৱত ১১.৬২ গ্ৰাম নিষিদ্ধ হেৰ’ইন জব্দ কৰাৰ লগতে এগৰাকী মহিলাক আটক কৰে। আৰক্ষীৰ পৰা প্ৰাপ্ত বাতৰি অনুসৰি চাচনী আৰক্ষী চকীৰ আৰু নাহৰকটীয়া থানাৰ এটা দলে এক বিশেষ সূত্ৰৰ পমখেদি আমগুৰি আৰু দলামুৰী গাঁৱৰ তথা আমগুৰি নেপালী গাঁৱৰ গাঁওৰক্ষী *ছয় পৃষ্ঠাত চাওক*

# বিশ্বনাথৰ ডিপলোঙাৰ ৰেঞ্জাৰক আটক তেজপুৰত

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ২৮ আগষ্ট ঃ** বিশ্বনাথ বন সংমণ্ডলৰ অধীনস্থ ডিপলোঙা বনাঞ্চলিক কাৰ্যালয়ৰ বিষয়া অজিত গগৈক *ছয় পৃষ্ঠাত চাওক*

# চৰকাৰে নিৰ্মাণ কৰিব তিনি হেজাৰ অমৃত সৰোবৰ

**মন্ত্ৰী ৰঞ্জিত দাসৰ ঘোষণা**

**অগ্ৰদূত বাৰ্তা**

**বৰপেটাৰোড, ২৮ আগষ্ট ঃ** ‘প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰ মন কী বাত অনুষ্ঠানত যি অমৃত সৰোবৰৰ কথা উল্লেখ কৰিছে সেই অমৃত সৰোবৰৰ কথা ৰাজ্য চৰকাৰে চিন্তা কৰি ৰাজ্যত ৩০০৭ টা অমৃত সৰোবৰ নিৰ্মাণৰ লক্ষ্য লৈ প্ৰাৰম্ভিক পৰ্যায়ত এক হেজাৰটা *ছয় পৃষ্ঠাত চাওক*

## ৰঙিয়াত ৰেলযাত্ৰী সন্থাৰ উত্তাল প্ৰতিবাদ ঃ উত্তৰ-পূৰ্বাঞ্চলৰ যাত্ৰীক বঞ্চনাৰ অভিযোগ

# ক’ভিডৰ গইনা লৈ ৰেলৰ চলাচল বাতিল

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ২৮ আগষ্ট ঃ** ক’ভিডৰ গইনা লৈ বাতিল কৰা যাত্ৰীবাহী ৰেলসহ বহু ৰেলৰ চলাচল আৰম্ভ কৰা, ৰঙিয়াত ৰাজধানী এক্সপ্ৰেছ ৰখোৱাৰ ব্যৱস্থা কৰা, সাংবাদিক, জ্যেষ্ঠ নাগৰিকসহ পূৰ্বতে ৰেহাই মূল্যত ৰেলযাত্ৰাত ভ্ৰমণ কৰা যাত্ৰীসকলৰ ৰেহাই মূল্যত ভ্ৰমণৰ সুবিধা পুনৰ বাহাল ৰখা আদি কে’বাটাও দাবীৰ সমৰ্থনত আজি অসম ৰেলযাত্ৰী সন্থাৰ উদ্যোগত ৰঙিয়া ৰেল ষ্টেছনৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ৰেলযাত্ৰী সন্থাৰ উপৰি স্থানীয় ৰাইজ, ব্যৱসায়ী, বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি, জ্যেষ্ঠ নাগৰিক, কামৰূপ জিলা ছাত্ৰ সন্থাসহ বহু সংখ্যক ৰাইজে এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰঙিয়া ৰেল ষ্টেছন চৌহদ উত্তাল কৰি তোলে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰেলযাত্ৰীসকলক ৰেল বিভাগে দীৰ্ঘদিন ধৰি বঞ্চনা কৰি অহাৰ অভিযোগ উত্থাপন কৰি ৰেলযাত্ৰীসকলে এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে ‘ক’ভিডৰ গইনা লৈ বাতিল কৰা ৰেল চলাচলৰ যাত্ৰা আৰম্ভ কৰক, ৰঙিয়াত সকলো ৰাজধানী এক্সপ্ৰেছ ৰখোৱাৰ ব্যৱস্থা কৰক, সাংবাদিক, জ্যেষ্ঠ নাগৰিকসহ পূৰ্বতে ৰেহাই মূল্যত ৰেল ভ্ৰমণ কৰা যাত্ৰীসকলৰ ৰেহাই মূল্যত ভ্ৰমণৰ সুবিধা প্ৰদান কৰক’ আদি শ্ল’গানেৰে ৰেল ষ্টেছন চৌহদ মুখৰিত কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীত অসম ৰেলযাত্ৰী *ছয় পৃষ্ঠাত চাওক*



*লাচিত বৰফুকনৰ জন্মজয়ন্তী উপলক্ষে মহানগৰ আৰক্ষীৰ শ্ৰদ্ধা নিবেদন, দেওবাৰে।*

# গোৱালপাৰাত ২৪০ বটল নিচাযুক্ত কফ ছিৰাপসহ গ্ৰেপ্তাৰ দুই



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৮ আগষ্ট ঃ** গোৱালপাৰা সদৰ আৰক্ষীয়ে অভিযান চলাই যোৱা নিশা দুৰ্গামন্দিৰত থকা কাৰ ৱাশ্বিং কেন্দ্ৰৰ পৰা বৃহৎ পৰিমাণৰ নিচাজাতীয় কফ ছিৰাপসহ নয়ন কুমাৰ দাস (১৯) আৰু আচিফ শ্বেখ (২৫)ক গ্ৰেপ্তাৰ কৰে। ইয়াৰে নয়ন কুমাৰ দাসৰ ঘৰ চহৰৰ বাপুজীনগৰত আৰু আচিফৰ ঘৰ দুৰ্গামন্দিৰত বুলি সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ দাসে সদৰী কৰিছে। দুই ব্যৱসায়ীয়ে বিভিন্ন ঠাইৰ পৰা নিচাযুক্ত কফ ছিৰাপসমূহ দুৰ্গামন্দিৰ কাৰ ৱাশ্বিং কেন্দ্ৰত ৰাখি চহৰৰ বিভিন্ন অঞ্চলত *ছয় পৃষ্ঠাত চাওক*

## আলফাৰ মেজৰ জেনেৰেল জীৱন মৰাণৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**ডুমডুমা, ২৮ আগষ্ট ঃ** কালি গুৱাহাটী এপ’ল’ হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰা বৰ্ষীয়ান আলফাৰ জ্যেষ্ঠ নেতা জীৱন মৰাণৰ মৃতদেহ আজি তিনিচুকীয়া জিলাৰ ৰূপাইত আহি পোৱাৰ পাছত এক শোকাকুল পৰিৱেশৰ সৃষ্টি *ছয় পৃষ্ঠাত চাওক*

# শিৱসাগৰত সত্ৰীয়া শিল্পী কৌশিক সন্দিকৈৰ ভাড়া ঘৰত চুৰি

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৮ আগষ্ট ঃ** অসমৰ অন্যতম উদীয়মান জনপ্ৰিয় সত্ৰীয়া শিল্পী, পৰিচালক, অভিনেতা কৌশিক কুমাৰ সন্দিকৈৰ শিৱসাগৰ আমোলাপট্টিস্থিত ভাড়া ঘৰত কালি পুৱতি নিশা চুৰি কাণ্ড সংঘটিত হয়। পুৱতি নিশা সংঘটিত এই ঘটনাত গভাইত চোৰৰ দলটোৱে শিল্পীজনৰ ভাড়াঘৰৰ কোঠাৰ পৰা সোণৰ আ-অলংকাৰৰ লগতে নগদ ২৮ হেজাৰ জমা টকা চুৰি কৰি লৈ যায়। তথ্য মতে উদীয়মান সত্ৰীয়া শিল্পী কৌশিক সন্দিকৈয়ে শিৱসাগৰত এক প্ৰশিক্ষণ কেন্দ্ৰ চলাই থকাৰ হেতুকে আমোলাপট্টীৰ নিৱাসী যাদৱ দত্ত নামৰ লোকজনৰ চৌহদত এটা ভাড়া কোঠাত বাস কৰিছিল। দিনৰ ভাগত প্ৰশিক্ষণত ব্যস্ত থকা শিল্পীজনে নিশা নিজৰ ভাড়া *ছয় পৃষ্ঠাত চাওক*

# কংগ্ৰেছ শিবিৰত বিসম্বাদ ঃ লাওখোৱা সমবায়ৰ অনুষ্ঠিত নকৰে নিৰ্বাচন

## ছাইদৰীয়া সমবায় সমিতিৰ সাধাৰণ সভা স্থগিত সভাপতিৰ দৌৰত তিনি প্ৰাৰ্থী

**অগ্ৰদূত বাৰ্তা**

**ৰূপহীহাট, ২৮ আগষ্ট ঃ** নগাঁও জিলাৰ সমবায় বিভাগৰ অন্তৰ্গত ছাইদৰীয়া সমবায় সমিতিৰ ২০২২-২৩ৰ সাধাৰণ সভা আজি স্থগিত কৰা হয়। সমবায় বিভাগৰ জ্যেষ্ঠ পৰিদৰ্শক নিৰঞ্জন হীৰাই সাধাৰণ সভাৰ থুল নোহোৱাৰ বাবে স্থগিত ৰখা বুলি ঘোষণা কৰে। সমিতিখনৰ ২৯৬০জন অংশীদাৰৰ ভিতৰত এশ মান অংশীদাৰ সাধাৰণ সভাত উপস্থিত আছিল। সমবায় বিভাগৰ বিধি মতে মুঠ অংশীদাৰৰ ১০ শতাংশ উপস্থিত হ’লে সভাৰ থূল হিচাপে গণ্য কৰা হ’ব। ইপিনে, আগন্তুক চাৰি ছেপ্টেম্বৰত স্থগিত ৰখা সাধাৰণ সভা অনুষ্ঠিত হ’ব। ইপিনে, যোৱা ২৪ আগষ্টত সমিতিৰ পৰিচালনা সমিতিৰ ১৫ টা সদস্য পদৰ বিপৰীতে মাত্ৰ ১০জনে মনোনয়ন দাখিল কৰে আৰু আটাইকেইজনেই বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। আনহাতে, সমিতিৰ সভাপতি পদৰ বাবে ইতিমধ্যে তিনিজন প্ৰাৰ্থীয়ে আত্মপ্ৰকাশ কৰাত বতাহ গৰম হৈ উঠিছে। বিধায়ক নুৰুল হুদাই বিজেপি সমৰ্থিত প্ৰাৰ্থী চাহাব উদ্দিনৰ বিৰুদ্ধে কংগ্ৰেছ প্ৰাৰ্থীৰূপে আব্দুল হান্নানক প্ৰক্ষেপ কৰিছিল যদিও ফাকলী গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ স্বামী তথা বিধায়ক নুৰুল হুদাৰ ঘনিষ্ঠ ৰছিদুল হকে জ্যেষ্ঠ ভ্ৰাতৃ আনাৰুল হুছেইনক প্ৰক্ষেপ কৰা বুলি গুৰুতৰ অভিযোগ উঠিছে। আনকি নিজৰ জ্যেষ্ঠ ভ্ৰাতৃ আনাৰুলৰ বিজয় নিশ্চিত কৰাৰ বাবে বিজেপিৰ লবী এটাৰ স’তে এখন হোটেলত গোপন বৈঠকত মিলিত হোৱা বুলি সৰৱ চৰ্চা অব্যাহত আছে। ৰছিদুলৰ তৎপৰতাই বিধায়ক নুৰুল হুদাৰ সমৰ্থিত প্ৰাৰ্থী হান্নানৰ সন্মুখত তীব্ৰ প্ৰত্যাহ্বান সৃষ্টি কৰিছে। *ছয় পৃষ্ঠাত চাওক*

## নগাঁৱত জমিয়তৰ উদ্যোগত সম্ভাৱনা সংসদ অনুষ্ঠান

# সাম্প্ৰতিক সময়ত সমন্বয়-সম্প্ৰীতিৰ মাজত ক’ৰবাত ঘুণে ধৰিছে



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৮ আগষ্ট ঃ** ‘দেশে স্বাধীনতা লাভৰ আগৰে পৰাই হিন্দু-মুছলমানৰ মাজত সদ্ভাৱনা আছিল। স্বাধীনতা আন্দোলনৰ সময়ছোৱাতে নহয়, ইয়াৰ পৰৱৰ্তী সময়তো হিন্দু-মুছলমানৰ মাজত শান্তি-সম্প্ৰীতি অটুট আছিল। কিন্তু সাম্প্ৰতিক সময়ত সমন্বয় *ছয় পৃষ্ঠাত চাওক*

# অন্তঃসত্ত্বা পত্নীক ডিঙি চেপি হত্যাৰ পাছত গৃহত অগ্নিসংযোগ ঃ স্বামীক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**লক্ষীপুৰ, ২৮ আগষ্ট ঃ** গোৱালপাৰাৰ লক্ষীপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ধোবাকুৰা গাঁৱত আজি পুৱতি নিশা সংঘটিত হয় এক নৃশংস হত্যাকাণ্ডৰ ঘটনা। নিশা এক বজাত পত্নী মফিদা খাতুনক স্বামী আব্দুছ ছালামে শোৱাপাটীতে ডিঙি চেপি নিৰ্মমভাবে হত্যা কৰে। এই ভয়াবহ দৃশ্য প্ৰথমাৱস্থাত প্ৰত্যক্ষ কৰিছিল তেওঁৰ ১১ বছৰীয়া কন্যাই। অভিযোগ অনুসৰি, কণমানি কন্যাই পিতৃ ছালামৰ ভাবমূৰ্তি অসাধাৰণ দেখি লগে লগে মাতৃৰ কি হৈছে বুলিও সুধিছিল। কিন্তু, বৰ্বৰ পিতৃয়ে মাতৃৰ জ্বৰ উঠা বুলি কোৱাৰ লগতে তেওঁক শুৱ যাবলৈ কয়। তেতিয়া অসহায় কন্যাই টোপনি যোৱাৰ ভাও ধৰি পিতৃয়ে *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ১২ ভাদ ১৪২৯ ভাস্কৰাব্দ ২৯ আগষ্ট ২০২২

## আকৌ পেগাছাছ বিতৰ্ক

**যোৱা** পাঁচটা বছৰ ধৰি পেগাছাছ নামৰ ইজৰাইলী স্পাইৱেৰৰ জৰিয়তে একাংশ নিৰ্দিষ্ট বিৰোধী পক্ষৰ ৰাজনীতিক, সমাজকৰ্মী, সাংবাদিক, অধিবক্তা আদিৰ ম'বাইল ফোনৰ তথ্য অবৈধভাৱে চৰকাৰে আহৰণ কৰি আহিছে বুলি বিভিন্ন কাকতে-পত্ৰই বাতৰি প্ৰকাশ পাইছে। এই বিতৰ্কিত বিষয়টোৰ ওপৰত ইমানদিনে চৰ্চা চলি আহিছিল যদিও উচ্চতম ন্যায়ালয়ৰ দ্বাৰা গঠিত তদন্ত সমিতি এখনে পাঁচ বছৰ পাছত জনাইছে যে মাত্ৰ পাঁচটা ম'বাইল ফোনতহে স্পাইৱেৰ বা মেলৱেৰ ধৰা পৰিছে। তাকো এই স্পাইৱেৰ পেগাছাছ হয় নে নহয় সেয়াও নিশ্চিত নহয় বুলি তদন্ত সমিতিয়ে প্ৰতিবেদনত কৈছে।

সি যি নহওক কিয়, এয়া স্পষ্ট হৈছে যে স্পাইৱেৰৰ জৰিয়তে ম'বাইল ফোনত হোৱা সকলো বাৰ্তালাপ তথা ফোনত থকা সকলো তথ্যৰ গোপনীয়তাৰ প্ৰতি এক বৃহৎ ভাবুকি আহিছে। এয়া অকল ব্যক্তিৰ গোপনীয়তাৰ প্ৰতিয়েই প্ৰত্যাহ্বান নহয়, ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতিও প্ৰত্যাহ্বান। পাঁচটা ম'বাইল ফোনত ধৰা পৰা স্পাইৱেৰ পেগাছাছ হয় নে নহয়, সেয়া নিশ্চিত নহ'লেও এই স্পাইৱেৰৰ পৰিচয় কি তাক ঠাৱৰ কৰা প্ৰয়োজন। কোনে এই স্পাইৱেৰ ব্যৱহাৰ কৰি কাৰ গোপন তথ্য আহৰণ কৰিছে আৰু কিয় এই তথ্য আহৰণ কৰিছে তাক চৰকাৰে মুকলিভাৱে প্ৰকাশ কৰা উচিত। উচ্চতম ন্যায়ালয়ে গঠন কৰা পেগাছাছ কাৰিকৰী কমিটীৰ স'তে চৰকাৰে সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱা উচিত আছিল যদিও চৰকাৰে এই ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱা নাই বুলি অভিযোগ উত্থাপিত হৈছে। যদিহে ভাৰতত বিদেশত উৎপাদিত এই চোৰাংচোৰাগিৰি কৰা স্পাইৱেৰৰ অস্তিত্ব বিচাৰি পোৱা যায়, তেনেহ'লে দেশৰ নিৰাপত্তাৰ প্ৰতিয়েই ই ভাবুকিৰ সৃষ্টি কৰিব। চৰকাৰে পেগাছাছ সন্দৰ্ভত নিজৰ স্থিতি স্পষ্টভাৱে প্ৰকাশ নকৰি জনমানসত সন্দেহৰ উদ্ৰেক কৰিছে। কেন্দ্ৰীয় চৰকাৰে পেগাছাছ তদন্তৰ ক্ষেত্ৰত উচিতভাৱে সহযোগিতা নকৰাটো সেয়ে ৰহস্যজনক বুলি চৰ্চিত হৈছে। বৰ্তমান ডিজিটেল ফৰেনচিকত কি পোৱা গ'ল সেয়া সম্পূৰ্ণৰূপে জনাব পৰা নাই চৰকাৰে। গতিকে বহুতেই সন্দেহ প্ৰকাশ কৰিছে যে দেশত এতিয়াও ব্যক্তিৰ চাল-চলন, দৃষ্টিভংগী, কথা-বতৰা আদি কোনো বিদেশী শক্তিয়ে আহৰণ কৰি আছে অবৈধভাৱে।

চৰকাৰে নতুন প্ৰযুক্তি তথা বিজ্ঞানক ব্যক্তিৰ স্বাধীনতা খৰ্ব কৰাৰ বাবে ব্যৱহাৰ কৰাটো গ্ৰহণযোগ্য হ'ব নোৱাৰে। বিশেষকৈ গণতান্ত্ৰিক দেশ এখনত বিদেশী প্ৰযুক্তি প্ৰয়োগ কৰি নাগৰিকসকলৰ ব্যক্তিগত তথ্য আহৰণ কৰা কাৰ্য ব্যক্তি স্বাধীনতাৰ পৰিপন্থী। সি যি কি নহওক, চৰকাৰে এটা বিষয় স্পষ্ট কৰি দিব লাগে যে ভাৰত চৰকাৰে ইজৰাইলত নিৰ্মিত স্পাইৱেৰ পেগাছাছ ক্ৰয় কৰিছিল নে নাই। উচ্চতম ন্যায়ালয়ত চৰকাৰৰ প্ৰতিনিধিয়ে স্পষ্টভাৱে এই প্ৰশ্নৰ উত্তৰ দিয়াটো বাঞ্চনীয়। কিয়নো পেগাছাছ নিৰ্মাতা ইজৰাইলী সংস্থাই স্পষ্টভাৱে কৈছে যে এই কোম্পানীটোৱে কোনো ব্যক্তি বা সংস্থাৰ ওপৰত এইবিধ চোৰাংচোৰাগিৰি কৰা প্ৰযুক্তি বিক্ৰী নকৰে। কেৱল বিশ্বৰ বিভিন্ন দেশৰ চৰকাৰৰ ওচৰতহে এই স্পাইৱেৰ বিক্ৰী কৰে। চৰকাৰে কথাটো স্পষ্ট কৰা দৰকাৰ অন্যথা ই সন্দেহৰ বীজ এৰি থৈ যাব।

## খোলা মঞ্চ

### অৰ্ধশতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা



**'অগ্ৰদূত'** নামটোৱেই এক ব্যতিক্ৰমী চিন্তাধাৰাৰ প্ৰকাশ ঘটাইছে। কাকতখনৰ জন্ম ১৯৭১ খ্ৰীষ্টাব্দ। সেই সময়ত মই পঞ্চমমান শ্ৰেণীৰ ছাত্ৰী আছিলো। তেতিয়া বাতৰি কাকতৰ বিষয়ে বিশেষ একো জনা নাছিলো, কিন্তু যেতিয়া অলপ ডাঙৰ হ'লো তেতিয়া দেউতা ৰবি চন্দ্ৰ বৈশ্যৰ মুখত কনকসেন ডেকাৰ নামটো প্ৰায়েই শুনিবলৈ পাইছিলো আৰু লাহে লাহে বাতৰি কাকতখনৰ প্ৰতি স্পৃহা জাগি উঠিল আৰু ক'ব নোৱাৰাকৈয়ে মোৰ অগ্ৰদূতখন প্ৰিয় হৈ পৰিল।

মোৰ পৰম সৌভাগ্য যে বৃহত্তৰ পাঞ্জাবাৰী সাহিত্য সভাৰ মই সম্পাদক হৈ থকাৰ সময়তে তেওঁ অসম সাহিত্য সভাৰ সভাপতি হৈ আছিল আৰু আমাৰ অনুৰোধ মৰ্মে তেওঁ পাঞ্জাবাৰী সাহিত্য সভাৰ স্থায়ী বাসভৱন 'শেৱালী ভৱন'টো উদ্বোধন কৰি আমাক ধন্য কৰিছিল।

এইজনেই সেই বিচক্ষণ সাংবাদিক কনকসেন ডেকা যি সময়ৰ প্ৰত্যাহ্বান নেওচি অগ্ৰদূতক আগুৱাই লৈ আহি আজিৰ এই স্থানত উপনীত কৰাইছেহি।

এখন বাতৰি কাকত জন্ম দি তাক সুচাৰুৰূপে পৰিচালনা কৰি জনতাৰ হৃদয়ত স্থান লাভ কৰিবলৈ হ'লে কিমান কষ্ট আৰু ত্যাগ স্বীকাৰ কৰাৰ বিনিময়ত সেই প্ৰাপ্তি হয় তাক মাত্ৰ সেই ব্যক্তিজনেহে অনুভৱ কৰিব পাৰিব। অসমৰ সংবাদ জগতত বহু কাকতৰ জন্ম হ'ল তাৰে বহুকেইখন ইতিমধ্যে আধাতে লুপ্ত হৈ পৰিল, তেনে স্থলত বিভিন্ন ঘাত-প্ৰতিঘাত নেওচি অগ্ৰদূত কাকতে ঢাপে-ঢাপে আগুৱাই অৰ্ধশতক অতিক্ৰম কৰাটো ধনাত্মক দিশ, কাকতখনৰ এক উল্লেখনীয় পদক্ষেপ হ'ল নৱ প্ৰজন্মক উৎসাহিত কৰি সমাজৰ প্ৰতি দায়বদ্ধ লেখক-লেখিকাৰ সৃষ্টি কৰাটো। ৰুচি অনুযায়ী পাঠকক সোৱাদ দিব পৰাকৈ ভিন্ন স্বাদেৰে অগ্ৰদূতখনে এশ শতাংশই কৃতকাৰ্যতা লাভ কৰিছে বুলি ক'ব পাৰি। স্বৰ্ণ-জয়ন্তীৰ স্বৰ্ণীল গৌৰৱ অধিকাৰ কৰা অগ্ৰদূতে শতবৰ্ষৰ দিশে সুকলমে আগবাঢ়ি যোৱাটো অন্তঃকৰণেৰে কামনা কৰো। ইতিমধ্যে বাৱন্ন বছৰত ভৰি দিয়া বাতৰি কাকতখন এখন কাকত নহয়, ই এক বৰ্ণিল অনুষ্ঠান। ইয়াৰ সাংবাদিকসকল সদায়ে সচেতন সত্যনিষ্ঠ বাতৰি পৰিৱেশন কৰি অহাৰ লগতে আমাৰ বহুতো লব্ধ প্ৰতিষ্ঠিত বৰেণ্য সাহিত্যিকে অগ্ৰদূতত নিয়মীয়াভাৱে লেখা মেলা কৰি আহিছে— সেই অগ্ৰজসকলৰ লেখনীয়ে নতুন চামৰ পথ প্ৰদৰ্শক হৈ সমাজ পোহৰৰ পথ দেখুৱাইছে। শেষত অৰুণোদয়, আৱাহনৰ দৰে অগ্ৰদূতেও কাললৈ খ্যাতি ৰাখি যাওক তাকেই কামনা কৰিলো।

**অঞ্জলি হাজৰিকা,** লেখিকা

ফোন ঃ ৯৪৩৫৩৪৯৯৮৪

# অসম নিবনুৱাহীন ঃ বহিঃৰাজ্যৰ প্ৰাৰ্থীৰ প্ৰয়োজন

## অসমৰ অৰ্থনীতিৰ কৰ্মসংস্থান সৃষ্টিৰ মুখ্য প্ৰতিবন্ধক হ'ল হিতাধিকাৰী আঁচনি



**ভাৰতবৰ্ষৰ** ভিতৰতে অসমত নিবনুৱাৰ সংখ্যা তথা শতাংশ অধিকতম। অতি সম্প্ৰতি অৰ্থনীতিৰ থিংক টেংক চেণ্টাৰ ফ'ৰ মণিট'ৰিং ইণ্ডিয়ান ইকন'মি (মে', 2022)ত প্ৰকাশিত তথ্যত প্ৰকাশ পাইছে যে দেশৰ ভিতৰতে অসমৰ অধিক শতাংশ লোক নিবনুৱা। দেশৰ নিবনুৱাৰ গড় হাৰ 7.9 শতাংশৰ বিপৰীতে অসমত নিবনুৱাৰ হাৰ 8.2 শতাংশ। অসমত নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নকৃত নিবনুৱাৰ সংখ্যা 24,04,671জন আছিল যোৱা বছৰত, এতিয়া নিশ্চয় 30 লাখ অতিক্ৰম কৰিছে। এইসকল নিবনুৱাৰ ভিতৰত শিক্ষিত নিবনুৱা 20 লাখৰো অধিক। নিয়োগ বিনিময় কেন্দ্ৰৰ মাধ্যমেৰে অসমত চাকৰি দিয়াৰ নিয়ম নাই বাবে বহুসংখ্যক নিবনুৱাই নিয়োগ বিনিময় কেন্দ্ৰত তেওঁলোকৰ নাম পঞ্জীয়ন নকৰে। সেয়ে নিয়োগ বিনিময় কেন্দ্ৰৰ তথ্যৰ দ্বাৰা অসমৰ নিবনুৱাৰ পৰিমাণৰ সঠিক হিচাপ পোৱা নাযায়। অশিক্ষিত নিবনুৱাসকলৰ 90 শতাংশই নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন নকৰে। এই পটভূমিত অসমত নিবনুৱাৰ সংখ্যা 40ৰ পৰা 50 লাখ হ'ব। অসমত কৰ্মসংস্থান সৃষ্টিৰ উৎসবোৰ পৰিকল্পিতভাৱে সৃষ্টি নকৰা বাবেই ৰাজ্যখনৰ কযুৱপ্ৰজন্মৰ কৰ্মসংস্থানহীনতাৰ এই ভয়ানক পৰিস্থিতি। পেটৰ দায়ত অসমৰ বহুলাখ যুৱক-যুৱতীয়ে বিভিন্ন, যেনে— নিৰাপত্তাৰক্ষী, হোটেল-ৰেষ্টুৰেণ্টৰ সহায়ক আদি কামত যোগ দিবলৈ অসম পৰিত্যাগ কৰিবলৈ বাধ্য হৈছে। কেৰালা ৰাজ্যখনত মুঠ শ্ৰমিকৰ 31 শতাংশ অসমীয়া শ্ৰমিক।

অসমৰ নিবনুৱা সমস্যাৰ এই ভয়ংকৰ অৱস্থাত অসম চৰকাৰৰ চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ চাকৰিৰ পদবোৰ পূৰণৰ বাবে হিন্দী ভাষাৰ প্ৰশ্ন কাকতেৰেও পৰীক্ষা অনুষ্ঠিত কৰি অসমৰ বহিঃৰাজ্যৰ বিশেষকৈ হিন্দী বেল্টৰ প্ৰাৰ্থীসকলক অসমত চৰকাৰী চাকৰি পোৱাৰ সুযোগ কৰি দিলে। বৰ্তমান বিজেপিয়ে ভাৰতবৰ্ষখনক 'এক জাতি এক দেশ এক ভাষা'ৰ শ্ল'গান দিলেও বিজেপি শাসিত বিভিন্ন ৰাজ্যত বিশেষকৈ হিন্দীভাষী ৰাজ্যবোৰত চতুৰ্থ আৰু তৃতীয় বৰ্গৰ চৰকাৰী চাকৰিৰ ক্ষেত্ৰত 75 শতাংশ ৰাজ্যৰ থলুৱা লোকৰ বাবে সংৰক্ষণ কৰিছে। কিন্তু দুৰ্ভাগ্যজনক যে অসমত উক্ত চাকৰিবোৰৰ প্ৰাৰ্থী নিৰ্বাচনৰ পৰীক্ষাত হিন্দী প্ৰশ্ন কাকতো প্ৰৱৰ্তন কৰিছে। ইয়াৰ দ্বাৰা বিশেষকৈ হিন্দী বেল্টৰ অনেক প্ৰাৰ্থীয়ে অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰি পাব। মোৰ চাকৰি সূত্ৰে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ সমাজখনৰ লগত ঘনিষ্ঠতা হৈছিল। আনকি মহাৰাষ্ট্ৰ, বিশেষকৈ মুম্বাই চহৰ, যিখন ভাৰতৰ বিত্তীয় ৰাজধানী আৰু প্ৰায়বোৰ ব্যক্তিখণ্ডৰ বৃহৎ কোম্পানীৰ তথা ৰিজাৰ্ভ বেংক, ষ্টেট বেংক, জীৱন-বীমাকে ধৰি বৃহৎ বিত্তীয় প্ৰতিষ্ঠানবোৰৰ মুখ্য কাৰ্যালয় মুম্বাইত, দিল্লীত নহয়। 1980ত মই নিজ চকুৰে দেখিছিলোঁ, এই কাৰ্যালয়বোৰত 80 শতাংশ কৰ্মচাৰীয়ে দক্ষিণ ভাৰতীয়, বিশেষকৈ মালায়লী আছিল; কিন্তু মহাৰাষ্ট্ৰ চৰকাৰ তথা শিৱসেনাই বিভিন্ন কৌশলৰ দ্বাৰা 1995ৰ ভিতৰত এই কাৰ্যালয়বোৰত 95 শতাংশই চতুৰ্থ আৰু তৃতীয় বৰ্গৰ কৰ্মচাৰী মাৰাঠী লোকে অধিকাৰ কৰি লৈছিল। মই কাম কৰা



**দৃষ্টিপাত**

**অনন্ত কলিতা**

অনুষ্ঠান ষ্টেট বেংকৰ মুখ্য কাৰ্যালয় মুম্বাইত, 1980ত প্ৰায় 80 শতাংশ কৰ্মচাৰী দক্ষিণ ভাৰতীয় আছিল, বৰ্তমান 95 শতাংশৰো অধিক মাৰাঠী। প্ৰকৃততে উক্ত অনুষ্ঠানবোৰৰ সৰ্বভাৰতীয় কাৰ্যালয় যিহেতু মুম্বাইত, চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ চাকৰিবোৰো সৰ্বভাৰতীয় লোকে দখল কৰাৰ অধিকাৰ আছে; কিন্তু শিৱসেনাৰ প্ৰভাৱত এই সকলোবোৰ কাৰ্য্যালয়তে 95 শতাংশ কৰ্মচাৰীয়ে মহাৰাষ্ট্ৰৰ খিলঞ্জীয়া লোক। 1980ত মই নিজ চকুৰে দেখিছো দক্ষিণ ভাৰতীয় কৰ্মচাৰীৰ ওপৰত শিৱসেনাৰ অত্যাচাৰ। দক্ষিণ ভাৰতৰ কোনো প্ৰদেশত বা পশ্চিমবংগ-ওড়িষাত ৰাজ্য চৰকাৰৰ চাকৰিৰ বাবে হিন্দীত পৰীক্ষা পাতিব নিদিয়ে বা নহয়। অনেক বিজেপি নেতা তথা মন্ত্ৰীয়ে কৈছে যে অসমত অনেক হিন্দীভাষী লোক থাকে। অসমত থকা হিন্দীভাষী লোকসকলে অসমৰ বায়ু পানী খাই জীয়াই আছে, তেওঁলোকে অসমীয়া জনা উচিত। অসমৰ ৰাজ্যভাষা হিন্দী নহয়, ৰাজ্যভাষা অসমীয়া আৰু বাংলা প্ৰশ্নকাকতহে পৰীক্ষা পাতিব লাগে। অসমত সংমিশ্ৰণ প্ৰক্ৰিয়া বন্ধ কৰি হিন্দীভাষীসকলক হিন্দীভাষী হিচাপে ৰখাৰো এইটো এটা পদক্ষেপ হৈছে। সংমিশ্ৰণ প্ৰক্ৰিয়া বন্ধ হ'লে অসমীয়া জাতিকো দুৰ্বল কৰা হ'ব। হিন্দীভাষীসকল অসমীয়ালৈ সংমিশ্ৰণ প্ৰক্ৰিয়া নাথাকিলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ নিচিনা মহীৰুহ আৰু মহান অসমীয়া এজনৰো সৃষ্টি নহ'লহেঁতেন।

চতুৰ্থ আৰু তৃতীয় বৰ্গৰ কৰ্মচাৰীৰ ক্ষেত্ৰত হিন্দী প্ৰশ্নকাকত প্ৰৱৰ্তন কৰাৰ দ্বাৰা বিজেপিৰ এক দেশ এক জাতি এক ভাষা' নীতিক অনুসৰণ কৰা তথা কেন্দ্ৰীয় নেতৃত্বৰ ওচৰত খাটি হিন্দুত্ববাদী দেখুৱাবলৈহে কৰা যেন প্ৰতিফলিত হৈছে। কংগ্ৰেছৰ পৰা বিজেপি হোৱাসকল 'More loyal than the king' ভাষিক অসমীয়া জাতি ক্ৰমে ক্ৰমে সংখ্যালঘু জাতিত পৰিণত হোৱাৰ প্ৰক্ৰিয়াত হিন্দুত্ববাদী ৰাজনীতিয়ে সাৰ-পানী যোগান দিয়াৰ উপৰি অসমীয়া জাতিটোক এটা দৰিদ্ৰ জাতিত পৰিণত কৰিছে। অসমৰ জনসাধাৰণৰ অধিকাংশই প্ৰকৃততে দৰিদ্ৰ। সুস্থভাৱে জীৱন-ধাৰণ কৰিবলৈ ন্যূনতম যিখিনি খাদ্যৰ প্ৰয়োজন সেইখিনিও সংগ্ৰহ কৰাৰ সামৰ্থ নাই অসমৰ জনসাধাৰণৰ। অৰ্থাৎ সুস্থভাৱে জীয়াই থাকিবলৈ ন্যূনতম খাদ্যখিনিও খাবলৈ নাপায়। অতি সম্প্ৰতি প্ৰকাশ কৰা জাতীয় পৰিয়াল স্বাস্থ্য পিয়ল-5ৰ প্ৰতিবেদনখনত (NFHS-5) অসমৰ জনসাধাৰণৰ বিশেষকৈ শিশু আৰু মহিলাসকলৰ স্বাস্থ্যৰ ক্ষেত্ৰত ভয়ানক অৱস্থাৰ প্ৰতিচ্ছবি এখন প্ৰতিফলিত হৈছে। এই প্ৰতিবেদনখনত কৈছে, 'Anaemia in women and children on the rise, Assam fares worst.' অসমত বিজেপি চৰকাৰৰ দিনত অৰ্থনৈতিক উন্নয়ন তথা জনসাধাৰণৰ আৰ্থিক উন্নতিৰ পটভূমিত ৰক্তহীন শিশুৰ শতাংশ NFHS-4 (2015-16) পিয়লত আছিল 35.7 শতাংশ বিজেপি চৰকাৰৰ শাসনৰ পাঁচ বছৰৰ ভিতৰতে অসমত ৰক্তহীন শিশুৰ সংখ্যা প্ৰায় দুগুণ হ'ল (35.7 শতাংশৰ পৰা 68.4 শতাংশ), NFHS-5 (2020-21) 68.4 শতাংশ। 15 বছৰ বয়সৰ পৰা 49 বছৰ বয়সৰ গৰ্ভৱতী মহিলা (NFHS-4)ৰ 44.8 শতাংশৰ পৰা 54.2 শতাংশলৈ বৃদ্ধি হৈছে আৰু সামগ্ৰিকভাৱে সকলো মহিলাৰ ৰক্তহীনতাৰ পৰিমাণ (NFHS-4)ৰ 46 শতাংশৰ পৰা বৃদ্ধি হৈছে 65.9 শতাংশলৈ (NFHS-5)ত। পুৰুষৰ ক্ষেত্ৰত অলপ ভাল 25.4 শতাংশৰ পৰা 36 শতাংশলৈ বৃদ্ধি হৈছে। প্ৰশ্নটো হ'ল ৰাজ্যখন কংগ্ৰেছৰ দিনতকৈ অধিক হাৰত উন্নতি কৰা বিজেপি চৰকাৰৰ দিনত মানুহৰ উপযুক্ত খাদ্য গ্ৰহণৰ সুযোগৰ ক্ষেত্ৰত উন্নতিৰ বিপৰীতে অধোগতিহে হৈছে আৰু কৰ্মসংস্থানহীন লোকৰ সংখ্যা মাৰাত্মকভাৱে বৃদ্ধি হৈছে। যি কাৰণে পৰিয়ালবোৰে শৰীৰ ৰক্ষাৰ বাবে ন্যূনতম খাদ্য সংগ্ৰহ কৰাৰ ধনো আয় কৰিব নোৱাৰা হৈছে। কৰ্মসংস্থান সৃষ্টিত উৎস সৃষ্টি কৰাৰ বিপৰীতে নিৰ্বাচনত ভোট পোৱাৰ কৌশলৰে দুটকীয়া চাউল তথা 26 লাখ পৰিয়ালক অৰুণোদয় আঁচনিত ধন বিতৰণ কাৰ্য্যসূচী গ্ৰহণ কৰিছে, এই আঁচনিৰ টকাখিনিৰে চাৰি বা পাঁচজনীয়া পৰিয়াল এটাই এক সপ্তাহৰ খাদ্যও যোগাৰ কৰিব নোৱাৰে। অসমৰ অৰ্থনীতিৰ কৰ্মসংস্থান সৃষ্টিৰ মুখ্য প্ৰতিবন্ধক হ'ল হিতাধিকাৰী আঁচনি। হিতাধিকাৰী সৃষ্টি কৰি বিজেপি চৰকাৰৰ প্ৰতি আনুগত্য হৈ থকাৰ কাৰ্য্যসূচী গ্ৰহণ কৰিছে। আনফালে

> অসমৰ নিচিনা অৰ্থনৈতিকভাৱে অনগ্ৰসৰ ৰাজ্য এখনত, যিখন ৰাজ্যৰ অৰ্থনীতিৰ বিভিন্ন দিশ উন্নত নকৰাৰ বাবে স্বনিয়োজনৰ উৎস সৃষ্টি কৰাটোও কঠিন সেই ৰাজ্যখনত বহিঃৰাজ্যৰ বিশেষকৈ হিন্দীভাষী প্ৰাৰ্থীক স্বাগতম জনোৱাৰ ব্যৱস্থা কৰিলে ইতিমধ্যেই দৰিদ্ৰত পৰিণত হোৱা অসমীয়া জাতিটো অস্তিত্বহীন হৈ যাব।

অসমৰ নাগৰিকে আত্ম-মৰ্যাদাসহ স্বাৱলম্বী আৰু স্বাচ্ছন্দ্যভাৱে জীৱন-নিৰ্বাহ কৰাৰ কোনো সুযোগে সৃষ্টি কৰাৰ লক্ষ্য নাই চৰকাৰখনৰ। যি কাৰণে ৰাজ্যখনৰ অপুষ্টিত ভোগা বা ৰক্তহীন শিশুৰ শতাংশ 35.7 শতাংশৰ পৰা বিজেপি চৰকাৰৰ জনগণৰ আৰ্থিক উন্নয়নমূলক শাসনত 68.4 শতাংশলৈ বৃদ্ধি হৈছে। এখন চৰকাৰৰ শাসনত এটা জাতিৰ যদি 68.4 শতাংশ শিশু ৰক্তহীনতাত ভোগে তেনেহ'লে সেই জাতিটোৰ ভৱিষ্যৎ কি আছে? এই শিশুসকলেই জাতিটোৰ ধৰণী। এই ৰক্তহীন শিশুসকলৰ বাবে বহুকেইখন দামী দামী ব্যক্তিগত স্কুল মুকলি হৈছে অসমত।

চতুৰ্থ আৰু তৃতীয় বৰ্গৰ 30 হেজাৰ চৰকাৰী চাকৰিও যদি অসমৰ স্থানীয় লোকসকলে অধিকাৰ কৰিব পাৰিলেহেঁতেন, 40 লাখ নিবনুৱাৰ ভিতৰত অন্ততঃ 30 হেজাৰ পৰিয়ালৰ শিশুসকলে তথা পৰিয়ালৰ আন সভ্যসকলে উপযুক্তভাৱে জীৱন-ধাৰণৰ বাবে পুষ্টিকৰ আহাৰ খাই ৰক্তহীনতা বা অপুষ্টিত ভোগাৰ পৰা ৰক্ষা পালেহেঁতেন। হিন্দী প্ৰশ্নকাকতৰ ব্যৱস্থা কৰা প্ৰক্ৰিয়াৰ দ্বাৰা প্ৰতিফলিত হয় যে অসমৰ বিজেপি নেতাসকলে থলুৱা বা নিজৰ জাতিক বঞ্চনা কৰি নিজৰ ৰাজনৈতিক কেৰিয়াৰৰ বাবে কেন্দ্ৰীয় নেতৃত্বক সন্তুষ্ট কৰিবলৈ তথা অধিক হিন্দুত্ববাদী দেখুৱাবলৈ জাতিটোকে উপযুক্ত প্ৰাপ্যৰ পৰা বঞ্চিত কৰিলে। অসমৰ বৰ্তমানৰ চৰকাৰখনৰ বিভিন্ন কামৰ দ্বাৰা প্ৰতিফলিত হৈছে যে তেওঁলোক বিজেপিৰ মুখ্য লক্ষ্য 'এক জাতি, এক ভাষা, এক দেশ' পূৰ্ণ কৰিবলৈ গৈ অসমীয়া জাতিকে বলি দিবলৈ ওলাইছে।

এই সংক্ৰান্তত উল্লেখ কৰিব পাৰো যে ষাঠি-সত্তৰ দশকত আমি যেতিয়া ভাৰতীয় ষ্টেট বেংকৰ কামত সোমাইছিলো, অধিকাংশ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী থলুৱা নাছিল। আমি কেইজনমানৰ সমূহীয়া প্ৰচেষ্টাত অনুষ্ঠানটোত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰায় 90 শতাংশ পদে যাতে থলুৱা লোকে দখল কৰিব পাৰে তাৰে কৌশল লৈছিলো আৰু আমাৰ প্ৰচেষ্টাত এই পদবোৰত 90 শতাংশ পদতেই থলুৱা লোক মকৰল হৈছিল। বৰ্তমান বেংকৰ নিয়োগৰ আঞ্চলিক নিয়োগ কেন্দ্ৰটো বন্ধ কৰি সৰ্বভাৰতীয় নিয়োগ কেন্দ্ৰৰ পৰা পৰীক্ষা পাতি নিয়োগ কৰা পদ্ধতি প্ৰৱৰ্তন কৰাৰ ফলত বেংকত বহুসংখ্যক তৃতীয় বৰ্গৰ পদ হিন্দীভাষী প্ৰাৰ্থীয়ে বিশেষকৈ বিহাৰী প্ৰাৰ্থীয়ে দখল কৰিছে। এতিয়া বেংকৰ আনকি অনেক গাঁৱলীয়া শাখাত বিহাৰী কেৰাণীহে দেখা পোৱা যায়। অসমৰ নিচিনা অৰ্থনৈতিকভাৱে অনগ্ৰসৰ ৰাজ্য এখনত, যিখন ৰাজ্যৰ অৰ্থনীতিৰ বিভিন্ন দিশ উন্নত নকৰাৰ বাবে স্বনিয়োজনৰ উৎস সৃষ্টি কৰাটোও কঠিন সেই ৰাজ্যখনত বহিঃৰাজ্যৰ বিশেষকৈ হিন্দীভাষী প্ৰাৰ্থীক স্বাগতম জনোৱাৰ ব্যৱস্থা কৰিলে ইতিমধ্যেই দৰিদ্ৰত পৰিণত হোৱা অসমীয়া জাতিটো অস্তিত্বহীন হৈ যাব।

ফোন ঃ 9435041203

## ধাৰ্মিকৰ অৱলম্বন ঈশ্বৰ নাস্তিকৰ অৱলম্বন কি?

**অভিমত**

**যোৱা** পাঁচ আগষ্টৰ 'দৈনিক অগ্ৰদূত'ৰ 'জীৱন জিজ্ঞাসা' শিতানত প্ৰকাশিত 'ধাৰ্মিকৰ অৱলম্বন ঈশ্বৰ, নাস্তিকৰ অৱলম্বন কি?' শীৰ্ষক নিবন্ধত লেখক জয়কান্ত শৰ্মা (কনিষ্ঠ)ই তেওঁৰ মনত সত্য বুলি বিবেচিত ধাৰণা প্ৰকাশ কৰিছে। প্ৰতিজন মানুহৰ আস্থা আৰু বিশ্বাস একে নহয়। গতিকে কাৰোবাৰ আচৰণে কাৰোবাৰ মনত দুখ দিয়াৰ লগতে সেয়া অশুদ্ধ বা অসত্য বিবেচিত হ'ব পাৰে। এই অশুদ্ধ আৰু অসত্য আচৰণসমূহ সংস্কাৰ কৰিবলৈ শৰ্মাই যি পদক্ষেপ গ্ৰহণ কৰিছে, সেই বিষয়ে মোৰ অভিমত দাঙি ধৰিলো।

মনটো এনেকুৱা এটা বস্তু নহয় যে তাক-বিজ্ঞানাগাৰত ভৰাই তন্নতন্নকৈ পৰীক্ষা কৰি মনৰ ভিতৰত কি চলি আছে, তাক গম পাব পাৰি। প্ৰতি মহূৰ্তত বা প্ৰতিক্ষণত মনৰ পৰিৱৰ্তন হ'ব পাৰে। এজন ধৰ্মপৰায়ণ লোকো মুহূৰ্তৰ ভিতৰত ক্ৰোধ বা লোভকৰ বশৱৰ্তী হৈ অপকৰ্মত লিপ্ত হ'ব পাৰে। এজন নাস্তিকেও জীৱৰ ধৰ্ম পালন কৰি অহংকাৰ ত্যাগ কৰি সৎকৰ্মত প্ৰকৃত হ'ব পাৰে। গতিকে প্ৰতিজন মানুহৰ মন বুজি পোৱা সম্ভৱ নহয়। সেয়ে পূৰ্বৰ ঋষি মুনিসকলে বিভিন্ন ধৰণৰ গৱেষণা, নিৰীক্ষা কৰি মনৰ ধাৰণা যুক্তিৰে বিশ্লেষণ কৰি সিদ্ধান্তত উপনীত হৈ সেই ধাৰণাসমূহ প্ৰচাৰ আৰু প্ৰসাৰ কৰি মানুহক সৎ পথত অৱতীৰ্ণ কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ অংশ স্বৰূপ 'ঈশ্বৰ ধাৰণা'। ঈশ্বৰ ধাৰণাই মানুহৰ সহজাত প্ৰবৃত্তি কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য নিমন্ত্ৰণ কৰিব পাৰে বুলি ধাৰণা কৰিছিল। মানুহে 'ঈশ্বৰ ধাৰণা' কৰি উপকৃত হোৱাত মানুহে তাকে অনুসৰণ কৰিবলৈ ধৰিলে। কালক্ৰমত এই ধাৰণাই প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিলে। বেদ, ব্ৰহ্মসূত্ৰ, গীতা, ভাগৱত, নামঘোষা, কীৰ্তন আদি তাৰ প্ৰমাণ।

তেওঁৰ নিবন্ধত এটা কথা স্পষ্ট ৰূপত প্ৰকাশ পাইছে যে ঈশ্বৰ ধাৰণা কৰি ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ কৰি, ঈশ্বৰৰ গুণানুকীৰ্তন কৰি ভক্তিত বিলীন হৈ যোৱা ধাৰ্মিকসকল তোষামোদকাৰী আৰু নাস্তিকসকল, যিয়ে ঈশ্বৰৰ অস্তিত্ব বা ব্যাপ্তি স্বীকাৰ নকৰে, সেইসকল মানসিকভাৱে সবল, শক্তিশালী আৰু সাহসী। নাস্তিকসকল গভীৰভাৱে আত্মবিশ্বাসী। নাস্তিকসকলৰ নিজৰ ওপৰত বিশ্বাস অধিক বাবেই আত্ম-নিৰ্ভৰশীল। তেওঁৰ অৱলম্বন তেওঁ নিজেই বাবে নিজৰ সহায়ক, ৰক্ষক আৰু নিৰ্ণায়কো। শৰ্মাৰ মতে সকলো মানুহ নাস্তিক হ'লে দেশত শান্তি বিৰাজ হ'ব। ধাৰ্মিকসকলেহে অশান্তি সৃষ্টি কৰিছে।

শৰ্মাই ধাৰ্মিক আৰু নাস্তিকৰ মাজত পাৰ্থক্য দেখুৱাবলৈ গৈ ধাৰ্মিকসকলক আজান ডেঁহীয়া (জানিও নজনাৰ ভাও ধৰি ইতিকিং কৰা) সুৰেৰে মনত আঘাত হানিছে। কোনোবাই নাস্তিক হৈও যদি দহৰ, দেশৰ, সমাজৰ, জাতিৰ আৰু নিজৰ মংগলৰ বাবে কাম কৰিছে, সেইটো প্ৰশংসনীয়। কিয়নো তেওঁ সংযমেৰে মনক নিয়ন্ত্ৰণ কৰিব পাৰিছে। তেনে ব্যক্তিক সমাজে সন্মান দি আহিছে আৰু দি থাকিব, কিয়নো সেৱাই হৈছে জীৱৰ চিৰলগৰীয়া। সেৱা আগবঢ়োৱাটো জীৱৰ সনাতন ধৰ্ম। কিন্তু যিসকল লোকৰ মন চঞ্চল, অস্থিৰ সেইসকল লোকে প্ৰকৃত আধ্যাত্মিক গুৰুৰ উপদেশ মানি সৰ্বশক্তিমান শক্তিৰ ওচৰত আত্মসমৰ্পণ কৰি সহজাত প্ৰবৃত্তিসমূহক নিয়ন্ত্ৰণ কৰিবলৈ অভ্যাস কৰাটো শৰ্মাৰ মনত কিয় দোষণীয় বুলি অনুভৱ হ'ল?

প্ৰকৃত গুৰুৰ ধৰ্মৰ বাণী আৰু গুৰুৰ বচন আখৰে আখৰে পালন কৰিব পাৰিলে, জীৱনত তেওঁ কেতিয়াও অহংকাৰৰ বশৱৰ্তী হৈ অসৎ কাৰ্যত লিপ্ত নহয়। নিয়ম আৰু সংযমৰ মাধ্যমত মনক নিয়ন্ত্ৰণ কৰি ভক্তিপথত অৱতীৰ্ণ হোৱাটো বৰ কষ্টকৰ আৰু জটিল। তাৰ কাৰণে সাধনাৰ প্ৰয়োজন। এজন সৎগুৰুৱে প্ৰকৃত মাৰ্গদৰ্শন কৰিব পাৰে। উদাহৰণ স্বৰূপে এজন মানুহে স্বাস্থ্যৰ ক্ষতিকাৰক দ্ৰব্য ভক্ষণ কৰে। বাৰে বাৰে চেষ্টা কৰিও তেওঁ সেই অভ্যাস পৰিত্যাগ কৰিব পৰা নাই। এজন সৎ মানুহ তেওঁক উপদেশ দি সেই বদঅভ্যাস পৰিত্যাগ কৰাবলৈ বাধ্য কৰালে। সৎ মানুহজনৰ উপদেশ মতে স্বাস্থ্যৰ ক্ষতিকাৰক দ্ৰব্য ভক্ষণৰ অভ্যাস ত্যাগ কৰিলে। তেওঁ নিজেই শান্তি পালে আৰু আনকো সুখী কৰিলে। মানুহজনৰ মনত সেই সৎ ব্যক্তিজন গুৰুৰূপে অধিষ্ঠিত হ'ল। গতিকে গুৰুৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কিন্তু শৰ্মাই বিপৰীত স্থিতি গ্ৰহণ কৰিছে। ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে মনক তিনিটা কাৰকে ক্ৰিয়া কৰি মনত ক্লেশৰ সৃষ্টি কৰে। সেই তিনিটা কাৰক হ'ল অবিদ্যা (অজ্ঞানতা), অস্মিতা (অহংকাৰ), দ্বেষ (হিংসা)। এই তিনিটা কাৰকৰ কোনোবা এটা কাৰকে ক্ৰিয়া কৰি মনত নেতিবাচক ধাৰণাৰ জন্ম দিছে। আধ্যাত্মিক চিন্তাইহে ইয়াৰ অৱসান ঘটাব পাৰিব।

চকুৰে দেখা বা কাণেৰে শুনা সকলো কথা সত্য নহ'বও পাৰে। গতিকে সত্য বুলি বিবেচনা কৰাৰ পূৰ্বে নিজৰ মনত সত্যাসত্যৰ বিচাৰ কৰি ল'ব লাগিব। যদি দুদোল্যমান স্থিতিত অৱস্থান কৰিবলগীয়া হয়, তেনেহ'লে সৎ সংগৰ লগত আলোচনা কৰি পৰামৰ্শ গ্ৰহণ কৰি, সেই পৰামৰ্শ মনত জুকিয়াই চাই সত্য নিৰূপণ কৰিবলৈ চেষ্টা কৰিব লাগিব। সত্য নিৰূপণ হোৱাৰ পাছত সেই সত্য প্ৰকাশ কৰিলে দেশৰ, জাতিৰ, দহৰ বা নিজৰ অমংগল হ'ব পাৰে নেকি, সেই বিষয়ে বিচাৰ বিবেচনা কৰিব লাগিব। এটা সত্য কথা প্ৰকাশৰ বাবে প্ৰাণৰো সংশয় হ'ব পাৰে। সেয়ে জ্ঞানীলোকে অপ্ৰিয় সত্য কথা ক'বলৈ মানা কৰিছে। সত্য কথাই শত্ৰু সৃষ্টি নকৰে। কিন্তু অপ্ৰিয় সত্য কথাই মনত আঘাত হানিব পাৰে। সেয়ে অপ্ৰিয় সত্য কথা কোৱাৰ পৰা বিৰত থকা উচিত।

শৰ্মাই ভগৱানক ভক্তি কৰা ভক্তসকলৰ আচৰণসমূহ দেখি শুনি মনৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। তেওঁৰ মনৰ বিচাৰধাৰা একে ভাষাৰে অশুদ্ধ বা অযুক্তিকৰ বুলি ক'ব নোৱাৰি। সমাজত ঘটি থকা ঘটনা প্ৰবাহৰ ওপৰত আলোকপাত কৰি মন্তব্য আগবঢ়াইছে। গভীৰভাৱে চিন্তা কৰিলে সকলো মিছা, ভগৱানেই সত্য। ঈশ্বৰক ভয় নকৰা মানুহ থাকিব পাৰে, কিন্তু সত্যক ভয় নকৰা মানুহ পৃথিৱীত নাই। প্ৰতিজন মানুহৰ আস্থা আৰু বিশ্বাস বিভিন্ন প্ৰকাৰৰ। এই আস্থা আৰু বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি আচৰণ কৰে। শুদ্ধ বিচাৰ নহ'লে শুদ্ধ আচৰণ সম্ভৱ নহয়। সেয়ে প্ৰকৃত গুৰুৰ প্ৰয়োজনীয়তা আহি পৰিছে। তথাকথিত গুৰুসকলে বৃত্তি, ধৰ্ম, জাতি, ৰাজনৈতিক তোষামোদ আদিৰ পাকচক্ৰত সোমাই মানুহৰ মনত কিছুমান লৌকিক অবান্তৰ নীতি-নিয়ম, বিধি-বিধান সোমাই মানুহখিনিক বিপথে পৰিচালিত কৰিছে। সেয়ে এনে গুৰুৰ কৰ্ম-কাণ্ড দেখি শুনি অতিষ্ঠ হৈ পৰিছে। শংকৰদেৱ, মাধৱদেৱ গুৰু দুজনাই দেশৰ, দহৰ আৰু জাতিৰ মংগলৰ বাবে সহজ সৰল উপায় অৱলম্বন কৰি মানুহক এক কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু স্বাৰ্থন্বেষী, বিচ্ছিন্নতাবাদী আৰু সুবিধাবাদীসকলৰ পাকচক্ৰত পৰি ইও এক জটিল ৰূপত অৱতীৰ্ণ হ'বলৈ আগবাঢ়িছে। শৰ্মাই যিধৰণৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি জনমত গঠনৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে, সেইটো কিমান মসৃণ সেইটো বিচাৰ্যৰ বিষয়। জ্বলা জুইত ঘি ঢালি দিয়াৰ অৱস্থা যাতে নহয়, তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। গীতাৰ এই শ্লোকটি ইয়াৰ স'তে খাপখোৱা।

ন বুদ্ধিভেদং জনয়েদ অজ্ঞানম্ কৰ্ম সংগিনাম্

জ্যোষয়েৎ সৰ্বকৰ্মাণি বিদ্যানযুতঃ সমাচাৰণ।।

অসমীয়া ভাঙনি ঃ জ্ঞানীলোকসকলে, কৰ্মফলৰ প্ৰতি আসক্তি ৰাখি কাম কৰা অজ্ঞানীসকলক বুদ্ধিৰ ভ্ৰম জন্মাব নালাগে। বৰঞ্চ নিজে ভক্তি যুক্ত হৈ সকলো কাম কৰি (আদৰ্শ দেখুৱাই) অজ্ঞানীসকলক কামত নিযুক্ত কৰাবহে লাগে। অৰ্থাৎ কৌশলগত ভাৱে অজ্ঞানীসকলৰ মনৰ পৰা কুসংস্কাৰ, অন্ধবিশ্বাস আদি আঁতৰাবলৈ নিজে আদৰ্শ দাঙি ধৰিব লাগিব।

চাৰি শ্ৰেণীৰ মানুহে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰি ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ কৰে। সেই শ্ৰেণীকেইটা হৈছে (১) আৰ্ত (২) জিজ্ঞাসু (৩) অৰ্থাৰ্থী আৰু (৪) জ্ঞানী।

তিনি শ্ৰেণীৰ মানুহে ঈশ্বৰৰ অস্তিত্ব সাময়িকভাৱে স্বীকাৰ নকৰে, কিন্তু শেষত ঈশ্বৰে সত্য বুলি স্বীকাৰ কৰি ঈশ্বৰৰ ওচৰত মূৰ নত কৰে। সেই শ্ৰেণীকেইটা হ'ল—

১। যিজন হতাশাগ্ৰস্ত, নিজৰ প্ৰতি যাৰ আসক্তি নাই। হতাশাগ্ৰস্তভাৱ সাংসাৰিক সমস্যাৰ পৰা উৎপত্তি হয়।

২। যি নিজৰ শক্তি, ক্ষমতা আৰু জ্ঞানৰ ওপৰত বিশ্বাসী হৈ অহংকাৰী হয়।

৩। অখাদ্য ভক্ষণ কৰি যি নিজৰ অস্তিত্ব পাহৰি থাকে।

বৰ্তমান আৰু এক শ্ৰেণীৰ মানুহ আছে, যি অন্তৰত ঈশ্বৰ ভাৱনা পুহি ৰাখে, কিন্তু মুখত বা লিখনিত নিৰশ্বৰবাদী বা নাস্তিক বুলি জাহিৰ কৰে। এনে শ্ৰেণী মানুহৰ পয়োভৰ শিক্ষিত সমাজত বেছিকৈ দেখিবলৈ পোৱা যায়।

ঈশ্বৰৰ অস্তিত্ব আৰু প্ৰাৰ্থনা শক্তিত বিশ্বাস নকৰা সন্দৰ্ভত তলৰ কথাখিনি উল্লেখ কৰা হ'ল—

ঈশ্বৰৰ অস্তিত্ব যি ব্যক্তিয়ে বিশ্বাস নকৰে, তেওঁ অহংকাৰী। তদুপৰি সেইজনে ব্যক্তিয়ে যিকোনো অসৎ কাৰ্য সম্পাদন কৰিব পাৰে। তেনে ব্যক্তিয়ে নিজৰ শক্তি আৰু সামৰ্থৰ ওপৰত বিশ্বাস কৰে আৰু নিজকে সৰ্বময়কৰ্তা বুলি ভাৱে। ঈশ্বৰীয় চিন্তাই মনক সংযমী কৰি বিনয়ী হ'বলৈ অনুপ্ৰেৰণা যোগায়। ঈশ্বৰীয় চিন্তাই মন স্থিৰ কৰি মানুহৰ সহজাত ইন্দ্ৰিয় দমনত সহায় কৰে। এখন শৃংখলাবদ্ধ সমাজ 'ঈশ্বৰীয় চিন্তা' অবিহনে গঢ়ি তোলা সম্ভৱ নহয়। প্ৰাৰ্থনাৰ জৰিয়তে ঈশ্বৰৰ গুণানুকীৰ্তনে মনক কামনা বাসনাৰ প্ৰবৃত্তি মাৰ্গৰ পৰা নিবৃত্তি মাৰ্গলৈ নি বৈৰাগ্যৰ ভাৱ জাগ্ৰত কৰি সেৱাৰ মনোভাৱ গঢ়ি তুলিব পাৰে। ঈশ্বৰীয় চিন্তা অবিহনে মনক সহজাত প্ৰবৃত্তিৰ পৰা নিবৃত্তি মাৰ্গলৈ নিয়া সম্ভৱ নহয়। ঈশ্বৰৰ অস্তিত্ব বিশ্বাস নকৰিলে মানুহ আৰু পশুৰ মাজত পাৰ্থক্য কমি যাব।

শৰ্মাই বিজ্ঞানৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। বিজ্ঞানৰ আশীৰ্বাদত মানুহে আৰাম দায়ক জীৱন যাপন কৰিব পাৰিছে। পৃথিৱীখন একেবাৰে ওচৰ চপাই আনিব পাৰিছে। সঁচা কথা। সকলো, বৈজ্ঞানিক দৃষ্টিভংগীৰে বিচাৰ বিবেচনা কৰিব লাগে। যাক লৈ ইমান গৰ্ব, অহংকাৰ কৰা হৈছে, সেই বিজ্ঞানো দৰ্শনৰ পৰা উৎপত্তি হৈছে। 'বিজ্ঞান' দৰ্শনৰ এটা ক্ষুদ্ৰ অংশহে মাত্ৰ। বিজ্ঞানে দৰ্শনৰ স্তৰ ঢুকি পাবলৈ বহুত বছৰ অপেক্ষা কৰিব লাগিব। বিজ্ঞানে বস্তুবাদৰ ওপৰত গুৰুত্ব প্ৰদান কৰে, কিন্তু দৰ্শনে আধ্যাত্মিকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি সেৱাৰ মনোবৃত্তি জাগ্ৰত কৰি শান্তি প্ৰতিষ্ঠাত অৰিহণা যোগায়। বস্তুবাদী চিন্তাৰ ধাৰাই সমাজত ঘৰি থকা নিষ্ঠুৰ ঘটনাসমূহৰ মূল কাৰক। সেয়ে বস্তুবাদী চিন্তাৰ লগতে আধ্যাত্মিক চিন্তাৰ কথাও চিন্তা কৰিবৰ হ'ল। নহ'লে মানুহৰ মাজত থকা সম্বন্ধসমূহ অতীত হ'বলৈ বেছিদিন অপেক্ষা কৰিব নালাগিব।

**জ্যোতিষ চন্দ্ৰ দত্ত**

হাতীগাঁও, গুৱাহাটী

ফোন ঃ ৯৮৫৪০৪১৮১৫



## বিদেশৰ বজাৰত অসম চাহৰ বিশেষ চাহিদা

শ্ৰীলংকাৰ আভ্যন্তৰীণ অৰ্থনৈতিক বিপৰ্যয়ৰ বাবে শ্ৰীলংকাৰ ঘৰুৱা চাহপাত বিদেশ ৰাষ্ট্ৰলৈ ৰপ্তানি কৰাৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সৃষ্টি হৈছে। শ্ৰীলংকা চাহপাত ৰপ্তানিৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰত দ্বিতীয়। বিশ্বত ২৩ শতাংশ চাহপাত শ্ৰীলংকাই ৰপ্তানি কৰে। এনে অৰ্থনৈতিক বিপৰ্যয়ৰ সুবিধা অসমৰ চাহপাতে বিদেশৰ বজাৰত চাহিদা ল'বলৈ সক্ষম হৈছে। শ্ৰীলংকাৰ অৰ্থনৈতিক দুৰ্দশাৰ বাবে আন্তৰ্জাতিক চাহপাতৰ বজাৰখনত প্ৰভাৱ পৰিছে। শেহতীয়া নতুন তথ্য মতে, ভাৰতে চাহপাত ৰপ্তানিৰ ক্ষেত্ৰত ২০২১ত ১৯৬.৫৪ মিলিয়ন কেজি মূল্যত প্ৰায় পাঁচ কোটি টকা উপাৰ্জন কৰিছে। শতকৰা হিচাপত ১০ শতাংশ শ্বেয়াৰ মাৰ্কেট ল'বলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত অৰ্থডক্স চাহপাত (৮০) শতাংশ ভাৰতৰ পৰা ৰপ্তানি হৈছে। এই অৰ্থডক্স চাহপাত অসম আৰু পশ্চিমবংগই একেলগে শতকৰা ৬২ শতাংশ উৎপন্ন কৰিছে। পশ্চিমবংগই বৃহৎসংখ্যক ৰপ্তানিৰে ভাৰতৰ ভিতৰত প্ৰথম ৰাজ্য হিচাপে স্থান দখল কৰিছে। অৰ্থডক্স চাহপাতৰ বজাৰৰ ক্ষেত্ৰত অসমৰ উৎপন্ন যথেষ্ট ভাল। এই ক্ষেত্ৰত অসম চৰকাৰে প্ৰতি কেজি অৰ্থডক্স চাহৰ ৰেহাই মূল্য সাত টকাৰ পৰা ১০ টকালৈ বৃদ্ধি কৰিছে। যিটো অসমৰ চাহপাত উদ্যোগৰ বাবে বিশেষ ৰেহাই বা সকাহ। তদুপৰি অসমৰ চাহপাত ভিয়েটনাম মালয়েছিয়াত আদি বিদেশ ৰাষ্ট্ৰবোৰত বিশেষ সমাদৰ। অসমৰ চাহপাতৰ বজাৰখন অধিক ত্বৰান্বিত কৰিবলৈ আৰু যথেষ্টখিনি কৰণীয় আছে। কেৱল চাহপাত নিলামৰ বিনিময়ত উপাৰ্জন কৰা টকা কেইটা যথেষ্ট নহয়। অসমত থকা ঐতিহ্যমণ্ডিত চাহ বাগিচাসমূহ পৰ্যটনৰ কেন্দ্ৰস্থলীলৈ ৰূপান্তৰিত কৰিব পৰা যায়। তদুপৰি থলুৱা মজলীয়া চাহপাতৰ ব্যৱসায়ীসকলক বিশেষ প্ৰাধান্য আৰু উপযুক্ত বজাৰ এখনৰ সুবিধা প্ৰদান কৰা প্ৰয়োজন আছে। যিটোৱে অসমৰ চাহপাতৰ ব্যৱসায়ীসকলৰ বজাৰখন আন্তৰ্জাতিক বজাৰত স্থান দখলত বিশেষ সহায় কৰিব। আনহাতে, চাহ বাগিচাত শ্ৰম কৰা শ্ৰমিকসকলৰ উপযুক্ত বেতন, ৰেছন, উন্নত চিকিৎসা প্ৰদান আৰু শ্ৰমিকসকলৰ ল'ৰা-ছোৱালীৰ উন্নত শিক্ষা ব্যৱস্থাৰ যোগেদি অসমৰ চাহ উদ্যোগৰ উন্নয়ন সম্ভৱ। এই ক্ষেত্ৰত ভাৰত চৰকাৰৰ টি ব'ৰ্ড আৰু অসমৰ পৰ্যটন বিভাগৰ যৌথ সহযোগত কিছু ফলপ্ৰসূ পলিচী প্ৰস্তুতৰ প্ৰয়োজন আছে। কিয়নো যি চাহপাতেৰে ব্ৰিটিছসকলে অসমৰ মাটিৰ পৰা দেশ-বিদেশলৈ অৰ্থনৈতিক বেহা কৰিছিল।

**নয়নজ্যোতি বৈশ্য**

ফোন ঃ ৯১০১২৪৩১৮৪

# ক'ভিডৰ গইনা লৈ ৰেলৰ চলাচল

*তিনি পৃষ্ঠাৰ পৰা* সন্থাৰ সম্পাদক দীপাংকৰ শৰ্মা, প্ৰাক্তন বিধায়ক অনন্ত ডেকা, ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গিৰিজানন্দ ভট্টাচাৰ্য, চিপিএমৰ নৃপেন নাথ, কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা হেমন্ত দাসৰ উপৰি ডাঃ মৃণাল ডেকা, মোছাৰেফ হুছেইনসহ বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সন্থাৰ সম্পাদক দিপাংকৰ শৰ্মাই তলাবন্ধৰ গইনালৈ ৰেল বিভাগে যাত্ৰীবাহী ৰেলসমূহ বাতিল কৰাৰ পাছত আজি পৰ্যন্ত ৰেলসমূহ আৰম্ভ নকৰাত ৰেল কৰ্তৃপক্ষক তীব্ৰ সমালোচনা কৰে।

তেওঁ কয় যে ইয়াৰ ফলত ৰাজ্যৰ বৃহৎ সংখ্যক ক্ষুদ্ৰ ব্যৱসায়ী, শিক্ষাৰ্থী, কৰ্মচাৰীসকল বিশেষ ভাৱে অসুবিধাৰ সন্মুখীন হৈছে। ইয়াৰ উপৰি একাংশ যাত্ৰীবাহী ৰেলক এক্সপ্ৰেছ ট্ৰেইনলৈ ৰূপান্তৰ কৰি ভাড়া বৃদ্ধি কৰাত স্থানীয় যাত্ৰীসকল যথেষ্ট হাৰাশাস্তিৰ সন্মুখীন হৈছে। আনহাতে, উত্তৰ-পূব সীমান্ত ৰেলৰ মহা প্ৰৱন্ধকে অনুমোদন জনোৱাৰ পাছতো ৰঙিয়া ৰেল ষ্টেছনত সকলো ৰাজধানী এক্সপ্ৰেছ ৰখোৱাৰ ব্যৱস্থা নকৰি ৰঙিয়াসহ এক বৃহত্তৰ অঞ্চলৰ যাত্ৰীক ৰেল বিভাগে বঞ্চনা কৰা বুলি অভিযোগ উত্থাপন কৰে। প্ৰতিবাদস্থলীত প্ৰাক্তন বিধায়ক অনন্ত ডেকাই এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাসহ মন্ত্ৰী-বিধায়ক আৰু অসমৰ সাংসদসকলক সমালোচনাৰে থকা-সৰকা কৰে। তেওঁ কয় যে ক'ভিডৰ সময়ত জ্যেষ্ঠ নাগৰিক, সাংবাদিক দুৰাৰোগ্য ৰোগীক ৰেহাই মূল্যত ৰেল যাত্ৰাৰ সুবিধা দিছিল। ক'ভিডৰ সংক্ৰমণ কমি যোৱাত স্বাভাৱিক জীৱন যাত্ৰা উভতি অহাৰ পাছতো ৰেহাই মূল্যত ভ্ৰমণ বন্ধ কৰি ৰখাটো ৰেল বিভাগৰ অমানৱীয় সিদ্ধান্ত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মন কি বাতৰ জৰিয়তে ৰাইজক মনৰ কথা কয় কিন্তু তেওঁ সাধাৰণ, দুখীয়া, নিপীড়িত বঞ্চিত জনতাৰ মনৰ কথা নুশুনাটো দুৰ্ভাগ্যৰ কথা। বিক্ষোভ কাৰ্যসূচীৰ অন্তত সন্থাৰ তৰফৰ পৰা ৰঙিয়া ৰেল ষ্টেছন অধীক্ষকৰ জৰিয়তে উত্তৰ-পূব সীমান্ত ৰেলৰ মহাপ্ৰৱন্ধকলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

# আলফাৰ মেজৰ জেনেৰেল জীৱন মৰাণৰ

*তিনি পৃষ্ঠাৰ পৰা* হয়। জটিল ৰোগত আক্ৰান্ত হৈ বিগত এমাহে গুৱাহাটীৰ জিএমচিএইছ আৰু এপ'ল' হাস্পতালত চিকিৎসাধীন হৈ আছিল আলফা নেতা জীৱন মৰাণ। উল্লেখ্য যে ১৯৫৫ত কাকপথাৰ উৰন গাঁৱত জাপান ডাঙৰীয়া আৰু ঠেছেৰী ডাঙৰীয়াৰ ঔৰসত জন্মগ্ৰহণ কৰা জীৱন মৰাণে ১৯৮৪ত আলফাত যোগদান কৰি সংগঠনটোৰ বিত্ত সম্পাদক, সহকাৰী সাধাৰণ সম্পাদক হিচাপে দায়িত্ব পালন কৰাৰ উপৰি মেজৰ জেনেৰেল হিচাপে দায়িত্ব পালন কৰিছিল। আলফা নিষিদ্ধ হোৱাৰ আগৰ পৰাই দায়িত্ব পালন কৰিছিল। তেওঁৰ সৈনিক নম্বৰ ২০ আছিল। তেওঁৰ নাম গুপ্ত ডাঙৰীয়া যদিও জীৱন মৰাণ ৰূপে পৰিচিত হৈ পৰিছিল। বয়স আৰু অসুখে আমনি কৰাৰ বাবে ২৫ এপ্ৰিল ২০২১ত আলফা (স্বাঃ)ৰ পৰা স-সন্মানে অব্যাহতি দিয়া হৈছিল আৰু তাৰ পাছতে পৰা চিকিৎসাধীন হৈ আছিল। তেওঁৰ মৃত্যুত আলফা (স্বাঃ)ৰ সৰ্বাধিনায়ক সেনাধ্যক্ষ পৰেশ অসমে নেতাজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। আলফা (স্বাঃ)ৰ বাবে তেওঁৰ উৎসৰ্গিক সদায় মনত ৰাখিব বুলি উল্লেখ কৰি আলফা (স্বাঃ)-ই জীৱন মৰাণক 'অমৰ মৃতক' ঘোষণা কৰা বুলি সদৰী কৰিছে। ইপিনে, তেওঁৰ মৃতদেহ কাইলৈ জন্মস্থান উৰন গাঁৱলৈ লৈ যোৱা হ'ব।

# চাচনী আমগুৰিত ড্ৰাগছ বিৰোধী অভিযান

*তিনি পৃষ্ঠাৰ পৰা* বাহিনী আৰু গাঁৱৰ ৰাইজৰ সহযোগত আমগুৰি গাঁৱৰে নিবাসী সঞ্জয় খনিকৰ ঘৰৰ অৰ্ধনিৰ্মিত এটা শৌচাগাৰৰ কোমোদত লুকুৱাই থোৱা অৱস্থাতে ১০ টা চাধা টেমাৰ ভিতৰত মুঠ ১১.৬২ গ্ৰাম সন্দেহজনক হেৰ'ইন জব্দ কৰে। সঞ্জয় খনিকৰ পলাতক অৱস্থাত আছে যদিও তেওঁৰ পত্নী কৰবী খনিকৰক সোধপোছৰ বাবে প্ৰাৰম্ভিক পৰ্যায়ত আটক কৰিছে বুলি আৰক্ষীয়ে সদৰী কৰিছে। ইফালে গাঁওৰক্ষী বাহিনীয়ে নাহৰকটীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰাঞ্জল চেতিয়া, চাচনী আৰক্ষী চকীক এই কাৰ্যৰ বাবে ধন্যবাদ দিয়াৰ উপৰি ভৱিষ্যতে আৰক্ষীৰ লগত গাঁওৰক্ষী বাহিনীয়েও এইধৰণৰ অপৰাধমূলক কাৰ্যকলাপৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিব বুলি সদৰী কৰে। বাতৰি লিখাৰ পৰলৈকে আৰক্ষীয়ে এনডিপিএছ আইনৰ অধীনত এটা গোচৰ ৰুজু কৰি আটকাধীন মহিলাগৰাকীক মহিলা আৰক্ষীৰ উপস্থিতিত জেৰা কৰি আছে।

# চৰকাৰে নিৰ্মাণ কৰিব তিনি হেজাৰ

*তিনি পৃষ্ঠাৰ পৰা* অমৃত সৰোবৰৰ কামৰ আৰম্ভ কৰিব। অহা ১৭ ছেপ্টেম্বৰত প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিনটোত ৰাজ্য চৰকাৰে এক হেজাৰটা অমৃত সৰোবৰ নিৰ্মাণৰ কামৰ আৰম্ভ কৰিব।' মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বৰপেটাৰোডত এই কথা প্ৰকাশ কৰিছে। তেওঁ জনোৱা অনুসৰি সিদিনাই ৰাজ্য চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ লগত সংগতি ৰাখি পুনৰাই এক লাখ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ ঘৰ হিতাধিকাৰীক প্ৰদান কৰিব। উল্লেখ্য ইয়াৰ পূৰ্বে ৰাজ্য চৰকাৰে যোৰহাটত একেলগে পাঁচ লাখ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ প্ৰদান কৰাৰ পাছত এইটো ৰাজ্য চৰকাৰৰ দ্বিতীয় অভিলেখ সংখ্যক দুখীয়া হিতাধিকাৰীক গৃহ প্ৰদানৰ আঁচনি। উল্লেখ্য আজি মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে তেওঁৰ গৃহ চহৰ বৰপেটাৰোডত উপস্থিত থকাই নহয়, বৰপেটাৰোড চহৰৰ ১৬০ নম্বৰ বুথ সভাপতি হিচাপে নিজৰ বুথত উপস্থিত থাকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানত উপস্থিত থাকে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানক বিজেপি দলৰ দলীয় অনুষ্ঠান বুলি নাভাবি ইয়াক জনসাধাৰণৰ অনুষ্ঠান বুলি ভাবিলে ৰাইজৰে উপকাৰ হ'ব বুলি কোৱাৰ লগতে এই অনুষ্ঠান এক প্ৰেৰণাৰ উৎস বুলিও মন্ত্ৰী দাসে মত প্ৰকাশ কৰে।

# শিৱসাগৰত সত্ৰীয়া শিল্পী কৌশিক সন্দিকৈৰ

*তিনি পৃষ্ঠাৰ পৰা* কোঠাতেই নৈশ যাপন কৰিছিল। ঘটনাৰ সন্দৰ্ভত শিৱসাগৰ সদৰ আৰক্ষী থানাত দাখিল কৰা এজাহাৰত পুৱতি নিশা দুই বজাৰ পাছত এই চুৰি কাৰ্য সংঘটিত হোৱা বুলি সন্দেহ কৰা শিল্পীজনে পুৱাহে এই সমগ্ৰ ঘটনাৰ বিষয়ে জ্ঞাত হয়। ইতিমধ্যে শিৱসাগৰ সদৰ আৰক্ষীয়ে সন্দিকৈৰ এজাহাৰৰ ভিত্তিত এটা গোচৰ পঞ্জীয়ন কৰি অনুসন্ধান অব্যাহত ৰাখিছে যদিও বাতৰি লিখা পৰলৈকে চুৰি সামগ্ৰী অথবা চোৰৰ সন্ধান উলিয়াবলৈ আৰক্ষী সক্ষম হোৱা নাই। উল্লেখ্য যে শিৱসাগৰ আৰক্ষীৰ কঠোৰ স্থিতিৰ বাবেই বিগত কিছুদিন ধৰি চহৰ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত, চুৰি, লুটপাটৰ লগতে অসামাজিক চক্ৰৰ তৎপৰতা হ্ৰাস পাইছিল যদিও শেহতীয়াকৈ পুনৰ এই চক্ৰসমূহৰ সক্ৰিয়তা দিনক দিনে বৃদ্ধি পোৱাৰ ঘটনাই সৰ্বসাধাৰণ ৰাইজক চিন্তিত কৰি তুলিছে। উল্লেখ্য যে শিল্পী সন্দিকৈয়ে আজিৰ পৰা মাত্ৰ এটা পষেকৰ পূৰ্বে নগৰৰ যুৱ দল প্ৰেক্ষাগৃহত লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনা 'চম্পাৱতী' সাধুক সত্ৰীয়া নৃত্যৰ আধাৰত মঞ্চস্থ কৰি উজনি অসমবাসী ৰাইজৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল।

# কংগ্ৰেছ শিবিৰত বিসম্বাদ ঃ লাওখোৱা

*তিনি পৃষ্ঠাৰ পৰা* আনহাতে, কলিয়াবৰ মহকুমাৰ অন্তৰ্গত লাওখোৱা সমবায় সমিতিৰ দীৰ্ঘদিন ধৰি নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। যাৰ বাবে সমবায় বিভাগৰ এজন পৰিদৰ্শকক তদৰ্থ সমিতিৰ সভাপতিৰূপে মনোনীত কৰি সমিতি চলাই আহিছে। জানিব পৰা মতে, সমিতিৰ সম্পাদক আবুল হোছেইনৰ কূটকৌশলৰ বাবে সমিতিৰ নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। যাৰ বাবে পছন্দৰ বিষয়াক বহুৱাই লৈ সম্পাদক আবুল হোছেইনে সমিতিত চলাই আহিছে অবাধ দৌৰাত্ম্য। আবুল হোছেইনে নিজৰ মইমতালিৰে চলাই আহিছে সমিতিৰ সমস্ত কাম-কাজ। সম্পাদকৰ মইমতালিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ কাৰো সাহস নাই। কিন্তু বছৰৰ পাছত বছৰ ধৰি সমিতিৰ নিৰ্বাচন অনুষ্ঠিত নোহোৱা সত্ত্বেও সমবায় বিভাগে গ্ৰহণ নকৰিলে কোনো ধৰণৰ পদক্ষেপ। সমিতিৰ নিৰ্বাচন অনুষ্ঠিত নোহোৱাৰ কাৰণসমূহ সমবায় বিভাগে দূৰীকৰণৰ বাবে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰি সম্পাদকক অবাধ দৌৰাত্ম্য চলোৱাৰ ক্ষেত্ৰত সমবায় বিভাগে হাত উজান দিয়া বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# সাম্প্ৰতিক সময়ত সমন্বয়-সম্প্ৰীতিৰ মাজত

*তিনি পৃষ্ঠাৰ পৰা* আৰু সম্প্ৰীতিৰ এই ধাৰাবাহিকতাত যেন ক'ৰবাত ঘুণে ধৰিছে।' এই মন্তব্য বিশিষ্ট লেখক, সাংবাদিক তথা অসম চৰ-চাপৰি সাহিত্য সভাৰ সভাপতি খবিৰ আহমেদৰ। আজি নগাঁও জিলা জমিয়তৰ উদ্যোগত চহৰখনৰ খগেন মহন্ত প্ৰেক্ষাগৃহত অনুষ্ঠিত সদ্ভাৱনা সংসদ অনুষ্ঠানত অংশগ্ৰহণ কৰি আহমেদে লগতে আৰু কয়, 'ভাৰতবৰ্ষ আৰু অসমত এটা বিশেষ ৰাজনৈতিক দলৰ চৰকাৰ চলিছে। এই দলটোৱে নিজকে অৰাজনৈতিক সংগঠন বুলি দাবী কৰা আন এটা সংগঠনৰ নীতি-আদৰ্শ অনুসৰণ কৰি কাম কৰি আছে। এটা নিৰ্দিষ্ট এজেণ্ডালৈ কাম কৰা এই সংগঠনটোৱে চৰকাৰী সহায়-সমৰ্থনত নিজৰ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা চলাইছে অহৰহ। তেওঁলোকৰ লক্ষ্য ভাৰতত এখন হিন্দু ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা। গণতান্ত্ৰিক দেশখনত মুছলমানৰ লগতে আন আন সংখ্যালঘু জাতি জনগোষ্ঠীকো সমান সন্মান বা মৰ্যাদা দিয়া হোৱা নাই। চৰকাৰৰ ফালৰ পৰা সহায় সাহায্য পাই একাংশ মানুহে সংখ্যাধিক্যবাদ বা প্ৰভুত্ববাদ চলাই আছে। তেওঁলোকে দেশৰ আইন, বিধি ব্যৱস্থা একোকেই মানিব নোখোজে। লগতে তেওঁলোকে সংখ্যালঘুৰ অস্তিত্ব আৰু অধিকাৰকো মানি ল'ব নোখোজে।' প্ৰভুত্ববাদীসকলক কঠোৰ সমালোচনা কৰি আহমেদে কয়, 'প্ৰভুত্ববাদীসকলে সততে দাবী কৰে যে এইখন ৰাজ্য বা এইখন দেশত কেৱল এটা শ্ৰেণীৰ লোকৰ প্ৰভুত্ব চলিব। তেওঁলোকে সৰু-সুৰা জাতি জনগোষ্ঠীৰ লোকৰ অস্তিত্ব নাইকিয়া কৰাৰ বাবে ভাৰতবৰ্ষৰ ভৱিষ্যতৰ ৰোড মেপ তৈয়াৰ কৰিছে।' স্বাধীনতা আন্দোলনত মুছলমানৰ ভূমিকাৰ প্ৰসংগ উল্লেখ কৰি খবিৰ আহমেদে কয়, 'দেশৰ স্বাধীনতা আন্দোলনত মুছলমানৰ ভূমিকা আছিল অপৰিসীম। আন নালাগে জালিৱানৱালাবাগৰ হত্যাকাণ্ডত মুঠ ৩৮০ জন ভাৰতীয়ৰ ভিতৰত ৬৩ জনেই আছিল মুছলমান সম্প্ৰদায়ৰ লোক। অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত, অবিভক্ত ভাৰতৰ পূব বংগৰ পৰা অহা পূৰ্ববংগীয় মূলৰ মুছলমানৰ ভূমিকা যথেষ্ট বুলি মন্তব্য কৰি তেওঁ কয় যে নগাঁও জিলাৰ আলিটাঙনীত উচমান আলী সদাগৰে ১৯০১ তে অসমীয়া মাধ্যমৰ বিদ্যালয় খুলিছিল। সদাগৰৰ দৰে উদাৰপন্থী নেতাসকলে অসমৰ অসমীয়াত্ত আৰু ভাৰতীয়ত্ত মানি লৈ মুছলিম লীগৰ পৰা আঁতৰি আহি গোপীনাথ বৰদলৈৰ নেতৃত্বত চৰকাৰ প্ৰতিষ্ঠা কৰিছিল। মুছলমানৰ মাজত এনে আদৰ্শ থকা লোকৰ আদৰ্শৰে উদ্বুদ্ধ হৈ যিকোনো মূল্যৰ বিনিময়ত ঘৃণা আৰু ভেদভাৱৰ ৰাজনীতি বন্ধ কৰিবলৈ আহমেদে আহ্বান জনায়। দেশৰ ঐক্য সংহতি, সমন্বয়, সম্প্ৰীতি আৰু সদ্ভাৱ বজাই ৰাখিবলৈ তেওঁ সকলো শ্ৰেণীৰ লোকক আহ্বান জনায়। জিলা জমিয়তৰ সভাপতি, মৌলানা আতাউৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিতৰ্কিত লেখিকা শিখা শৰ্মাই কয়, 'ধৈৰ্য, সহনশীলতা, আদৰ্শই হৈছে ইছলাম। ইছলাম ধৰ্মীয় লোকৰ পৱিত্ৰ ধৰ্ম গ্ৰন্থখন কেৱল এখন ধৰ্ম গ্ৰন্থই নহয়, ই এখন সম্পদ। আচলতে এই গ্ৰন্থখন এখন সংবিধান, এখন আইন, ন্যায়ৰ প্ৰতিমূৰ্তি, একতাৰ প্ৰতিফলন। শৰ্মাই দৈনিক এঘণ্টাকৈ কোৰান শ্বৰীফ পঢ়ে বুলি দাবী কৰি কয় যে কোৰান পঢ়া অথবা বুজা মানুহে কেতিয়াও বেয়া কাম কৰিব নোৱাৰে। অৱশ্যে শিক্ষাৰ অভাৱত মুছলমান লোকৰ মাজত অপৰাধ প্ৰৱণতা বৃদ্ধি হোৱা বুলি লেখিকাগৰাকীয়ে উল্লেখ কৰে। কে'বা শতাধিক জমিয়তৰ নেতা-কৰ্মী উপস্থিত থকা সভাত জমিয়তৰ নেতা তথা সমষ্টিৰ এআইইউডিএফৰ আমিনুল ইছলামে কয়, 'আমাৰ মাজত সদ্ভাৱনা যিমানেই বৃদ্ধি হ'ব সিমানেই দেশখন আগুৱাই যাব। এই অসম তথা ভাৰতবৰ্ষত মুছলমানে ৰোজা ভংগ কৰি হিন্দুক তেজ দিয়াৰ নজিৰ বহু আছে। আনকি, একেখন গেটেৰে কিছু সময় গৈ এফালে মুছলমানে নামাজ পঢ়ে আৰু হিন্দুৱে পূজা কৰাৰ নজিৰ থকা এইখন দেশত শান্তি-সম্প্ৰীতি বিনষ্ট কৰিব বিচৰা অপশক্তিক কঠোৰ হাতেৰে দমন কৰিব লাগিব।' তেওঁ আমাৰ মাজত বিভেদ সৃষ্টিকাৰী বাতৰি বিয়পাবলৈ একাংশ সংবাদ মাধ্যমক ব্যৱহাৰ কৰে বুলি অভিযোগ কৰি সংবাদ মাধ্যমক সমালোচনাৰ টাৰ্গেট কৰি লয়। হিন্দু-মুছলমানৰ নাম লৈ বিভেদ সৃষ্টি কৰা অপশক্তিক প্ৰতিহত কৰিবলৈ সকলো শ্ৰেণীৰ লোকক একত্ৰিত হ'বলৈ বিধায়কজনে আহ্বান জনায়। সভাত নগাঁও গুৰুদ্বাৰ কমিটীৰ সম্পাদক হৰদয়াল সিং, অসম খিলঞ্জীয়া সুৰক্ষা সমিতিৰ সভাপতি বিমলজ্যোতি বৰদলৈ, সমালোচক বিপুল শৰ্মা, নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰতিমোহন নাথ, সমাজকৰ্মী চম্পক কলিতা আদিয়ে ভাষণ দিয়ে। সভাৰ আৰম্ভণিতে আদৰণি ভাষণ দিয়ে ৰাজ্যিক জমিয়তৰ সাধাৰণ সম্পাদক মৌলানা আব্দুল কাদিৰ কাছিমীয়ে।

# ক'লা পতাকা উত্তোলনৰে দোতমাত আক্ৰাছুৰ ক'লা দিৱস

**অগ্ৰদূত বাৰ্তা**

**ফকিৰাগ্ৰাম, ২৮ আগষ্ট ঃ** আজি আক্ৰাছুৱে ক'লা পতাকা উত্তোলন কৰি প্ৰতাৰণা দিৱস পালন কৰে সমগ্ৰ ৰাজ্যৰ লগতে দোতমা অঞ্চলত। দোতমা, শক্তি আশ্ৰম, সেৰফাংগুৰী চিথিলা আদি অঞ্চলত আক্ৰাছুৱে ক'লা পতাকা উত্তোলন কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ঐতিহাসিক মাৰ্জাৰ চুক্তি মতে, কোচবিহাৰ ৰাজ্যক গ শ্ৰেণীৰ ৰাজ্য হিচাপে মৰ্যাদা নিদিয়াত আক্ৰাছুৰ প্ৰতাৰণা দিৱস পালন কৰে। উল্লেখ্য যে ১৯৪৯ৰ ২৮ আগষ্টত তদানীন্তন গৃহমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলৰ স'তে তদানীন্তন কোচ ৰজা জগদ্বীপেন্দ্ৰ নাৰায়ণ ভূপ বাহাদুৰৰ মাৰ্জাৰ চুক্তি হৈছিল যদিও আজিলৈকে ভাৰত চৰকাৰে পৃথক ৰাজ্যৰ মৰ্যাদা নিদিয়াত আক্ৰাছুৱে প্ৰতাৰণা দিৱস পালন কৰিছে। ইপিনে, দি গ্ৰেটাৰ কোচবিহাৰ পিপুলছ এছ'চিয়েছন চমুকৈ জিচিপি এই আজিৰ দিনটোত ভাৰত ভুক্তি চুক্তি দিৱস হিচাপে উলহ-মালহেৰে পালন কৰে বিভিন্ন অঞ্চলত।

# হাজো ক্ৰীড়া সন্থাৰ সোণালী জয়ন্তী বৰ্ষ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৮ আগষ্ট ঃ** ১৯৭৩ত স্থাপিত হাজো ক্ৰীড়া সন্থাই আগন্তুক ২০২৩ত বছৰজোৰা কাৰ্যসূচীৰে উদ্যাপন কৰিব সোণালী জয়ন্তী বৰ্ষ। এই উদ্দেশ্যে আজি হাজোৰ ভৰালীটোলাস্থিত বিষ্ণুৰাম মেধি শিশু কল্যাণ ভৱনত সভাপতি দিপাংকৰ মজুমদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত হয় হাজো ক্ৰীড়া সন্থাৰ এখন বিশেষ সাধাৰণ সভা। সম্পাদক ধীৰাজ দাসে আঁত ধৰা সভাত সভাপতি দিপাংকৰ মজুমদাৰে ক্ৰীড়াপ্ৰেমী ৰাইজৰ পৰামৰ্শ গ্ৰহণ কৰি সোণালী জয়ন্তী বৰ্ষ উদ্যাপন কমিটীৰ বিষয়ববীয়াসকলৰ নাম ঘোষণা কৰে। মুখ্য আহ্বায়ক মদনমোহন দাস, সভাপতি ৰাতুল শৰ্মা, কাৰ্যকৰী সভাপতি শৰৎ নায়ক, টুৰ্ণামেণ্ট ডাইৰেক্টৰ বীৰেন্দ্ৰ কুমাৰ দাস, উপসভাপতি মণ্টুৰাম দাস, সুৰল দাস, মৃণাল কুমাৰ দাস, বিচিত্ৰ নাৰায়ণ ঠাকুৰীয়া, মনোজ মেধি, ভৱানন্দ আঠপৰীয়া, নীলকান্ত দাস, পৰমী দাস, সাধাৰণ সম্পাদক দিপাংকৰ মজুমদাৰ, যুটীয়া সম্পাদক ধীৰাজ দাস, ধ্ৰুৱজ্যোতি দাস, সহঃসম্পাদক অমলেশ মালাকৰ, ধ্ৰুৱজোতি মালাকৰ, নৱজ্যোতি দাস, ধ্ৰুৱজ্যোতি কলিতা, কোষাধ্যক্ষ বিজিত মালাকৰ, হিচাপ পৰীক্ষক চন্দ্ৰকান্ত বৈশ্য, নৃপেন ডেকা, হৰেণ দাস, সদস্য চন্দন মালাকৰ, নাজিম আলী, ভূপেন দাস, পংকজ শৰ্মা, কুলেন চন্দ্ৰ দাস, পাৰ্থপ্ৰতীম ৰাজবংশী আদি। পৰৱৰ্তী সময়ত উদ্যাপন সমিতিত আৰু আন সদস্যক অন্তৰ্ভুক্ত কৰা হ'ব বুলি সদৰী কৰে সম্পাদকগৰাকীয়ে। ইয়াৰোপৰি কে'বাখনো উপসমিতি গঠন কৰা হয়। সোণালী জয়ন্তী বৰ্ষ উদ্যাপন সমিতিৰ নৱ নিযুক্তি সভাপতি ৰাতুল শৰ্মাই সভাপতিৰ দায়িত্ব লৈ হাজো ক্ৰীড়া সন্থাৰ অধীনত বৃহত্তৰ হাজো সমষ্টিৰ অন্তৰ্গত খেলৰ লগত জড়িত সন্থা, ক্লাব, খেলুৱৈ আদিক একত্ৰিত হৈ আগুৱাই যাবলৈ আহ্বান জনায়। সকলোৱে একেলগে আগবাঢ়িলে হাজোৰ পৰাও নিঃসন্দেহে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈৰ সৃষ্টি হ'ব। লগতে হাজো ক্ৰীড়া সন্থাৰ সোণালী জয়ন্তী বৰ্ষ ক্ৰীড়া মহোৎসৱলৈ পৰ্যবেশিত হওক বুলি মন্তব্য কৰে ৰাতুল শৰ্মাই। সভাত হাজো ক্ৰীড়া সন্থাৰ মুখ্য পৰামৰ্শদাতা মদনমোহন দাস, হাজো ৰাইজৰ সভাপতি মোহন চন্দ্ৰ মালাকৰ, সম্পাদক গগন কলিতা, শৰৎ নায়ক, ডাঃ সোণ চন্দ্ৰ মালাকৰ, বীৰেন্দ্ৰ কুমাৰ দাস, দীননাথ বৰুৱা, ড° ফজল আহমেদ খান, নৱ কুমাৰ শৰ্মা, বিচিত্ৰ নাৰায়ণ ঠাকুৰীয়াকে আদি কৰি প্ৰায় শতাধিক লোক উপস্থিত থাকে।

# পশ্চিম বড়িগোগৰ পৰীক্ষা কেন্দ্ৰত কামৰূপৰ উপায়ুক্ত কীৰ্তি জল্লি

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৮ আগষ্ট ঃ** আজি ৰাজ্যজুৰি ৰাজ্য চৰকাৰৰ তৃতীয় বৰ্গৰ চাকৰি প্ৰাৰ্থীৰ লিখিত পৰীক্ষা অনুষ্ঠিত হয়। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ কএঞাঁ ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম বড়িগোগ আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত অনুষ্ঠিত দুয়োটা কেন্দ্ৰতে পুৱাৰে পৰা আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰিছে। ইয়াৰ মাজতে কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লি, কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হীতেশ চন্দ্ৰ ৰায়ক লগত লৈ দুয়োটা কেন্দ্ৰত উপস্থিত হৈ দুয়োটা কেন্দ্ৰ তন্ন তন্নকৈ পৰ্যবেক্ষণ কৰে। পৰ্যবেক্ষণৰ শেষত উপায়ুক্তজনে সাংবাদিকৰ আগত কয় যে পৰীক্ষা সুকলমে শেষ হৈছে। ইয়াৰ বাবে ৰাইজ, প্ৰাৰ্থী, শিক্ষক তথা বিদ্যালয়ৰ মুৰব্বীক ধন্যবাদ দিব লাগিব। উল্লেখ্য যে দুয়োটা কেন্দ্ৰৰ ভিতৰত পশ্চিম বড়িগোগ আঞ্চলিক মহাবিদ্যালয় কেন্দ্ৰত মুঠ ২৫০ গৰাকী প্ৰাৰ্থীৰ বিপৰীতে ২০৭ আৰু পশ্চিম বড়িগোগ আঞ্চলিক ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত ১৬০ গৰাকী প্ৰাৰ্থীৰ বিপৰীতে ১২৮ গৰাকী প্ৰাৰ্থী পৰীক্ষা কেন্দ্ৰত উপস্থিত আছে।

# গোৱালপাৰাত ২৪০ বটল

*তিনি পৃষ্ঠাৰ পৰা* বিক্ৰী কৰি ৰমৰমীয়া ব্যৱসায় চলাই আছিল। পাছত এই বিষয়ে আৰক্ষীয়ে অৱগত হৈ যোৱা নিশা অভিযান চলাই ২৪০ বটল কফ ছিৰাপসহ দুই ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে।

# বিশ্বনাথৰ ডিপলোঙাৰ

*তিনি পৃষ্ঠাৰ পৰা* আটক কৰিছে বৰঘাট আৰক্ষীয়ে। তেওঁৰ বিৰুদ্ধে তেজপুৰৰ ৰূপকুৰীয়াৰ এজন লোকৰ পত্নীক অশ্লীল প্ৰস্তাৱ দিয়াৰ লগতে ধন দাবীৰ গুৰুতৰ অভিযোগ উঠিছে। উল্লেখ্য যে বনাঞ্চলিক বিষয়াজনে এখন চোৰাং কাঠৰ ট্ৰাক ধৰাৰ পাছত সেইখন মোকলাই দিবলৈ উৎকোচ দাবী কৰাৰ পাছত কিছু ধন লাভ কৰে আৰু বাকী অংশ ধন অনাদায় হৈ থকাত তেওঁ কাঠৰ ট্ৰাকখনৰ চালকৰ পত্নীক নৈশ যাপনৰ প্ৰস্তাৱ দিয়ে বুলি অভিযোগ কৰি আজি বৰঘাট আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। ইপিনে, কালিৰে পৰা ছুটীত থকা বনাঞ্চলিক বিষয়া গগৈ কাৰ্যালয়ত উপস্থিত নাছিল যদিও আজি তেওঁক তেজপুৰৰ টোলাবাৰীত একাংশ লোকে কৰায়ত্ত কৰে। পাছত বিয়লি প্ৰায় চাৰি বজাত বৰঘাট আৰক্ষীক গতাই দিয়ে। পৰৱৰ্তী সময়ত ৰেঞ্জাৰ গগৈৰ বিৰুদ্ধে এজাহাৰ দাখিল হয়। এই পৰ্যন্ত আৰক্ষীয়ে সোধপোছ অব্যাহত ৰখা ৰেঞ্জাৰ গগৈয়ে অৱশ্যে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ অস্বীকাৰ কৰিছে। উল্লেখ্য যে অৱসৰলৈ আৰু মাত্ৰ নমাহ বাকী আছে ৰেঞ্জাৰজনৰ। ঘটনাৰ অনুসন্ধান অব্যাহত ৰাখিছে বৰঘাট আৰক্ষীয়ে।

# অন্তঃসত্ত্বা পত্নীক ডিঙি চেপি

*তিনি পৃষ্ঠাৰ পৰা* মাতৃ মফিদাক বাৰে বাৰে ডিঙি চেপি হত্যাৰ বৰ্বৰ সমস্ত দৃশ্য প্ৰত্যক্ষ কৰিছিল। পাছত, মফিদাক বস্তাৰ ওপৰত শোৱাই কাপোৰেৰে মেৰিয়াই থয় পাষাণ পিতৃয়ে। ইয়াৰ পাছত, পুৱতি নিশা ছালামে কন্যাক ধৰ্মীয় পাঠ গ্ৰহণৰ বাবে মছজিদলৈ পঠিয়াই দিয়ে। কিন্তু মছজিদৰ পৰা স্থানীয় লোকৰ স'তে উভতি আহি নিজ গৃহ ভস্মীভূত হোৱা প্ৰত্যক্ষ কৰে কণমানি কন্যাই। অৱশ্যে গৃহত জুই জ্বলাৰ লগে লগে স্থানীয় ৰাইজৰ মাজত হুৱা-দুৱা লাগে। স্থানীয় ৰাইজে জুই নুমুৱাবলৈ চেষ্টা কৰে যদিও ব্যৰ্থ হয়। ইপিনে, পৰিকল্পিত হত্যাকাণ্ড সংঘটিত কৰি ধূৰ্ত ছালামে পথাৰলৈ কাম কৰিবলৈ যায়। পত্নীক হত্যা কৰি একপ্ৰকাৰ অগ্নিকাণ্ডৰ ৰূপ দিবলৈ চেষ্টা কৰিছিল ছালামে। এই সমগ্ৰ ঘটনা সংঘটিত হোৱাৰ ক্ষন্তেক পাছতে লক্ষীপুৰ আৰক্ষীক খবৰ দিয়ে। লক্ষীপুৰ আৰক্ষী বিষয়া ভীমকান্ত পেগুসহ আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি তদাৰক কৰে। পাছত লক্ষীপুৰ আৰক্ষীয়ে লগে লগে জুইত জাহ যোৱা মফিদাৰ অৱশিষ্ট মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মৃত মফিদা দুমহীয়া অন্তঃসত্ত্বাও আছিল বুলি স্থানীয় একাংশ মহিলাই সাংবাদিকৰ আগত সদৰী কৰে। ইপিনে, এই নৃশংস হত্যাকাণ্ডত জড়িত অভিযুক্ত ছালামক শৌচাগাৰত লুকাই থকা অৱস্থাত কৰায়ত্ত কৰি থানালৈ লৈ আনে। এই ঘটনা সংক্ৰান্তত লক্ষীপুৰ আৰক্ষীয়ে গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। আনহাতে, কণমানি কন্যাই পিতৃৰ সকলো কাণ্ড সদৰী কৰিছে।

# এনএইছপিচিত অসম-অৰুণাচলৰ সীমা সমস্যাৰ বৈঠক আধৰুৱা

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৮ আগষ্ট ঃ** নামচাই ঘোষণা পত্ৰৰ আধাৰত অসম আৰু অৰুণাচল প্ৰদেশৰ মাজৰ আন্তঃৰাজ্যিক সীমা সমস্যা সমাধানৰ বাবে অসম চৰকাৰে গঠন কৰি দিয়া সমিতিখনৰ কালি এখন গুৰুত্বপূৰ্ণ বৈঠক গেৰুকামুখৰ এনএইছপিচিত অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে দুয়োখন ৰাজ্যৰ যুটীয়া সমিতিখনে সীমান্ত তথা দুলুং সংৰক্ষিত বনাঞ্চল পৰিদৰ্শন কৰে। বিয়লি দুই বজাৰ পৰা সন্ধিয়া পৰ্যন্ত অনুষ্ঠিত হোৱা সীমা সমস্যা সমাধানৰ বৈঠকখন আধৰুৱা হৈ ৰয়। অৰুণাচল প্ৰদেশৰ কৃষিমন্ত্ৰী টাগে তাতিকে ধৰি কে'বাজনো উচ্চপদস্থ বিষয়াৰ লগতে অসমৰ শ্ৰমমন্ত্ৰী তথা লখিমপুৰ, ধেমাজিৰ অভিভাৱক মন্ত্ৰী সঞ্জয় কিষাণ, লখিমপুৰৰ জিলা উপায়ুক্ত সুমিত সাত্তাৱন, লখিমপুৰ আৰু কামেল জিলাৰ দুই জিলা বন সংমণ্ডল বিষয়া, লখিমপুৰ বিধানসভা সমষ্টিৰ বিধায়ক মানৱ ডেকা আদিৰ উপস্থিতিত সীমান্ত অঞ্চলত ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰাৰ পাছত এনএইছপিচিৰ প্ৰকল্প চৌহদত বিয়লি অনুষ্ঠিত বৈঠকখনত সীমা সমস্যা সমাধানৰ বিষয়ত বিশেষভাৱে আলোচনা কৰা হয় দেখুৱাইছে বুলিও কয়। তদুপৰি লখিমপুৰৰ দুলুং, কাকৈ, ৰঙা আদি কে'বাখনো সংৰক্ষিত বনাঞ্চল সীমা সমস্যাৰ আওতাত সোমাই পৰাৰ বাবেও আজিৰ বৈঠক আধৰুৱা হয়। ইফালে, অৰুণাচলৰ কৃষিমন্ত্ৰীজনে কয় যে অসম-অৰুণাচলৰ লোকৰ

## অৰুণাচলৰ মেপত অসমৰ বৃহৎ সংখ্যক ভূমি ক্ষেত্ৰ ভিত্তিক সীমান্ত পৰিদৰ্শন

যদিও অৰুণাচল চৰকাৰে প্ৰদৰ্শন কৰা মেপত অসমৰ বৃহৎসংখ্যক ভূমি সোমাই পৰাৰ ফলতে একপ্ৰকাৰে আজিৰ আলোচনা আধৰুৱা হৈ ৰয়। ফলত অচিৰেই দুয়োখন ৰাজ্যৰ প্ৰতিনিধিৰ সীমান্ত পৰিদৰ্শনেৰে আগন্তুক সময়ত সীমা সমস্যাৰ সমাধান সূত্ৰ উলিওৱা হ'ব বুলি লখিমপুৰৰ বন বিভাগৰ শীৰ্ষ বিষয়াই জানিবলৈ দিয়ে। তেওঁ আৰু জানিবলৈ দিয়া অনুসৰি অসম তথা লখিমপুৰ জিলাৰা বৃহৎ সংখ্যক ভূমি অৰুণাচলে নিজৰ বুলি মাজত কোনো বিভেদ নাই। সীমাক লৈ এই বিভেদ সৃষ্টি কৰিছে অসমৰ বন বিভাগেহে। শীঘ্ৰে দুয়োখন ৰাজ্যৰ প্ৰতিনিধি পুনৰ আলোচনাত বহি সমাধানৰ সূত্ৰ উলিওৱাৰ বাবে আজি সিদ্ধান্ত গ্ৰহণ কৰে। ইফালে, অসমৰ দুলু সংৰক্ষিত বনাঞ্চলৰ ভূমিত যোৱা নিশা অৰুণাচল চৰকাৰে এখন আদৰণি তোৰণ স্থাপন কৰে। অসমৰ পাঁচ কিলোমিটাৰ ভূমিৰ ভিতৰলৈ আগুৱাই আহি যোৱা ২৬ আগষ্টৰ নিশা অৰুণাচলে এই তোৰণখনৰ স্থাপন কৰে।

# ভৱানীপুৰ আঞ্চলিক কৃষক সভাৰ ত্ৰয়োদশ সন্মিলন

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ২৮ আগষ্ট ঃ** নিখিল ভাৰত কৃষক সভাৰ অন্তৰ্গত ভৱানীপুৰ আঞ্চলিক কৃষক সভাৰ ত্ৰয়োদশ সন্মিলনখনি আজি ভৱানীপুৰৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথৰ সমীপতে অৱস্থিত ৭৬ নম্বৰ ভৱানীপুৰ প্ৰাথমিক বিদ্যালয়ত আজি সফলতাৰে অনুষ্ঠিত হয়। ভৱানীপুৰ আঞ্চলিক কৃষক সভাৰ অন্তৰ্গত ১১ খন প্ৰাথমিক কমিটীৰ কে'বাগৰাকীও প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত সন্মিলনৰ আৰম্ভণিতে সংগঠনটোৰ পতাকা উত্তোলন কৰে অঞ্চলটোৰ বৰ্ষীয়ান বাওপন্থী নেতা চিত্তৰঞ্জন দাসে। তাৰ পাছতেই দেশৰ কৃষকসকলৰ স্বাৰ্থ ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া সংগ্ৰামী কৃষকসকলৰ পৱিত্ৰ স্মৃতিত এক স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ পাছতেই স্থানীয় বাওপন্থী নেতা অক্ষয় ডেকা, ইমান আলী আৰু নবীন দাসৰ দ্বাৰা গঠিত সভাত বৰপেটা জিলা কৃষক সভাৰ বিষয়ববীয়া সদস্য ধৰণী শৰ্মা আৰু নৃপেন দাসে উদ্বোধনী আৰু সামৰণি ভাষণ প্ৰদান কৰে। বক্তাদ্বয়ে তেওঁলোকৰ ভাষণত কৃষক সভাৰ জন্ম ঐতিহ্য আৰু কৃষকসকলৰ স্বাৰ্থ ৰক্ষাৰ্থে দেশৰ পৰাধীনতাৰ সময়ৰে পৰা চলাই অহা ধাৰাবাহিক সংগ্ৰামৰ বিষয়ে বিবৰি কয়। দিল্লীৰ কৃষক আন্দোলনৰ বিজয়ক 'ঐতিহাসিক' আখ্যা দি ইয়াক কৃষক মহাশক্তিৰ সন্মিলিত বিজয় আৰু দেশৰ গণতান্ত্ৰিক প্ৰমূল্যৰো বিজয় হিচাপে তেওঁ মন্তব্য কৰে। বক্তাদ্বয়ে নৰেন্দ্ৰ মোদী চৰকাৰখনক 'জনবিৰোধী' আৰু 'কৃষক বিৰোধী' আখ্যা দিয়ে। সৰ্বকালৰ 'মিছলীয়া' এই চৰকাৰখনৰ দিনত অকল কৃষকসকলেই নহয়, সাধাৰণ জনতাৰো জীৱন-জীৱিকা বিপন্ন বুলি তেওঁলোকে মন্তব্য কৰে। সচেতন সন্মিলিত গণশক্তিয়েহে যে এই 'অপশক্তি'ক পৰাভূত কৰিব পাৰিব, তাত কোনো সন্দেহ নাই বুলিও তেওঁলোকে ভাষণত মন্তব্য কৰে। সন্মিলনত বিগত তিনিবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদন পাঠ কৰে সম্পাদক বিশ্বজিৎ পাঠকে। সন্মিলনত আগন্তুক তিনি বছৰীয়া কাৰ্যকালৰ বাবে নবীন দাসক সভাপতি আৰু পুনৰ বিশ্বজিৎ পাঠকক সম্পাদক হিচাপে লৈ এখনি ২১ জনীয়া কমিটীও গঠন কৰা হয়।

# আম আদমী পাৰ্টিৰ দৰং জিলা কাৰ্যালয়ত দুৰ্বৃত্তৰ তাণ্ডৱ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৮ আগষ্ট ঃ** মঙলদৈ চহৰৰ প্ৰীতি নগৰত থকা আম আদমী পাৰ্টিৰ দৰং জিলা কাৰ্যালয়ত দুৰ্বৃত্তই যোৱা নিশা বেনাৰ-প'ষ্টাৰ আদি ফালি পেলায়। নিশা ন বজাত আম আদমী পাৰ্টিৰ এজন কৰ্মীয়ে কাৰ্যালয়ত দুৰ্বৃত্তই চলোৱা তাণ্ডৱ প্ৰত্যক্ষ কৰাৰ পাছতে দলটোৰ জিলা নেতৃত্বক অৱগত কৰাত এক হুলস্থূল লাগে। কাৰ্যালয়ৰ বাহিৰত থকা প'ষ্টাৰ-বেনাৰ ফালি দুৰ্বৃত্তই চলোৱা তাণ্ডৱত স্বাভাৱিকতে প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে আজি প্ৰায় এমাহ পূৰ্বে দিল্লী চৰকাৰৰ কেবিনেট মন্ত্ৰী আৰ পি গৌতমে উদ্বোধন কৰিছিল দলটোৰ কাৰ্যালয়টো। কোনে এই কাৰ্য সংঘটিত কৰিলে সেয়া এতিয়াও পোহৰলৈ অহা নাই যদিও সমগ্ৰ ঘটনাক লৈ আপৰ কৰ্মীসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজি মঙলদৈ সদৰ থানাত দৰং জিলাৰ আম আদমী পাৰ্টিৰ তৰফৰ পৰা এখন এজাহাৰ দাখিল কৰিছে।

# সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ চতুৰ্থ কামৰূপ জিলা সন্মিলন সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৮ আগষ্ট ঃ** সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ চতুৰ্থ কামৰূপ জিলা সন্মিলনখনি আজি হাজোৰ ক্ষুদ্ৰদদী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। প্ৰথমে ইউনিয়নৰ পতাকা উত্তোলন কৰে কামৰূপ জিলাৰ সভাপতি হৰিপদ তালুকদাৰে আৰু চহীদ বেদীত পুষ্প অৰ্পণ কৰে ইউনিয়নৰ ৰাজ্যিক নেতা ভোলা শৰ্মাই। হৰিপদ তালুকদাৰ আৰু যজ্ঞ বড়োক লৈ সভাপতি মণ্ডলী গঠন কৰি সন্মিলন আৰম্ভ কৰা হয়। অভ্যৰ্থনা কমিটীৰ সভাপতি মনোৰঞ্জন শৰ্মাই আদৰণি ভাষণ আগবঢ়ায়। সন্মিলনত ১৬৪ জন প্ৰতিনিধি লগতে প্ৰায় ১০০ জন স্বেচ্ছাসেৱক উপস্থিত থাকে। সন্মিলনখন উদ্বোধন কৰি ইউনিয়নৰ ৰাজ্যিক নেতা ভোলা শৰ্মাই শ্ৰমিকৰ অধিকাৰ সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। লগতে বৰ্তমান চৰকাৰে শ্ৰমিকৰ অধিকাৰসমূহ কাঢ়িবলৈ চেষ্টা কৰি থকা বুলি তেওঁ উল্লেখ কৰি বক্তব্য দাঙি ধৰে। সন্মিলনৰ প্ৰতিবেদন উত্থাপন কৰে জিলা সম্পাদক খগেন ডেকাই। প্ৰতিবেদনৰ ওপৰত ১৫ জন প্ৰতিনিধিয়ে আলোচনা কৰি গ্ৰহণ কৰে। সন্মিলনত জিলা কমিটীখন দুভাগ কৰা হয়। আগৰ কামৰূপ জিলা আৰু নতুন কৈ তামুলপুৰ জিলা গঠন কৰা হয়। কামৰূপ জিলাৰ যজ্ঞ বড়োক সভাপতি আৰু হৰিপদ তালুকদাৰক সম্পাদকৰূপে ১৭ জনীয়া কমিটী গঠন কৰে। তামুলপুৰ জিলাৰ মহেশ ডেকাক সভাপতি আৰু খগেন ডেকাক সম্পাদকৰূপে লৈ ২১ জনীয়া কমিটী গঠন কৰা হয়। আগন্তুক দিনত মূল্যবৃদ্ধিৰ বিৰুদ্ধে আৰু শ্ৰম আইন সংশোধনৰ বিৰুদ্ধে আন্দোলন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে। এই সন্মিলনত কে'বা শতাধিক নিৰ্মাণ শ্ৰমিকৰ লগতে নেতা-কৰ্মীসকল উপস্থিত থাকে।

# লাওখোৱা অভয়াৰণ্যৰ দায়িত্বত থকা বন বিষয়া নৌচাদ আলীৰ অগপত যোগদানক লৈ প্ৰতিক্ৰিয়া



**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ২৮ আগষ্ট ঃ** মানুহে চাকৰিৰ পৰা অৱসৰ লোৱা বা চাকৰিৰ পৰা অব্যাহতি লোৱাৰ পাছত ৰাজনীতিত যোগদান কৰে। কিন্তু এইবাৰ দেখা গ'ল তাৰ বিপৰীত ছবি। উত্থাপিত অভিযোগ অনুসৰি, এগৰাকী বন বিভাগৰ বিষয়াই কালি অগপৰ কাৰ্যকৰী সভাপতি তথা অসমৰ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তৰ ওচৰত গৈ অগপত যোগদান কৰিলে। লোকজন হ'ল লাওখোৱা অভয়াৰণ্যৰ সুঁতিৰপাৰ বন শিবিৰৰ বন বিষয়া নৌচাদ আলী আহমেদ। বৰ্তমান তেওঁ কৰ্মৰত লাওখোৱা অভয়াৰণ্যৰ অন্তৰ্গত সুঁতিৰপাৰ বন শিবিৰৰ খণ্ড বন বিষয়া। তেওঁ চাকৰিৰ পৰা অৱসৰ নোলোৱাকৈ কেনেকৈ ৰাজনীতিলৈকে দলত যোগদান কৰিব পাৰিলে। ইয়াকে লৈ অঞ্চলজুৰি ব্যাপক চৰ্চা আৰম্ভ হৈছে। বন বিষয়া নৌচাদ আলী আহমেদে কি কাৰণত অগপত যোগদান কৰিলে সেয়া এক ৰহস্যৰ বিষয়। নৌচাদ আলীক সঘনাই বদলিকৰণৰ বাবে নে ভাল ঠাইত পষ্টিংৰ বাবে অগপত যোগদান কৰিলে সেয়া পৰৱৰ্তী সময়তহে পোহৰলৈ আহিব। বন বিষয়াজনে অৱশ্যে অগপত যোগদান কৰাটো সাংবাদিকৰ আগত অস্বীকাৰ কৰিছে। কিন্তু সচেতন ৰাইজে ফটোৱে মিছা কথা নকয় বুলি দাবী কৰি সামাজিক মাধ্যমত কালিৰ ব্যাপক হাৰত প্ৰচাৰ হোৱা ফটোকেইখনে নৌচাদ আলীৰ অগপ গমনৰ নিশ্চয়তা প্ৰমাণ কৰিছে। ইফালে, বিশেষ সূত্ৰে প্ৰকাশ কৰা অনুসৰি, বন বিষয়া আলীক কাজিৰঙালৈ বদলি কৰিছিল যদিও অসুস্থতাৰ অজুহাতত ঘৰতে আছিল। কিন্তু ঘৰতে থকা অৱস্থাতে হঠাৎ অগপত যোগদান কৰাকলৈ সৃষ্টি হৈছে ব্যাপক প্ৰতিক্ৰিয়া।

# স্মাৰ্ট ইণ্ডিয়া হেকাথন ২০২২ৰ ছিনিয়ৰ ছফ্টৱেৰ সংস্কৰণত গৌৰৱ কঢ়িয়ালে উদ্দীপ্ত ৰাজ কাশ্যপে

**বিশেষ সংবাদদাতা**



**পাঠশালা, ২৮ আগষ্ট ঃ** ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ দ্বাৰা আয়োজিত স্মাৰ্ট ইণ্ডিয়া হেকাথন ২০২২ৰ ছিনিয়ৰ ছফ্টৱেৰ সংস্কৰণত বিজয়ী হৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে বজালী জিলা আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাসৰ সন্তান উদ্দীপ্ত ৰাজ কাশ্যপে। কালি কৰ্ণাটকৰ হুবলিৰ কেএলই টেকন'লজিকেল বিশ্ববিদ্যালয়ত অনুষ্ঠিত ছিনিয়ৰ ছফ্টৱেৰ সংস্কৰণৰ গ্ৰেণ্ড ফিনালেত উদ্দীপ্তৰ দলটোৱে পাঞ্জাবৰ পাটিয়ালাস্থিত থাপাৰ ইনষ্টিটিউট অব্ ইঞ্জিনিয়াৰিং এণ্ড টেকন'লজীক প্ৰতিনিধিত্ব কৰি এই গৌৰৱৰ অধিকাৰী হ'বলৈ সক্ষম হয়। এক লাখ টকাসহ প্ৰমাণপত্ৰ লাভেৰে বিজয়ী হোৱা দলটোত অসম সন্তান উদ্দীপ্ত ৰাজ কাশ্যপৰ লগতে আছিল দীপাঞ্চী শৰ্মা, আয়ুষ কুমাৰ সিং, পৰমদীপ সিং গিল, শিৱম বাৰ্মা আৰু হৰ্ষপ্ৰীত সিং। যোৱা ২৫ আগষ্টত আৰম্ভ হোৱা এই বৰ্ষৰ হাৰ্ডৱেৰ সংস্কৰণৰ গ্ৰেণ্ড ফিনালে কাইলৈ সামৰণি পৰিব। আনহাতে, ছফ্টৱেৰ সংস্কৰণৰ গ্ৰেণ্ড ফিনালে ২৫ আগষ্টত আৰম্ভ হৈ কালি সামৰণি পৰে।



## উচ্চ শিক্ষাৰ বাবে মহিলাৰ দেশত্যাগত নিষেধাজ্ঞা তালিবানৰ

**নিউজ ব্যুৰ' কাবুল, ২৮ আগষ্ট ঃ** আফগানিস্তানৰ তালিবান চৰকাৰে মহিলাৰ বাবে পুনৰ এক নতুন নীতি আৰোপ কৰিলে। নতুন নিৰ্দেশনা অনুসৰি, কাজাকিস্তান আৰু কাটাৰৰ বাহিৰে আন কোনো দেশত উচ্চ শিক্ষা গ্ৰহণৰ বাবে আফগান ছাত্ৰীয়ে দেশত্যাগ কৰিব নোৱাৰিব। উল্লেখ্য যে তালিবানে আফগানিস্তান পুনৰ দখল কৰাৰ পাছৰে পৰা দেশখনৰ বহু নাগৰিকে আফগানিস্তান ত্যাগ কৰি বিদেশত আশ্ৰয় গ্ৰহণ কৰি আহিছে। শেহতীয়াভাৱে এক বৃহৎ সংখ্যক মহিলা আৰু পুৰুষ শিক্ষাৰ্থীয়ে আফগানিস্তান ত্যাগ কৰিবলৈ পৰিকল্পনা যুগুত কৰিছিল। এনে পৰিস্থিতিতে তালিবান চৰকাৰে আফগান ছাত্ৰীৰ বাবে বিদেশত শিক্ষা গ্ৰহণ নিষিদ্ধ ঘোষণা কৰিলে।

## বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ মাতৃয়ে নিদ্ৰাগ্ৰহণ কৰে গেৰেজত



**নিউজ ব্যুৰ', টেক্সাছ, ২৮ আগষ্ট ঃ** বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি এলন মাস্কৰ মাতৃ মায়ে মাস্কে সংবাদ মাধ্যমৰ আগত এক চাঞ্চল্যকৰ কথা ব্যক্ত কৰিলে। অলপতে আমেৰিকাৰ টেক্সাছত বাস কৰা পুত্ৰ এলনক সাক্ষাৎ কৰিবলৈ যাওতে হোৱা কিছু অভিজ্ঞতাৰ কথা ব্ৰিটেইনৰ সংবাদপত্ৰ 'দ্য ছানডে টাইমছ'ৰ আগত প্ৰকাশ কৰিলে এলন মাতৃয়ে। ৭৪ বছৰীয়া মায়ে একাধিক বিষয়ত সাক্ষাৎকাৰত মন্তব্য প্ৰকাশ কৰিলে। এলন মাতৃয়ে প্ৰকাশ কৰা অনুসৰি যেতিয়া তেওঁ পুত্ৰৰ কোম্পানীৰ টেক্সাছত থকা মুখ্য কাৰ্যালয় আৰু ষ্টাৰবেছ লাউন্স ছাইটত পুত্ৰক সাক্ষাৎ কৰিবলৈ যায়, তেতিয়া তেওঁ কোনো শয়নকক্ষত নিদ্ৰাগ্ৰহণ নকৰে। সংবাদ পত্ৰখনৰ আগত মায়ে কয় যে পুত্ৰক সাক্ষাৎ কৰিবলৈ গ'লে তেওঁ সাধাৰণতে গেৰেজত নিদ্ৰাগ্ৰহণ কৰে। দৰাচলতে এলনে টেক্সাছত তেওঁৰ কোম্পানীৰ কাৰ্যালয়ৰ কাষত এটা এক কোঠাৰ গেৰেজ সদৃশ ঘৰত বসবাস কৰি আহিছে। মাতৃয়ে এলনক লগ কৰিবলৈ গ'লে এই গেৰেজ সদৃশ ঘৰতে থাকিব লগীয়া হয়। সাক্ষাৎকাৰত মায়ে কয়, 'ৰকেট তৈয়াৰ কৰা স্থানত কেতিয়াও আটকধুনীয়া বাসগৃহ নাথাকে। বিশ্বৰ সবাতোকৈ ধনাঢ্য হ'লেও সম্পত্তিৰ প্ৰতি এলনৰ কোনো আকৰ্ষণ নাই। তেওঁ সাধাৰণভাৱে বসবাস কৰি ভাল পায়।'

## বানত বিধ্বস্ত আফগানিস্তান, মৃতকৰ সংখ্যা বৃদ্ধি ঃ আন দেশৰ পৰা সহায় বিচাৰিলে তালিবানে



**নিউজ ব্যুৰ', কাবুল, ২৮ আগষ্ট ঃ** ভূমিকম্প আৰু খৰাংৰস্থাৰ পাছত এইবাৰ প্ৰবল বৃষ্টিপাত আৰু বানৰ প্ৰকোপত বিপৰ্যস্ত হৈছে আফগানিস্তান। ভয়াৱহ বানৰ কবলত পৰা দেশখনত চলিত মাহত বৰ্তমানলৈকে ১৯২ জন লোকৰ মৃত্যু হ'ল। এনে পৰিস্থিতিত আন্তৰ্জাতিক মহলৰ পৰা সাহায্য বিচাৰিলে তালিবান চৰকাৰে। তালিবান প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি, দেশখনৰ ১০ লাখৰো অধিক পৰিয়াল সম্প্ৰতি অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ সমস্যাত ভুগিছে। চলিত বৰ্ষত একাধিকবাৰ আফগানিস্তানে প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈছে। যোৱা জুনত ভূমিকম্পত দেশখনত সহস্ৰাধিক লোকৰ মৃত্যু হৈছিল। সেই সময়তে আফগানিস্তান ভয়াৱহ খৰাংৰস্থাৰো সন্মুখীন হৈছিল। দুই দশকৰ যুদ্ধত বিধ্বস্ত হৈছে আফগানিস্তানৰ অৰ্থনীতি। এনে পৰিস্থিতিত তালিবান চৰকাৰে আন দেশৰ পৰা সহায় বিচাৰিলে।

## কেৰালাত বন্দী হাতীৰ সংখ্যা ৫০ শতাংশ হ্ৰাস পালে



**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ২৮ আগষ্ট ঃ** কেৰালাত বন্দী হাতীৰ সংখ্যা হ্ৰাস পাবলৈ ধৰিছে। ৰাজ্যখনত ২০০৮ বৰ্ষত প্ৰায় ৯০০ টা বন্দী হাতী আছিল। সম্প্ৰতি বন্দী হাতীৰ সংখ্যা ৰাজ্যখনত ৫০ শতাংশ হ্ৰাস পালে। বৰ্তমানে ৰাজ্যখনত ৪৪৮ টা বন্দী হাতী আছে। বিগত পাঁচ বছৰত কেৰালাত ১১৫ টা বন্দী হাতীৰ মৃত্যু হ'ল। কেৰালাত প্ৰতি বছৰে গড়ে ২৫ টাকৈ বন্দী হাতীৰ মৃত্যু হৈ আহিছে।



## বিজুলী, পানীৰ পাছত পাকিস্তানত ইন্টাৰনেট সংকট

**নিউজ ব্যুৰ', ইছলামাবাদ, ২৮ আগষ্ট ঃ** পাকিস্তানত বিজুলী আৰু পানীৰ পাছত এইবাৰ আন এক সংকটে দেশবাসীক হাৰাশাস্তি কৰিছে। শেহতীয়াভাৱে পাকিস্তানত ইন্টাৰনেট সেৱা যথেষ্ট অৱনমিত হৈছে। ইন্টাৰনেটৰ গতি অতি দুৰ্বল হোৱাৰ হেতুকে দেশবাসীয়ে ইন্টাৰনেট ব্যৱহাৰৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। ইন্টাৰনেটৰ এই সমস্যাৰ কাৰণ কেব্‌লৰ বিসংগতি বুলি উল্লেখ কৰা হৈছে। বানৰ ফলতে ইন্টাৰনেট কেব্‌ল ক্ষতিগ্ৰস্ত হোৱা ইন্টাৰনেট সেৱাৰ গতি হ্ৰাস পাইছে বুলি পাকিস্তানৰ টেলিকম মন্ত্ৰণালয়ে জানিবলৈ দিছে।

### ৰাষ্ট্ৰসংঘৰ আমেৰিকাৰ প্ৰতিনিধিৰ মন্তব্য ঃ ইমান আলোচনাৰ পাছতো এনে ফল অতি হতাশজনক

## ৰাষ্ট্ৰসংঘৰ বৈঠকত পৰমাণু নিৰস্ত্ৰীকৰণ চুক্তিত বাধা দান ৰাছিয়াৰ

**নিউজ ব্যুৰ' মস্কো, ২৮ আগষ্ট ঃ** ৰাষ্ট্ৰসংঘৰ পৰমাণু নিৰস্ত্ৰীকৰণ ঘোষণাক বাধা দিলে ৰাছিয়াই। বিশ্বত পৰমাণু অস্ত্ৰৰ সংখ্যা নিয়ন্ত্ৰণত ৰখাৰ বাবে প্ৰতি পাঁচ বছৰৰ বিৰতিত পৰমাণু নিৰস্ত্ৰীকৰণ চুক্তিখন ১৯১ জন স্বাক্ষৰকাৰীয়ে পুনৰীক্ষণ কৰি আহিছে। এইবাৰ ইউক্ৰেইনৰ জাপ'ৰিজিয়া পৰমাণু বিদ্যুৎ কেন্দ্ৰত সামৰিক কাৰ্যকলাপৰ অভিযোগ উত্থাপন কৰি ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰৰ তীব্ৰ বিৰোধিতা কৰিলে ৰুছ প্ৰতিনিধিয়ে। এই সন্দৰ্ভত ৰাছিয়াৰ প্ৰতিনিধিজনে গভীৰ উদ্বেগো প্ৰকাশ কৰে। ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধ আৰম্ভ হোৱাৰ কিছুদিনৰ পাছতে ৰুছ সেনাই জাপ'ৰিজিয়া পাৰমাণৱিক বিদ্যুৎ কেন্দ্ৰ দখল কৰিছিল। ইয়াৰ পাছৰে পৰা এই অঞ্চলটো ৰাছিয়াৰ দখলত আছে। ইউক্ৰেইনৰ অভিযোগ অনুসৰি ৰাছিয়াই পাৰমাণৱিক কেন্দ্ৰটোত সামৰিক ঘাটি স্থাপন কৰিছে। ৰুছ সেনাই এইদৰে পাৰমাণৱিক



কেন্দ্ৰত সামৰিক ঘাটি স্থাপন কৰাৰ কাৰণটো হৈছে ইউক্ৰেইনে ইয়াত আক্ৰমণ চলাব নোৱাৰে। কিয়নো আক্ৰমণ কৰিলে পাৰমাণৱিক কেন্দ্ৰটোৰ ক্ষতি হ'লে ইউক্ৰেইন সৰ্বাধিক প্ৰভাৱিত হ'ব। কিন্তু ৰাছিয়াৰ অভিযোগ অনুসৰি, ইউক্ৰেইনে উক্ত পাৰমাণৱিক কেন্দ্ৰক লক্ষ্য হিচাপে লৈ আক্ৰমণ অব্যাহত ৰাখিছে। ৰাষ্ট্ৰসংঘৰ বৈঠকত ৰাছিয়াই পুনৰ এই অভিযোগ কৰিলে।

অন্তিমবাৰ ২০১৫ বৰ্ষতো পৰমাণু নিৰস্ত্ৰকৰণ চুক্তি স্বাক্ষৰকৰণত ৰাষ্ট্ৰসংঘ এক মতত উপনীত হোৱা নাছিল। ২০২০ বৰ্ষত অতিমাৰীৰ কাৰণত উক্ত বৈঠক অনুষ্ঠিত হ'ব নোৱাৰিলে। অৱশেষত ২০২২ত একেৰাহে চাৰি সপ্তাহ ধৰি নিউ য়ৰ্কত বৈঠক অনুষ্ঠিত হোৱাৰ পাছত ৰাছিয়াৰ অসহযোগিতাত এইবাৰো পাৰমাণৱিক নিৰস্ত্ৰীকৰণ চুক্তি স্বাক্ষৰ ব্যৰ্থ হ'ল ৰাষ্ট্ৰসংঘত। এই সন্দৰ্ভত অষ্ট্ৰেলিয়াৰ বৈদেশিক মন্ত্ৰী পেনি উং-এ কয়, 'অতি হতাশজনক। ঘোষণাপত্ৰৰ বিবৃতিক লৈ সকলোৱে সন্মতি দিছিল। কিন্তু ৰাছিয়াই এই চুক্তিপত্ৰত স্বাক্ষৰ কৰিবলৈ আপত্তি কৰিলে।' আনহাতে, ৰাষ্ট্ৰসংঘৰ আমেৰিকাৰ প্ৰতিনিধি বনি জেনকিন্সে মন্তব্য কৰি কয়, 'ইমান আলোচনাৰ পাছতো এনে ফল অতি হতাশজনক। আজি আমি ইয়ালৈ আহিবলগা হৈছিল একমাত্ৰ ৰাছিয়াৰ কাৰ্যকলাপৰ কাৰণতে।'

## হত্যাৰ শংকাত ভুগিছে কীম, নিৰাপত্তাৰ বাবে নিৰ্মাণ আঠ অট্টালিকাৰ



**নিউজ ব্যুৰ', পিয়ংইয়ং, ২৮ আগষ্ট ঃ** উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উন প্ৰাণৰ শংকাত ভুগিছে। যিকোনো মুহূৰ্তত দুৰ্বৃত্তৰ আক্ৰমণত মৃত্যু হ'ব পাৰে বুলি আশংকা কৰি কীমে নতুনকৈ নিৰ্মাণ কৰিছে আঠটাকৈ বিলাসী বাসগৃহ। এইসমূহ বাসগৃহ কীমে নিৰ্মাণ কৰাৰ কাৰণটো হৈছে শত্ৰুৱে যাতে তেওঁ কোনটো বাসগৃহত আছে তাৰ সঠিক তথ্য লাভ কৰিব নোৱাৰে, তাক নিশ্চিত কৰা। এটা নিৰ্দিষ্ট বাসগৃহত বাস কৰিলে শত্ৰুৱে সহজে তেওঁৰ সন্ধান উলিয়াব পাৰিব। কিন্তু আঠটাকৈ বাসগৃহ থাকিলে তেওঁ কেতিয়া কোনটো বাসগৃহত আছে সেই তথ্য উলিওৱাটো শত্ৰুৰ বাবে কঠিন হ'ব। এতিয়াৰে পৰা কীমে নিদ্ৰাগ্ৰহণৰ বাবে নিৰাপত্তাজনিত কাৰণত ব্যৱহাৰ কৰিব সদায় পৃথক পৃথক বাসগৃহ। নিজৰ নিৰাপত্তা অধিক কটকটীয়া কৰিবলৈ কমিউনিষ্ট শাসকে এই উপায় উদ্ভাৱন কৰিলে।

## মাৰ্কিন ড্ৰ'নৰ বাবে আমেৰিকাক নিজৰ আকাশমাৰ্গ ব্যৱহাৰ কৰিব দিছে পাকিস্তানে ঃ অভিযোগ তালিবানৰ

**নিউজ ব্যুৰ' কাবুল, ২৮ আগষ্ট ঃ** আফগানিস্তানৰ তালিবান চৰকাৰৰ কাৰ্যবাহী প্ৰতিৰক্ষা মন্ত্ৰী মোল্লাহ মহম্মদ য়াকুবে আজি অভিযোগ কৰি কয় যে আফগানিস্তানত অভিযান চলোৱাৰ বাবে পাকিস্তানে দেশখনৰ আকাশমাৰ্গ ব্যৱহাৰৰ বাবে আমেৰিকাক অনুমতি দিছে। ইছলামাবাদৰ সন্মতিতে আমেৰিকাই পাকিস্তানৰ আকাশমাৰ্গ ব্যৱহাৰ কৰি আফগানিস্তানত ড্ৰ'ন অভিযান চলাই আহিছে বুলি তালিবানে প্ৰতিৰক্ষা মন্ত্ৰীয়ে অভিযোগ কৰিছে। উল্লেখ্য যে পাকিস্তানে দেশখনৰ আকাশপথ আমেৰিকাৰ সেনা বাহিনীক ব্যৱহাৰ কৰিবলৈ দিয়াৰ কথা অস্বীকাৰ কৰিছিল। আজি এখন সংবাদমেলত কাবুলত তালিবানৰ প্ৰতিৰক্ষা মন্ত্ৰীয়ে দাবী কৰি কয় যে অলপতে আমেৰিকাই যি ড্ৰ'ন আক্ৰমণ আফগানিস্তানত সংঘটিত কৰিছিল সেই ড্ৰ'নখনে



পাকিস্তান পথৰে আফগানিস্তানৰ আকাশমাৰ্গত প্ৰৱেশ কৰিছিল। 'আমি লাভ কৰা তথ্য অনুসৰি উক্ত ড্ৰ'নখনে পাকিস্তানৰ আকাশমাৰ্গৰে আফগানিস্তানত প্ৰৱেশ কৰিছিল। আমেৰিকাই পাকিস্তানৰ আকাশমাৰ্গ ব্যৱহাৰ কৰিছিল। আমি বাৰে বাৰে পাকিস্তানক অনুৰোধ জনাই আহিছো যে দেশখনে যাতে আমাৰ বিৰুদ্ধে নিজৰ আকাশমাৰ্গ ব্যৱহাৰ নকৰে।' মন্ত্ৰী য়াকুবে আজি সংবাদমেলত এইদৰে কয়। উল্লেখ্য যে যোৱা জুলাইত মাৰ্কিন সেনা বাহিনীয়ে কাবুলত চলোৱা এক ড্ৰ'ন অভিযানত অলকায়দাৰ মুৰব্বী আয়ুমান অল-জৱাহিৰিৰ মৃত্যু হৈছিল। আমেৰিকাই পাকিস্তানৰ আকাশ পথেদি ড্ৰ'ন এইদৰে আফগানিস্তানলৈ প্ৰেৰণ কৰা বুলি তালিবানে অভিযোগ কৰি আহিছে। তালিবানৰ এই অভিযোগ অৱশ্যে পাকিস্তানে স্বীকাৰ কৰা নাই।

## ভাৰতত হ্ৰাস পাইছে সুৰাপান, সুৰাসক্তি বৃদ্ধি পুৰুষৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ আগষ্ট ঃ** ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা (এন এফ এইচ এছ)ৰ শেহতীয়া প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ভাৰতত মদ্যপানৰ প্ৰৱণতা সম্প্ৰতি হ্ৰাস পাইছে। সেই সমীক্ষাত দেশৰ পুৰুষ আৰু মহিলাৰ সুৰাপানৰ পৰিৱৰ্তিত প্ৰৱণতাৰ কথা উল্লেখ কৰা হৈছে। সামগ্ৰিকভাৱে ভাৰতীয়ৰ মাজত সুৰাসক্তি হ্ৰাস পালেও ভাৰতীয় পুৰুষৰ মাজত সুৰাপানৰ প্ৰৱণতা পূৰ্বতকৈ বৃদ্ধি পাইছে বুলি সমীক্ষাটোত উল্লেখ কৰা হৈছে। ভাৰতত নিয়মীয়াকৈ সুৰাপান কৰা পুৰুষৰ সংখ্যা বৃদ্ধি পোৱাৰ বিপৰীতে নিয়মীয়া সুৰাপায়ী মহিলাৰ সংখ্যা হ্ৰাস পাইছে। ২০১৫-



১৬ বৰ্ষৰ তুলনাত পুৰুষৰ মাজত সুৰাপানৰ প্ৰৱণতা ২২.৩৭ শতাংশ হ্ৰাস পাইছে। আনহাতে, মহিলাৰ মাজত সম্প্ৰতি সুৰাপানৰ প্ৰৱণতা ৩৯ শতাংশ হ্ৰাস পালে। ইফালে, নিয়মীয়াকৈ সুৰাপান কৰা ভাৰতীয় পুৰুষৰ সংখ্যা ২৪.১৯ শতাংশ বৃদ্ধি পালে। সপ্তাহত এবাৰকৈ সুৰাপান কৰা লোকৰ সংখ্যা বৃদ্ধি পালে ৭.২৪ শতাংশ। ২০১৬ৰ পৰা ২০২০ বৰ্ষৰ পৰিসংখ্যাত লাভ কৰা তথ্য অনুসৰি ভাৰতৰ সুৰাপায়ী মহিলাসকলৰ সৰহ সংখ্যকে সম্প্ৰতি স্থানীয় সুৰা, তাড়িৰ দৰে নিচাৰ প্ৰতি আকৰ্ষিত হৈছে। এন এফ এইচ এছৰ সমীক্ষাত লগতে উল্লেখ কৰা অনুসৰি ভাৰতত সম্প্ৰতি ১৩ বছৰ বয়সৰ পৰাই সুৰাপানৰ অভ্যাস শিশুৰ মাজত গঢ় লৈ উঠিছে। তদুপৰি দেশত উদ্বেগজনক হাৰত বৃদ্ধি পাইছে দেশীয় মদৰ চাহিদা।

## কাশ্মীৰৰ দলত্যাগী কংগ্ৰেছীয়ে সমৰ্থন দিব আজাদক ঃ দাবীত চাঞ্চল্য

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ আগষ্ট ঃ** জ্যেষ্ঠ নেতা গোলাম নবী আজাদৰ কংগ্ৰেছ ত্যাগৰ ঘটনাই দেশৰ ৰাজনীতিত চাঞ্চল্য অব্যাহত ৰাখিছে। ইতিমধ্যে আজাদে নতুন দল গঠন কৰিব বুলি ঘোষণা কৰিছে। আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত আজাদে প্ৰকাশ কৰা অনুসৰি, কংগ্ৰেছ ত্যাগৰ পাছত তেওঁৰ স'তে কে'বাজনো কংগ্ৰেছ নেতাই যোগাযোগ কৰিছে আৰু তেওঁলোকেও



দলত্যাগৰ প্ৰস্তুতি চলাইছে। একাংশ কংগ্ৰেছী নেতাই আজাদে গঠন কৰিব লগা ৰাজনৈতিক দলত যোগদান কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰা বুলিও তেওঁ জানিবলৈ দিয়ে। যোৱা শুকুৰবাৰে জম্মু-কাশ্মীৰত আঠজন বিধায়ক আৰু প্ৰাক্তন বিধায়কে কংগ্ৰেছ দল ত্যাগ কৰিছিল। এইসকল কংগ্ৰেছীয়েও আজাদৰ স'তে যোগাযোগ কৰা বুলি প্ৰকাশ।



## লিবিয়াত দুটা গোটৰ সংঘৰ্ষত ১৩ জন লোকৰ মৃত্যু, ৯৫ আহত

**নিউজ ব্যুৰ' ত্ৰিপ'লি, ২৮ আগষ্ট ঃ** লিবিয়াৰ ৰাজধানী ত্ৰিপ'লিত দুটা বিৰোধী গোটৰ মাজত হোৱা হিংসাত্মক আক্ৰমণৰ ঘটনাত কমেও ১৩ জন লোকৰ মৃত্যু হ'ল। দুটা পক্ষৰ মাজত সংঘটিত হোৱা সংঘৰ্ষত কমেও ৯৫ জন লোক গুৰুতৰভাৱে আহত হৈছে। দুটা উগ্ৰপন্থী সংগঠনৰ সদস্যই পৰস্পৰলৈ গুলিবৰ্ষণ কৰাত এই সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল।

## সোণালীৰ মৃত্যুৰ চিবিআইৰ তদন্ত বিচাৰিলে হাৰিয়ানা চৰকাৰে



**নিউজ ব্যুৰ', পানাজী, ২৮ আগষ্ট ঃ** বিজেপিৰ নেত্ৰী তথা অভিনেত্ৰী সোণালী ফ'গাটৰ ৰহস্যজনক মৃত্যুৰ তদন্ত গোৱা আৰক্ষীয়ে অব্যাহত ৰখাৰ সময়তে অসন্তুষ্টি প্ৰকাশ কৰি হাৰিয়ানা চৰকাৰে এই ঘটনাৰ তদন্তৰ দায়িত্ব চিবিআইক দিয়াৰ দাবী জনালে। এই সন্দৰ্ভত হাৰিয়ানা চৰকাৰে গোৱা চৰকাৰলৈ এখন পত্ৰ প্ৰেৰণ কৰিলে। উক্ত পত্ৰত হাৰিয়ানা চৰকাৰে সোণালীৰ মৃত্যুৰ ৰহস্য উন্মোচনৰ বাবে চিবিআইৰ তদন্তৰ দাবী জনাইছে। ইফালে, গোৱা চৰকাৰেও বিজেপি নেত্ৰীগৰাকীৰ মৃত্যুৰ তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণৰ বাবে সন্মতি দিছে। উল্লেখ্য যে যোৱা ২৩ আগষ্টত গোৱাৰ এখন ৰিছ'ৰ্টত ৰহস্যজনক অৱস্থাত সোণালীৰ মৃত্যু হৈছিল। প্ৰাথমিক তদন্তত অভিনেত্ৰীগৰাকীক নিষিদ্ধ ড্ৰাগছ সেৱন কৰাই ধৰ্ষণ আৰু হত্যা কৰা বুলি তথ্য উদ্ধাৰ কৰা হৈছে। ইতিমধ্যে আৰক্ষীয়ে হত্যাত জড়িত থকাৰ সন্দেহত সোণালীৰ দুজন সহকৰ্মীক গ্ৰেপ্তাৰ কৰিছে। কালি প্ৰয়াত সোণালীৰ পৰিয়ালৰ স'তে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী মনোহৰলাল খট্টৰে সাক্ষাৎ কৰিছিল।

## ডুবাইত ৬৪০ কোটি টকাৰে আবাসগৃহ ক্ৰয়ৰে পুনৰ চৰ্চাত আম্বানী

**নিউজ ব্যুৰ' মুম্বাই, ২৮ আগষ্ট ঃ** ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানীয়ে পুনৰ সম্পত্তি ক্ৰয়ৰে সংবাদ শিৰোনাম দখল কৰিছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, আম্বানীয়ে এইবাৰ ডুবাইত প্ৰায় ৬৪০ কোটি টকা ব্যয়ৰে এটা আটকধুনীয়া আবাসগৃহ ক্ৰয় কৰিলে। ডুবাইৰ পাম জুমেৰাহৰ সমুদ্ৰতীৰত আম্বানীয়ে এই নতুন সম্পত্তি ক্ৰয় কৰিলে। সামাজিক মাধ্যমত সম্প্ৰতি আম্বানীয়ে ক্ৰয় কৰা এই বিলাসী আবাসৰ ভিডিঅ' ভাইৰেল হৈছে। আম্বানীয়ে ক্ৰয় কৰা এই আবাসত সকলো অত্যাধুনিক সা-সুবিধা উপলব্ধ। প্ৰকাশিত বাতৰি অনুসৰি, বিলাসী বাংলোতো আছে ১০ টা



শয়নকক্ষ। তদুপৰি এই বাসগৃহত ব্যক্তিগত স্পা চেণ্টাৰো আছে। ইয়াৰ লগতে আছে কে'বাটাও ইনড'ৰ আৰু আউটড'ৰ ছুইমিংপুল। শৰীৰচৰ্চাৰ বাবে আবাসগৃহত আছে অত্যাধুনিক ব্যায়ামাগাৰ। একেদৰে মানসিক বিনোদনৰ বাবে বাসগৃহতে আছে এটা ব্যক্তিগত থিয়েটাৰ গৃহ। আম্বানীয়ে ক্ৰয় কৰা বিলাসী বাসগৃহত সপ্ত তাৰকাযুক্ত হোটেলত থকা সকলো সা-সুবিধা মজুত আছে। আম্বানীৰ এই নতুন ঘৰটোত তেওঁৰ পুত্ৰ অনন্ত আম্বানীয়ে বসবাস কৰাৰ কথা। ডুবাইৰ এই নতুন বাসগৃহত আম্বানী পৰিয়ালৰ প্ৰতিবেশী হ'ব ব্ৰিটিছ ফুটবল তাৰকা ডেভিদ বেকহাম, বলিউড তাৰকা শ্বাহৰুখ খানৰ দৰে ব্যক্তি।

## এইবাৰ আবকাৰী গোচৰত চিবিআয়ে জেৰা কৰিব তেলেংগানাৰ মুখ্যমন্ত্ৰীৰ কন্যাক

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ আগষ্ট ঃ** কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ বিৰুদ্ধে একাধিক বিষয়ত সৰৱ হৈ আহিছে তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাও। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ এক বাতৰি অনুসৰি, এইবাৰ কেন্দ্ৰৰ নিৰ্দেশত চিবিআইৰ জেৰাৰ সন্মুখীন হ'ব পাৰে তেলেংগানাৰ মুখ্যমন্ত্ৰীৰ কন্যা কে কবিতা। দিল্লীৰ আবকাৰী দুৰ্নীতিৰ ঘটনাত চন্দ্ৰশেখৰ কন্যা কবিতাই মধ্যস্থতাকাৰীৰ ভূমিকাত অৱতীৰ্ণ হৈছিল বুলি এক অভিযোগ উত্থাপিত হৈছে আৰু এই সন্দৰ্ভত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে কবিতাক জেৰা কৰাৰ সম্ভাৱনা আছে। অহা ১২ ছেপ্টেম্বৰত এই গোচৰৰ পৰৱৰ্তী শুনানি আদালতে গ্ৰহণ কৰিব আৰু ইয়াৰ পূৰ্বে চিবিআয়ে কবিতাক জেৰা কৰাৰ সম্ভাৱনা আছে।



## টাইৱান প্ৰণালীত সামৰিক অনুশীলন মাৰ্কিন ৰণতৰীৰ



**নিউজ ব্যুৰ', টাইপে, ২৮ আগষ্ট ঃ** টাইৱানক আগুৰি ধৰি সামৰিক অনুশীলন চলাই আহিছে চীনে। টাইৱান প্ৰণালীয়েদি জাহাজৰ চলাচলতো বেইজিঙে নিষেধাজ্ঞা আৰোপ কৰিছিল। এনে উত্তপ্ত পৰিস্থিতিৰ মাজতে আজি টাইৱান প্ৰণালীলৈ আমেৰিকাই প্ৰেৰণ কৰিলে দুখন মাৰ্কিন ৰণতৰী। এইদৰে টাইৱান প্ৰণালীলৈ মাৰ্কিন ৰণতৰী প্ৰেৰণ কৰি ৱাশ্বিংটনে স্পষ্টভাৱে বাৰ্তা দিলে যে প্ৰশান্ত মহাসাগৰীয় অঞ্চলক দখলমুক্ত ৰাখিবলৈকে এনে পদক্ষেপ গ্ৰহণ কৰা হৈছে। টাইৱান প্ৰণালীত চীনৰ দখলদাৰী সহ্য কৰা নহ'ব বুলিও আমেৰিকাই আকৌ এবাৰ সকীয়াই দিলে। মাৰ্কিন নৌসেনাই অৱশ্যে দুই ৰণতৰীৰ টাইৱান প্ৰণালী ভ্ৰমণক নিয়মমাফিক কাৰ্যসূচী অভিহিত কৰিলে।

## 'বিক্ৰম ৱেদা'ৰ মুক্তিৰ পূৰ্বে অনুৰাগীৰ চৰণ স্পৰ্শ হৃত্বিকৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৮ আগষ্ট ঃ** বহুচৰ্চিত চলচ্চিত্ৰ 'বিক্ৰম ৱেদা'ৰ মুক্তি পূৰ্বে মুম্বাইত এক অনুষ্ঠানত অনুৰাগীৰ চৰণ স্পৰ্শ কৰি উপস্থিত সকলোকে হতবাক কৰিলে বলিউডৰ মহাতাৰকা অভিনেতা হৃত্বিক ৰোশনে। কালি অভিনেতাজনে মুম্বাইত স্বাস্থ্যচৰ্চা বিষয়ক এক অনুষ্ঠানত অংশ লৈছিল। উক্ত অনুষ্ঠানতে প্ৰতিযোগিতাৰ এজন বিজয়ী তথা অনুৰাগীয়ে হৃত্বিকৰ ভৰি চুই আশীৰ্বাদ লৈছিল। লগে লগে হৃত্বিকেও তেওঁৰ অনুৰাগীৰ চৰণ স্পৰ্শ কৰে। এই ঘটনাৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হোৱাত সকলোৱে অভিনেতাজনক প্ৰশংসা কৰিছে। হৃত্বিকে এইদৰে অনুৰাগীৰ চৰণ স্পৰ্শ কৰি তেওঁৰ অনুৰাগীৰ সন্মান বৃদ্ধি কৰিলে বুলিও একাংশই সামাজিক মাধ্যমত মন্তব্য কৰিছে। আন একাংশই মন্তব্য কৰা অনুসৰি দৰাচলতে হৃত্বিকে তেওঁৰ মুক্তিৰ অপেক্ষাত থকা 'বিক্ৰম ৱেদা' ছবিখনক বলিউডৰ তথাকথিত 'বৰ্জন' অভিযানৰ পৰা সুৰক্ষিত ৰাখিবলৈহে এইদৰে মুকলি মঞ্চত অনুৰাগীৰ চৰণ স্পৰ্শ কৰিলে। উল্লেখ্য যে একাংশ ইন্টাৰনেট ব্যৱহাৰকাৰীয়ে হৃত্বিকৰ এইখন ছবি বৰ্জন কৰিবলৈ দৰ্শকক আহ্বান জনাইছে।

## দেশত কৰ'নাত সংক্ৰমিত হ'ল ৯৪৩৬ জন লোক



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ আগষ্ট ঃ** দেশৰ দৈনিক ক'ভিড সংক্ৰমণ দেওবাৰেও ন হেজাৰৰ ঘৰত থাকিল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ৯৪৩৬ জন লোক ক'ভিড সংক্ৰমিত হ'ল। শনিবাৰে আক্ৰান্তৰ সংখ্যা আছিল ৯৫২০ জন লোক। দেশৰ ভিতৰতে সংক্ৰমণৰ শীৰ্ষত থকা মহাৰাষ্ট্ৰত বিগত এদিনত ক'ভিড আক্ৰান্ত হ'ল ১৭২৩ জন লোক। ইফালে, কেৰালাত ১৪২০, কৰ্ণাটকত ১১৮৬ আৰু দিল্লীত ৫৭৩ জন লোক ক'ভিড সংক্ৰমিত হ'ল। যোৱা ২৪ ঘণ্টাত ক'ভিডত আক্ৰান্ত ১৫৭ জন ৰোগীৰ দেশত মৃত্যু হ'ল। মৃতকৰ মাজত গোৱাত পূৰ্বে মৃত্যু হোৱা ১০১ জন ক'ভিড ৰোগীকো অন্তৰ্ভুক্ত কৰা হৈছে। কেৰালাত যোৱা ২৪ ঘণ্টাত ২৮ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

## লাহৰীঘাটত ভয়াবহ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত দুজন

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ২৮ আগষ্ট ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আজি আবেলি সংঘটিত হয় এক পথ দুৰ্ঘটনা। এখন নম্বৰ প্লেটবিহীন মটৰ চাইকেল আৰু টাটা ম'বাইলৰ মুখামুখি সংঘৰ্ষৰ ফলত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় দুজনকৈ লোক। বগলীপাৰা-মৰিগাঁও সংযোগী গড়কাপ্তানীপথৰ কদমতলাত সংঘটিত হয় দুৰ্ঘটনাটো। এখন মটৰ চাইকেল আৰু এখন চাৰিচকীয়া টাটা ম'বাইলৰ মাজত সংঘটিত এই দুৰ্ঘটনাটোত। কথমপি প্ৰাণৰক্ষা পৰে দুজনকৈ মটৰ চাইকেল আৰোহীৰ। ঘটনা সংঘটিত কৰিয়েই এএছ-০৩ বিচি-৭৮২১ নম্বৰৰ টাটা ম'বাইলৰ চালকজন ঘটনাস্থলীৰ পৰা পলায়ন কৰে। উক্ত ঘটনা প্ৰত্যক্ষ কৰি স্থানীয় লোকে লাহৰীঘাট আৰক্ষীক খবৰ দিয়াত ততাতৈয়াকৈ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মটৰ চাইকেল আৰু চাৰিচকীয়া বাহনখন জব্দ কৰাৰ লগতে মটৰ চাইকেল আৰোহী ক্ৰমে ৰিয়াজ উদ্দিন (১৯) আৰু ছামচুদ্দিন (১৮) নামৰ আঘাতপ্ৰাপ্ত যুৱক দুজনক সংকটজনক অৱস্থাত লাহৰীঘাট মহাত্মা গান্ধী মডেল হাস্পতালত ভৰ্তি কৰে। ইয়াৰ এজনৰ অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে।

# গোৱালপাৰা ষ্টেছনত বামপন্থীৰ ধৰ্মঘট

## ■ চাৰিদফীয়া দাবীৰে উত্তৰ-পূব সীমান্ত ৰেলৰেৰ মহাপ্ৰবন্ধকক স্মাৰক প্ৰদান

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৮ আগষ্ট ঃ** ভাড়া বৃদ্ধিৰ লগতে ৰেল যাত্ৰীৰ কে'বাটাও গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ দাবীত আজি গোৱালপাৰা টাউন ৰেলৰে ষ্টেছনত বামপন্থীৰ কৰ্মকৰ্তাসকলে অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে বেনাৰ আৰু প্লেকাৰ্ডেৰে সুসজ্জিত হৈ 'ৰেল ভাড়া বৃদ্ধি কৰা নচলিব, আমাৰ দাবী ন্যায্য দাবী, আমাৰ দাবী মানি লওক, ডেমুৰ ভাড়া দুগুণ বৃদ্ধি কৰা নচলিব, ধুবুৰী-কামাখ্যা এক্সপ্ৰেছ আৰু ৰাজ্যৰাণী ৰেল দুখন গোৱালপাৰা টাউন ৰেলৰে ষ্টেছনত ৰখাৰ ব্যৱস্থা কৰক, শৰাইঘাট এক্সপ্ৰেছ ৰখোৱাৰ ব্যৱস্থা কৰক, গোৱালপাৰাৰ মাজেৰে চলাচল কৰা সকলো মেইল, এক্সপ্ৰেছ গোৱালপাৰা টাউন ৰেলৰে ষ্টেছনত ৰখাৰ ব্যৱস্থা কৰক, মাকৰীলৈ যোৱা ৰেলৰেৰ সুৰংগ পথটোৰ বৈজ্ঞানিক পদ্ধতিৰে নিৰ্মাণৰ ব্যৱস্থা কৰক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে কৃষক সভা, ডিৱাইএফআই, চিআইটিইউ আৰু নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতিৰ গোৱালপাৰা জিলা সমিতিৰ নেতৃবৃন্দৰ স্বাক্ষৰিত তথা চাৰিদফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। গোৱালপাৰা টাউন ৰেলৰে ষ্টেছনৰ অধীক্ষকৰ জৰিয়তে উত্তৰ-পূব সীমান্ত ৰেলৰেৰ মহাপ্ৰবন্ধকলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰত উল্লেখ কৰা মতে, গোৱালপাৰা জিলাৰ উপৰি বৰপেটা, মানকাচৰ-দক্ষিণশালমৰা আৰু মেঘালয়ৰ গাৰো পাহাৰকে সামৰি গোৱালপাৰা টাউন ৰেলৰে ষ্টেছন যাত্ৰীৰ অহা-যোৱাৰ বাবে গুৰুত্বপূৰ্ণ ষ্টেছন। কিন্তু পৰিতাপৰ বিষয় যে কৰ'না মহামাৰীৰ সুযোগ লৈ ধুবুৰী-কামাখ্যাৰ মাজত চলাচল কৰা যাত্ৰীবাহী ৰেলখন গোৱালপাৰা ষ্টেছনত ৰখাৰ ব্যৱস্থাটো উঠাই দিয়ে। হাওৰা-গুৱাহাটীৰ মাজত চলাচল কৰা শৰাইঘাট এক্সপ্ৰেছ ৰেলখন গোৱালপাৰা ষ্টেছনত ৰখাৰ বাবে বাৰে বাৰে বিভিন্ন দল-সংগঠনে দাবী জনাই আহিছিল যদিও আজিলৈকে কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নাই। নিউ বঙাইগাঁও আৰু গুৱাহাটীৰ মাজত চলাচল কৰা ডেমু যাত্ৰীবাহী ৰেলখনৰ ভাড়া কৰ'না মহামাৰীৰ বাবে দুগুণ বৃদ্ধি কৰিছে। অথচ সেই একে ৰাস্তাৰে চলাচল কৰা গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰেলৰ ভাড়া পূৰ্বৰ দৰে বাহাল আছে। ইয়াৰ উপৰি গোৱালপাৰা ৰেল ষ্টেছনৰ পশ্চিমে আনন্দ বজাৰৰ পৰা কুৰুৱা ভাষালৈ যোৱা ৰেলৰে নিৰ্মাণ কৰা সুৰংগ পথটো বৰষুণৰ পানীত বুৰ গৈ থকাৰ ফলত ৰাইজৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে যাতায়াতৰ বাবে সমস্যাত ভুগিবলগীয়া হৈছে। সেয়ে নিউ বঙাইগাঁও গুৱাহাটীলৈ চলাচল কৰা ডেমু (০৭৫৭২৩/০৭৫৭২৪)ৰ যাত্ৰীবাহী ৰেলৰ ভাড়া পূৰ্বৰ দৰে বাহাল ৰখা আৰু অতিৰিক্ত যাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি অধিক দবা সংযোগ কৰাৰ ব্যৱস্থা কৰা, ধুবুৰী-কামাখ্যা যাত্ৰীবাহী (০৫৫৮১২/০৫৫৮১১) আৰু ৰাজ্যৰাণী ৰেল দুখন পূৰ্বৰ দৰে চলাচল কৰি গোৱালপাৰা ষ্টেছনত ৰখাৰ ব্যৱস্থা কৰা, গোৱালপাৰা, মানকাচৰ-দক্ষিণ শালমাৰা, বৰপেটাৰ লগতে মেঘালয় আদি অঞ্চলৰ যাত্ৰীৰ সুবিধাৰ বাবে হাওৰা-গুৱাহাটী শৰাইঘাট এক্সপ্ৰেছ ৰেলখন ৰখাৰ ব্যৱস্থা কৰাৰ লগতে এই পথেৰে চলাচল কৰা সকলো মেইল, এক্সপ্ৰেছ ৰেলসমূহ গোৱালপাৰা ষ্টেছনত ৰখাৰ ব্যৱস্থা কৰা, গোৱালপাৰা টাউন ৰেল ষ্টেছনৰ পশ্চিমে ৰেলৰে নিৰ্মাণ কৰা সুৰংগ পথটো বৈজ্ঞানিক ভিত্তিত পুনৰ নিৰ্মাণ কৰি ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ যাতায়াতৰ সুব্যৱস্থা কৰা। স্মাৰকপত্ৰৰ প্ৰতিলিপি মুখ্যমন্ত্ৰী, গুৱাহাটী আৰু ধুবুৰীৰ সাংসদ আৰু গোৱালপাৰাৰ জিলা উপায়ুক্তক প্ৰেৰণ কৰা বুলি জনা গৈছে। ইফালে, প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়া বামপন্থী নেতা ননী দাসে কয় যে গোৱালপাৰাৰ ৰেলৰে ষ্টেছনটো অত্যন্ত গুৰুত্বপূৰ্ণ ষ্টেছন। কিন্তু যি সময়ত পশ্চিম বংগৰ বহুতো কম গুৰুত্বপূৰ্ণ ঠাইত গুৱাহাটী-শৰাইঘাট এক্সপ্ৰেছ ৰখোৱাৰ ব্যৱস্থা কৰা হয় ঠিক সেই সময়তে গোৱালপাৰাৰ দৰে অতিকৈ গুৰুত্বপূৰ্ণ ষ্টেছনত ৰখাৰ ব্যৱস্থা কৰা নহয় কিয় বুলি প্ৰশ্ন উত্থাপন কৰে। ইফালে, কৰ'না পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি ডেমুৰ ভাড়া ৩০ টকাৰ পৰা ৬০ টকালৈকে বৃদ্ধি কৰা হৈছে বুলিও এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ননী দাসে।




# জলখানা কৃতী শিক্ষাৰ্থীক অভিনন্দন ঃ গ্ৰন্থ উন্মোচন



অগ্ৰদূত বাৰ্তা

**টিহু, ২৮ আগষ্ট ঃ** টিহুৰ জলখানা-ভথুৰাখানা শাখা সাহিত্য সভাৰ উদ্যোগত জলখানা-ভথুৰাখানা হাইস্কুলত আজি এখন কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এই উপলক্ষে জলখানা-ভথুৰাখানা শাখা সাহিত্য সভাৰ সভাপতি কান্তেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু শলাগ জ্ঞাপন কৰে জলখানা-ভথুৰাখানা শাখা সাহিত্য সভাৰ সম্পাদক পংকজ প্ৰতিম শৰ্মাই। জলখানা-ভথুৰাখানা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰিয়নাথ ডেকাই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰাৰ লগতে চৰণ লহকৰ আৰু হৰিপদ ডেকাই আঁত ধৰা সভাখনত জলখানা-ভথুৰাখানা অঞ্চলৰ পৰা সদ্যঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ডিষ্টিংছন আৰু ষ্টাৰ নম্বৰসহ সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক গামোচা আৰু মানপত্ৰৰে অভিনন্দন জ্ঞাপন কৰা হয়। উক্ত সভাতে পখুৰা লখোপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী হিমানী দেৱীৰ অনুগল্প পুথি 'সূৰ্যমুখী' আৰু ২০২১তে প্ৰকাশিত কবিতা পুথি 'ৰ'দালি' উন্মোচন কৰে নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱা আৰু টিহুৰ আৰ্যভট্ট একাডেমীৰ প্ৰবক্তা অবিনাশ কলিতাই। সভাত উন্মোচকদ্বয়ে প্ৰাসংগিক ভাষণ দিয়াৰ লগতে বিশিষ্ট অতিথি জলখানা-ভথুৰাখানা জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক শৈলেন ডেকাই বক্তব্য আগবঢ়ায়। তদুপৰি লখোপুৰৰ মিলন হাইস্কুলৰ প্ৰধান শিক্ষক অনুকুল ঠাকুৰীয়া, হস্ততাঁত বিভাগৰ গ্ৰন্থগাৰিক ড° ভূপেন্দ্ৰ নাথ শৰ্মা, শিক্ষয়িত্ৰী দৰ্পনা কলিতা, সমাজকৰ্মী হৰেকৃষ্ণ ৰাজবংশী আদিয়ে বক্তব্য আগবঢ়ায়। সভাত কণমানি ছাত্ৰ-ছাত্ৰী ক্ৰমে সম্যদীপ কলিতাই কবিতা আবৃত্তি, নীলাভজ্যোতি কলিতা আৰু শিৱানী কলিতাই গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।

# ঘগ্ৰাপাৰত একেদিনাই ১০২টা বুথত 'প্ৰধানমন্ত্ৰীৰ মন কী বাত' অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৮ আগষ্ট ঃ** বিজেপিৰ নলবাৰী জিলা সমিতিৰ অন্তৰ্গত ঘগ্ৰাপাৰৰ বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ উদ্যোগত আজি একেদিনাই ১০২টা বুথত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই পৰিপ্ৰেক্ষিতত আজি মণ্ডলটোৰ অন্তৰ্গত ১৮৮ নম্বৰ বুৰবুৰী বুথত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই উপস্থিত থাকি মোদীৰ 'মন কী বাত' অনুষ্ঠান উপভোগ কৰি প্ৰায় ডেৰ শতাধিক কাৰ্যকৰ্তা আৰু ৰাইজক উদ্দেশ্যি তেওঁ নিজৰ ভাষণত মন কী বাতত প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰা ভাষণ বুজাই দিয়ে। লগতে কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনিসমূহে ৰাইজক কিদৰে উপকৃত কৰিছে ইয়াৰ ওপৰত আলোকপাত কৰাৰ উপৰি এই আঁচনিসমূহ ৰাইজৰ মাজলৈ নিবলৈ দলীয় কৰ্মীসকলক আহ্বান জনায়। স্থানীয় বিজেপিৰ সক্ৰিয় কাৰ্যকৰ্তা মণ্টু লহকৰে আঁত ধৰা অনুষ্ঠানত বিজেপিৰ সামাজিক মাধ্যমৰ জয়ন্ত বেজবৰুৱা, নৰজিৎ বৈশ্য আদিয়ে অংশগ্ৰহণ কৰে। ইফালে, মণ্ডলটোৰ দিহজাৰী ৪৮ নম্বৰ ঘোহকুছি বুথতো আজি প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বুথটোৰ সভাপতি ভাস্কৰ দাসৰ তত্বাৱধানত আয়োজিত অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক মৃগেন শৰ্মা, মণ্ডলটোৰ সামাজিক মাধ্যমৰ অন্যতম আহ্বায়ক খঞ্জন তালুকদাৰ, ভৃগু বৰ্মন উপস্থিত থকা মন কী বাত অনুষ্ঠানটো প্ৰায় শতাধিক দলীয় কৰ্মী তথা ৰাইজে উপভোগ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি সদ্যঘোষিত হাইস্কুল-উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত গাঁওখনৰ ভাল ফলাফল দেখুওৱা ২০গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। আনফালে, মণ্ডলটোৰ দতৰা গাঁও পঞ্চায়তৰ ১৬৭ নম্বৰ কঠোৰা বুথত অনুষ্ঠিত মন কী বাত অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক শ্যামন্ত শৰ্মাই অংশগ্ৰহণ কৰে। ইফালে, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই সংবাদ মাধ্যমৰ আগত কয় যে মণ্ডলৰ অন্তৰ্গত ১০২টা বুথত আজি একে সময়তে প্ৰধানমন্ত্ৰীৰ মন কী বাত অনুষ্ঠান কাৰ্যসূচী ৰূপায়ণ হয়।



# নলবাৰী জিলা অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ সন্মিলন



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৮ আগষ্ট ঃ** নলবাৰী চহৰৰ দেবীদত্ত প্ৰাথমিক বিদ্যালয়ত আজি সপ্তম অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ নলবাৰী জিলা সন্মিলনখন অনুষ্ঠিত হয়। সন্মিলনখন পৰিচালনা কৰে ৰীনা বেগম আৰু ইলা ৰাণী বৰ্মনে। সন্মিলনখন উদ্বোধন কৰে অংগনৱাড়ীৰ ৰাজ্যিক উপসভানেত্ৰী বীণা বৈশ্যই। সামৰণি ভাষণ দিয়ে চি আই টি ইউৰ নলবাৰী জিলা সভাপতি নৃপেন চন্দ্ৰ কলিতাই। সভাত উপস্থিত থকা ৰাজ্যিক তথা জিলা নেতৃত্বই কেৰালা ৰাজ্য চৰকাৰে অংগনৱাড়ী কৰ্মীক দিয়ে মাহিলি মাননি ২১০০০ টকা আৰু অসম চৰকাৰে দিয়ে মাত্ৰ ৬০০০ টকা। এয়া অসম চৰকাৰৰ নীতি বুলি উল্লেখ কৰে। সন্মিলনত ভাষণ দি অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ ৰাজ্যিক সভাপতি জয়মতী দাস আৰু চি আই টি ইউৰ নলবাৰী জিলা সম্পাদক মহেশ্বৰ দত্তই। সন্মিলনে ২১ জনীয়া এখন নতুন কমিটী গঠন কৰে। নতুন কমিটীত অঞ্জু পাঠকক সভানেত্ৰী, ৰীনা বেগমক সম্পাদিকা আৰু ইলা ৰাণী বৰ্মনক কোষাধ্যক্ষ হিচাপে তিনি বছৰৰ বাবে নিৰ্বাচিত কৰে।

# শিৱসাগৰ চহৰৰ মাজমজিয়াত ৱাইন শ্বপ সুৰাপায়ীৰ মুকলি সুৰাপানৰ বেহা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৮ আগষ্ট ঃ** শিৱসাগৰ জিলা আৱকাৰী বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ মাহেকীয়া কমিচনৰ মোহৰ বাবেই সম্প্ৰতি শিৱসাগৰত একাংশ বিলাতী সুৰাৰ বিপণীয়ে সকলো আৱকাৰী নীতি উলংঘা কৰি নিজৰ বিপণীৰ সন্মুখতেই সুৰাপানৰ উন্মুক্ত বেহা গঢ়ি তোলাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিশেষকৈ ৱাইন শ্বপৰ পদূলিতে গঢ়ি উঠা সুৰাপায়ী দলৰ মুকলি সুৰাপান আৰু সুৰাপায়ীয়ে মুকলিকৈ অনুষ্ঠিত কৰা জুৱাৰ বেহাক লৈয়েই সৃষ্টি হৈছে এই অভিযোগৰ। আন নালাগে পৰিস্থিতি ইমানেই ভয়াৱহ হৈ পৰিছে যে নিশা নগৰৰ মাজমজিয়াৰ কেপি চাৰিআলিৰ এখন বিশেষ ৱাইন শ্বপৰ পদূলিয়েদি সাধাৰণ পথচাৰীয়ে অতিক্ৰম কৰিবলৈও চিন্তা কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। ৱাইন শ্বপৰ পদূলিৰ সন্মুখৰ পাৰ্কিং আস্থানত শাৰী শাৰীকৈ ৰখাই থোৱা বিলাসী গাড়ীৰ আৰোহীয়ে গাড়ীৰ ভিতৰতেই সুৰাপান কৰি সমগ্ৰ অঞ্চলটোতেই এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে। আৱকাৰী আইন অনুসৰি ১০ বজাত ৱাইন শ্বপ বন্ধ কৰাৰ পৰিৱৰ্তে কেপি চাৰিআলিৰ এই বিশেষ ৱাইন শ্বপখনে নিশা ১১ বজা পৰ্যন্ত বিপণী খুলি সমগ্ৰ অঞ্চলটোৰ পৰিৱেশ বিনষ্ট কৰাৰ অভিযোগ উঠিছে। নিশা ১১ বজালৈকে নীতি বহিৰ্ভূতভাৱে খোলা থকা বিপণীখনৰ সন্মুখত সুৰাপায়ীয়ে সৃষ্টি কৰা অপ্ৰীতিকৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ যোৱা সুৰাপায়ীয়ে ওলোটাই আৰক্ষীকহে ভাবুকি দিবলৈ চেষ্টা কৰাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অৱশ্যে শিৱসাগৰ আৰক্ষীয়ে কঠোৰ হাতেৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ পাছতেই পিছ দিনা নিজকে ছাত্ৰ সংগঠনৰ নেতা বুলি পৰিচয় দিয়া দুজন তথাকথিত নেতাই আৰক্ষীক নৰমস্থিতি গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱাৰ ঘটনাই বিশেষ তাৎপৰ্য বহন কৰিছে। ইতিমধ্যে আৰক্ষী বিষয়াক ৱাইন শ্বপৰ পদূলিতে সুৰাপায়ীয়ে সৃষ্টি কৰা মুকলি সুৰাৰ আড্ডাত অভিযান নচলাবলৈ অনুৰোধ জনোৱা তথাকথিত নেতা দুজনৰ অডিঅ' ভাইৰেল হৈ পৰাৰ ঘটনাই স্তম্ভিত কৰি তুলিছে সচেতন মহলক। আনহাতে শিৱসাগৰ কেন্দ্ৰীয় বজাৰৰ তলৰ মহলাত থকা এখন ৱাইন শ্বপৰ গইনা লৈ সেই স্থানত মুকলি সুৰা সেৱনৰ বেহা গঢ়ি উঠাৰ লগতে সমীপতেই তিনিখনকৈ তাচ পাতৰ জুৱা অনুষ্ঠিত হোৱাৰ ঘটনাই ৰাইজৰ চকু কপালত তুলিছে। চহৰৰ হৃদপিণ্ড স্বৰূপ কেন্দ্ৰীয় বজাৰৰ তলত ৱাইন শ্বপৰ গইনা লৈ গঢ়ি উঠা জুৱা, সুৰাৰ আড্ডাই অঞ্চলটোৰ পৰিৱেশ বিনষ্ট কৰিছে। কমিচনৰ মোহন বন্দী আৱকাৰী বিভাগে চকু কাণ মুদি দিয়াৰ বিপৰীতে শিৱসাগৰ আৰক্ষীয়ে এই সুৰা, জুৱাৰ আড্ডা উৎখাতৰ বাবে নিয়মিত অভিযান চলোৱাৰ মাজতেই যোৱা নিশা কেন্দ্ৰীয় বজাৰৰ উক্ত ৱাইন শ্বপৰ পদূলিত সৃষ্টি হ'ল এক অপ্ৰীতিকৰ পৰিস্থিতিৰ। মুকলিকৈ সুৰা আৰু জুৱাৰ বেহাক লৈয়েই দুটা গোটৰ মাজত এক সংঘৰ্ষময় পৰিস্থিতিৰ সৃষ্টি হয় যদিও সদৰ আৰক্ষীৰ দলে তৎপৰতাৰে দুয়োটা গোটকে ছত্ৰ ভংগ দিয়াত পৰিস্থিতি শাম কাটে। উল্লেখ্য যে শিৱসাগৰত অধিকাংশ বিলাতী সুৰাৰ বিপণীয়ে সকলো আৱকাৰী নীতি-নিয়ম মানি চলাৰ বিপৰীতে কেপি চাৰিআলি, কেন্দ্ৰীয় বজাৰ, দিখৌ দলং আৰু ষ্টেছন চাৰিআলি শ্যাম মন্দিৰৰ সন্মুখৰ এখন ৱাইন শ্বপে সকলো নিয়ম ভংগ কৰি পদূলিৰ মূৰতে সকলো সুবিধা উপলব্ধৰে সুৰা আৰু জুৱাৰ মেলা পাতি আহিছে। আন নালাগে ষ্টেছন চাৰিআলিৰ শ্যাম মন্দিৰৰ সন্মুখৰ বিলাতী সুৰাৰ বিপণীখনে অৰুণাচলী সুৰাৰ হলচেলাৰৰ ভূমিকাত অৱতীৰ্ণ হৈ গাঁৱে ভূঞে এই বেহা তীব্ৰ গতিত চলোৱাৰ ঘটনাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সচেতন মহলে কমিছনৰ মোহত আৱকাৰী বিভাগে মৌন ব্ৰত পালন কৰাৰ বিপৰীতে শিৱসাগৰ আৰক্ষীক কঠোৰতকৈও কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাৰ প্ৰতি আহ্বান জনাইছে।

**■ নিশা চেন্ট্ৰেল মাৰ্কেটত উত্তপ্ত পৰিস্থিতি ■ শিৱসাগৰ আৰক্ষীক কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী**

## পূব নলবাৰীত শৈক্ষিক সভা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৮ আগষ্ট ঃ** নলবাৰীৰ অগ্ৰণী গ্ৰামীণ শিক্ষানুষ্ঠান পূব নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত কালি বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ এখন শৈক্ষিক সভা অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি সুভাষ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাখনত বিদ্যালয়ে ল'ব লগা উন্নয়নমূলক আঁচনিৰ লগতে ছাত্ৰ-চাত্ৰীৰ শৈক্ষিক অৰ্হতা আয়ত্তকৰণ সন্দৰ্ভত আলোচনা হয়। সভাখনত শিক্ষকসকলক আত্মোৎসৰ্গীকৃত আৰু সেৱাৰ মনোভাৱেৰে নিষ্ঠা, সততা আৰু আন্তৰিকতাৰে পাঠদান কৰিবলৈ আহ্বান জনোৱা হয়। সহকাৰী বিদ্যায়তনিক দিশত ছাত্ৰ-ছাত্ৰীক আগবঢ়াই নিয়াত যথা সম্ভৱ গুৰুত্ব দিবলৈয়ো বিদ্যালয়ৰ অধ্যক্ষক আহ্বান জনোৱা হয়। অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ নৰেন শৰ্মা, পঞ্চায়ত প্ৰতিনিধি বিশিষ্ট সমাজসেৱী হিৰণ্য বৰ্মন আৰু ৰুক্মিণী কলিতা, বিশিষ্ট ক্ৰীড়া সংগঠক দীপক কুমাৰ দাস, কৃতী শিক্ষক দেৱেন দাস আৰু স্মিতম প্ৰকাশ দত্তৰ লগতে বিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু শুভাকাংক্ষীয়ে এই শৈক্ষিক সভাত অংশগ্ৰহণ কৰে। সভাৰ আঁত ধৰে বিদ্যালয়খনৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হেমন্ত কুমাৰ শৰ্মাই।

# আমগুৰিত উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ ২৪ সংখ্যক অধিবেশন

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ২৮ আগষ্ট ঃ** সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ ২৪ সংখ্যক শিৱসাগৰ জিলা দ্বিবাৰ্ষিক অধিবেশনখনি কালি দিনজোৰা কাৰ্যসূচীৰে আমগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। সেইদিনা আমগুৰি আউনী আটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তথা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° অনিল গগৈ, যোৰহাট চন্দ্ৰ কমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ বিমল শইকীয়া আৰু আমগুৰি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অৰুণ শইকীয়াৰ দ্বাৰা বৃক্ষৰোপণেৰে কাৰ্যসূচীৰ পাতনি মেলা হয়। পতাকা উত্তোলন কৰে সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি ধ্ৰুৱজ্যোতি সন্দিকৈ আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি, বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ বিনোদ শইকীয়াই। স্মৃতি তৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি তথা আমগুৰি আউনী আটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অমৰজ্যোতি বৰঠাকুৰে। পাছত প্ৰতিনিধি সভা আৰম্ভ হয়। অধিবেশনত বিদ্যালয়সমূহৰ পৰিদৰ্শক কমল জ্যোতি গগৈয়ে অংশগ্ৰহণ কৰা সভাত আগন্তুক বৰ্ষৰ বাবে ধ্ৰুৱজ্যোতি সন্দিকৈক সভাপতি, ৰঞ্জিত শইকীয়া, কনক নেওগ, দিপালী বৰঠাকুৰক উপসভাপতি, কৃপাল ভূঞাক সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হয়।

## বালিসত্ৰৰ ১৬ বছৰীয়া ছাত্ৰীৰ আপত্তিজনক ফটো ছ'চিয়েল মিডিয়াত ভাইৰেল প্ৰেমিকৰ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৮ আগষ্ট ঃ** পশ্চিম বড়িগোগ মৌজাৰ হাজো সমষ্টিৰ অন্তৰ্গত বালিসত্ৰ গাঁৱৰ এগৰাকী দুখীয়া পৰিয়ালৰ ছাত্ৰীৰ অশ্লীল ফটো ছ'চিয়েল মিডিয়াত ভাইৰেল কৰি সামাজিক আৰু মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে বাইহাটা চাৰিআলিৰ আৰক্ষীৰ অন্তৰ্গত মালিবাড়ীৰ ভণ্ড প্ৰেমিক কৃষ্ণ বৰুৱাৰ বিৰুদ্ধে। ১৬ বছৰীয়া ভুক্তভোগী ছাত্ৰীগৰাকীৰ ভাষ্য মতে চাৰি মাহ আগতে তেওঁৰ ম'বাইলেৰে বান্ধৱী এগৰাকীয়ে ভণ্ড কৃষ্ণ বৰুৱা নামৰ যুৱকজনক ফোন কৰি চিনাকি কৰি দিছিল। তাৰ পাছত বন্ধুত্ব আৰু প্ৰেম। সুবিধা বুজি ছাত্ৰীগৰাকীৰ ঘৰত কোনো নথকাত প্ৰেমিক উপস্থিত হৈ উত্তেজক চকলেক খুৱাই শাৰীৰিক সম্পৰ্ক স্থাপন কৰে আৰু ম'বাইলত নগ্ন ফটো তুলি ভয় ভাবুকি দি কাকো নক'বলৈ মানা কৰে। ছাত্ৰীগৰাকীয়ে নিৰুপায় হৈ মুখ বন্ধ ৰাখে যদিও মাজে মাজে প্ৰেমিকে ব্লেকমেইলিং কৰি মানসিক নিৰ্যাতন দিবলৈ আৰম্ভ কৰে আৰু কথা নুশুনিলে ছ'চিয়েল মিডিয়াত নগ্ন ফটো ভাইৰেল কৰিম বুলি ভাবুকি প্ৰদান কৰাৰ লগতে গুৱাহাটীৰ হোটেলত নিশা যাপন কৰাৰ প্ৰস্তাৱ দিয়ে। সেয়া অমান্তি হোৱাত নগ্ন অশ্লীল ফটো ছ'চিয়েল মিডিয়াত ভাইৰেল কৰে। আজি কঞা থানাত ভুক্তভোগী ছাত্ৰীগৰাকীৰ লগতে পৰিয়ালৰ লোকে ন্যায় বিচাৰি কৃষ্ণ বৰুৱাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে।

# জনীয়া ব্লুবেল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পঞ্চম সংখ্যাক নৱাগত আদৰণি সভাৰ সামৰণি



**কলগাছিয়া, ২৮ আগষ্ট ঃ** বৰপেটা জিলাৰ জনীয়াস্থিত বেচৰকাৰী শিক্ষানুষ্ঠান ব্লুবেল ছেকেণ্ডাৰী স্কুলৰ পঞ্চম সংখ্যক নৱাগত আদৰণি সভা কালি সামৰণি পৰে। নৱাগত আদৰণি সভাৰ লগত সংগতি ৰাখি ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ প্ৰতি লক্ষ্য ৰাখি ৰঙচৰা, গীত, নৃত্য, ফেছন শ্ব'কে আদি কৰি বিভিন্ন ধৰণৰ আমোদজনক অনুষ্ঠান অনুষ্ঠিত কৰা দেখা যায়। আদৰণি সভাৰ লগত সংগতি ৰাখি ব্লুবেল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সঞ্চালক দেৱান শ্বাজামাল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰ একতা সভাৰ সম্পাদক ছোয়েব আখতাৰে। সভাত জনীয়াস্থিত ফখৰুদ্দিন আলী আহমেদ মেম'ৰিয়েল ছেকেণ্ডাৰী ছিনিয়ৰ স্কুলৰ অধ্যক্ষ ছানোৱাৰ ৰহমান, জনীয়া আঞ্চলিক গ্ৰামোন্নয়ন পৰিষদৰ সম্পাদক আব্দুল মালিক, জনীয়া হাইস্কুলৰ প্ৰধান শিক্ষক ছোলেইমান চৌধুৰী, জনীয়া ফখৰুদ্দিন আলী আহমেদ মেম'ৰিয়েল ছেকেণ্ডাৰী ছিনিয়ৰ স্কুলৰ প্ৰৱক্তা দেৱান দানেচ আলী, শিশু অধিকাৰ কৰ্মী ৰফিকুল ইছলাম, জনীয়া প্ৰেছ ক্লাবৰ সভাপতি মইনুল হক চৌধুৰী, সম্পাদক আবুল হুছেইনকে আদি কৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি শিক্ষাৰ ওপৰত বক্তব্য প্ৰদান কৰে। সভাত বিশিষ্ট সমাজকৰ্মী আব্দুল মালিকে প্ৰসংগ ক্ৰমে শিক্ষাকে ধৰি ৰাস্তা পদূলি আদি কৰি বিভিন্ন দিশত জনীয়াৰ বিধায়কৰ অৱহেলাৰ বাবে জনীয়া অঞ্চল তথা বেঁকী নদীৰ পূব পাৰ অতিকৈ পিছ পৰি আছে বুলি জনীয়াৰ বিধায়কক ক্ষুৰধাৰ সমালোচনা কৰে। উল্লেখ্য যে ব্লুবেল ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ বিগত বছৰকেইটাৰ ফলাফললৈ লক্ষ্য কৰি জনীয়া অঞ্চলত শৈক্ষিক আন্দোলন গঢ়ি তোলাৰ ক্ষেত্ৰত ব্লুবেল ছেকেণ্ডাৰী স্কুলে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব বুলি অতিথিসকলে মতপোষণ কৰে। সন্ধিয়া ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত বিভিন্ন ধৰণৰ গীত মাতে দৰ্শকক আপ্লুত কৰে।

## যুৱকক হত্যাৰ অভিযোগ তেজপুৰত

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৮ আগষ্ট ঃ** তেজপুৰৰ গোটলোং অঞ্চলত ইমৰাজুল হক (৩৪) নামৰ এজন যুৱকৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ কৰা হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ২৬ আগষ্টৰ সন্ধিয়া অঞ্চলটোৰে একাংশ বন্ধুৰ স'তে থকা ক্ষুদ্ৰ ব্যৱসায়ী যুৱকজন সন্ধানহীন হয়। এই বিষয়ে যুৱকজনৰ পৰিয়ালে স্থানীয় মহাভৈৰৱ আৰক্ষী থানাত অভিযোগ দাখিল কৰে আৰু আৰক্ষীয়ে যুৱকজনৰ সন্ধান কৰে যদিও তেওঁৰ কোনো শুংসূত্ৰ নোলাল। কালি পুৱা স্থানীয় লোকে অঞ্চলটোৰে এটা পুখুৰীৰ পাৰৰ পৰা ইমৰাজুলৰ মৃতদেহ উদ্ধাৰ কৰে। আনহাতে, এই ঘটনা এক পৰিকল্পিত হত্যাকাণ্ড বুলি ইমৰাজুলৰ পৰিয়ালে দাবী কৰাৰ লগতে ঘটনা সন্দৰ্ভত ছয় অভিযুক্তৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ইতিমধ্যে ইয়াৰে পাঁচ অভিযুক্তক কৰায়ত্ত কৰি অনুসন্ধান অব্যাহত ৰাখিছে।

# মাজুলীত এচাম প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীৰ নিৰলস প্ৰচেষ্টাত তিনিমহীয়া আলোচনী 'অন্তৰাগ' উন্মোচন



অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৮ আগষ্ট ঃ** মহাপুৰুষ শংকৰ মাধৱৰ মনিকাঞ্চন সংযোগথলী মাজুলী সাহিত্য-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ। অসমৰ সাহিত্য-সংস্কৃতিৰ ইতিহাসত মাজুলীৰ অৱদান অবিহনে ইতিহাস অপূৰ্ণ সেয়া যথাৰ্থতে সত্য। খ্ৰীষ্টান মিছনেৰীসকলে প্ৰকাশ কৰা 'অৰুণোদয়' অসমীয়া সাহিত্যৰ প্ৰথম আলোচনী হ'লেও নিভাঁজ অসমীয়া আলোচনীখন প্ৰকাশ কৰিছিল আউনীআটী সত্ৰৰ একাদশ গৰাকী সত্ৰাধিকাৰ দত্তদেৱগোস্বামীয়ে ১৮৭১ খ্ৰীষ্টাব্দত 'আসাম বিলাসিনী'। পৰৱৰ্তী সময়ত জুলি, পযেকীয়া মাজুলী, দীপবাৰ্তা, দীপালোক, কিশলয়, খোজ আদি অনেক আলোচনীৰ মাজুলীত জন্ম হ'ল যদিও জীয়াই নাথাকিল। 'অন্তৰাগ' নামৰ তিনিমহীয়া আলোচনীখনৰ উন্মোচনী সভ াত এক ঐতিহাসিক বিশ্লেষণ কৰি শুভেচ্ছা মূলক বক্তব্যৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰি আদৰণি ভাষণ আগবঢ়ায় মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট কবি ড° দেৱজিৎ শইকীয়াই। এই উদ্দেশ্যে মাজুলী মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত আয়োজন কৰা সভা সঞ্চালনা কৰে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেণ ঠাকুৰীয়াই। সভা উদ্বোধন কৰি অসমীয়া ভাষাৰ উত্তৰণ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত অধ্যয়নৰ স্পৃহা বৃদ্ধিৰ ক্ষেত্ৰত এক সাৱলীল বক্তব্য আগবঢ়ায় মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহশিক্ষক ডিম্বেশ্বৰ ভূঞাই। এই শুভক্ষণতে 'অন্তৰাগ' উন্মোচন কৰে পযেকীয়া মাজুলীৰ সম্পাদক তথা মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞাই। ভূঞাই ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া ভাষাৰ সঞ্জীৱনী সুধা দানকৰা জোনাকী যুগৰ ছাত্ৰ সমাজৰ আদৰ্শ আগত ৰাখি সাহিত্য চৰ্চা কৰাৰ আহ্বান জনায়। তদুপৰি আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰে। বিশিষ্ট অতিথিৰ আসনৰ পৰা বিশিষ্ট কবি, প্ৰকাশক তথা 'মাজুলীৰ কবিতা'ৰ সম্পাদক জয়ন্ত হাজৰিকাই আলোচনীখনৰ জন্মক্ৰন্দনৰ সেওধৰি আলোচনীখন জীয়াই ৰখাৰ ক্ষেত্ৰত বহুকেইটা গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। মাজুলী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক অবনী দত্তই অসমীয়া ভাষা সংস্কৃতিৰ সংকটৰ সময়ত 'অন্তৰাগে' এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ আশা প্ৰকাশ কৰি আলোচনীখনৰ বাবে সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। সভাত আলোচনীখনৰ সম্পাদনা সমিতিৰ লগতে মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক অমৃতেশ্বৰ চুতীয়া, বিশিষ্ট সাহিত্যিক কুশদীপ হাতীমতা, লেখিকা ৰেণু কলিতা, অধ্যাপক তুলসী ৰাজখোৱা, অধ্যাপিকা মায়াশ্ৰী ডেকা, মাজুলী জিলা কবি সন্মিলনৰ সম্পাদক তথা বিশিষ্ট কবি পাপু বৰা প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি আৰু মাজুলী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ভাগ্যজ্যোতি দত্তই আঁতধৰা অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা আৰু শলাগৰ শৰাই আগবঢ়ায় গৌতম দাসে। সভাত কৰিণা হাজৰিকাৰ বৰগীত আৰু কৰিস্মা বৰুৱাৰ লোকগীতে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# বগাহাতীত পৰিণত তিতাবৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ

## ■ প্ৰশাসনিক আমোলা-অভিযন্তা-জনপ্ৰতিনিধিলৈকে সকলো অন্তৰ্ধান ঃ এমাহ ধৰি বন্ধ পানীযোগান ব্যৱস্থা



**তিতাবৰ, ২৮ আগষ্ট ঃ** তিতাবৰত ক্ৰমাৎ বগাহাতীলৈ পৰিণত হৈছে জনস্বাস্থ্য কাৰিকৰী বিভাগ। গ্ৰেটাৰ তিতাবৰ পানী যোগান প্ৰকল্প নামেৰে এছিয়াৰ ভিতৰতে বৃহত্তম ৰাজহুৱা পানী যোগান প্ৰকল্প থকা বুলি গৰ্ব কৰি থকা তিতাবৰত এতিয়া এটুপি বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ সক্ষম হোৱা নাই বিয়াগোম বিভাগটো। জুলাই-আগষ্টৰ দেহা ছাটি-ফুটি কৰা প্ৰচণ্ড অসহনীয় গৰমতো বিভাগটোৱে বিগত এমাহ ধৰি তিতাবৰবাসীক এটুপি খোৱাপানী যোগান ধৰিবলৈ অসমৰ্থ হোৱাৰ পাছতো নিমাতী কইনাৰ দৰে বহি আছে তিতাবৰ মহকুমা প্ৰশাসন। কোনো ধৰণৰ সামাজিক দায়িত্ববোধ নথকা এই নীতিবাগীশ প্ৰশাসনিক বিষয়াসকলৰ অদক্ষতাৰ বাবেই যমৰ যাতনা ভুগিছে তিতাবৰৰ বাসিন্দাই। মহকুমাটোৰ ১৬ খন গাঁও পঞ্চায়ত আৰু এখন পৌৰসভাকে ধৰি বৃহত্তৰ অঞ্চলটোত দুই লক্ষাধিক জনতাই বিশুদ্ধ খোৱাপানীৰ বাবে হামৰাও কাঢ়ি থকাৰ সময়তো খবৰ নাই বিধায়ক ভাস্কৰজ্যোতি বৰুৱাৰ। কংগ্ৰেছৰ কেইগৰাকীমান নেতাৰ আঙুলি ঠাৰত নাচি থকা বিধায়কেও দিনে-নিশাই তেওঁলোকৰ সুৰক্ষিত ভৱিষ্যতৰ কথা চিন্তা কৰি থাকোতেই সমষ্টিবাসীৰ সাধাৰণ মৌলিক সমস্যাৰ প্ৰতি প্ৰদৰ্শন কৰিবলগীয়া ন্যূনতমো দায়িত্ববোধ পাহৰি পেলালে। উৎকত গৰমত খোৱাপানীৰ অভাৱত সমষ্টিটোত শিশুৰ পৰা আবাল-বৃদ্ধ-বনিতালৈকে কিদৰে অসহনীয় সমস্যাত ভুগিছে তাৰ বুজ ল'বলৈ আহৰি নাই বিধায়কৰ। আকালৰ দিনত তিতাবৰত প্ৰশাসনিক আমোলা-বিষয়া-অভিযন্তা-জনপ্ৰতিনিধি সকলোৱে মূৰপোলোকা মৰাৰ সময়ত সমস্যাৰ গভীৰতা উপলব্ধি কৰি আজিৰে পৰা তিতাবৰ পৌৰসভা অঞ্চলত পানীটেংকিৰ জৰিয়তে ঘৰে ঘৰে পানী যোগানৰ ব্যৱস্থা কৰিছে তিতাবৰৰ প্ৰাক্তন বিধায়ক হেমন্ত কলিতাই। প্ৰাক্তন বিধায়কজনে তিতাবৰ পৌৰসভাৰ সহযোগত পৌৰসভাৰ টেংকিৰ জৰিয়তে আজিৰ পৰা ঘৰে ঘৰে পানীযোগানৰ ব্যৱস্থা কৰাত পৌৰবাসীয়ে কিছু হ'লেও স্বস্তিৰ নিশ্বাস এৰিছে।

# শাৰদীয় দুৰ্গা পূজাৰ বিশেষ সংখ্যা 'মৌ-মাত' দ্বি-মাসিক শিশু আলোচনীলৈ লেখা আহ্বান

অগ্ৰদূত বাৰ্তা

**ধিং, ২৮ আগষ্ট ঃ** নগাঁও জিলাৰ ধিঙৰ পৰা প্ৰকাশ পোৱা 'মৌ-মাত' নামৰ দ্বি-মাসিক শিশু আলোচনীখনে পাঠক সমাজৰ পৰা যথেষ্ট সমাদৰ লাভ কৰি ইতিমধ্যে তৃতীয় সংখ্যা অতিক্ৰম কৰিলে। 'মৌ-মাত'ৰ চতুৰ্থ সংখ্যাটো চলিত বৰ্ষৰ আগন্তুক অক্টোবৰ-নৱেম্বৰত প্ৰকাশ পাব শাৰদীয় দুৰ্গা পূজাৰ বিশেষ সংখ্যা হিচাপে। এই বিশেষ সংখ্যাটিৰ বাবে শিশুসকলৰ লগতে ইচ্ছুক লেখক-লেখিকাসকলৰ পৰা শিশু উপযোগী গল্প, সাধু, কবিতা, প্ৰবন্ধ, ছবি, সাঁথৰ, স্বাস্থ্য, শিক্ষা, মহৎ লোকৰ জীৱনী, ভ্ৰমণ কাহিনী, ক্ৰীড়া, সাংস্কৃতিক, কুইজ, দেৱী দুৰ্গাৰ বিষয় ইত্যাদি লেখাসমূহ 'মৌ-মাত'ৰ ই-মেইল যোগেদি প্ৰেৰণ কৰিবলৈ সম্পাদক বন্দনা নাথ ঠাকুৰীয়াই আহ্বান জনাইছে। অসমীয়া মাধ্যমৰ লগতে ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলেও লেখা প্ৰেৰণ কৰিব পাৰিব। উল্লেখ্য যে 'মৌ-মাত'লৈ লেখাসমূহ পাঁচ ছেপ্তেম্বৰৰ ভিতৰত পোৱাকৈ পঠিয়াব লাগিব। বেটুপাতৰ বাবে ইচ্ছুক শিশুসকলে অনতিপলমে যোগাযোগ কৰিব লাগিব। বছৰেকীয়া গ্ৰাহক হ'বলৈ বিচৰাসকলে সম্পূৰ্ণ ঠিকনা লিখি প্ৰেৰণ কৰিব লাগিব আৰু প্ৰথম সংখ্যাৰ পৰা আটাইকেইখন আলোচনী ডাকযোগে পঠিওৱা হ'ব। পূজাৰ সংখ্যাটোত শিশুসকলৰ বাবে চিত্ৰাংকন প্ৰতিযোগিতা আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে দেৱী দুৰ্গাৰ ৰঙীন ছবি একোখন আঁকি 'মৌ-মাত'লৈ পাঁচ ছেপ্তেম্বৰৰ ভিতৰত পোৱাকৈ পঠিয়াব লাগিব। প্ৰতিখন ছবি পূজাৰ সংখ্যাত প্ৰকাশ কৰাৰ লগতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ী প্ৰতিযোগীক 'মৌ-মাত'ৰ প্ৰথম বাৰ্ষিক অধিবেশনত পুৰস্কাৰসমূহ বিতৰণ কৰা হ'ব। লেখা প্ৰেৰণৰ আৰু যোগাযোগৰ ঠিকনা ই-মেইল E-mail moumat22@gmail.com, ফোন নম্বৰ - ৬০০০১৬৮১৮৩।

# গৌৰীপুৰত চাৰিখনকৈ নতুন মৃত্যুঞ্জয় ১০৮ এম্বুলেন্সৰ ফ্লেগ অফ



**ধুবুৰী, ২৮ আগষ্ট ঃ** ধুবুৰী জিলা স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত নিত্য বিনোদ ৰাৱীয়ে কালি গৌৰীপুৰস্থিত সামূহিক স্বাস্থ্য কেন্দ্ৰৰ পৰা চাৰিখনকৈ নতুন মৃত্যুঞ্জয় ১০৮ এম্বুলেন্সৰ ফ্লেগ অফ কৰে। উক্ত অনুষ্ঠানত ধুবুৰী জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ইমদাদ উল্লা আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ প্ৰচাৰ মাধ্যমৰ বিশেষজ্ঞ আমিৰুল হক উপস্থিত থাকে। ধুবুৰী জিলা স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত নিত্য বিনোদ ৰাৱীয়ে কয় যে যোৱা ১১ আগষ্টত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুঠ ৮৩ খন মৃত্যুঞ্জয় ১০৮ এম্বুলেন্স শুভাৰম্ভণি কৰিছিল আৰু পুৰণি এম্বুলেন্সৰ সলনি ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱা আঁচনিৰ অধীনত জিভিকে ইএমআৰআইক হস্তান্তৰ কৰিছিল। তাৰে চাৰিটা ধুবুৰী জিলাত দিয়া হৈছে আৰু ধুবুৰী জিলাৰ লোকসকলৰ সেৱাৰ বাবে কালি ফ্লেগ অফ কৰা হয়। ধুবুৰী জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ইমদাদ উল্লা আৰু স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত নিত্য বিনোদ ৰাৱীয়ে এম্বুলেন্স চাৰিখনৰ ভিতৰত থকা জৰুৰীকালীন সেৱাৰ প্ৰয়োজনীয় সামগ্ৰীৰ পৰ্যবেক্ষণ আৰু পৰীক্ষণ কৰে। স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত আৰু যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক তেওঁলোক দুয়োজনে ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱাৰ ফ্লেগ অফ কৰি সুখী অনুভৱ কৰাৰ লগতে আনসকলকো এই বিনামূলীয়া সেৱা ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰে।

# মৰাণ মহাবিদ্যালয়ত গ্ৰন্থ উন্মোচনী সভা



অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৮ আগষ্ট ঃ** মৰাণ অঞ্চলৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান মৰাণ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ২৫ আগষ্টত ভূগোল বিষয়ৰ এখন গুৰুত্বপূৰ্ণ পাঠ্যপুথি তথা গ্ৰন্থ উন্মোচন হয়। মৰাণ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰাজীৱ হাজৰিকাই প্ৰণয়ন কৰা 'প্ৰাকৃতিক ভূগোল' নামৰ গ্ৰন্থখনৰ প্ৰথম খণ্ডটো উন্মোচন কৰে ডিব্ৰুগড় হনুমান বক্স সুৰজ মল কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা বিশিষ্ট সাহিত্যিক ড° ভাৰতীয় দত্তই। উন্মোচকগৰাকীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগত অধ্যয়ন কৰি থকা প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ বাবে যুগুত কৰা উক্ত পুথিখনে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিব বুলি কয়। উন্মোচনী সভাত বিশিষ্ট অতিথিৰূপে ভাষণ আগবঢ়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° কমলেশ্বৰ দত্ত, মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মিতালী কোঁৱৰ, মৰাণৰ জ্যেষ্ঠ সাংবাদিক বাছা বৰা আৰু মৰাণ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° যুতি মণি বৰদলৈয়ে। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক আত্মাৰাম কুমাৰে আঁত ধৰা সভাখনত গ্ৰন্থ প্ৰণেতা ড° ৰাজীৱ হাজৰিকা, মৰাণ মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড° ৰাজেন বৰঠাকুৰ, ড° অশোক দত্ত, অধ্যাপকা ড° পূৰবী নাথ আৰু আল্পনা গগৈ ভূঞাই বক্তব্য প্ৰদান কৰে।

# জটিল ৰোগত আক্ৰান্ত শিশু ঃ ৰাইজৰ পৰা সহায় বিচাৰিছে দৰিদ্ৰ পিতৃ-মাতৃয়ে

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৮ আগষ্ট ঃ** গোৱালপাৰাৰ এগৰাকী জটিল ৰোগত আক্ৰান্ত শিশুক লৈ বিপাঙত পৰিছে দৰিদ্ৰ পিতৃ-মাতৃয়ে। তথ্য মতে গোৱালপাৰা চহৰৰ নয়াপাৰাৰ ছাকীল মহম্মদ আলী আৰু জেলেকা খাতুনৰ একমাত্ৰ পুত্ৰ ৰিহানুৰ আলীয়ে জন্মৰ পিছৰে পৰা ব্ৰেইন টিউমাৰত আক্ৰান্ত হৈ সম্প্ৰতি ৰাজহাড় বেঁকা হৈ যোৱাৰ লগতে এখন হাত অকৰ্মণ্য হৈ পৰিছে। সম্প্ৰতি সাত বছৰত ভৰি দিয়া দুৰ্ভগীয়া শিশুটিক চিকিৎসকক দেখুৱাৰ পাছত ব্যয়বহুল অস্ত্ৰোপচাৰৰ নিৰ্দেশ দিছে। ইয়াৰ বাবে ছয় লক্ষাধিক টকাৰ প্ৰয়োজন হ'ব। কিন্তু অতি দৰিদ্ৰ পৰিয়ালৰ শিশুটিৰ চিকিৎসাৰ ক্ষেত্ৰত অপাৰগ পিতৃ-মাতৃয়ে ৰাজ্যবাসীৰ ওচৰত সহায় বিচাৰিছে। ইপিনে, আন শিশুসকলৰ স'তে বিদ্যালয়লৈ যোৱাৰ বাবে কান্দি থকা কণমানি মৰমীয়াল শিশুটিক বিদ্যালয়লৈ পঠাব নোৱাৰা হৈছে। ৰাজ্যবাসীয়ে কণমানি শিশুটিৰ অস্ত্ৰোপচাৰৰ বাবে সহায়ৰ হাত আগবঢ়ালে নতুন জীৱন দান পাব। সেয়ে কোনো সদাশয় লোকে সহায় কৰিব বিচাৰিলে ছাকিলৰ পঞ্জাৱ নেছনেল বেংকত এই ৬০০২৭৬৩৫৪৪ নম্বৰত সহায়ৰ হাত আগবঢ়াবলৈ পৰিয়ালবৰ্গই অনুৰোধ জনাইছে।

# লিটিল ফ্লাৱাৰ্ছ স্কুলত শংকৰদেৱৰ গুণানুকীৰ্তন



অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৮ আগষ্ট ঃ** মহাপুৰুষ শংকৰদেৱৰ সমাগত উৎসৱৰ লগত সংগতি ৰাখি কালি নলবাৰীৰ আগশাৰীৰ শিক্ষানুষ্ঠান লিটিল ফ্লাৱাৰ্ছ স্কুল প্ৰাংগণত ছাত্ৰ-ছাত্ৰী, শিক্ষক- শিক্ষয়িত্ৰী আৰু সুভাকাংক্ষীৰ উপস্থিতিত শংকৰদেৱৰ গুণানুকীৰ্তন শীৰ্ষক এক কাৰ্যসূচী ৰূপায়ণ হয়। কাৰ্যসূচী মতে শিক্ষয়িত্ৰী দীপা ভট্টাচাৰ্য আৰু চন্দনা শৰ্মাৰ পৰিচালনাত অনুষ্ঠিত হয় এক দিহানাম। বিশেষ ভাৱে সহযোগ কৰে মিতালি শৰ্মা, নৱনীতা দেৱী, অন্তৰিপা বৰ্মন, আৰু সংগীতা বুজৰবৰুৱাই। ইৰা গোস্বামী আৰু সংগীতা বুজৰবৰুৱাই বৰগীত পৰিৱেশন কৰা ভক্তিমূলক অনুষ্ঠানত কে'বাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে শংকৰদেৱৰ ওপৰত তাৎপৰ্যপূৰ্ণ বক্তব্য ৰাখে।

# পূব নলবাৰীত শৈক্ষিক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৮ আগষ্ট ঃ** নলবাৰী জিলাৰ পূব নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি সুভাষ বৰ্মনৰ সভাপতিত্বত কালি এখন শৈক্ষিক সভা অনুষ্ঠিত হৈ যায়। বিদ্যালয়ৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক অৰ্হতা আয়ত্তকৰণত শিক্ষকৰ ভূমিকা সম্পৰ্কেও এই সভাত আলোচনা হয়। অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ নৰেন শৰ্মা, বিশিষ্ট সমাজসেৱী হিৰণ্য বৰ্মন, ৰুক্মিণী কলিতা, ক্ৰীড়া সংগঠক দীপক কুমাৰ দাস, কৃতী শিক্ষক দেবেন দাস, স্মিতম প্ৰকাশ দত্তৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু শুভাকাংক্ষীয়ে সভাত অংশগ্ৰহণ কৰে। সভাৰ আঁত ধৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ হেমন্ত কুমাৰ শৰ্মাই।

# দেৰগাঁৱৰ সন্তান সিদ্ধাৰ্থ শংকৰ বৰাৰ সাফল্য

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণ গাঁও, ২৮ আগষ্ট ঃ** দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত টেকেলাবৰুৱা গাঁও নিৱাসী অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক যতীন বৰা আৰু অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মিনতি বৰাৰ পুত্ৰ ড° সিদ্ধাৰ্থ শংকৰ বৰা সুদূৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ পশ্চিম ভাৰ্জিনিয়া বিশ্ববিদ্যালয়(Davis college of Agriculture natural resources and design)ত সহকাৰী অধ্যাপকৰূপে নিযুক্তি লাভ কৰাৰ বাতৰিয়ে দেৰগাঁও অঞ্চলৰ ৰাইজক আনন্দিত কৰি তুলিছে। উল্লেখ্য যে সিদ্ধাৰ্থ শংকৰ বৰাই ২০০৫ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা নৱম স্থান আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ পৰা তৃতীয় স্থান অৰ্জন কৰি উত্তীৰ্ণ হৈছিল। ২০১১ত তেওঁ এনআইটি 'ওৱাংগল'ৰ পৰা ইলেকট্ৰনিকছ এণ্ড কমিউনিকেছন বিভাগত ডিষ্টিংছন সহ প্ৰথম শ্ৰেণীত বি টেক পৰীক্ষাত উত্তীৰ্ণ হয়। ২০১৫ত এমবিএ ডিগ্ৰী লাভ কৰাৰ পাছত বৰাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ অহায়ু ষ্টেট ইউনিভাৰ্চিটিৰ পৰা কৃষি অৰ্থনীতিত পিএইছডি ডিগ্ৰী অৰ্জন কৰে। উল্লেখনীয় যে তেওঁৰ গৱেষণা পত্ৰ উক্ত বিশ্ববিদ্যালয়খনৰ এখন শ্ৰেষ্ঠ গৱেষণা পত্ৰ হিচাপে বিবেচিত হৈছে। পূব দেৰগাঁৱৰ এক গ্ৰাম্য অঞ্চলৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে এখন দেশৰ বিশ্ববিদ্যালয়ত সহকাৰী অধ্যাপক হিচাপে নিযুক্তি লাভ কৰাত ড° সিদ্ধাৰ্থ শংকৰ বৰাক বিভিন্নজনে অভিনন্দন জনাইছে।



# সৰুপেটা ৰেল ষ্টেছনত ৰেলযাত্ৰী সন্থাৰ অৱস্থান ধৰ্মঘট

## ■ ৰেল ষ্টেছনত যাত্ৰীৰ বাবে নাই সুবিধা



অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২৮ আগষ্ট ঃ** অসম ৰেলযাত্ৰী সন্থাৰ আহ্বান মৰ্মে সৰুপেটা ৰেল সন্থাই বিভিন্ন দাবীত কালি সৰুপেটা ৰেল ষ্টেছনত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰায় দুই শতাধিক ৰেলযাত্ৰী আৰু ৰাইজে অংশগ্ৰহণ কৰা অৱস্থান ধৰ্মঘটত ৫৫৮১৮ নম্বৰৰ গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰেল গাড়ীখনৰ পুনৰ চলাচল আৰম্ভ কৰা, গুৱাহাটী সংযোগী অতি জৰুৰী সেৱাৰূপে বিবেচিত ১৫৭৭১ নম্বৰ আলিপুৰদুৱাৰ, ৰঙিয়া, গুৱাহাটী ইণ্টাৰচিটি এক্সপ্ৰেছ ৰেল গাড়ীখনৰ চলাচল পুনৰ আৰম্ভ কৰি সৰুপেটা ষ্টেছনত নিয়মীয়াকৈ ৰখোৱাৰ ব্যৱস্থা কৰা, ৫৫৭১৩,৭১৪ নম্বৰ নিউ জলপাইগুৰি আৰু ৰঙিয়া সংযোগী যাত্ৰীবাহী ৰেল গাড়ীখনৰ পুনৰ আৰম্ভ কৰি সৰুপেটা ষ্টেছনত নিয়মীয়াকৈ ৰখোৱাৰ ব্যৱস্থা কৰা, ৫৫৮১০ নম্বৰ গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰেল গাড়ীখনৰ যাত্ৰা পথ কোকৰাঝাৰলৈকে সম্প্ৰসাৰিত কৰাৰ ব্যৱস্থা কৰাৰ দাবী জনায়। তদুপৰি সৰুপেটা ৰেল ষ্টেছনত ৰেলযাত্ৰীৰ ভিন্ন সুবিধাৰো দাবী জনায়। দিনৰ ১০ বজাৰ পৰা ১২ বজালৈ দুঘণ্টীয়া অৱস্থান ধৰ্মঘটৰ অন্তত অৱস্থান ধৰ্মঘটত উত্থাপিত দাবীসমূহ পূৰণৰ বাবে সৰুপেটা ৰেলযাত্ৰী সন্থাৰ তৰফৰ পৰা বজালী জিলা উপায়ুক্ত আৰু উত্তৰ-পূব ৰেলৱেৰ মহাপ্ৰবন্ধকলৈ পৃথকে পৃথকে স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

# আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষকক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**আগমনী, ২৮ আগষ্ট ঃ** আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা দুজন শিক্ষকক কালি আনুষ্ঠানিকভাৱে বিদায়ী সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষকতাতে অৱসৰ গ্ৰহণ কৰা হামিদুৰ ৰহমান আৰু অনন্ত কুমাৰ মজুমদাৰক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিদায়ী সম্বৰ্ধনা জ্ঞাপন কৰা হয়। স্মৰ্তব্য যে, অনন্ত কুমাৰ মজুমদাৰে আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষকৰূপে ১৯৯৯ৰ ১৫ মে'ত যোগদান কৰি ২০২০ৰ ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰে। আনহাতে, হামিদুৰ ৰহমানে ১৯৯৩ৰ ১২ নৱেম্বৰত বিজ্ঞান শিক্ষকৰূপে কৰ্মজীৱন আৰম্ভ কৰি ২০২২ৰ ২৮ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰে। বিজ্ঞানৰ শিক্ষকৰূপে দুয়োজনেই ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট জনপ্ৰিয় আছিল। কালি বিদ্যালয়ৰ অধ্যক্ষ আনোৱাৰ হুছেইনৰ সভাপতিত্বত সম্বৰ্ধনা সভাত বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলে ফুলাম জাপি, কাপোৰ-কানি, ফুলাম গামোচা, মানপত্ৰ, গ্ৰন্থ আদি কৰি বিভিন্ন সামগ্ৰীৰে আনুষ্ঠানিক সম্বৰ্ধনা জ্ঞাপন কৰে। ছাত্ৰ-ছাত্ৰীসকলেও দুয়োজন শিক্ষকক বিভিন্ন সামগ্ৰী উপহাৰ দি সন্মান প্ৰদৰ্শন কৰে। অনুষ্ঠানত বিদায়ী শিক্ষকদ্বয়ে নিজৰ নিজৰ ভাষণ দি নিজৰ অভিজ্ঞতাসমূহ বৰ্ণনা কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলক পৰামৰ্শ প্ৰদান কৰে। আনহাতে, বিদ্যালয়ৰ শিক্ষক দীজেন্দ্ৰ নাথ শৰ্মা, হবিবৰ ৰহমানে ভাষণ প্ৰদান কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও ভাষণ প্ৰদান কৰে। সভাত মানপত্ৰ পাঠ কৰে প্ৰহ্লাদ চন্দ্ৰ ৰায় আৰু ৰফিকুল ইছলামে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিষয় শিক্ষক নজৰুল ইছলামে।

# টীয়ক ৰজাবাৰী নীলমণি ফুকন বালিকা বিদ্যালয়ত অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**টীয়ক, ২৮ আগষ্ট ঃ** টীয়ক ৰজাবাৰী অঞ্চলৰ স্ত্ৰী শিক্ষাৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠান টীয়ক ৰজাবাৰী নীলমণি ফুকন উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত আজি এক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। হে যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰীসকলক বিদ্যালয় পৰিচালনা সমিতি আৰু শিক্ষক গোটৰ হৈ উষ্ণ অভিনন্দন জ্ঞাপন কৰে। এই অনুষ্ঠানতে বিদ্যালয়খনৰ পৰা ডিষ্টিংছনসহ সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰী হিমাশ্ৰী বৰাক ৰোযেশ্বৰী শইকীয়া আৰু দেৱেন্দ্ৰ নাথ বৰুৱা সোঁৱৰণী প্ৰজ্ঞা বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে বিদ্যালয়খনৰ দুই জ্যেষ্ঠ শিক্ষক দ্বিজেন শইকীয়া আৰু পংকজ বৰুৱাই পিতৃ-মাতৃৰ সোঁৱৰণত প্ৰতিবছৰে এই প্ৰজ্ঞা বঁটা আগবঢ়াই আহিছে। ইয়াৰ উপৰি স্থানীয় সমাজকৰ্মী ভাৰত বৰা আৰু সুছেন কলিতাৰ সোঁৱৰণতো ছাত্ৰীসকলক আৰ্থিকভাৱে পুৰস্কাৰ প্ৰদান কৰে। একেদৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী মিনু বৰুৱা, স্বৰ্ণলতা বৰা, বিজয় চন্দ্ৰ বৰা, মৃদুল শইকীয়াই নিজ নিজ বিষয়ত লেটাৰ মাৰ্ক লাভ কৰা ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰে। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰবীৰ বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত টীয়ক ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ভূষণ বৰাই কয় যে প্ৰশাসনিক মুৰব্বী হ'লেও ডিচি এজনে শিক্ষক গঢ়ি তুলিব নোৱাৰে কিন্তু শিক্ষকএজনে এজন আইএএছ বিষয়া গঢ় দিব পাৰে । তেওঁ লগতে কয় যে মোৰ এতিয়াও এজন ভাল শিক্ষক হ'বলৈ আশা থাকি গ'ল যাৰ যোগেদি আধৰুৱাসমূহ পূৰণ কৰিব পাৰো । তেওঁ গণিত বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰী হিমাশ্ৰী বৰাক আৰ্থিক পুৰস্কাৰ প্ৰদান কৰে । সভাত অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ শিক্ষক দিলীপ ভূঞাই ছাত্ৰীসকলক আৰু আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণামূলক বক্তব্য আগবঢ়োৱাৰ লগতে সাংবাদিক অঞ্জন প্ৰকাশ বৰুৱা, জ্ঞানজ্যোতি বিদ্যাপীঠ টীয়কৰ অধ্যক্ষ ৰঞ্জন বৰা, অৱসৰ প্ৰাপ্ত শিক্ষক নাথু কলিতা আদি কে'বাগৰাকীও বিশিষ্ট অতিথিয়ে ভাষণ প্ৰদান কৰে । বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক দ্বিজেন শইকীয়াই আঁত ধৰা অনুষ্ঠানত ছাত্ৰীসকলে গীত নৃত্যৰ অনুষ্ঠানটো জীপাল কৰি তোলে। উল্লেখ্য যে এইবাৰ প্ৰজ্ঞা বঁটা লাভ কৰা ছাত্ৰী হিমাশ্ৰী বৰা উক্ত বিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক বিজয় চন্দ্ৰ বৰাৰ কন্যা ।

## ■ ৰোযেশ্বৰী শইকীয়া আৰু দেৱেন্দ্ৰ নাথ বৰুৱা সোঁৱৰণী প্ৰজ্ঞা বঁটা প্ৰদান

# সদৌ অসম মহিলা কবি মঞ্চৰ ৰাজ্যিক অধিবেশনৰ প্ৰস্তুতি সন্দৰ্ভত বিশ্বনাথত বিশেষ সভা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৮ আগষ্ট ঃ** সদৌ অসম মহিলা কবি মঞ্চৰ বিশ্বনাথ চাৰিআলি শাখাৰ সৌজন্যত অহা ২৩,২৪ আৰু ২৫ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া প্ৰথম দ্বি-বাৰ্ষিক ৰাজ্যিক অধিবেশনৰ প্ৰস্তুতিৰ কাম পূৰ্ণ গতিত আগবাঢ়িছে । আদৰণি সমিতিৰ অন্তৰ্গত নখন উপ-সমিতিয়েই নিজৰ নিজৰ দায়িত্ব গ্ৰহণ কৰি অধিবেশনখন সাফল্যমণ্ডিত কৰি তোলাৰ সংকল্পৰে কামত তৎপৰ হৈ উঠিছে । কালি আদৰণি সমিতিয়ে আহ্বান কৰা সভাত প্ৰতিখন উপ-সমিতিয়ে অগ্ৰগতি সম্পৰ্কত অৱগত কৰে। আদৰণি সমিতিৰ সম্পাদিকা বিউটি ফুকন গগৈয়ে তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ, বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক, বিহালী আৰু গহপুৰ বিধানসভা সমষ্টিৰ বিধায়ক, স্থানীয় প্ৰশাসন, বিশ্বনাথ মহাবিদ্যালয়, বি কৃষি মহাবিদ্যালয়, সৎসংগ উচ্চ মাধ্যমিক বিদ্যালয়, উদ্যোগপতি, ব্যৱসায়ী, সভানেত্ৰীকে প্ৰমুখ্য কৰি অধিবেশনৰ লগত জড়িত প্ৰতিজন শুভাকাংক্ষী, বিষয়ববীয়া, সদস্যাসহ প্ৰচাৰ মাধ্যমৰ আন্তৰিক সহযোগিতাই বিশেষভাৱে অনুপ্ৰাণিত কৰা বুলি জানিবলৈ দিয়ে। এই অধিবেশনতে সদৌ অসম মহিলা কবি মঞ্চ আৰু বিশ্বনাথ চাৰিআলি শাখাৰ দুখন মুখপত্ৰ, স্মৃতিগ্ৰন্থ, বিশ্বনাথ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ এখন কাব্যগ্ৰন্থ আৰু সদস্যাসকলৰ স্বৰচিত ভিন্ন স্বাদৰ অলেখ গ্ৰন্থ উন্মোচন কৰি সাহিত্যপ্ৰেমীৰ হাতত তুলি দিয়া হ'ব। এই অধিবেশন উপলক্ষে মহিলা কবি মঞ্চই আয়োজন কৰা ২০২০-২২ৰ সাহিত্য প্ৰতিযোগিতাৰ ফলাফলো ইতিমধ্যে ঘোষণা কৰা হৈছে। ফলাফলসমূহ স্বৰচিত কাব্যগ্ৰন্থ প্ৰতিযোগিতাত 'ভোগেশ্বৰী গগৈ স্মৃতি বঁটা' লাভ কৰে- অলকানন্দা ৰাজবংশী বৰা 'বিশ্বনাথ', গ্ৰন্থৰ নাম- 'আঁজলিৰে সিঁচি জীৱনৰ ৰ'দ' । যৌথভাৱে দ্বিতীয়- স্পানানী গগৈ 'সৰুপথাৰ', গ্ৰন্থ- 'কৃষ্ণচূড়াৰ ৰং' আৰু বিতুমণি বৰা 'বিশ্বনাথ', গ্ৰন্থ-'আশাৰয় পানচৈ'। যৌথভাৱে তৃতীয়- ৰেণু চহৰীয়া শইকীয়া 'বিশ্বনাথ', গ্ৰন্থ-'তোমাক ভালপাওঁ বাবেই' আৰু লুইচ সন্দিকৈ 'নাজিৰা', গ্ৰন্থ-'সউজীয়া গান'। 'প্ৰমীলা বৰা স্মৃতি শিশু সাহিত্য বঁটা' লাভ কৰে -ৰুমা শইকীয়া 'যোৰহাট', গ্ৰন্থ-'গল্প গুলচন'। দ্বিতীয়- অৰ্চনা শৰ্মা 'বিশ্বনাথ', গ্ৰন্থ- 'কবিতাৰ বাগিচাত ওমলো আহা'। স্বৰচিত কবিতাত 'চৈয়দা এলিনা বেগম স্মৃতি বঁটা' লাভ কৰে মন্দিৰা বৰুৱা, কবিতা 'জীৱন বৈভৱ' 'মংগলদৈ', দ্বিতীয়-অলকানন্দা ৰাজবংশী বৰা, কবিতা- 'বৰ্ণমালা' 'বিশ্বনাথ', যৌথভাৱে তৃতীয়- জুৰি মহন্ত, কবিতা-'মই সুখী হ'ব খোজো' সোণাৰি' আৰু নিভাৰাণী চৌধুৰী, কবিতা-'মোৰ আই সুলেখিকা আছিল' 'ডুমডুমা'। দেশপ্ৰেমমূলক কবিতা প্ৰতিযোগিতাত 'টংকেশ্বৰ শইকীয়া স্মৃতি বঁটা' লাভ কৰে অলকানন্দা ৰাজবংশী বৰা 'বিশ্বনাথ', কবিতা-'জন্মভূমিৰ ৰ'দ কাঁচলিত', দ্বিতীয়-জুৰি ৰাজখোৱা গগৈ 'মৰাণ হাট', কবিতা-'স্বাধীনতা' আৰু তৃতীয়- ড° বিনীতা গগৈ 'বৰহাট, মৰাণ', কবিতা-'তুমিয়েই মোৰ স্বৰ্গ'। ইয়াৰ উপৰি 'চফুৰণ নিছা স্মৃতি শ্ৰেষ্ঠ শাখা বঁটা' অধিবেশনত ঘোষণা আৰু প্ৰদান কৰা হ'ব বুলি সম্পাদিকাই জানিবলৈ দিয়ে। অধিবেশনৰ ২৫ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত সভানেত্ৰিত্ব কৰিব সদৌ অসম মহিলা কবি মঞ্চৰ স্থায়ী সভানেত্ৰী ড° সুখ বৰুৱাই । এই সভাতে পুৰস্কাৰসমূহ প্ৰদান কৰা হ'ব বুলিও সম্পাদিকাই জানিবলৈ দিয়ে আৰু ৰাইজৰ বিপুল উপস্থিতি আন্তৰিকতাৰে কামনা কৰে ।

# মাৰ্কশ্বিতকৈ নিজৰ ইচ্ছাক সন্মান জনাই মনোযোগেৰে আগবাঢ়িলে সফল হ'ব পাৰিব

## ■ বৰাজোল আছুৰ বিশেষ অভিনন্দন অনুষ্ঠানৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৮ আগষ্ট ঃ** 'মাৰ্কশ্বিতকৈ নিজৰ জীৱনৰ ইচ্ছাক সন্মান জনাই মনোযোগেৰে আগবাঢ়িলে এগৰাকী সফল মানুহ হ'ব পাৰি'। এই বক্তব্য নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নাৰায়ণ পাটোৱাৰীৰ। কালি বৰাজোল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ অভিনন্দন অনুষ্ঠান আৰু সম্বৰ্ধনা অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ভাষণত এইদৰে কয়। লগতে অধ্যক্ষজনে কয় যে মনৰ ইচ্ছা নাথাকিলে আমি কোনোদিনে সফল হ'ব নোৱাৰো। আমি আমাৰ নিজৰ ইচ্ছাক শ্ৰদ্ধা নজনাওঁ। প্ৰত্যেকজন ল'ৰা-ছোৱালীয়ে নিজৰ শিক্ষা কৰ্মৰ লগতে দেশখনক সেৱা জনাব লাগে বুলি ভাষণ আগবঢ়োৱাৰ লগতে ম'বাইল ব্যৱহাৰৰ কথা কোৱাৰ লগতে বহু গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। বৰাজোল আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জীৱনজ্যোতি ডেকাৰ সভাপতিত্বত অনুষ্ঠিত বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰমজান আলীয়ে। অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠানটো উদ্বোধন কৰে বৰাজোল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰমণী মোহন দাসে। বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠানত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি কৃতী ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি শুভেচ্ছামূলক ভাষণ ৰাখে সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য ৰিয়াজউদ্দিন আহমেদ, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, উপ-সভাপতি উৎপল কলিতা, কল্প ৰাজবংশী, ফণীধৰ বৰুৱা, সাধাৰণ সম্পাদক অক্ষয় ডেকা, সহকাৰী সাধাৰণ সম্পাদক নিৰুজউদ্দিন আহমেদ, দিগন্ত ভড়ালী, নলবাৰী জিলা উন্নতি সভাৰ সভাপতি হোমেশ্বৰ তালুকদাৰ, সাধাৰণ সম্পাদক ৰাতুল চন্দ্ৰ ডেকা আৰু অসম সেনাৰ নলবাৰী জিলাৰ মুখ্য আহ্বায়ক কন্দৰ্প শৰ্মাই। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক কংকন কলিতাই আঁত ধৰা বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠানত হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা ২১ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনোৱাৰ লগতে ১৪ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্ধনা জ্ঞাপন কৰে। আনহাতে, উক্ত অনুষ্ঠানত কৃতী ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰা শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক সম্বৰ্ধনা জনায়।



# শ্ৰীমন্ত শংকৰদেৱৰ তিথি বিশেষ



## দয়াল-গুৰু কৃপাল-গুৰু

ড° খনীন চৌধুৰী

**হয়,** শ্ৰীমন্ত শংকৰ গুৰুৰ তিথিত সেইজনাৰ আদি কাল অলপ ভাবি লৈছোঁ-স্বাভাৱিক কাৰণতেই।সুদূৰ অতীতৰ ধ্যানমগ্ন যোগী সেইজনা। বেছ বয়সত আনুষ্ঠানিক অধ্যয়নত লাগে। তাৰ পিছত শিৰোমনি বিষয় বাব লয়। তথাপি শংকৰে অধ্যয়ন চলাই যায়।গৃহধৰ্মও সমানে লয়। শিৰোমণি ভূঞা হিচাপে এক জনগোষ্ঠীৰ মূৰব্বী হৈ পৰে। সেই জনগনখিনিৰ সুখদুখৰ গৰাকী হৈ পৰে। ভুঞাৰাজ্য তেতিয়া নিশকতীয়া হৈ পৰিছিল। ৰাইজখিনিৰ মাজত অসূয়া অপ্ৰীতি বাৰুকৈয়ে শিপাইছিল। গুৰুজনাৰ তিথিত এক "সাধাৰণ স্বভাৱৰেই ঠেলা"ত আগ বাঢ়িছোঁ সেইজনাইনো আমাৰ জীৱন পৰিক্ৰমাৎ কেনে শিক্ষা-দীক্ষাৰে প্ৰেৰণা যোগাই গৈছে। আমিনো শৈশৱকালটো কেনে জীৱন পৰিক্ৰমণেৰে আহিছোঁ- কি প্ৰভাৱ জড়িত হৈ। কি শিক্ষা পাইছিলোঁ সঁচাকৈয়ে...। সেইজনাৰ আদৰ্শ তথা জীৱন পৰিক্ৰমণৰ প্ৰভাৱে কেনে ধৰণে আমাৰ মন প্ৰাণত জোকাৰ দিছিল। আৰু তেনে এক ধ্যান-ধাৰণাই আমাৰ মন গহনত ঠাই পোৱাৰ পাছতো কি এক বৈপৰীত্যই আমাক বিমোৰত পেলাই গৈ আছিল বা এতিয়াও আছে। তাৰ ফলত আমাৰ ব্যক্তিগত জীৱনটোত নতুন চামক প্ৰভাৱিত কৰিব নোৱৰা হৈ গৈ আছোঁ দেখোন!! তাহানি শৈশৱত থাপনাত মূৰ দোঁৱাওতে তাতেই সকলোখিনিয়েই সঁপিছিলোঁ। পিছে এতিয়া কি কাৰণতবা কোনো মহান-জনৰ চিন্তাৰ লেখীয়া 'স্পিনোজা'ৰ প্ৰভাৱেৰেহে আগুৱাব লগা হৈ গৈছে-অন্তত: নিজৰ মনোজগতখনত! এতিয়া আহিছোঁ আমাৰ মনত দোলা দিয়াখিনিৰে এক 'প্ৰিজমেটিক-বিচ্ছুৰণ'ক প্ৰতিফলিত কৰিবলৈ বুলি।

সাধাৰণতে গুৰুতিথিত চৰিত তোলা হয়। মানে গুৰুৰ জীৱন-কৰ্মৰ খতিয়ান লোৱা হয়। তেনে এক ধ্যান ধাৰণাৰেই আমি শংকৰ-মাধৱৰ তিৰোভাৱ তিথি পালন কৰি আহিছোঁ-নামঘৰত গৈ কৰা নামকীৰ্তনখিনিৰ কথা এৰি। এতিয়া আমাৰ বয়সৰ লগে-লগে গুৰুৰ জীৱন পৰিক্ৰমণৰ মাজত সোমাই ৰোৱা বাস্তৱ তথা জাগতিক পৰিৱেশ-পৰিস্থিতিৰো বুজাৰ এক এৰাব নোৱৰা হাবিয়াস গঢ় লৈছে-বৰ্তমানৰ প্ৰেক্ষাপটত। আৰু এনে এক অভিগমনৰ মাজতেই আমি হয়তোবা দেখিবলৈ পাওঁ লোকশিল্পীৰ সৃষ্টিৰ মাজত মূৰ্ত হৈ উঠা লোকগাঁথাই মন প্ৰাণ আলোড়িত কৰি তোলা অনুভৱখিনি।কি কাৰণতনো গণজীৱনে এনে এজন মহানক 'কৃপাল-গুৰু' নাম দিবলৈ প্ৰয়াস কৰিলে আৰু তাকেই বিনা দ্বিধাই ৰাইজখিনিয়েও মানি ল'লে শিৰত তুলি-আশীষ বুলিয়েই! আন কাৰোবাক জানোঁ এই বিশেষণ দিবলৈ আগ বাঢ়িছে লোক-শিল্পীয়ে? এয়াতো কোনো ৰাজনীতিৰ চাল নহয় কেতিয়াও-ই যে অন্তৰৰ গহনৰ পৰা উঠলি উঠা এক উচ্ছাস!!

শংকৰদেৱে কোনখন অসমতনো তেওঁৰ সাংস্কৃতিক কৰ্মক্ষেত্ৰখন গঢ়ি তুলিছিল তাকেই অলপ চোৱাৰ প্ৰয়াস কৰিছোঁ। এনে এক পৰিমণ্ডল ৰচনা কৰি এখন নতুন সমাজৰ সপোন দেখিছিল।তাৰেই ভেঁটি থাপিব বিচাৰিছিল। পিছে তেওঁ সামৰিলোৱা সমাজখন পিছে কোনো পূৰ্ব-ধাৰণা মুক্ত হৈ ৰোৱা নাছিল। অৰ্থাৎ আমি ক'ব বিচাৰাখিনি হৈছে, সেই সমাজখন পিছে শংকৰৰ চিন্তা-বিবেচনাক বিয়পাই দিবলৈ কোনো সুচল পৰিৱেশ-পৰিস্থিতিৰে ভৰি ৰোৱা নাছিল। সেই সমাজখনো ইতিমধ্যে শিপাই থকা প্ৰচলিত ধৰ্মীয় প্ৰভাৱ-দুষ্ট নীতি-দৰ্শনৰ পৰা আঁতৰত ৰৈ থকা নাছিল। অৰ্থাৎ অন্য ভাষাত, এই সমাজখনো ব্ৰাহ্মণ্য হিন্দু চিন্তা-চৰ্চাৰ পৰিৱেশৰ পৰা আঁতৰত নাছিল। আচলতে এই অসমীয়াকৰণখিনি এক চালি-জাৰি চোৱা বিশ্লেষণৰ ফলহে। কথাটো এনে ধৰণৰঃ

নামঘৰসমূহতো জাত-পাতৰ কথা তেতিয়াও একেবাৰে নাইকীয়া হৈ যোৱা নাছিল। আনকি কোনো নামঘৰত নিম্ন জাতৰ দেউৰী-নিয়োজনত বাধা আহি পৰিছিল। আনকি তাকে সাব্যস্ত কৰিবলৈ গৈ মেল-মোকৰ্দমা পৰ্যন্ত হৈ যোৱা নজিৰো আমি পাওঁ। এই বিষয়ত গুৰি ধৰিছিল- সেই সময়ৰ এই মহান-জনাৰ নাম জড়িত হৈ থকা সমাজখনে। সেই মোকৰ্দমাই নিম্ন-জাতিৰ সপক্ষত ৰায় দিয়াৰ পাছতহে (কোঁচ) দেউৰীয়ে প্ৰসাদ বিতৰণ কৰিব পৰা হয়। সেয়া আছিল বোধকৰোঁ ১৯৪৮ বা তাৰ কিছু আগৰ কালৰ কথা।সত্ৰৰ সত্ৰাধিকাৰ নিৰ্বাচনৰ ক্ষেত্ৰতো ব্ৰাহ্মণ্য আৰু মহান-জনাৰ আদৰ্শক সন্মান দি ৰোৱাখিনিৰ মাজৰ সংঘৰ্ষই শিখৰ পাইছিল। ব্ৰাহ্মণ্যবাদৰ পোষকতা কৰা সকলৰ অভিপ্ৰেত হৈ ৰৈছিল সেই একেই জাত-পাতৰ বিভেদৰ বৈষম্য। তেনেদৰে তেনে বৈপৰীত্যৰ পোষকতা কৰা একোটা পৰিয়ালে সমাজখনৰ গৰিষ্ঠচামৰ পৰা সদায় আঁতৰত ৰৈ আছুতীয়া হৈয়েই এক তথাকথিত উচ্চ বংশপৰম্পৰা বৰ্তাই গৈছিল। এয়া আমাৰ নাম ঘৰতেই ঘটা ঘটনা-যিটো নামঘৰতেই কোঁচৰজাৰ নিৰ্দেশ মৰ্মে বৃন্দাৱনী-বস্ত্ৰৰ বোৱন কাৰ্য চলিছিল। ব্ৰাহ্মণ্য-দৰ্শন আৰু শংকৰী-দৰ্শনৰ সংঘাতৰ মাজেৰেই চলি আহিছে আজিও এই বিৰাট অনুষ্ঠানৰ কাৰ্য-কলাপবোৰ। ফাকুৱা-উৎসৱটোৰ বিশেষ কিছুমান অনুষ্ঠানকে ধৰি নানা ধৰণৰ পৰস্পৰ বিপৰীত কৰ্ম-কাণ্ডৰ মাজেৰে।

শংকৰে আদৰি লোৱা জনজাতীয় সমাজখনৰ সৰু-সৰু সমাজৰ মাজত অভিপ্ৰায় মূলক উদ্দেশ্যৰে এক তথাকথিত হিন্দু-বৈশিষ্ট্যৰ সমাজ গঢ়ি উঠিছিল-এক উপৰুৱা ঐক্যৰ বান্ধোনৰ ৰহন দি।সেয়া ঘটিছিল বা ঘটাইছিল ব্ৰাহ্মণ্যবাদৰ ছত্ৰছাঁয়াতেই। শংকৰৰ এই উদাৰতাৰ ভাৱ ধাৰণায়েই হয়তোবা আমাৰ শৈশৱৰ কোমল মনটোত তথাকথিত নীচ, নদীয়াল-সম্প্ৰদায়ৰ নাৰীক আমাৰ পাকঘৰলৈ অঅমিয়েই জোৰ কৰি লৈ আনোঁতে জেষ্ঠজনে কোনো বাধা দিয়া নাছিল। তেনে এক উদাৰতাৰ বাতাবৰণৰ মাজত ডাঙৰ-দীঘল হোৱা কাৰণতেই কিজানিবা ঘৰৰ মাজ-মজিয়াত মুছলমান-আলহীয়ে একেলগে আহাৰ গ্ৰহণ কৰাত বাধা আহি পৰা নাছিল। এই সকলোখিনিয়েই আছিল সেই দয়াল-গুৰু, কৃপাল-গুৰুৰেই আদৰ্শৰ প্ৰভাৱৰ ফল ।

ইয়াৰ মাজতেই তেনে ধৰ্মীয়-গোড়ামিক বা জাত-পাতৰ ভেদখিনিক দেশ-জাতিৰ পৰম্পৰাৰেই এক বৈশিষ্ট্য বুলি মানি লোৱা দুই ভিন্ন-জাতৰ 'শৰণ হোৱা সখী'য়ে শংকৰী আদৰ্শৰ মাজত ডুব গৈ থাকিলেও, পুৰণি প্ৰজন্মৰ বাহক 'আমৈ'য়ে পিছে সেই ভেদ-ভাৱ জোকাৰি পেলাব পৰা নাছিল আৰু তাৰেই নিদৰ্শন পোৱা গৈছিল যেতিয়া পিতৃৰ সখীৰ মাক আহিছিল আমাৰ ঘৰলৈ আৰু মাজ মজিয়াত টৌখুটি মাৰি আইতাৰ পৰা লোৱা চাউল-আলুৰে ভাত ৰান্ধি খাইছিল।সেয়া আছিল শংকৰৰ দৰ্শন আৰু ব্ৰাহ্মণ্যবাদৰ এক 'খিচুৰি-সদৃশ'।

এনে ধৰণৰ খাম-খেয়ালী মানসিকতাৰ মাজত পৰিয়েই হয়তোবা বুঢ়া-আতাৰ দিনত প্ৰচলিত ৰীতি-নীতি বৰ্তমান সত্ৰত চলি আছে যদিও-কিছুমান ৰীতি-নীতি চলি থকা নাই যেন অনুমান হয়।উদাহৰণ স্বৰূপে বুঢ়া-আতাৰ দিনত অক্ষয়-বন্তি গছি গুৰু-আসনৰ সমুখত আছিল বুলি অনুমান হয় যধিও আজি পিছে নাথাকে। ফাকুৱা উৎসৱৰ কেইদিন নিত্য-প্ৰসংগৰ ঠাইৰ সলনি হোৱা কথাটোও ৰাইজৰ চকুত পৰে, চিন্তা কৰা সকলে চিন্তা কৰিবলৈ নেৰে। টুপৰ চোতালত প্ৰতীকী 'মেষদাহ" এক বৈপৰীত্যৰ পৰিচায়ক অথচ শংকৰৰ বিৰোধত থকা সকলে এনেবোৰ কথা ভাৱনাক প্ৰশ্ৰয় দি অহাও দেখা পোৱা যায়। ফাকুৱা উৎসৱত কোনো এক বিশেষ ধৰ্মৰ দৰ্শনাৰ্থীক বাধা দি, আন বেধৰ্মী দৰ্শনাৰ্থীক আদৰি লোৱাখিনিতো এক বৈপৰীত্যই ভূমুকি মাৰে। মণিকূটৰ ভিতৰত কাক থোৱা হয় কাক বাদ দিয়া হয় সেইবোৰো পিছে আজিৰ চামে নভবাকৈ নথকা নহয়। এনেবোৰ ভাৱ-ভংগীক অসমীয়া-ইংৰাজীৰ এক খিচুৰি-প্ৰকাশেৰে ক'বলৈ হ'লে হয় যেনিবা "অসমীয়া-হোৱাইট-ছুপ্ৰিমেছি"।

ফাকুৱা উৎসৱৰ দিনত প্ৰসংগ হয় নামঘৰৰ বাহিৰৰ ঘৰত-গুৰুআসনৰ সমুখত নহয়। তাৰেই প্ৰতিবাদ চলিছিল এটা সময়ত-শংকৰ সমাজৰ দ্বাৰা। তাৰেই ফলত সেই দুই তিনিদিন দুই ঠাইত প্ৰসংগ হৈছিল। এই বিচ্যুতিবোৰো তেনে এক ভিতৰি গুজৰি-গুমৰি ৰোৱা মতাদৰ্শৰেই ফলশ্ৰুতি বুলি আমি সৰুবোৰে মন কৰিছিলোঁ। এনেদৰেই সেই দয়ালু গুৰুজনাৰ নামত পিছৰ যুগটোত যিয়ে যি পায় কৰি গৈ আছে।

এটা কথা ঠিক যে শিশু মন আৰু জনজাতীয় পৰিস্কাৰ মনৰ মাজত এক মিল থকা যেন ভাৱ হয়।এইখিনি এক অতি স্বাভাৱিক গুৰুত্ব পূৰ্ণ কথা, জনজাতীয় ভাইসকলক শংকৰৰ দৰ্শন-চিন্তাৰে আদৰিবলৈ যোৱাখিনিত। কথাখিনি এইক্ষণত অপ্ৰাসংগিক বুলি এই কাৰণতেই লোৱা নহয় যে শংকৰৰ ভাৱজগতখনৰ মাজত সোমাই থকা শিশুসুলভ মানৱীয়-মানসিকতাখিনি অনুকৰণীয় বুলি মনে-ধৰা কথাটো সৰ্বজন গ্ৰাহ্য।

এইখিনিতে উল্লেখ কৰা হৈছে মহাপুৰুষীয়া সমাজ ব্যৱস্থাত কেনা লগোৱাবোৰৰ কেইটামান- যেনে: সত্ৰৰ উত্থান, মণিকূটৰ ধাৰণা, সত্ৰত বিষ্ণু মূৰ্তি স্থাপন, ভাগৱতৰ প্ৰাধান্যৰ লঘূকৰণ, শংকৰদেৱে পাতি যোৱা সত্ৰ-সমূহৰ ধৰ্ম প্ৰণালী যে এক "অনাকাংক্ষিত মিশ্ৰণ-তূল্য"। এনে এক জীণ নোযোৱা কৰ্ম-কাণ্ড আৰু খাপ নোখোৱা ভাৱ-দৰ্শনৰে যদি এটা হিমালয়-সম দৰ্শনে বাৰে-বাৰে উজুটি খাই ৰয়-আমাৰ অক্ষমতাৰ বাবেই, তেনেহ'লে সেই দৰ্শন তথা ধৰ্মমতৰ আয়ুস কিমান অনুমেয়। বিশেষকৈ আজিৰ সময়-পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত।

আজি শংকৰী ধৰ্মমতত দীক্ষিত বহুতেই পূজা-অৰ্চনাৰ ফালে ধাৱিত হোৱা দেখা যায়। শংকৰী-পন্থী অনেকেই শিৱপূজা, শিৱৰাত্ৰি পালন কৰা, লক্ষ্মীপূজাত মন দিয়া, শনি পূজাত মন দিয়া, আজিৰ কালৰ 'নতুন ফূৰ্তি বোলো-বোম'ত মন দিয়া, 'বশিষ্ঠৰ পৰা গৈ পানী অনা', 'নামঘৰতেই শিৱ-ৰাত্ৰি পালন' কৰা-'ৰাতি নিচা কৰা' সেইবোৰ দেখোন শ্ৰীশংকৰ কৃষ্টিৰ নামতেই চলি ৰয়- গুৱাহাটীৰো গুৰুৰ নামৰ তেনে নামঘৰত।

আন এটা কথা এইখিনিতে উনুকিয়াবৰ থল পালোঁ বা ললোঁ। সেয়া হৈছে কোনো দৰ্শনৰ ওপৰত কথা ক'বলৈ গলে ক'বলৈ আগ বাঢ়োতাজনৰ দৰ্শনৰ এক একাত্মবোধ থাকিব লাগে সেই দৰ্শনৰ ওপৰত। সেয়া জ্ঞানীজনক সকীয়াই দিবলৈ প্ৰয়োজন নাই নিশ্চয়। আজি দেখোন চাৰিওফালে "পৰিৱেশনৰ"হে বাহাৰ "যাপন"তকৈ। আৰু এনে ধৰণৰ জীৱন পৰিক্ৰমণেই সমাজখনৰ বহুতো অপকৰ্মৰ মূল বা জনতাক দিশহাৰা কৰি তোলাৰ মূল।

*ফোন : ৮৭৫৩০৮০৩২৭*

## জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ

তিৰোভাৱ তিথি উপলক্ষে

যোগেন্দ্ৰ নাথ দত্ত

**অসমীয়াৰ** মাজত বৈষ্ণৱ ভাৱধাৰা প্ৰবাহিত কৰি শ্ৰীমন্ত শংকৰদেৱ হৈ পৰিল মহাপুৰুষ আৰু সমাজ সংস্কাৰক। তেৰাৰ প্ৰতিভাৰ বিশালতা ইমান গভীৰ আছিল যে ধৰ্মপ্ৰচাৰ কেৱল ধৰ্মীয় মাধ্যমত নকৰি প্ৰধান আহিলাৰূপে বাছি লৈছিল সাহিত্য, সংস্কৃতি, নৃত্যগীত, নাটক আদি। মধ্যযুগত শ্ৰীমন্ত শংকৰদেৱ আছিল এজন অসাধাৰণ মহাপুৰুষ। উৎকৃষ্ট কলা, কৃষ্টি, সাহিত্য-সংস্কৃতিৰ বাহক। সময়ৰ উৎকৃষ্ট ভাব-চিন্তাৰ এজন সবল প্ৰতিনিধি। মৃত্যুহীন প্ৰাণ, চিৰ অনুপ্ৰেৰণাময় এক জীৱন্ত আদৰ্শ। এই উচ্চ পুৰুষ আৰু জগত গুৰুজনাৰ প্ৰতিভা, প্ৰজ্ঞা, মহত্ব, উদাৰতাত বিস্মিত অসমীয়া। তেৰাৰ প্ৰতিভা প্ৰতিভাত হৈছিল সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰখনলৈ। ধৰ্মক সাধাৰণ মানুহৰ সহজলভ্য কৰিছিল। ধৰ্মশাস্ত্ৰবোৰক মুখৰ ভাষালৈ ৰূপান্তৰিত কৰি সংস্কৃতৰ পৰা অসমীয়ালৈ ৰূপান্তৰ কৰিছিল কীৰ্তন ভাগৱতৰ খণ্ড বিশেষ। ধৰ্ম সাধাৰণ মানুহৰ বোধগম্য হোৱাকৈ কীৰ্তন পুথি হাতত তুলি দি অসমীয়া সাহিত্য, সংস্কৃতিৰ ভঁৰাল চহকী কৰিছিল। বৰ্ণবাদ, সম্প্ৰদায়িকতাবাদ কঠোৰ হাতেৰে দমন কৰি প্ৰতিষ্ঠা কৰিছিল মানৱতাবাদ, ধৰ্ম নিৰপেক্ষ মানসিক চিন্তা-চৰ্চাৰে সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰিছিল। ধৰ্মকেন্দ্ৰিক; ঈশ্বৰকেন্দ্ৰিক শ্ল'গান মাত্ৰ।

ধৰ্ম শাস্ত্ৰক সাহিত্য হিচাপে চাব পৰা, সাহিত্য ৰচনা কৰা আৰু ধৰ্মশাস্ত্ৰকেন্দ্ৰিক জ্ঞান আহৰণ কৰি বিদ্যাবিশাৰদ হ'ল শংকৰদেৱ। টোলখনেই বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰূপে প্ৰতিষ্ঠিত। নব্যচেতনা প্ৰতিষ্ঠিত হৈছিল হিন্দু ধৰ্ম সম্পৰ্কত। কিন্তু নৱবৈষ্ণৱ ধৰ্ম প্ৰতিষ্ঠিত হৈছিল নিজস্বতাৰ ওপৰত। আমি গৌৰৱান্বিত, শংকৰদেৱৰ স্ব-প্ৰৱৰ্তিত ধৰ্মই নৱবৈষ্ণৱ ধৰ্ম। 'কৃষ্ণ জনমানৰ আকাৰৰ', এয়া গুৰুজনাৰ কল্পনা। 'কৃষ্ণ', ভক্তিৰ পাত্ৰটোত থকা আৰাধনাৰ অৱয়বটো। কল্পনাৰ কৃষ্ণজন আছে মানৱ আকাৰৰ মূৰ্তিতে। ঈশ্বৰ মানুহৰ সৃষ্টি। মানুহ আছে ঈশ্বৰো আছে। দেৱদেৱীৰ পূজা, কঠোৰতাৰে বাধা দিছিল। ব্ৰাহ্মণ, ৰজা, নাৰীক দীক্ষা নিদিছিল। নিজস্বতা আছে, ধৰ্মগ্ৰন্থসমূহৰ অনুবাদত কাব্যিক গুণ আছে। ভাষাৰ লালিত্যত নিজস্বতা আছে। তেৰাৰ অমৰ সাহিত্য কীৰ্তি হ'ল কীৰ্তন ঘোষা, অংকীয়া নাট. ভাষাশৈলী অতুলনীয়, উজ্জ্বল আৰু মোহনীয়। ধৰ্ম আৰু ঈশ্বৰ তেৰাৰ সাহিত্যৰ কেন্দ্ৰভূমি। ঈশ্বৰৰ পৰা আঁতৰাই মানুহৰ অস্তিত্ব কল্পনাতীত।

অসমীয়া সাহিত্য-সংস্কৃতিৰ বৰপীৰাখনত নিজে বহি লৈ জাতি-জনজাতি, দেউৰী, মিচিং, কছাৰী, খামতি, ৰাভা-হাচং আদিকো একেডাল ৰছীৰে বান্ধি একেখন বৰপীৰাতে একেলগে বহুৱালে। শান্তি-সম্প্ৰীতি আহিল। সমন্বয়ৰ সেতু বান্ধিলে। নতুন যুগৰ সূচনা হ'ল। তেওঁ অসমীয়াৰ কেৱল ধৰ্ম গুৰুৱেই নহয়, জগতগুৰু, পিতৃস্বৰূপ। প্ৰতীক হৈ পৰিল অসমীয়া সাহিত্য-সংস্কৃতি, কলা, নৃত্য-গীত আৰু ধৰ্মীয় আদৰ্শৰ। তেৰা আৰ্হি পুৰুষ, জাতিটোৰ কেন্দ্ৰবিন্দু আৰু অ-প্ৰতিদ্বন্দ্বী প্ৰতিনিধি। সাহিত্যিক গুৰু, হিন্দু-মুছলমান, বৈষ্ণৱ-অবৈষ্ণৱ সকলোৰে সাংস্কৃতিক গুৰু। তেৰাৰ মতে অসমীয়া ভাষা-সাহিত্য, কলাকৃষ্টি সকলোৰে। দেশত বহুত ভাষা, জাতি, কলা-সংস্কৃতি আছে কিন্তু জাতি একেটাই, ভাৰতীয়। ভাৰতীয় সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰবিন্দু এটাই।

শংকৰদেৱে আমাক কি নিদিলে, সাহিত্য, কলা-সংস্কৃতি, বাদ্য-নৃত্য, ভাওনা-সবাহ দিলে। স্থাপত্য বিদ্যা, ভাস্কৰ্য দিলে। ইয়াৰ উপৰি দিলে সমাজনীতি, অৰ্থনীতি, আচাৰ নীতি আৰু সৰ্বভাৰতীয় দৰ্শন। বৰ্বৰতা, অনাচাৰ, অত্যাচাৰ, আঁতৰ হ'ল। লুপ্ত হ'ল ব্যভিচাৰ, হিংসা-খেয়াল। চিৰশান্তি লভিলে অসমীয়াই। প্ৰতিষ্ঠা হ'ল অকল শান্তি-সম্প্ৰীতি। 'বিশ্বাসে মিলয় হৰি তৰ্কে বহু দূৰ'। এয়াই প্ৰচাৰ। অসাধাৰণত্ব প্ৰকাশ অসমীয়া সাহিত্যত। কি যে কৌশল, ভাষাৰ লালিত্যত সাহিত্য কলাত। এক মহৎ সাহিত্য প্ৰতিভাধৰ শ্ৰীমন্ত শংকৰদেৱ। ভক্তি দৰ্শনৰ জটিলতা নাই। আছিল সবল জ্ঞান বোধ, স্বকীয় সাধনালব্ধ গুণ। এক অতুলনীয় মহাপুৰুষ। হজৰত মহম্মদ, যীশুখ্ৰীষ্ট, বুদ্ধদেৱ আদিৰ লগত অমিল। নিমিলে মহাপুৰুষ শংকৰদেৱ। নাই জটিলতা ভক্তি দৰ্শনত। সহজ-সৰল উপায়। একান্ত মনে নাম-কীৰ্তন। ভগৱান চৰ্চা। এয়াই জীৱমুক্তিৰ উপায়। এয়াই নৱবৈষ্ণৱ ধৰ্ম।

যোৱা পাঁচশটা বছৰত অসমখনক কাল ধুমুহাই আৱৰি ধৰিছিল। ক'লা ডাৱৰে আৱৰি থকা আকাশখনত এটা ধ্ৰুৱতৰাই ভূমুকি মাৰি অসমীয়া ভাষা, সাহিত্য, কলা-সংস্কৃতিৰ উত্তৰণ ঘটালে। প্ৰাণ পাই উঠিল অসমীয়াই। সেইজনেই প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শংকৰদেৱ। ধৰ্মীয় জগতখনত বৈপ্লৱিক জোৱাৰ তুলিলে পঞ্চদেৱতাকেন্দ্ৰিক বৈষ্ণৱ ধৰ্মক সংস্কাৰ কৰিলে। একদেৱতা প্ৰতিষ্ঠা হ'ল। বলি-বিধানৰ পৰিৱৰ্তে শ্ৰৱণ-কীৰ্তনে ঠাই পালে। অসমত মহাবৈপ্লৱিক পৰিৱৰ্তন। বৈপ্লৱিক চিন্তাধাৰা সাহিত্য-সংস্কৃতিৰ উত্তৰণত। ভাগৱতক আধাৰ গ্ৰন্থ হিচাপে লৈ গীত, কাব্য উপাখ্যান, নাটক, ভটিমা, শ্লোক ৰচনা হ'ল।

তিনিটা ভাষাত শাস্ত্ৰসমূহ ৰচনা হ'ল। ব্ৰজাৱলী ভাষাত বৰগীত, পত্নীপ্ৰসাদ আৰু ছয়খন নাটক। সংস্কৃত লিখিছিল নাটৰ শ্লোক, ভক্তি ৰত্নাকৰ। পুৰণি অসমীয়াত হৰিচন্দ্ৰ উপাখ্যান, কীৰ্তন-দশম আদি। সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস, প্ৰৱঞ্চনা দূৰ কৰিলে এই আধ্যাত্মিকতাবাদী আৰু দূৰদৃষ্টি সম্পন্ন মহাপুৰুষজনাই। 'ভাগৱতৰ পৰা সৎ-সংগ', পদ্মপুৰাণৰ পৰা নাম, ভাগৱত গীতাৰ পৰা আনিলে একশৰণ, মানৱতাবোধৰ সৃষ্টি হ'ল শক্তিশালী ৰূপত। একেখন মজিয়াত বহি নামঘৰত জাতি-ধৰ্ম নিৰ্বিশেষে প্ৰসাদ গ্ৰহণ কৰিলে। এয়া জানো কম কথা। বিশ্বৰ বিৰল, এইজনা ধৰ্মগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আগুৱাই যাওঁ আহা।

*ফোন : ৭৮৯৬১০১৩৩৭*

## জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ কীৰ্তন পুথি

প্ৰীতিজ্যোতি মহন্ত



"শঙ্কৰদেৱৰ কীৰ্তন পুথি
মাধৱদেৱৰ ঘোষা
শুকৰ মুখৰ ভাগৱত
ব্যাসদেৱে লিখা।"

শংকৰ গুৰুৱে কীৰ্তন ঘোষা পুথিখন তীৰ্থ ভ্ৰমণৰ পৰা ১৪৯২/৯৩ চনত ঘূৰি অহাৰ পিছত জগদীশ মিশ্ৰক লগপোৱা আৰু ভাগৱত গ্ৰন্থ পোৱাৰ পিছত ৰচিত। তেওঁৰ ৰচনাৰ কালানুক্ৰমিক ভাগ কৰিলে এনেভাৱে পোৱা যায়—

(ক) প্ৰথম খণ্ড : বাৰভূঞা ৰাজ্যত থকা সময়ৰ আৰম্ভণিৰে পৰা 1561 খ্ৰীষ্টাব্দ পৰ্যন্ত। হৰিশ্চন্দ্ৰ উপাখ্যান, ভক্তিপ্ৰদীপ, উৰেষা বৰ্ণনা, ৰুক্মিণী হৰণ কাব্য, বৰগীত, অমৃত মন্থন, কীৰ্তন ঘোষাৰ অন্তৰ্গত অজামিল উপাখ্যানকে ধৰি সাতোটি অধ্যায়।

(খ) দ্বিতীয় খণ্ড : আহোম ৰাজ্যত থকাৰ সময়ত 1516-1543 খ্ৰীষ্টাব্দ, পত্নীপ্ৰসাদ নাটৰ উপৰি কীৰ্তন ঘোষাৰ অন্তৰ্গত পাষণ্ড মৰ্দন, নামাপৰাধ, শিশুলীলা, কালীয় দমন, ৰাসক্ৰীড়া, কংসবধ, গোপী-উদ্ধৱ-সংবাদ, কুঁজীৰ বাঞ্চাপূৰণ, অক্ৰুৰৰ বাঞ্চাপূৰণ।

(গ) তৃতীয় খণ্ড : কোঁচ ৰাজ্যত থকাৰ সময়ত 1543 ৰ পৰা 1568 খ্ৰীষ্টাব্দত কীৰ্তন ঘোষাৰ অন্তৰ্গত 'বলিচলন', 'জৰাসন্ধ যুদ্ধ', 'কালযৱন বধ', 'মুচুকুন্দ স্তুতি', 'স্যামন্তক হৰণ', 'নাৰদৰ কৃষ্ণ দৰ্শন', 'বিপ্ৰপুত্ৰ আনয়ন', 'দৈৱকীপুত্ৰ আনয়ন', 'দামোদৰ বিপ্ৰাখ্যান', 'বেদস্তুতি', 'শিশুলীলা মালা', 'শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ', 'ভাগৱতৰ তাৎপৰ্য', 'ভৃগু পৰীক্ষা আৰু ৰুক্মিণীৰ প্ৰেমকলহ'।

ইয়াৰ উপৰি অনাদি পতন গ্ৰন্থ, ভাগৱতৰ 1ম, 2য়, 9ম, 10ম, 11শ, 12শ স্কন্ধৰ অনুবাদ, 'গুণমালা', 'নিমিনৱসিদ্ধ সংবাদ', 'ৰামায়ণৰ উত্তৰাকাণ্ড', 'বৰগীত', 'টোটয় ভটিমা', 'ভক্তি ৰত্নাকৰ আৰু নাট্যাৱলী', 'কালীয় দমন', 'কেলিগোপাল', 'ৰুক্মিণী হৰণ', 'পাৰিজাত হৰণ' আৰু 'ৰামবিজয়' নাটৰ গীতসমূহ বেলেগ বেলেগ সময়ত ৰচিত হৈছিল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাৱলীৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান' হ'ল প্ৰথম ৰচনা আৰু 'ৰামবিজয়' নাটখনি হ'ল অন্তিম ৰচনা।

কীৰ্তন ঘোষাত সন্নিৱিষ্ট অধ্যায়ৰ সৰ্বমুঠ সংখ্যা হ'ল 34টা। তাৰ ভিতৰত— ভাগৱত তাৎপৰ্য অংশটি 'উৰেষা বৰ্ণনা'ৰ পিছত সংযোগ কৰা অংশ বুলি কোনো কোনো সমালোচকে ক'ব বিচাৰে।

গুৰুৰ 'কীৰ্তন ঘোষা'খনি শ্ৰীধৰ কন্দলি 'ঘুনুচা কীৰ্তন' আৰু 'ৰত্নাকৰ কন্দলি'ৰ সহস্ৰ নাম বৃত্তান্ত সন্নিৱিষ্ট কৰা হৈছে। অন্যহাতে মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা ৰচিত— 'মাধৱ মুকুন্দৰাম ঘোষিও হৰিৰ নাম' সেই ঘোষাৰে আৰম্ভ হোৱা ধ্যান বৰ্ণনৰ এটি কীৰ্তনো সংযোজিত হৈ আহিছে। উক্ত অধ্যায় তিনিটি মাধৱদেৱ পুৰুষৰ আজ্ঞাৰেই সন্নিৱিষ্ট হোৱাৰ সম্ভাৱনা।

ইয়াৰ বাহিৰে 'কীৰ্তন ঘোষা'ত সন্নিৱিষ্ট মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচিত 29টা অধ্যায় সম্পৰ্কে কোনো ধৰণৰ মতানৈক্য দেখা পোৱা নাযায়। 1516-1517 খ্ৰীষ্টাব্দ পৰ্যন্ত বাৰভূঞা ৰাজ্যত থকাৰ সময়তে তেখেতে বিশিষ্ট ভক্তিমাৰ্গৰ আৰম্ভণি আৰু প্ৰতিষ্ঠা ঘটিছে। পিছত কছাৰী শাসনৰ লগত বাৰভূঞা শাসনৰ ৰাজনৈতিক দ্বন্দ্ব সংঘাতৰ ফলত বা বাৰভূঞা শাসন দুৰ্বল হোৱাৰ কাৰণে গুৰু শঙ্কৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ আহোম শাসনৰ ভিতৰুৱা ঠাইলৈ যায় আৰু পিছলৈ মাজুলী ধোৱাহাট আৰু বেলগুৰিত থাকিবলৈ লয়। সেই সময়তে আহোম শাসনৰ সন্দেহাধীন আৰু যাজক পুৰোহিতসকলৰ শত্ৰুতাৰ সন্মুখীন হ'বলগীয়া হয়। উক্ত সময়তে 'পাষণ্ড মৰ্দন' আৰু 'নামাপৰাধ' এই দুটি অধ্যায় সম্পূৰ্ণ কৰি বিৰোধীসকলৰ বিৰোধিতাৰ যথাযথ প্ৰত্যুত্তৰ দিয়ে। সেয়েহে এই অধ্যায় দুটিৰ বক্তব্য অতিশয় স্পষ্ট আৰু পোনপটীয়া আৰু লগতে শাস্ত্ৰ সমৰ্থিত স্বৰূপেও অনেক উল্লিখন ইয়াত উত্থাপিত হৈছে। 'নামাপৰাধ'ৰ মূল পদ্মপুৰাণৰ স্বৰ্গখণ্ড বুলি পোনতে উল্লেখ কৰিছে আৰু শেষত—

"নকৰিবা নিন্দা মোক মহন্তে
আসিল শাস্ত্ৰ বাৰাণসী হন্তে
তাহাংক চাই নিবন্ধিলো পদ
হৰি হৰি বুলি তৰা আপদ।।"
(নাৰদী)

পাষণ্ড মৰ্দনৰ ভাগৱতৰ 1ম, 2য়, 3য়, 4ৰ্থ, 7ম, 8ম, 9ম, 10ম, 11শ, 12শ, ইয়াৰ উপৰি বৃহৎ নাৰদী পুৰাণ, পদ্মপুৰাণ, সুত সংহিতা আদিৰো নামধৰ্মৰ যুক্তিযুক্ততা প্ৰতিস্থাপন্ন কৰিছে। এই সময়তে মণিকাঞ্চন সংযোগ ঘটে। অৰ্থাৎ শঙ্কৰ-মাধৱৰ (1522 খ্ৰীষ্টাব্দ) সাক্ষাত আৰু মিলন হয়। 1546 খ্ৰীষ্টাব্দত যেতিয়া ৰাজ্যৰ চাওদাঙে শঙ্কৰৰ জোঁৱায়েকক কাটিলে তেতিয়াই গুৰু শঙ্কৰ নৰনাৰায়ণ ৰজাৰ ৰাজ্যলৈ যাত্ৰা কৰিলে। তাতেই ৰাজভাতৃ চিলাৰায়ক মিত্ৰৰূপে লাভ কৰিলে। এই সময়ছোৱাই তুলনামূলকভাৱে গুৰুৰ শান্তিৰ সময় আছিল। কোঁচ ৰাজ্যৰ পৰাই তেখেত দ্বিতীয়বাৰৰ বাবে তীৰ্থ ভ্ৰমণলৈ যায়।

এটা কথা স্বতঃস্ফূৰ্ত যে, কীৰ্তন ঘোষাখনৰ বেলেগ বেলেগ অংশ বেলেগ বেলেগ সময়ত লিখা হৈছিল আৰু ভক্তি প্ৰচাৰত এই কীৰ্তন ঘোষা যিটি ৰূপত পোৱা হৈছে। প্ৰথমতে সেই ৰূপতে ইয়াৰ অধ্যায়সমূহ সংগৃহীত হৈ থকাৰ কোনো প্ৰমাণ নাই।

1490 শক (1568 চন)ত গুৰুৱে বৈকুণ্ঠ প্ৰয়াণ কৰে। তাৰ আগতে মাধৱদেৱক সকলো কথাবস্তু গতাই থৈ যায়। সেই সময়ৰ পৰা 1595 চন মানলৈকে কীৰ্তন ঘোষাৰ বিভিন্ন অধ্যায়সমূহ হাজো, দক্ষিণ কুল, বৰপেটা, বৰনগৰ, কালজাৰ ভৱানীপুৰ আৰু আহোম ৰাজ্যৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ আছিল। মহাপুৰুষ মাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰে এই অধ্যায়সমূহ সংগ্ৰহ কৰে আৰু 1590 খ্ৰীষ্টাব্দ অৰ্থাৎ গুৰুজনাৰ বৈকুণ্ঠ প্ৰয়াণৰ প্ৰায় 27 বছৰৰ পিছত সংগৃহীত আৰু সংকলিত অধ্যায়সমূহৰে 'কীৰ্তন ঘোষা' পুথিখনি সম্পূৰ্ণ কৰে। প্ৰায় এবছৰৰ ভিতৰত এই পুথিখনৰ কাম সম্পূৰ্ণ কৰি 1518 শক (1596 চন)ৰ জেঠ মাহত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ হাতত অৰ্পণ কৰে। মাধৱদেৱে পুথিখনি হাতত লৈ আদ্যোপান্ত চালে আৰু—

"যৈত যিবা কথা থৈৰ লাগে থৈছে,
বিচাৰি দেখিল পাছে।
নালাগে লড়িবে ভাল আছে সবে
এহি বুলি হাসিলন্ত।।"

ৰামচৰণে কীৰ্তন পুথিৰ অধ্যায়সমূহৰ ক্ৰম যুগুত কৰিছিল। এই ক্ৰম যথাযথ হৈছে বুলি মাধৱদেৱ পুৰুষে গ্ৰহণ কৰিছে। সেয়েহে আজিকোপতি 'কীৰ্তন ঘোষা'ক সেই একে ৰূপতে পোৱা গৈছে।

মুঠৰ ওপৰত পুৰণি ক্ৰম ৰক্ষা কৰি হওঁক বা নতুন ক্ৰম তৈয়াৰ কৰি হওঁক 'কীৰ্তন ঘোষা' প্ৰথম সংকলন কৰিলে ৰামচৰণ ঠাকুৰে আৰু প্ৰথম সম্পাদনা কৰিলে মহাপুৰুষ মাধৱদেৱে। মাধৱদেৱ পুৰুষে 'চতুৰ্বিংশতি অৱতাৰ' অধ্যায়ৰ মুখবন্ধতে— "শ্ৰীকৃষ্ণায় বাসুদেৱায় দৈৱকী নন্দনায়চ্ আৰু মুকংকৰোতি বাচালং পঙ্গুলংঘয়তে গিৰিম।" উক্ত দুটি




শ্লোক ভাগৱতৰ পৰা তুলি সন্নিৱিষ্ট কৰিছিল। মহাপুৰুষ শঙ্কৰদেৱে নিৰ্গুণ কৃষ্ণৰ গুণ প্ৰকাশ কৰি গৈছে। 'কীৰ্তন ঘোষা'ৰ প্ৰথম অধ্যায় স্বৰূপে চতুৰ্বিংশতি অৱতাৰ বৰ্ণনৰ প্ৰথম পদফাকিয়ে তাৰ প্ৰকৃত উদাহৰণ—

"প্ৰথমে প্ৰণাম ব্ৰহ্ম ৰূপী সনাতন
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।"

বেদান্ত ব্ৰহ্মকে সৰ্বপ্ৰথমে প্ৰণাম জনাই এই তত্ত্বৰ প্ৰতি অবিচল আস্থা প্ৰকাশ কৰিছে। কিন্তু তাৰ লগে লগে ই সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ বুলি অৱতাৰবাদ মানি লৈছে।

স্বৰূপাৰ্থত দেখা যায় দুটা দৃষ্টিৰে ব্ৰহ্ম ব্যাখ্যা কৰিব পাৰো। এটা হ'ল— পাৰমাৰ্থিক আৰু আনটো হ'ল ব্যৱহাৰিক দৃষ্টি। পাৰমাৰ্থিক দৃষ্টিত ব্ৰহ্মৰ কোনো ভেদ নাই। বিশ্বব্ৰহ্মাণ্ডত জীৱ-জগতৰ কোনো গুণ আৰোপ কৰা নাযায়। জীৱ আৰু ব্ৰহ্মাণ্ডৰ মাজত কোনো ভেদ নাই। দুয়ো অভিন্ন। ভেদ জ্ঞান হ'ল— মায়াজনিত। মায়া আঁতৰিলেই জীৱ আৰু জগত ব্ৰহ্মাণ্ডতে লীন হয়। এয়াই হ'ল বিশ্বব্ৰহ্মাণ্ডৰ স্বৰূপ লক্ষণ।

আনটো দিশ হ'ল— ব্যৱহাৰিক। ব্যৱহাৰিক দৃষ্টিৰে জীৱ-জগত সত্য যেন ভাৱ হয়। সেই দৃষ্টিৰে ব্ৰহ্মক জগতৰ স্ৰষ্টা, পালনকৰ্তা আৰু সংসাৰকৰ্তা বুলি কোৱা হয়। এই ব্ৰহ্মকে সমগ্ৰ সৰ্বশক্তিমান পুৰুষ বুলি কোৱা হয়। এয়ে হ'ল সগুণ ঈশ্বৰ। ধৰ্মৰ আধাৰ হ'ল— 'পুৰাণসূৰ্য'। ভাগৱতৰ কৃষ্ণ, যি কৃষ্ণ স্বয়ং শুদ্ধ চৈতন্যময় বিষ্ণু। 'বিষ্ণু' শব্দৰ অৰ্থ হ'ল— সৰ্বব্যাপ্ত। এইজন বিষ্ণুৱেই গোকুলৰ, বৃন্দাবনৰ, মথুৰাৰ কৃষ্ণ। আকৌ 'কৃষ্ণ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ হ'ল— পৃথিৱীৰ কাৰণ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুৰ মূল লক্ষ্য হ'ল— বেদান্তৰ ব্ৰহ্ম আৰু সেই ব্ৰহ্মক উপলব্ধি কৰাৰ বাবে কৃষ্ণ হ'ল ঘাই আধাৰ। লক্ষ্যপ্ৰাপ্তিৰ বাবে যিটি পথ নিৰূপণ কৰিলে, সেই পথ দাৰ্শনিকৰ পথ নহয়, সেই পথ হ'ল বিশ্বাসৰ ভেটিত প্ৰতিষ্ঠিত একশৰণ ধৰ্ম। এই একশৰণ ধৰ্মৰো আকৌ প্ৰধান মাধ্যম হ'ল— কৃষ্ণৰ নাম-কীৰ্তন আৰু শ্ৰৱণ।

কীৰ্তনত কেৱল পদৰ লয় আৰু কৃষ্ণলীলাৰ অদ্ভুত ঘটনা আৰু ইয়াত এটা বস্তু আছে সেইটো সাহিত্য। কীৰ্তনত হৰ্ষ, বিষাদ, প্ৰেম, বিৰহ, ক্ৰোধ, ক্ষমা আদিয়ে জুমুৰি দি আছে। ইয়াত নৱৰসৰ মিলন হৈছে। কেৱল এয়াই নহয়, সাহিত্যৰ ভিতৰত আৰু এটা বস্তু আছে সেইটো হ'ল কীৰ্তনৰ ধাতু। ইয়াকে আশ্ৰয় কৰি কীৰ্তনখন তিষ্ঠিছে। ই গূঢ় পৰমতত্ত্ব অনাদি অনন্ত, ব্ৰহ্ম আৰু ভক্তিৰ অসীম মহিমা। পাঠক সমাজে কীৰ্তনখনৰ বেলেগ বেলেগ দিশত মোহিত হৈছে। সাহিত্যৰ লগত জড়িত ব্যক্তিয়ে কীৰ্তনৰ পৰা সাহিত্য মধুনি মহাৰঙ্গে চাকিবলৈ ধৰিছে। বহুতে ঈশ্বৰতত্ত্ব, সৃষ্টিৰহস্যৰ ব্যাখ্যা বুজিবলৈ পাৰ্গত সেইসকলে কীৰ্তনৰ পৰা জ্ঞানমাণিক উদ্ধাৰ কৰিছে। বৰ অসমৰ ইমূৰ-সিমূৰ কীৰ্তনৰ শব্দেৰে আৱৰি পেলাইছে। নৱবৈষ্ণৱৰ আন্দোলনৰ ভেটিত অসমৰ সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনৰ সোণালী স্তম্ভ নিৰ্মাণ কৰোতা, এক কথাত ক'বলৈ গ'লে, অসমীয়া জাতিৰ পিতৃস্বৰূপ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাৱলীৰ সবাতোতকৈ জনপ্ৰিয় গ্ৰন্থখন হ'ল— 'কীৰ্তন ঘোষা।' ইয়াৰ গুৰুত্ব, মহত্ব আৰু ব্যাপকতা এই সকলোবোৰ কথাই সকলো অসমীয়াৰে বিদিত।

অসমীয়া বৈষ্ণৱ সাহিত্যৰ ভিতৰত মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ প্ৰণিত— 'কীৰ্তন', 'দশম' আৰু মাধৱদেৱ ৰচিত— 'ঘোষা' আৰু 'ৰত্নাৱলী' এই চাৰিখন গ্ৰন্থই হ'ল বৈষ্ণৱ ধৰ্মৰ চাৰিটা ঘাইখুটা। এই চাৰিখন গ্ৰন্থৰ ভিতৰত আকৌ 'কীৰ্তন' আৰু 'নামঘোষা' এই দুখনি গ্ৰন্থ হ'ল অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ এৰিব নোৱাৰা হাতপুথি। 'কীৰ্তন ঘোষা'খন হ'ল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুৰ ভক্তিধৰ্মৰ প্ৰচাৰৰ প্ৰথম আৰু প্ৰধান বাণীস্বৰূপ আৰু একশৰণ নামধৰ্মৰো ঘাই খুটি। 'কীৰ্তন ঘোষা'ৰ প্ৰথম অধ্যায়ত বৰ্ণোৱা ভগৱানৰ চতুৰ্বিংশতি অৱতাৰৰ ক্ৰমটি গুৰুৰ নিজা। তাৰোপৰি ভাগৱতৰ 1ম, 2য় স্কন্ধৰ পৰা লোৱা একৈশটি অৱতাৰৰ লগত তেওঁৰ অধ্যায়টি 3য় কীৰ্তনত হয়গ্ৰীৱ অৱতাৰ, গজেন্দ্ৰত্ৰাতা আৰু ধ্ৰুৱৰ ইষ্টদেৱতা হৰিৰ অৱতাৰ আৰু সাগৰ মন্থনৰ সময়ত দৈত্যবিজেতা হৰিৰ অৱতাৰ এই তিনিটা অৱতাৰ সংযোগ কৰি 24টা কৰিছে। ধ্যান বৰ্ণনৰ আৰু পাষণ্ড মৰ্দন এই দুটা অধ্যায় স্বৰূপাৰ্থত শঙ্কৰদেৱৰ তথ্যমূলক সমালোচত্মক ৰচনা। তাৰোপৰি তেওঁৰ বৰ্ণনাৰ পৰিপাটি, ৰমনীয়তা, ভাৱ অনুসৰি ৰস সঞ্চাৰ কৰিব পৰা তুলনাহীন প্ৰকাশভঙ্গী বৰ্ণনা, দক্ষতা, শব্দালংকাৰৰ মনোৰম প্ৰয়োগ, প্ৰযোজন আৰু প্ৰযোজন অনুসৰি মূল কাহিনীৰ সংযোগ-বিয়োগ বিভিন্ন ৰীতি ছন্দসজ্জাৰ কাৰিকৰী দক্ষতা এই সকলোবোৰে গুৰুৰ ৰচনাক দান কৰিছে বিশিষ্টতা আৰু মৌলিকত্ব। এই সকলোবোৰেই প্ৰকাশ কৰিছে তেওঁৰ সৃষ্টিক্ষমতা আৰু কবি প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন। যেনেকৈ অজামিল উপাখ্যানৰ যমদূত, বিষ্ণুৰ পাৰিষদ, অজামিলৰ বৰ্ণনা, প্ৰ াদ চৰিত্ৰৰ বৈকুণ্ঠ, হিৰণ্যকশিপুৰ তপস্যা, প্ৰ াদক দিয়া শাস্তি, নৰসিংহৰ ৰূপ, নৰসিংহ আৰু হিৰণ্যকশিপুৰ যুদ্ধৰ বৰ্ণনা, গ্ৰাহ-গজেন্দ্ৰৰ উপাখ্যানৰ চিত্ৰকূট পৰ্বত, হৰমোহনৰ দিব্য-উপৱন, কৃষ্ণৰ মোহিনী ৰূপ, বিষ্ণুৰূপ, মহাদেৱৰ কাম কাতৰতা, প্ৰাৰ্থনা, কৃষ্ণৰ অনিচ্ছা প্ৰকাশ, শিৱৰ অনুসূচনা আৰু পাৰ্বতীৰ আগত দিয়া কৈফিয়তৰ প্ৰকাশভঙ্গী আৰু বৰ্ণনা, সুদৰ্শন চক্ৰ আৰু বলিৰ বৰ্ণনা, শৰৎকালৰ ৰাসক্ৰীড়া বৰ্ণনা, ৰাসক্ৰীড়াক কামজয় কেলিত পৰিণত কৰাৰ দক্ষতা, শিশু কৃষ্ণৰ বিভিন্ন লীলাসমূহ, স্যামন্তক হৰণত কৃষ্ণৰ জাম্বৱন্তৰ যুদ্ধৰ বৰ্ণনা, কংসবধত বিভিন্ন ৰসসঞ্চাৰি ভাৱৰ বৰ্ণনা, দামোদৰ বিপ্ৰাখ্যানত কৃষ্ণ-বিপ্ৰৰ কথোপকথনৰ বৰ্ণনা, জৰাসন্ধ আৰু বলোভদ্ৰৰ যুদ্ধৰ বৰ্ণনা, কালযৱন বধত কৃষ্ণৰ বৰ্ণনা, কুঁজীৰ বাঞ্চাপূৰণত সৈৰিন্ধ্ৰীৰ মন্দিৰৰ বৰ্ণনা, বিপ্ৰপুত্ৰ আনয়নত কৃষ্ণাৰ্জ্জুনৰ পাতাল প্ৰৱেশ বৰ্ণনা, কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ বৰ্ণনা, উৰেষা বৰ্ণনৰ মনোৰম প্ৰকাশভঙ্গী, বেদস্তুতিত তত্ত্বক সৰ্বসাধাৰণৰ বোধগম্য কৰি সৰস কৰি তোলাৰ দক্ষতা আদিয়ে মহাপুৰুষজনাৰ মৌলিক চিন্তা, কল্পনা আৰু কবি প্ৰতিভাৰ নিদৰ্শন দাঙি ধৰিছে। গুৰুজনাৰ এই কীৰ্তন পুথিখনৰ মাজতেই বিশ্বব্ৰহ্মাণ্ডৰ কাৰণ ব্ৰহ্মও আছে, আকৌ ব্ৰহ্মৰ মানৱীয় ৰূপ কৃষ্ণও আছে, ভাৰতবৰ্ষও আছে আৰু আমাৰ বৰঅসমখনো সোমাই আছে। গুৰুৰ 'কীৰ্তন ঘোষা'খন হ'ল বৰঅসমৰ মৌচাক। আমাৰ লগতে উপৰি পুৰুষসকলেও ইয়াৰ মধুপান কৰি গৈছে। সেই 'কীৰ্তন ঘোষা'ৰ দ্বাৰাই অসমীয়াক দান কৰি গ'ল জাতীয় সংস্কৃতিক নৱজাগৰণৰ ঘাই আধাৰ।

আমি ন দি ক'ব পাৰো যে, অসমীয়া জাতিৰ জন্মলগ্নৰে পৰা এতিয়ালৈকে মহাপুৰুষ শঙ্কৰদেৱৰ সমকক্ষ আন এজন মহাপুৰুষৰ জন্ম হোৱা নাই।

সেয়েহে মহাপুৰুষ মাধৱদেৱে গুৰুভটিমাত লিখিছে—

"ত্ৰিভুৱন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস,
জগ জন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ।।"

আকৌ মাধৱদেৱ পুৰুষে লিখিছে—

"কি কহব শঙ্কৰদেৱৰ মহিমা
জানি নৰে অন্ত নাপায়।"

সঁচাকৈ মহাপুৰুষ শঙ্কৰ গুৰুৰ মহিমা আৰু প্ৰতিভা অতুলনীয়।

শঙ্কৰগুৰুৰ 'কীৰ্তন ঘোষা'খনক বৰ্তমানৰ ৰূপ দিয়াতো মাধৱদেৱৰ ভূমিকাই আছিল আটাইতকৈ উল্লেখযোগ্য।

*ফোন : ৯৪৩৫১০৯৭৫৭*






## দক্ষিণ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গ্ৰন্থ উন্মোচনী সভা



**পাটাছাৰকুছি, ২৮ আগষ্ট ঃ** কালি পাটাছাৰকুছিৰ সমীপৰ দক্ষিণ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত দিনৰ ১১ বজাত এই বিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষা স্বপ্না চৌধুৰীয়ে ৰচনা কৰা এখন কবিতা পুথি 'মোৰ পৃথিৱীৰ কবিতা' আৰু আনখন অনুগল্প গ্ৰন্থ 'অধিকাৰ' আনুষ্ঠানিকভাৱে উন্মোচন কৰে যথাক্ৰমে সাহিত্যিক, অভিনেতা, আজন্ম শিল্পী লক্ষী দাস আৰু ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ অঞ্জন কুমাৰ মিশ্ৰয়ে। সভাখন পৰিচালনা কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী দিপালী তালুকদাৰে। পুথি দুয়োখনৰ উন্মোচকদ্বয়ে লেখিকাগৰাকীক স্পষ্ট আৰু সৰল ভাবে লিখি সকলোৰে বাবে বুজাত সুবিধা কৰা বুলি প্ৰশংসা কৰে। শিল্পী লক্ষী দাসে লেখিকাৰ সৃষ্টিত বাস্তৱতা আছে বুলি উল্লেখ কৰে। লেখাৰ মাজেৰে লেখিকাগৰাকীয়ে নিজৰ প্ৰগতিশীল চিন্তাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা বুলিও কয়। লিখাৰ বাবে প্ৰথমতে পৰ্যবেক্ষণৰ দৰকাৰ আৰু সেয়া লেখিকাৰ আছে বুলি কয়। বহু গ্ৰন্থপ্ৰেমীৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনত সত্ৰীয়া সত্ৰৰ সত্ৰাধিকাৰ নাৰায়ণ দেৱ গোস্বামী, বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ দিবাকৰ শৰ্মা, টিহু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভৱেশ দাস, পাটাছাৰকুছি বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ৰবীন্দ্ৰ ঠাকুৰীয়া, হৰগোবিন্দ কলিতা, বিনোদ দাস, কেন্দ্ৰীয় বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কুমুদ পাঠক , অৱসৰপ্ৰাপ্ত বেংক বিষয়া হৰি কলিতা, শিক্ষক আনন্দ দেৱচৌধুৰী আদি বিশিষ্ট ব্যক্তিসকলে লেখিকাৰ উৎসাহ আৰু সৃষ্টিৰ ওপৰত আলোকপাত কৰি ভাষণ প্ৰদান কৰে। সভাৰ শেষত লেখিকা স্বপ্না চৌধুৰীয়ে শলাগৰ শৰাই আগবঢ়ায় আৰু এনে সৃষ্টিৰ আৰব অনুপ্ৰেৰণা শলাগ লয়।

### ■ অধ্যক্ষা স্বপ্না চৌধুৰীৰ দুখনকৈ গ্ৰন্থ উন্মোচন

## অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে আগমনী উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ত ৰাইজমেল

অগ্ৰদূত বাৰ্তা

**আগমনী, ২৮ আগষ্ট ঃ** আগমনী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আগমনী শাখা, ভামনডাঙা, শ্বেৰ নগৰ আৰু আগমনী গাঁও পঞ্চায়তৰ সহযোগত যোৱা ২৬ আগষ্টত আগমনী উন্নয়ন খণ্ডৰ পেক্ষাগৃহত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে ৰাইজমেল অনুষ্ঠিত হয়। ৰাইজমেলত অসম ৰাজ্যিক, গ্ৰামীণ জীৱিকা অভিযান আগমনী শাখা, ভামনডাঙা, সেৰ নগৰ আৰু আগমনী গাঁও পঞ্চায়তৰ ছয়শতাধিক মহিলা উপস্থিত থাকে। অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে ৰাইজমেলত সমল ব্যক্তিৰূপে গৌৰীপুৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হানিফ তালুকদাৰ, প্ৰবক্তাদ্বয় ড° সম্বু পাণ্ডে ড° আমিনৰ ইছলাম ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ ধুবুৰীৰ কাৰ্যকাৰী সভাপতি অহিদ খান, ধুবুৰী জিলা আৰ টি পি এছৰ জিলা ভাৰপ্ৰাপ্ত বিষয়া পাৰভেজ আহমেদ, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আগমনী শাখাৰ ব্লক সমন্বয়ক মণিৰুজ্জামান, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলা সমন্বয়ক নজৰুল ইছলাম আৰু আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক হবিবৰ ৰহমানে অন্ধবিশ্বাস আৰু কু-সংস্কাৰ নিৰ্মূলকৰণৰ উদ্দেশ্য ভাষণ প্ৰদান কৰে। সমাজত চলি থকা অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বাবে আমাৰ সমাজত হোৱা বিশৃংখলতা, দেশৰ উন্নয়নৰ ক্ষেত্ৰত হেঙাৰ স্বৰূপ হোৱাৰ বিষয়ে সমল ব্যক্তিসকলে উদাহৰণৰ মাধ্যমেৰে বুজাই দিয়ে। বৈজ্ঞানিক দৃষ্টিভংগীৰে আৰু বিজ্ঞান মনস্কতাৰে সমাজখনক আগুৱাই নিয়াত ক্ষেত্ৰত মহিলাসকলৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ বুলি ব্যক্তৱে সকলোকে বুজাই দিয়ে। বেজ, কবিৰাজ আদি কৰি সমাজৰ মানুহক বিপথে চলাই জীৱন হানি কৰি আহিছে আৰু এইসমূহক পৰিহাৰ কৰি সময়ত চিকিৎসকৰ ওচৰত গৈ চিকিৎসা গ্ৰহণৰ বাবে সমল ব্যক্তিসকলে সকলোকে পৰামৰ্শ প্ৰদান কৰে। অন্ধবিশ্বাস আৰু কু-সংস্কাৰ পৰিহাৰ কৰি ভাৰতবৰ্ষক অধিক আগুৱাই নিয়াৰ বাবে সমল ব্যক্তিসকলে সকলোকে আহ্বান জনায়। অন্ধবিশ্বাস আৰু কু-সংস্কাৰ ৰাইজমেলত সভাপতিত্ব কৰে আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক প্ৰহ্লাদ চন্দ্ৰ ৰায়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আগমনী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক নজৰুল ইছলাম আৰু আদৰণি পৰ্ব পৰিচালনা কৰে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আগমনী শাখাৰ ব্লক সমন্বয়ক মণিৰুজ্জামানে। অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ বিভাগৰ অধীনত চলি থকা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আগমনী ব্লকৰ এনে বৃহৎ সজাগতা সভা অনুষ্ঠিত কৰাত ৰাইজে সন্তুষ্ট প্ৰকাশ কৰিছে। সভাত ভামনডাঙা গাঁও পঞ্চায়তৰ সভাপতি বজলুৰ ৰহমান উপস্থিত থাকে। সভাত আগমনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৃত্তিমুখী শাখাৰ ছাত্ৰ-ছাত্ৰীসকলেও উপস্থিত থাকে।

### ■ ৬০০ মহিলাই অংশগ্ৰহণ কৰিলে ৰাইজমেলত

## উত্তৰ শালমাৰা মহকুমাৰ প্ৰান্তে-প্ৰান্তে গুৰুজনাৰ ৪৫৩ সংখ্যক তিৰোভাৱ তিথি পালনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৮ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত বিভিন্ন সত্ৰ, নামঘৰ আদিত গুৰুজনাৰ ৪৫৩ সংখ্যক তিৰোভাৱ তিথি পালনৰ যো-জা চলাইছে। মহকুমাটোৰ অন্তৰ্গত গুৰুজনাৰ নাতি চতুৰ্ভুজ আতা প্ৰতিষ্ঠিত বিষ্ণুপুৰ সত্ৰত কাইলৈৰ পৰা ২৯ আৰু ৩০ আগষ্ট দুদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ তিৰোভাৱ তিথি পালন কৰিব। সেইমতে প্ৰথম দিনা পুৱা পাঁচ বজাত কানু পাঠকৰ দলে পুৱাৰ প্ৰসংগ কৰাৰ লগতে ১০ বজাত আইসকলৰ নাম, দুপৰীয়া বাপসকলৰ বহা আৰু তাৰ পাছতে আমন্ত্ৰিত দলৰ দ্বাৰা বীৰনাম প্ৰদৰ্শিত হ'ব । বিয়লি সম্বৰ্ধনা আৰু সন্ধিয়া অনুষ্ঠিত হ'ব বন্তি প্ৰজ্বলন। প্ৰজ্বলক হিচাপে থাকিব সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক । পাছদিনা সামৰণি প্ৰসংগ আৰু আইসকলৰ নাম। এই উপলক্ষে বিনয় দাসক সভাপতি হৰেকৃষ্ণ দাসক সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰিছে । তেনেদৰে গুৰুজনা প্ৰতিষ্ঠিত সাঁকোমূৰাৰ ঘৰশিয়া সত্ৰ, নাৰায়ণ দাস ঠাকুৰ আতা প্ৰতিষ্ঠিত ৰঙাপানী সত্ৰ, মথুৰা দাস বুঢ়াআতা প্ৰতিষ্ঠিত ধৰ্মপুৰ সত্ৰৰ উপৰি আন আন সত্ৰ, নামঘৰ আদিৰ উপৰি শিক্ষানুষ্ঠানতো প্ৰসংগ, বীৰনাম, ধৰ্মালোচনী সভা আদিৰে গুৰুজনাৰ তিৰোভাৱ তিথি পালনৰ প্ৰস্তুতি চলাইছে।

## দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ বিশেষ জৰুৰী সভা

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ২৮ আগষ্ট ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ কালি এক বিশেষ জৰুৰী সভা অনুষ্ঠিত হয়। গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰঞ্জন সোণোৱালৰ উপস্থিতিত দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ নিষ্ক্ৰিয়তাৰ ওপৰত হোৱা বিশেষ সভাত সম্পাদক অৰুণ বৰাক তৎকালে পদৰ পৰা অব্যাহতি দি সহকাৰী সম্পাদক সৈনক চক্ৰৱৰ্তীক পৰৱৰ্তী কাৰ্যকাল চলাই যাবলৈ সভাই দায়িত্ব অৰ্পণ কৰে। উল্লেখ্য যে কিছুদিন ধৰি সাধাৰণ সম্পাদকজনে ছাত্ৰ সংগঠনটোৰ সাংগঠনিক কাম-কাজত নিষ্ক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছিল। শেহতীয়াকৈ সম্পাদকজনে দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ লগত যোগসূত্ৰ ৰক্ষা কৰা নাছিল। সেয়েহে গোলাঘাট জিলা ছাত্ৰ সন্থাৰ নিৰ্দেশ মৰ্মে কালি দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাই এনে সিদ্ধান্ত ল'বলৈ বাধ্য হোৱা বুলি উপদেষ্টা সঞ্জীৱ সোণোৱালে সদৰী কৰে।

### ■স্থায়ী বিষয়া নথকাত বিভিন্ন বিভাগত নাই কৰ্মসংস্কৃতি

## ভাৰপ্ৰাপ্ত বিষয়াৰে চলিছে গোসাঁইগাঁও মহকুমাৰ গুৰুত্বপূৰ্ণ বিভাগসমূহ

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৮ আগষ্ট ঃ** ৰাজ্য চৰকাৰে চৰকাৰী কাৰ্যালয়সমূহত কৰ্ম-সংস্কৃতিৰ উন্নতি সাধন কৰাৰ বাবে বাৰম্বাৰ আহ্বান জনোৱা সত্ত্বেও বাস্তৱত চৰকাৰী কাৰ্যালয়ত কৰ্মসংস্কৃতিৰ অৱনতি হোৱাটোৱেই পৰিলক্ষিত হয়। চৰকাৰৰ বিভিন্ন বিভাগত কৰ্মৰত কৰ্মচাৰীক সঠিকভাৱে কাম কৰাৰ বাবে বাৰে বাৰে সতৰ্ক কৰাৰ লগতে নিয়মীয়া উপস্থিতি আৰু কৰ্ম সংস্কৃতি অটুট ৰাখিবলৈ কঠোৰ নিৰ্দেশ দিয়া সময়ত গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত চৰকাৰী বিভিন্ন কাৰ্যালয়ত দেখা গৈছে হতাশজনক কৰ্ম সংস্কৃতি। গোসাঁইগাঁও মহকুমাৰ বিভিন্ন চৰকাৰী কাৰ্যালয়ত কৰ্ম সংস্কৃতি মুঠেই নাই বুলি ৰাইজৰ অভিযোগ। মহকুমাটোৰ একাংশ চৰকাৰী কাৰ্যালয়ত সঠিক সময়ত উপস্থিত নাথাকে বিষয়া-কৰ্মী। বহু কাৰ্যালয়ত চতুৰ্থ আৰু তৃতীয় বৰ্গৰ কৰ্মচাৰীয়েই কাৰ্যালয় খুলি দিনটো বহি থাকি গুচি যায়। ইয়াৰে একাংশ বিভাগৰ বিষয়া-কৰ্মী কাৰ্যালয়ত উপস্থিত নাথাকে যদিও সুধিলে ফিল্ডত থকা বুলি কৈ কৌশলেৰে আতৰি থাকে। চৰকাৰী কাৰ্যালয়ত সাধাৰণ লোক কামৰ বাবে গৈ দুই-তিনি ঘণ্টা অপেক্ষা কৰি কাম নোহোৱাকৈ ঘৰলৈ উভতি আহিব লাগে বুলি ভুক্তভোগী ৰাইজৰ অভিযোগ। দীৰ্ঘদিন ধৰি গোসাঁইগাঁও মহকুমাৰ বিভিন্ন চৰকাৰী কাৰ্যালয়ৰ কৰ্ম সংস্কৃতি এনেকৈয়ে চলি আছে। আনহাতে একাধিক গুৰুত্বপূৰ্ণ বিভাগ চলিছে ভাৰপ্ৰাপ্ত বিষয়াৰ দ্বাৰা। আনকি শেহতীয়াকৈ গোসাঁইগাঁও মহকুমাৰ মহকুমাধিপতি বদলি হৈ যোৱাৰ পাছত নতুনকৈ কোনো মহকুমাধিপতি যোগদান কৰা নাই। ফলত এগৰাকী ভাৰপ্ৰাপ্ত মহকুমাধিপতিৰ জৰিয়তে চলিছে গোসাঁইগাঁও মহকুমা প্ৰশাসনৰ কাম-কাজ। অকল সেয়াই নহয় গোসাঁইগাঁও মহকুমা জনসংযোগ বিষয়া, মীন বিষয়া, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, সমাজ কল্যাণ বিষয়াকে ধৰি আৰু একাধিক বিভাগত স্থায়ী বিষয়াৰ পদ দীৰ্ঘদিন ধৰি খালী হৈ আছে। একাধিক বিভাগ স্থায়ী বিষয়া অবিহনে চলিছে। যাৰ ফলত বিভাগসমূহত কৰ্মসংস্কৃতিৰ অভাৱ ঘটিছে। তাদুপৰি একো একোটা বিভাগত এজন বিষয়াই দুই তিনিটা দায়িত্বত কৰ্মৰত হৈ আছে। যাৰ ফলত বিভাগীয় কাম-কাজ সুচাৰুৰূপে পালন কৰাত বাধাৰ সৃষ্টি হৈছে। অসমখনক দেশৰ ভিতৰতে এখন আগশাৰীৰ ৰাজ্য হিচাপে গঢ় দিবলৈ চৰকাৰে যি প্ৰচেষ্টা অব্যাহত ৰাখিছে তেনে সময়ত চৰকাৰৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মীৰ চৰম অৱহেলাত কৰ্মসংস্কৃতি হেৰুৱাই গৈ আছে। এই অৱস্থাৰ পৰিৱৰ্তন নহ'লে অসমখন আগুৱাই লৈ যোৱাত যথেষ্ট কঠিন হ'ব বুলি বিজ্ঞ মহলে মত প্ৰকাশ কৰিছে। চৰকাৰী কাৰ্যালয়সমূহত কৰ্মসংস্কৃতিৰ উন্নতি কৰিবলৈ কৰ্মবীৰ মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছে বিদ্বৎ মহলে।



বাহাৰঘাটৰ পৰীক্ষা কেন্দ্ৰত কামৰূপ জিলাৰ উপায়ুক্তসহ উচ্চ পদস্থ বিষয়া, দেওবাৰে।

## বালিতাৰাত শুক্লেশ্বৰ মেধি স্মৃতি ন্যাসৰ বিনামূলীয়া চিকিৎসা শিবিৰ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৮ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বালিতাৰা দিব্য বস্তি হাইস্কুলত আজি শুক্লেশ্বৰ মেধি স্মৃতি ন্যাস আৰু অসম আয়ুৰ্বেদিক চিকিৎসক সংস্থাৰ সহযোগত এটা বিনামূলীয়া মেগা চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। ইয়াত এক স্বাস্থ্য সজাগতা সভাৰো আয়োজন কৰা হয়। শিবিৰত বিভিন্ন বিভাগৰ কে'বাজনো বিশেষজ্ঞ চিকিৎসক উপস্থিত থাকে। শিবিৰৰ উদ্বোধন কৰে নলবাৰী জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ উমেশ ফাংচুৰে। সজাগতা সভাত নলবাৰী জিলাৰ জ্যেষ্ঠ চিকিৎসক ক্ৰমে ডাঃ কৈলাশ ডেকা, ডাঃ মধুৰাম বৈশ্য, ডাঃ ৰামেশ্বৰ লহকৰ, ডাঃ অৰুণ বৰ্মন, ডাঃ সুৰেন মজুমদাৰ, ডাঃ দ্বিপেন দাস। চিকিৎসা শিবিৰত প্ৰায় ২০জন চিকিৎসকে চিকিৎসা সেৱা প্ৰদান কৰে। ইয়াৰ উপৰি কোটি প্ৰতিষেধক দিয়া হয়। প্ৰায় ছশ ৰোগীয়ে চিকিৎসা সেৱা গ্ৰহণ কৰে। গুৱাহাটীৰ পৰাও কে'বাজনো বিশেষজ্ঞ আয়ুৰ্বেদিক চিকিৎসকে সেৱা আগবঢ়ায়। সজাগতা সভাৰ আঁত ধৰে ন্যাসৰ সভাপতি ডাঃ চক্ৰেশ্বৰ হালৈ আৰু সম্পাদক জিতেন্দ্ৰ তালুকদাৰে। শিবিৰত বিনামূলীয়াকৈ ব্লাড ছুগাৰ আৰু ব্লাড গ্ৰুপ পৰীক্ষা কৰা হয়।

## আলোচনীৰ বাবে লেখা আহ্বান

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৮ আগষ্ট ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ, যোৰহাট জিলা সেৱাবাহিনীৰ দ্বাৰা 'পত্ৰাংকুৰ' নামেৰে এখনি ত্ৰিমাসিক আলোচনী প্ৰকাশ কৰিবলৈ লোৱা হৈছে। সিদ্ধান্ত অনুসৰি প্ৰথম বছৰৰ প্ৰথম সংখ্যাটো প্ৰকাশ কৰা হ'ব অহা অক্টোবৰত অনুষ্ঠিত হ'ব লগা জিলা শাখাৰ যুৱ সমাৰোহত। সেয়েহে যুৱ প্ৰজন্মৰ উপযোগী হোৱাকৈ ইচ্ছুকসকলে অহা ১০ ছেপ্টেম্বৰৰ ভিতৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ ধৰ্ম-দৰ্শন সাহিত্য-সংস্কৃতিৰ লগতে মানৱতাবাদ, ভাষা, শিক্ষা, ক্ৰীড়া আদি সম্পৰ্কীয় প্ৰবন্ধ/গল্প/কবিতা আদি। সম্পাদিকা পত্ৰাংকুৰ-ত্ৰিমাসিক আলোচনী, যোৰহাট জিলা শাখাৰ নামঘৰ, চিকেবি কলেজৰ সমীপত, যোৰহাট-৭৮৫০০১, ইমেইল-prataankuratraimasikaalocani@gmail.com, ম'বাইল- ৮০১১১৪৩২৯৬ আৰু ৬০০২৭৮৯০৬৭ নম্বৰত প্ৰেৰণ কৰিব পাৰিব।

## ৰাজকদমতল হৰিমন্দিৰৰ সভা মহোৎসৱৰ শতবাৰ্ষিকীৰ প্ৰস্তুতি



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৮ আগষ্ট ঃ** ১৮৯৪তে ব্ৰিটিছৰ বিৰুদ্ধে ৰণ-দুন্দুভি বাজি উঠা নলবাৰীৰ ইতিহাস প্ৰসিদ্ধ ঠাই ৰাজকদমতলত অৱস্থিত শ্ৰীশ্ৰী হৰি মন্দিৰৰ ৰাজহুৱা সভা মহোৎসৱৰ শতবাৰ্ষিকী এইবেলি পাঁচদিনীয়া ব্যাপক আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে ৩১ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব। এই উপলক্ষে নেতৃস্থানীয় ব্যক্তিসকলক লৈ এখন উদ্‌যাপন সমিতি ইতিমধ্যে গঠন কৰা হৈছে। স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক সভাপতি, বিশিষ্ট ব্যৱসায়ী নৃপেন্দ্ৰ দাসক কাৰ্যকৰী সভাপতি, লাবণ্য বৰ্মন, অন্ন ৰাম দাস আৰু গিৰিশ তালুকদাৰক উপ-সভাপতি, কুমুদ চন্দ্ৰ তালুকদাৰক সম্পাদক, বশিষ্ঠ বৰ্মন আৰু অৰবিন্দ বৰ্মনক সহকাৰী সম্পাদক, অনুপ বৰ্মনক সাংস্কৃতিক সম্পাদক, সুভাষ বৰ্মনক স্মৃতিগ্ৰন্থ সম্পাদক আৰু পীতাম্বৰ দাসক কোষাধ্যক্ষ হিচাপে লৈ এই সমিতিখন গঠন কৰা হৈছে। পাইকাৰকুছিৰ ৰমণীকান্ত বৰ্মন, দীনেশ চন্দ্ৰ বৰ্মন, আহিনপুৰৰ হৰেন বৰ্মন, দশৰথ বৰ্মন, লোহিত চন্দ্ৰ বৰ্মন, সন্ধ্যা-কমাৰতোলাৰ তনুৰাম দাস আদি অনেক হৰি মন্দিৰৰ জ্যেষ্ঠ সেৱকে সভা মহোৎসৱৰ পাঁচদিনীয়া ব্যাপক কাৰ্যক্ৰমণিকা নিখুঁতভাৱে ৰূপায়ণ কৰিবলৈ তৎপৰ হৈ পৰিছে। ইয়াৰ বাবে স্থানীয় যুৱক-যুৱতীক লৈ যথেষ্টসংখ্যক উপ-সমিতি গঠন কৰাৰ বাবে অঞ্চলটোৰ স্বেচ্ছাসেৱী অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহায় বিচৰা হৈছে।

## প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে নৱম-দশম শ্ৰেণীৰ পৰাই ছাত্ৰ-ছাত্ৰীসকল সাজু হ'ব লাগিব

### ■ শুৱালকুছিত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা অনুষ্ঠানত ড° ননী গোপাল মহন্ত

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৮ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেশৰ পাঁচখন ৰাজ্যৰ ভিতৰত অসমক স্থান দিয়াৰ যি পৰিকল্পনা সেয়া বাস্তৱ কৰিবলৈ হ'লে ৰাজ্যখনৰ শৈক্ষিক দিশটোত সৰ্বাধিক গুৰুত্ব দিব লাগিব । শিক্ষাৰ দিশটো গুৰুত্ব দিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলে নিৰৱচ্ছিন্নভাৱে অধ্যয়নত ব্ৰতী হ'ব লাগিব । নিজৰ লক্ষ্য প্ৰাপ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে নৱম-দশম শ্ৰেণীৰ পৰাই সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে নিজকে সাজু কৰি তুলিবলৈ যত্নপৰ হ'ব লাগিব। কিয়নো আজিৰ সময়ত পৰীক্ষাৰ নম্বৰত কোনো গুৰুত্ব নাই। প্ৰতিযোগিতামূলক পৰীক্ষাৰেহে নিজৰ স্থান ল'ব লাগিব । এই মন্তব্য অসমৰ শিক্ষা উপদেষ্টা ড° ননী গোপাল মহন্তৰ। কালি শুৱালকুছি প্ৰজ্ঞান গোষ্ঠীৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি তেওঁ পুনৰ কয় যে বৰ্তমানৰ যুগটো প্ৰযুক্তিৰ যুগ। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে আজিৰ প্ৰযুক্তিৰ লগত নিজকে খাপ খুৱাব পৰাকৈ আগবাঢ়িব লাগিব। অসমৰ ৬৫ শতাংশ শিক্ষাৰ্থীয়ে কলা বিষয়ত অধ্যয়ন কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে বিজ্ঞান আৰু বাণিজ্যত অধ্যয়ন কৰিলে প্ৰযুক্তি আৰু বজাৰ দখলৰ সুবিধা থাকে। জাতি-মাটি-ভেটি ৰক্ষা কৰিবলৈ হ'লে বজাৰ দখল কৰাটো আৱশ্যক। তেওঁ পুনৰ কয় যে হাতৰ আঙুলি পাঁচটা যিদৰে সমান নহয় ঠিক তেনেদৰে মানুহৰ জীৱনটো সদায় এঁকা-বেঁকা। এইবোৰ অতিক্ৰম কৰি আমি সদায় আগবাঢ়িব লাগিব। কেতিয়াবা যদি বিফলতা আহে তাৰ বাবে হতাশ নহৈ জীৱনটো আগবঢ়াই নিবলৈ চেষ্টা চলাব লাগিব । অসমত ছাত্ৰ-ছাত্ৰীসকলৰ আত্মহত্যাৰ প্ৰৱণতা বৃদ্ধি পোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে হতাশা আৰু নিৰাশাই এনে পন্থাক সহযোগ কৰে। বিফলতাক সফলতালৈ অনাটোহে মুখ্য উদ্দেশ্য বুলি ধৰি ল'লে নিমিষতে হতাশা ভাব আঁতৰ হয় বুলি দোহাৰি ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা জীৱন আগবঢ়াই নিবলৈ বিভিন্ন উদাহৰণ আৰু পৰামৰ্শ দিয়ে । তেওঁ প্ৰতিটো আখৰৰ গুৰুত্ব আছে আৰু প্ৰতিজোপা গছ ঔষধৰ বাবে প্ৰয়োজন বুলি উল্লেখ কৰি জীৱনত কিবা এটা কৰাৰ সংকল্প থকাসকলে সামৰ্থ্য লাভ কৰিবলৈ সক্ষম হয় বুলি কয়। তেওঁ শিক্ষিত যুৱক-যুৱতীসকলক আত্মনিৰ্ভৰশীল হ'বলৈয়ো আহ্বান জনায়। মুখ্যমন্ত্ৰীৰ সহায়ক দিগন্ত শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সম্বৰ্ধনা সভাত উপস্থিত থাকি মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে তেওঁৰ ভাষণত ২০০১ৰ পৰা জালুকবাৰী সমষ্টিৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ কথা উল্লেখ কৰি কয় যে মেট্ৰিকত যিসকল শিক্ষাৰ্থীয়ে ভাল ৰিজাল্ট কৰে তাৰ বেছি সংখ্যকে উচ্চতৰ মাধ্যমিকত তাতকৈ বেয়া ৰিজাল্ট কৰে। গতিকে উচ্চতৰ মাধ্যমিকলৈ অভিভাৱকসকলে নিজৰ ল'ৰা-ছোৱালীক হাতৰ পৰা এৰি দিব নালাগে বুলি কয়। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ ক্ষেত্ৰত বজ্ৰৰ দৰে কঠিন আৰু শিলৰ দৰে টান হ'ব লাগিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো এনে এজন ব্যক্তি আছিল বাবেই আজি নিজৰ লক্ষ্যত উপনীত হ'ব পাৰিছে বুলি তেওঁ দোহৰে। সভাত ৰাজ্যিক কৃষাণ মৰ্চাৰ উপ-সভাপতি ৰঞ্জিত ভট্টাচাৰ্যই অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নত সৰ্বাধিক গুৰুত্ব দিবলৈ আহ্বান জনায়। শুৱালকুছি ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত সম্বৰ্ধনা সভাত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ১৪৩গৰাকী আৰু উচ্চতৰ মাধ্যমিক (কলা, বিজ্ঞান, বাণিজ্য)ৰ ১৯৫ গৰাকী ছাত্ৰ-ছাত্ৰীক মানপত্ৰ, গামোচা, কিতাপৰ টোপোলা আৰু এটা ফাইল কভাৰেৰে সম্বৰ্ধনা জনোৱা হয় ।



## সদৌ দেশী জনগোষ্ঠীয় জাতীয় সংসদ অসমৰ সদৌ ধুবুৰী জিলা সংসদৰ ত্ৰি-বাৰ্ষিক অধিবেশন



**ধুবুৰী, ২৮ আগষ্ট ঃ** কালি সদৌ দেশী জনগোষ্ঠীয় জাতীয় সংসদ অসমৰ সদৌ ধুবুৰী জিলা সংসদৰ ত্ৰি-বাৰ্ষিক অধিবেশনখন ধুবুৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। উক্ত অধিবেশনত মুখ্য অতিথিৰূপে উপস্থিত থাকে এনডি-২৪ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱা আৰু এনআৰচিৰ প্ৰাক্তন ৰাজ্যিক সমন্বয়ক হিতেষ দেৱকুমাৰ। অধিবেশনৰ আৰম্ভণিতে জনগোষ্ঠীয় পতাকা উত্তোলন আৰু জনগোষ্ঠীয় পৰম্পৰা অনুসৰি, দেশী গীত গাই ব্ৰহ্মপুত্ৰ নৈৰ পানী লৈ সমদল কৰি আকৌ দেশী গীত গাই-গাই অধিৱেশন থলীলৈ আহে।

মুখ্য অতিথিৰূপে উপস্থিত হোৱা এনডি ২৪ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱা আৰু এনআৰচিৰ প্ৰাক্তন ৰাজ্যিক সমন্বয়ক হিতেষ দেব কুমাৰক উষ্ম আদৰণি জনাই অধিৱেশন থলীত নিত্য গানেৰে আনন্দ উল্লাসৰ পাছত অধিৱেশনৰ কাম-কাজ আৰম্ভ হয়। সদৌ দেশী জনগোষ্ঠীয় জাতীয় সংসদ অসমৰ সভাপতি এএএম ইনামুল হকে কয় যে, কালিৰ সভাত মুখ্য অতিথিৰূপে উপস্থিত থকা এনডি ২৪ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱাক জনগোষ্ঠীটোৰ মিতৰ অংশীদাৰ হিচাপে গ্ৰহণ কৰা হয় আৰু আগন্তুক দিনত জনগোষ্ঠীটোৰ হৈ সহায় সহযোগিতা আগবঢ়াব বুলি আমি আশাবাদী।

## আমগুৰি ডাকঘৰত জালিয়াতিৰে উলিয়াই নিলে গ্ৰাহকৰ জমাকৃত ধন

### ■ ডাকঘৰত সক্ৰিয় দালাল চক্ৰ

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ২৮ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ ডাকঘৰত দালাল চক্ৰৰ দপ্‌দপনি। এই চক্ৰৰ কবলত পৰি এতিয়া গ্ৰাহকৰ জমা ধনৰ লগতে চাকৰি দিয়াৰ নামতো ডাকঘৰৰ কৰ্মচাৰীয়ে চলাইছে লুণ্ঠন আৰু দালালৰাজ। শেহতীয়াকৈ সূৰয শ্বাহ নামৰ ব্যক্তি এজনৰ ৰেকাৰিং ডিপ'জিট একাউণ্ট নম্বৰ ১০৭৯৪ আৰু ১০৭৯৫ ৰ পৰা চহী জাল কৰি ডাকঘৰৰ কৰ্মৰত কোনো কৰ্মচাৰীয়ে উলিয়াই আনি আত্মসাৎ কৰে। বৰ্তমানৰ পৰিস্থিতিত গ্ৰাহকে ডাকঘৰকে নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান ৰূপে গণ্য কৰি আহিছিল যদিও এই ঘটনাই ৰাইজক হতবাক কৰাৰ উপৰি ডাকঘৰৰ প্ৰতি এক প্ৰশ্নবোধক চিহ্ন তৈয়াৰ কৰিলে। আমগুৰি ডাকঘৰৰ কৰ্মৰত কোনো কৰ্মচাৰীয়ে এই চহী জাল কৰি একাউণ্টৰ গৰাকীয়ে গম নোপোৱাকৈ টকা মোকলাই নিয়ে। এই সন্দৰ্ভত আমগুৰি আঞ্চলিক সমিতিৰ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে ডাক অধীক্ষকলৈ এখন পত্ৰ প্ৰেৰণ কৰি এই ঘটনাৰ লগত জড়িত বিষয়াসকলক অনতি বিলম্বে নিলম্বন কৰিবলৈ দাবী জনায়। ১৫ দিনৰ ভিতৰত যদিহে ডাক অধীক্ষকৰ পৰা সুফল লাভ নকৰে তেন্তে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে প্ৰতিবাদী কাৰ্যসূচী হাতত ল'ব। ইয়াৰ উপৰি আমগুৰি সদৰ থানাত চহী জালিয়াতি, ধন আত্মসাৎ ইত্যাদিৰ ওপৰত আমগুৰি ডাকঘৰৰ সেই মাষ্টাৰমাইণ্ডজনৰ লগতে সহযোগীসকলৰ বিৰুদ্ধেও গোচৰ ৰুজু কৰিবলৈ বাধ্য হ'ব। উল্লেখ্য যে আমগুৰি ডাকঘৰৰ এটা শক্তিশালী চক্ৰই চাকৰি দিয়াৰ নামতো গঢ়ি তুলিছে এখন বিশাল দোকান। পৰৱৰ্তী সময়ত এই বিষয়ে বিস্তাৰিতভাৱে প্ৰকাশ কৰা হ'ব।

## পূব ডিক্ৰুং জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় খ'ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স'তে একত্ৰীকৰণ



অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৮ আগষ্ট ঃ** বিহপুৰীয়াৰ পূব ডিক্ৰুং জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়খন শিক্ষা বিভাগে নিকটৱৰ্তী খ'ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স'তে একত্ৰীকৰণ কৰাৰ নিৰ্দেশনা জাৰি কৰাত জাঙুৰ খাই উঠিছে পূব ডিক্ৰুং অঞ্চলৰ ৰাইজ, অভিভাৱক তথা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। জানিব পৰা মতে, অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগৰ চিঠি নম্বৰ এ এছ ই ২৬৩,২০২২,২৪৪ত ছয় আগষ্ট ২০২২ মৰ্মে ৰাজ্যখনৰ অন্যান্য জিলাৰ লগতে লখিমপুৰ জিলাৰ ১০ খন বিদ্যালয়ৰ লগতে ডিক্ৰুং জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়খনৰ নাম সন্নিবিষ্ট হৈ থকাত বিদ্যালয় কৰ্তৃপক্ষ, অঞ্চলটোৰ ৰাইজ , অভিভাৱক তথা ছাত্ৰ- ছাত্ৰীসকল হতভম্ব হৈ পৰে। বিশেষকৈ ১৯৯১তে প্ৰতিষ্ঠা লভা পূব ডিক্ৰুং জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়খনে প্ৰতিষ্ঠা কালৰে পৰা বানাক্ৰান্ত ডিক্ৰুং আৰু সোৱণশিৰি নদীপৰীয়া ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰি আহিছে। উপযুক্ত আন্তঃগাঁথনি, ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক-কৰ্মচাৰীৰ অভাৱ নথকা তথা বিদ্যালয়খনৰ শৈক্ষিক দিশত ছাত্ৰ-ছাত্ৰীসকলৰ উত্তৰণত কোনো বাধা নথকা এই বিদ্যালয়খনক বিভাগীয় কৰ্তৃপক্ষই একত্ৰীকৰণ কৰিব বিচৰাৰ প্ৰকৃত ৰহস্য কোনোৱে বুজি পোৱা নাই। বিদ্যালয় কৰ্তৃপক্ষৰ পৰা আৰু জানিব পৰা মতে কংকুৰ, কানিয়াজান, পাভ ভেকেলী, দহঘৰীয়া, বাহগঢ়া, বটুমচুক, কলানি আদি নৈপৰীয়া গাঁওসমূহৰ দৰিদ্ৰ শিক্ষাৰ্থীসকলে এই বিদ্যালয়লৈ অতি কষ্টৰে আহি শিক্ষা গ্ৰহণ কৰে। এই বিদ্যালয়খন খ'ৰা উচ্চতৰ মাধ্যমিকৰ স'তে একত্ৰীকৰণ কৰিলে ছাত্ৰ- ছাত্ৰীসকলে উপৰুৱাকৈ আৰু প্ৰায় তিনি কিলোমিটাৰ পথ অতিক্ৰমিহে খ'ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হ'ব পাৰিব। এনে এক পৰিস্থিতিত কালি বৃহত্তৰ অঞ্চলটোৰ ৰাইজ , অভিভাৱক বিদ্যালয়খনত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰে মিলি বিদ্যালয় চৌহদত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ছাত্ৰ- ছাত্ৰীসকলে শ্ৰেণীকোঠা এৰি বিদ্যালয়ৰ চৌহদত অভিভাৱক তথা ৰাইজৰে মিলি শিক্ষা বিভাগৰ এনে হঠকাৰী সিদ্ধান্ত বাতিল কৰিবলৈ দাবী জনায় । ইয়াতে ক্ষান্ত নাথাকি ছাত্ৰ-ছাত্ৰীসকলে আমাৰ বিদ্যালয়ক একত্ৰীকৰণ নকৰিব, আমাক শান্তিৰে শিক্ষা গ্ৰহণ কৰিবলৈ দিয়ক, শিক্ষা আমাৰ মৌলিক অধিকাৰ, আমাৰ শিক্ষানুষ্ঠানখন ধ্বংস নকৰিব আদি শ্ল'গানেৰে সমগ্ৰ বিদ্যালয় চৌহদ উত্তাল কৰি তোলে। ছাত্ৰ ছাত্ৰীসকলৰ লগতে অঞ্চলটোৰ পুৰুষ-মহিলা, ৰাইজে এই একত্ৰীকৰণ কোনো কাৰণতে মানি লোৱা নহ'ব বুলিও স্পষ্ট মত ব্যক্ত কৰে । প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত ৰাইজ তথা অভিভাৱকসকলে লখিমপুৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ যোগে অসম মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালকলৈ এই একত্ৰীকৰণ বন্ধ ৰখাৰ আবেদন প্ৰেৰণ কৰে।

### জাঙুৰ খাই উঠিল ছাত্ৰ-ছাত্ৰী

অসম দাপোণ

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৯ আগষ্ট, সোমবাৰ, ২০২২ পৃষ্ঠা ১৪


# ভক্তোবৰি অঞ্চলত বিশুদ্ধ খোৱাপানীৰ তীব্ৰ নাটনি

## বছৰ বছৰ ধৰি পৰিত্যক্ত অৱস্থাত থাকিল পানী যোগান প্ৰকল্প



**অগ্ৰদূত বাৰ্তা**
**আজাৰা, ২৮ আগষ্ট ঃ** পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ আজাৰা ৰাজহ চক্ৰ তথা গাঁও পঞ্চায়তৰ ভক্তোবৰি অঞ্চলত বিশুদ্ধ খোৱাপানীৰ তীব্ৰ সংকটে দেখা দিছে। বৃহত্তৰ অঞ্চলটোত ৰাজ্য চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিশুদ্ধ খোৱাপানী যোগান আঁচনি এখন থকাৰ উপৰি 'জল জীৱন আঁচনি'ৰেও সামৰি লোৱা হৈছে। তৎসত্ত্বেও বৃহত্তৰ অঞ্চলটোত বিশুদ্ধ খোৱাপানীৰ সংকটে দেখা দিয়াত জনসাধাৰণৰ মাজত তীব্ৰ অসন্তুষ্টিয়ে দেখা দিছে। ভক্তোবৰি অঞ্চলত আজিৰ পৰা প্ৰায় ১০ বছৰ পূৰ্বে জনস্বাস্থ্য কাৰিকৰী বিভাগে বৃহত্তৰ অঞ্চলটোত বিশুদ্ধ খোৱাপানী যোগানৰ বাবে 'ভক্তোবৰি বিশুদ্ধ খোৱাপানী যোগান প্ৰকল্প'ৰ নিৰ্মাণ কৰে। আনকি জনসাধাৰণক বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ বাবে পানী যোগানৰ পাইপ-টেপ আদি বহুওৱা হয়। পিছে আঁচনিখনৰ জৰিয়তে ৰাইজে আজিলৈ পানী যোগান নাপালে। ফলত পানী যোগান প্ৰকল্পটো হাবি-বনে আগুৰি ধৰিছে। শেহতীয়াকৈ অঞ্চলটোত 'জল জীৱন আঁচনি'ৰ অধীনত পানী যোগানৰ পাইপ-টেপ আদি বহুওৱা হৈছে যদিও ৰাইজে পানী নোপোৱাৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত অঞ্চলটোৰ ব্যৱসায়ী উত্তম দাসে আক্ষেপেৰে সদৰী কৰে যে চৰকাৰীভাৱে বিশুদ্ধ খোৱাপানী যোগানৰ দুখনকৈ আঁচনি লোৱাৰ পাছতো আজিলৈকে অঞ্চলবাসীয়ে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হোৱাটো দুৰ্ভাগ্যৰ বিষয়। এই ক্ষেত্ৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগক ব্যৱস্থা ল'বলৈও তেওঁ দাবী জনায়।

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ উদ্যোগত কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৮ আগষ্ট ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ উদ্যোগত সংঘৰ জিলা কাৰ্যালয়ত চলিত বৰ্ষৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলক আজি সম্বৰ্ধনা জনোৱা হয়। ৭৫ শতাংশৰো অধিক নম্বৰ লাভ কৰা সংঘৰ সংগীসকলৰ কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। সংঘৰ জিলা শাখাৰ সভাপতি জ্যোতিপ্ৰসাদ ভূঞাৰ সঞ্চালনাত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰাই কয় যে আমাৰ কীৰ্তিমান বহু ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসক, অভিযন্তা হোৱাৰ সপোন দেখে। ই নিশ্চিতভাৱে ভাল কথা। কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰশাসনিক বিষয়া হোৱাৰ সপোন দেখিব লাগিব। তেতিয়াহে দেশ- সমাজক সঠিকভাৱে আগুৱাই নিয়াত সফল হ'ব পৰা যাব। তেওঁ লগতে কয়, 'সপোন দেখিব লাগিব। সেই সপোনে দেশ-জাতিক প্ৰতিষ্ঠা কৰিব লাগিব।' ভাষণ প্ৰসংগত ড° বৰাই কয়, 'মানুহৰ জীৱনলৈ প্ৰত্যাহ্বান আহিব পাৰে। কিন্তু সেই প্ৰত্যাহ্বান নেওচি আগুৱাই যাব লাগিব।' তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক ম'বাইল ফোন সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। সংঘৰ জিলা শাখাৰ শিক্ষা বিভাগৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ বৰাই আদৰণি ভাষণ প্ৰদান কৰা সভা উদ্বোধন কৰে জিলা শাখাৰ সম্পাদক তোযেশ্বৰ বৰাই। ঈশাপ্ৰিয়া শইকীয়াৰ বৰগীতেৰে আৰম্ভ হোৱা আৰু তোযেশ্বৰ বৰাই আঁত ধৰা সভাত কীৰ্তিমান ছাত্ৰ-ছাত্ৰী ক্ৰমে অভিনৱ ৰঞ্জন বৰা, ভাৰ্গৱ বৰুৱা, দৰথী বৰা, জ্যোতিস্মিতা ভাগৱতী আৰু প্ৰিয়াশী হাজৰিকা আদিয়ে ভাষণ প্ৰদান কৰে।

## পথাৰত পানীৰ অভাৱত খেতিপথাৰত মেলিছে ছিৰাল ফাট

# ফকিৰাগ্ৰামত শুকাই যোৱা ধান খেতিক লৈ কৃষকৰ দুঃচিন্তা

**অগ্ৰদূত বাৰ্তা**
**চিথিলা/ফকিৰাগ্ৰাম, ২৮ আগষ্ট ঃ** হাড়ক পানী কৰি পথাৰত সোণগুটি চপোৱাৰ সপোন দেখা খেতিয়কৰ মন হৃদয়ৰ পৰা যেন হেৰাই গৈছে মাত। বৰষুণবিহীন বতৰ আৰু শুকাই পৰি যাব খোজা খেতিপথাৰক লৈ চিন্তিত হৈ পৰিছে কৃষক ৰাইজ। দিনৰ পাছত দিন নাই এটোপাল বৰষুণ। হাহাকাৰ কৰিবলগীয়া হৈছে কৃষকসকল। কোকৰাঝাৰ জিলাৰ দোতমা উন্নয়ন খণ্ডৰ কৃষি প্ৰধান চিথিলা অঞ্চলত কৃষক সকলোৰ দুঃচিন্তা বাঢ়িছে। প্ৰখৰ ৰ'দত ৰঙা পৰি যোৱা ধাননি শুকাই খেৰলৈ ৰূপান্তৰিত হোৱাৰ উপক্ৰম হৈছে। খেতি-মাটিত এতিয়া মেলিছে ছিৰাল ফাঁট। নাই চৰকাৰী জলসিঞ্চন বিভাগৰ কৃষি পথাৰত পানী যোগানৰ ব্যৱস্থা। নাই বৰুণ দেৱতাৰ কৃপা দৃষ্টি। সেয়েহে কৃষিজীৱী ৰাইজে চৰকাৰৰ লগতে কৃষি বিভাগক কৃষি পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰি দিবলৈ আহ্বান জনাইছে।

# বৰপেটাৰোড ষ্টেডিয়ামত ক'লা পতাকা উৰুৱাই কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**
**বৰপেটাৰোড, ২৮ আগষ্ট ঃ** ১৯৪৭ত ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছত ১৯৪৯ৰ ২৮ আগষ্টত কমতাপুৰ ৰাজ্যৰ অংগৰাজ্য কোচবিহাৰ ৰাজ্য ভাৰত চৰকাৰে 'গ' শ্ৰেণীৰ ৰাজ্য হিচাপে প্ৰদান কৰিব বুলি সেই সময়ৰ কোচ মহাৰাজাৰ স'তে চুক্তি স্বাক্ষৰ হৈছিল। কিন্তু ভাৰত চৰকাৰে উক্ত চুক্তিখন আজিলৈকে কাৰ্যকৰী নকৰিলে। ভাৰত চৰকাৰ আৰু কোচ মহাৰাজা জগদ্দীপেন্দ্ৰ নাৰায়ণ ভূপ বাহাদুৰৰ মাজত সম্পাদিত চুক্তিখন আজিলৈকে কাৰ্যকৰী নকৰাৰ প্ৰতিবাদত আজি বৰপেটাৰোড ষ্টেডিয়ামত ক'লা পতাকা উৰুৱাই সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাই প্ৰতিবাদ সাব্যস্ত কৰে। জাতি মাটি ভেটিৰ কথা কোৱা চৰকাৰখনে কিয় ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰা নাই তাকো প্ৰশ্ন কৰে আক্ৰাছুৱে। আনহাতে, কোচ ৰাজবংশীসকলৰ সমস্যাসমূহক লৈ ৰাজনীতি বন্ধ কৰি অনতিপলমে কোচ ৰাজবংশীসকলৰ সমস্যা সমাধানৰ দাবী জনায় আক্ৰাছুৰ বৰপেটা জিলা সমিতিয়ে। আনহাতে, কোচবিহাৰক লৈ পৃথক কেন্দ্ৰীয় শাসিত ৰাজ্যৰ প্ৰতি আদৰণি জনাইছে আক্ৰাছুৱে।

## অচেতন কৰি লুটপাট ঃ নগদ ধনসহ ১০ লক্ষাধিক টকাৰ সা-সম্পত্তি লুট

# কাকীত একে নিশাতে দুজনকৈ শিক্ষকৰ ঘৰত ডকাইতি



**অগ্ৰদূত বাৰ্তা**
**কাকী, ২৮ আগষ্ট ঃ** হোজাই জিলাৰ কাকী আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ কাকীৰ ছয় নম্বৰ জাজৰি গাঁৱত নিশা সংঘটিত হয় এক চাঞ্চল্যকৰ ডকাইতি কাণ্ড। নিশা ১২-৩০ বজাত কাদিৰ আলী আৰু আব্দুছ ছালাম আজাদ নামৰ শিক্ষক দুজনৰ ঘৰত ডকাইতৰ আঠ-১০জনীয়া এটি দলে লুটপাট চলাই লুটি নিয়ে সা-সম্পত্তিসহ ১০ লক্ষাধিকৰ অধিক ধন। ডকাইতৰ দলটোৱে লোক দুজনৰ পৰা নগদ ৬১ হেজাৰ টকাৰ লগতে ১২ তোলা সোণৰ আ-অলংকাৰৰ লগতে এটিএম কাৰ্ড আদি লুট কৰি নিয়ে। উল্লেখ্য যে নিশা নিদ্ৰামগ্ন অৱস্থাত ডকাইতৰ দলটোৱে শিক্ষক কাদিৰ আলীৰ ঘৰৰ সন্মুখৰ গ্ৰীলৰ তলা ভাঙি প্ৰৱেশ কৰাৰ বিপৰীতে আব্দুছ ছালাম আজাদ নামৰ শিক্ষকজনৰ ঘৰত বিকল্প চাবিৰে গ্ৰীলৰ তলা খুলি প্ৰৱেশ কৰে। শিক্ষক পৰিয়াল দুটাৰ লোকে প্ৰকাশ কৰা মতে, ডকাইতি কাণ্ড সংঘটিত হোৱাৰ সময়ছোৱাত তেওঁলোকে অলপমানো শব্দৰ আভাস নাপালে। সেয়ে টোপনিত থকা অৱস্থাতে ডকাইতৰ দলটোৱে চেতনানাশক স্প্ৰে কৰাৰ সন্দেহ ব্যক্ত কৰিছে। ইপিনে, ওচৰা-ওচৰিকৈ থকা দুই শিক্ষক পৰিয়ালে এই সমগ্ৰ ডকাইতি কাণ্ডৰ বিষয়ে পুৱতি নিশা টোপনিৰ পৰা হঠাতে সাৰ পোৱাৰ পাছতহে জানিব পাৰে। বৰ্তমান ডকাইতি ঘটনাক লৈ সমগ্ৰ অঞ্চলজুৰি চাঞ্চল্যই বিৰাজ কৰিছে। ঘটনাস্থলীত কাকী আৰক্ষীৰ লগতে উচ্চপদস্থ আৰক্ষীৰ লোক উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে।

# তিনিটাকৈ ৰাষ্ট্ৰীয় সন্মান লাভ কৰা সাগৰিকা গোস্বামীলৈ 'অসম গৌৰৱ সন্মান'



**পাটাছাৰকুছি, ২৮ আগষ্ট ঃ** কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়, নলবাৰীৰ মেধাৱী ছাত্ৰী সাগৰিকা গোস্বামীলৈ 'অসম গৌৰৱ সন্মান ২০২২' প্ৰদান কৰে অসমৰ আগশাৰীৰ প্ৰতিষ্ঠান সাহিত্য-সমাজ-সাংস্কৃতিক সেৱা মঞ্চই। অসম চৰকাৰৰ সমৰ্থনত মৰিগাঁৱত প্ৰদান কৰা উক্ত বঁটাটি সাগৰিকা গোস্বামীৰ শিক্ষা জীৱনৰ কৃতিত্ব, কবি জীৱনৰ ব্যতিক্ৰমী কৰ্মৰাজি, শিল্পী হিচাপে লাভ কৰা চাৰিটা ৰাষ্ট্ৰীয় পুৰস্কাৰ আৰু ঘোষিকা হিচাপে লাভ কৰা জনপ্ৰিয়তাৰ বাবে প্ৰদান কৰা হয়। নলবাৰী সংস্কৃত বিশ্ববিদ্যালয় পৰিয়াল, তথা পাঠশালা সাহিত্য সভাই শুভকামনা প্ৰদান কৰে সাগৰিকা গোস্বামীক।

# হাজোত ২৫ লাখটকীয়া মডেল অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণত ব্যাপক অনিয়ম



**অগ্ৰদূত বাৰ্তা**
**হাজো, ২৮ আগষ্ট ঃ** অসম চৰকাৰে অনুমোদন দিয়া ২৫ লাখটকীয়া 'মডেল অংগনৱাড়ী কেন্দ্ৰ' নিৰ্মাণত হাজোত ব্যাপক দুৰ্নীতি অনিয়ম সংঘটিত হোৱাৰ তথ্য ওলাই পৰিছে । প্ৰাপ্ত তথ্য অনুসৰি কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত তথা হাজো সংহত শিশু উন্নয়ন প্ৰকল্প অধীনত ৰামদিয়াৰ হাঁহদিয়া গাঁৱত নিৰ্মাণ কৰা মডেল অংগনৱাড়ী কেন্দ্ৰত অতি নিম্নমানৰ কাম হোৱা দেখা যায়। ইয়াৰ উদাহৰণ স্বৰূপে কেন্দ্ৰত ব্যৱহাৰ কৰা নিম্নমানৰ দৰ্জা, খিৰিকীকে ধৰি ভিতৰত বান্দৰ যোৱা বাট আৰু আশে- পাশে দ-গাঁত যিটো কণ কণ শিশুসকলৰ জীৱনৰ প্ৰতি এক ভাবুকিৰ সৃষ্টি কৰিব। লক্ষ্যণীয় বিষয়টো এই যে ৰাইজে বিচৰা ঠাইত নিৰ্মাণ নকৰি কেন্দ্ৰটো পথাৰৰ মাজৰ গো শ্মশান আৰু বান্দৰ মুক্তি বিচৰণৰ ঠাইত নিৰ্মাণ কৰিব লোৱাৰ সময়তে ৰাইজে দুৰ্নীতি হ'ব বুলি অনুমান কৰিছিল। কিন্তু কিছু ৰাজনৈতিক ক্ষমতা দেখুৱাই ঠিকাদাৰৰে মিলি দুই এজন মূধা ফুটা বিজেপি নেতাই নিজ মইমতালিত নিৰ্মাণ কাম চলাই নিয়ে। ৰাইজে এই বিষয়ত কামৰূপ জিলা উপায়ুক্তকে ধৰি নিৰ্মাণ কমিটীৰ বিষয়া, হাজো খণ্ড উন্নয়ন বিষয়া নন্দিতা চহৰীয়া আৰু হাজো খণ্ড প্ৰকল্প বিষয়া নচিউৰ ৰহমানক লিখিত আবেদন জনায়। লগতে ঠিকাদাৰৰ লগত ৰাইজে কথা হোৱাত সকলো কাম হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ নিৰ্দেশত হোৱা বুলি জনায় আৰু কিবা থাকিলে বিধায়িকাগৰাকীৰ স'তে কথা পাতিব জনায়। কিন্তু বিধায়িকাই ৰাইজক কোনো ধৰণৰ সঁহাৰি নজনায়। কিন্তু তেওঁলোকে ৰাইজক কালি পৰ্যন্ত তদন্ত হ'ব আৰু ভালকৈ নিৰ্মাণ হ'ব বুলি কথা দিয়ে।

কিন্তু অতি দুৰ্ভাগ্যজনক কথা এই কাম শেষ নোহোৱাকৈ কোনো বিষয়া মন্ত্ৰী উপস্থিত নোহোৱাকে অৰ্ধনিৰ্মিত কেন্দ্ৰটো যোৱা ১৪ আগষ্টত অসমৰ মুখ্যমন্ত্ৰী আৰু আন মন্ত্ৰী, বিধায়কৰ উপস্থিতিত কেন্দ্ৰটো উদ্বোধন হোৱা বুলি ফলক লগায়। সেয়েহে এই বিষয়ত ৰাইজে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপৰ লগতে শূন্য সহনশীলতা নীতি প্ৰদৰ্শন কৰি উক্ত কেন্দ্ৰৰ সকলো দুৰ্নীতি তদন্ত কৰি কণ কণ শিশুৰ ভৱিষ্যতৰ সুৰক্ষা আগত ৰাখি ৰাইজক ন্যায় দিব বুলি ৰাইজ আশাবাদী।

# লোক সংস্কৃতিবিদ ড° প্ৰবীণ চন্দ্ৰ দাসলৈ মুখ্যমন্ত্ৰীৰ সাহায্য আহ্বান



**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২৮ আগষ্ট ঃ** বিশিষ্ট গৱেষক, লোক সংস্কৃতিবিদ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰবীণ চন্দ্ৰ দাসে যোৱা ২৬ আগষ্টত নগাঁও ছোৱালী মহাবিদ্যালয়ত ভাষণৰত অৱস্থাত ঢলি পৰাৰ পাছৰে পৰা তেওঁ খানাপাৰাৰ হেল্‌থ কেয়াৰ হাস্পতালৰ আইচিইউত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। বিশিষ্ট পণ্ডিতজনৰ স্বাস্থ্যৰ অলপো উন্নতি হোৱা নাই। এনে পৰিস্থিতিত ড° দাসৰ গুণমুগ্ধসকলে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক লোক সংস্কৃতিবিদজনৰ উন্নত চিকিৎসা ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। তদুপৰি মুখ্যমন্ত্ৰীক তেওঁৰ সাহায্য পুঁজিৰ পৰা আৰ্থিক সাহায্য ঘোষণা কৰিবলৈও অনুৰোধ জনাইছে। ঐতিহ্যধন্য হাজোত জন্মগ্ৰহণ কৰা ড° দাস বৰ্তমান অসম জনকৃষ্টি সমাজৰো সভাপতি।

# ১৮ হেজাৰ সংস্কৃত শ্লোক অসমীয়া গদ্যলৈ অনুবাদ কৰা বিনন্দ শৰ্মা পূজাৰীলৈ শ্ৰীশ্ৰীদামোদৰ দেৱ বঁটা প্ৰদান



**অগ্ৰদূত বাৰ্তা**
**জাঁজী, ২৮ আগষ্ট ঃ** যোৰহাট জিলাৰ টীয়ক কলিয়াপানীস্থিত শ্ৰীশ্ৰীআউনীআটি সত্ৰৰ উদ্যোগত আজি অনুষ্ঠিত এখন আড়ম্বৰপূৰ্ণ সভাত প্ৰদান কৰা হয় শ্ৰীশ্ৰীদামোদৰ দেৱ বঁটা। যোৰহাট জিলাৰ পকামৰা গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক, অসমীয়া সংস্কৃতিৰ সাধক শ্ৰীবিনন্দ শৰ্মা পূজাৰীক প্ৰদান কৰা হয় এই শ্ৰীশ্ৰীদামোদৰ দেৱ বঁটা। উল্লেখ্য যে ২০১২ৰ পৰা শ্ৰীশ্ৰীআউনীআটি সত্ৰই আগবঢ়াই অহা শ্ৰীশ্ৰীদামোদৰ দেৱ বঁটা (২০২২) লাভ কৰা শ্ৰীবিনন্দ শৰ্মা পূজাৰীয়ে সমাজৰ উন্নয়নৰ ক্ষেত্ৰত বিভিন্ন বৰঙণি আগবঢ়াই অহাৰ উপৰি অসমীয়া সাংস্কৃতি, শৈক্ষিক দিশত উৎকৰ্ষ সাধন কৰা অসমৰ এজন বৰেণ্য সংস্কৃতিৰ সাধক হিচাপেও সেৱা আগবঢ়াই আহিছে। তাৎপৰ্যপূৰ্ণ বিষয় যে শ্ৰীশ্ৰীদামোদৰ দেৱ বঁটা লাভ কৰা শ্ৰীবিনন্দ শৰ্মা পূজাৰীয়ে ১৮ হেজাৰ সংস্কৃত শ্লোক অসমীয়া গদ্যলৈ অনুবাদ কৰা বিনন্দ শৰ্মা পূজাৰীলৈ ২০২২ৰ শ্ৰীশ্ৰীদামোদৰ দেৱ বঁটা প্ৰদান কৰে শ্ৰীশ্ৰী আউনীআটি সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে। সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত ৰ'দালি সাহিত্য সভাৰ সম্পাদক প্ৰতাপ শৰ্মা, মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীকে আদি কৰি কে'বাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে।






# কলকাতা ডাৰ্বিত ইষ্ট বেংগলৰ বিৰুদ্ধে মোহন বাগানৰ জয়লাভ

**কলকাতা, ২৮ আগষ্ট ঃ** ভাৰতীয় সেনা বাহিনীয়ে আয়োজন কৰা চলিত ঐতিহ্যমণ্ডিত 131 সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ সবাতোকৈ ৰোমাঞ্চকৰ মেচখন আজি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত হয়। কলকাতা ডাৰ্বিৰ গ্ৰুপ 'বি'ৰ মেচত এ টি কে মোহন বাগান এফ চিয়ে একমাত্ৰ গ'লত পৰাস্ত কৰে ইষ্ট বেংগল ক্লাবক। উল্লেখ্য যে আত্মঘাটি গ'লেৰে নিৰ্ণয় হয় মেচৰ ফলাফল। উভয় দলৰে অনুৰাগীৰে ষ্টেডিয়ামৰ গেলেৰী পৰিপূৰ্ণ হোৱা মেচখনত খেলৰ 45 মিনিটতে ইষ্ট বেংগলৰ বাবে খলনায়ক হৈ পৰে সুমীত পাছি। দ্বিতীয়াৰ্ধত কোনো গ'ল নহ'ল। উল্লেখ্য যে মোহন বাগান আৰু ইষ্ট বেংগলে পূৰ্বে দুখনকৈ মেচ খেলিছিল যদিও জয়ৰ পৰা বঞ্চিত হৈ আছিল। ইষ্ট বেংগলে দুয়োখন মেচ ড্ৰ খেলাৰ বিপৰীতে মোহন বাগানে এখনত পৰাস্ত তথা আনখন ড্ৰ খেলিছে। সেয়ে আজিৰ মেচ আছিল গুৰুত্বপূৰ্ণ। অৱশ্যে কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতাৰ আশা অন্তিম মেচলৈ থাকিব। কিন্তু পইণ্টৰ সমীকৰণ তথা অন্য দলৰ প্ৰদৰ্শনে প্ৰভাৱ পেলাব। মোহন বাগানে অহা 31 আগষ্টত গুৰুত্বপূৰ্ণ অন্তিম গ্ৰুপ মেচত ভাৰতীয় নৌ সেনাৰ মুখামুখি হোৱাৰ বিপৰীতে ইষ্ট বেংগলে মৰণ মেচখন খেলিব মুম্বাই চিটীৰ বিৰুদ্ধে অহা তিনি ছেপ্টেম্বৰত।



## ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল
# আজি গুৱাহাটীত ওড়িছা-দিল্লী এফচি

**গুৱাহাটী, ২৮ আগষ্ট ঃ** চলিত ঐতিহ্যমণ্ডিত 131 সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত হ'বলগা দিনটোৰ প্ৰথম মেচখনত মুম্বাই চিটী এফ চিয়ে খেলিব ৰাজস্থান ইউনাইটেডৰ বিৰুদ্ধে। উল্লেখ্য যে উভয় দলে ইতিমধ্যে দুখনকৈ মেচত অংশ লৈছে তথা এখনত জয় আৰু এখন ড্ৰ খেলিছে। চাৰি পইণ্টকৈ লাভ কৰা মুম্বাই আৰু ৰাজস্থানৰ লক্ষ্য হ'ব কাইলৈৰ মেচত জয়ী গ্ৰুপ 'বি'ৰ পৰা প্ৰথমটো দলৰূপে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰা। আবেলি তিনি বজাৰ পৰা আৰম্ভ হ'ব মেচখন। ইফালে, কাইলৈ নিশা ছয় বজাত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত হ'বলগা গ্ৰুপ 'ডি'ৰ মেচত ওড়িছা এফ চিয়ে খেলিব সুদেবা দিল্লী এফ চিৰ বিৰুদ্ধে। ক্ৰমাগত দুখন মেচত জয়লাভ কৰা ওড়িছা দলে কাইলৈ জয়ৰ ধাৰা অব্যাহত ৰাখিলে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিব পাৰিব। বিপৰীতে দিল্লী দলে প্ৰথম দুখন মেচ ড্ৰ খেলাৰ বাবে কাইলৈৰ মেচখনত জয় কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতাৰ দৃষ্টিৰে গুৰুত্বপূৰ্ণ হৈ পৰিছে। গ্ৰুপ 'ডি'ত খেলা নৰ্থ ইষ্ট ইউনাইটেড এফ চি ইতিমধ্যে চলিত ঐতিহ্যমণ্ডিত 131 সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে। দল প্ৰথম তিনিখন মেচতে পৰাস্ত হয়।





## এছিয়া কাপ ঃ ভুৱনেশ্বৰ কুমাৰ-হাৰ্দিক পাণ্ডিয়াৰ অনবদ্য বলিং
# ভাৰতৰ সন্মুখত ১৪৮ লক্ষ্য পাকিস্তানৰ



**ডুবাই, ২৮ আগষ্ট ঃ** এছিয়া কাপ টি-20 ক্ৰিকেটৰ আজি হোৱা এখন হাইভ'ল্টেজ মেচত মুখামুখি হয় ভাৰত-পাকিস্তান। উল্লেখ্য যে মেচখনত টছত জয়ী হৈ পোনতে পাকিস্তানক বেটিং কৰিবলৈ আমন্ত্ৰণ জনাই ভাৰতীয় অধিনায়ক ৰোহিত শৰ্মাই। পাকিস্তানে বাবৰ আৰু ফখৰৰ ৰূপত আৰম্ভণিতে দুটা উইকেট হেৰুৱাই বিপদত পৰে যদিও দলৰ ইনিংছ গঢ় দিয়াত মুখ্য ভূমিকা লয় ৰিজৱান (43] আৰু ইফতিকাৰে (28]¼ কিন্তু ইনিংছৰ মধ্য ভাগতে টীম ইণ্ডিয়াৰ অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই উভয় বেটাৰৰ উইকেট চতুৰালিৰে দখল কৰি পাকিস্তানক চাপৰ সন্মুখীন কৰায়। ধাৰাবাহিকৰূপত উইকেট হেৰুৱাবলৈ ধৰে পাকিস্তানে। হাৰ্দিকৰ লগতে পেচাৰ ভূৱনেশ্বৰ কুমাৰে পাকিস্তানৰ বেটাৰক খোপনি পুতিবলৈ সুযোগ নিদিলে। ইনিংছৰ এটা বল বাকী থাকোতেই 147 ৰাণত ইনিংছ সামৰে পাকিস্তানে। ভাৰতৰ হৈ ভূৱনেশ্বৰে 26 ৰাণত চাৰিটা আৰু হৰ্দিকে 25 ৰাণত তিনিটা উইকেট পায়। অশ্বদীপে দুটা উইকেট লাভ কৰাৰ বিপৰীতে বিমুখ হয় দুই স্পীনাৰ ৰবীন্দ্ৰ জাডেজা আৰু যজবেন্দ্ৰ চাহাল।



# খেলো ইণ্ডিয়া মহিলা জুডোত অসমৰ বিউতিৰ সোণৰ পদক লাভ

**গুৱাহাটী,২৮ আগষ্ট ঃ** আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে খেলো ইণ্ডিয়া মহিলা জুডোৰ পূব মণ্ডলৰ প্ৰতিযোগিতা। আজি হোৱা খেলত অসমৰ বিউতি দাসে ছাব-জুনিয়ৰ 28 কিলোগ্ৰাম শাখাত সোণ লাভ কৰাৰ লগতে এই শাখাৰ ব্ৰঞ্জ পদক লাভ কৰে অসমৰে পাৰবিনা ৰুমাই। ইফালে, 32 কিলোগ্ৰাম শাখাত অসমৰ মৃন্ময় শইকীয়াই ৰূপ দখল কৰে। 40 কিলোগ্ৰাম শাখাত পূৰ্ণিমা দেউৰীয়ে ব্ৰঞ্জ লাভ কৰাৰ লগতে অসমক পঞ্চমটো পদক দিয়ে 57 কিলোগ্ৰাম শাখাত মৃগাক্ষী গগৈয়ে ব্ৰঞ্জ লাভ কৰি।

# আন্তঃ ক্লাব ফুটবল লীগ

**অগ্ৰদূত বাৰ্তা, মৰিগাঁও,২৮ আগষ্ট ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃ ক্লাৱ ফুটবল প্ৰতিযোগিতাৰ আজিৰ দলবাৰী যুৱ কল্যাণ সংঘ আৰু দমাল স্পৰ্টচ ক্লাৱৰ মাজৰ খেলখন ড্ৰ হয়। খেলখনত দলবাৰী যুৱ কল্যাণ সংঘই 59 মিনিটত গ'ল দি অগ্ৰগতি লাভ কৰে যদিও দমাল স্পৰ্টচ ক্লাৱে খেলৰ 72 মিনিটত সমতা স্থাপন কৰে। কাইলৈ ৰাণা ক্লাৱ আৰু মৰ্নিং ক্লাৱৰ মাজত খেল হ'ব।

# তিনিটা স্থানত স্বাধীনতা দিবস কাপ ফুটবলৰ মেচ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২৮ আগষ্ট ঃ** উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে অন্যতম পুৰণি তথা আগশাৰীৰ ঐতিহ্যমণ্ডিত 74 সংখ্যক সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিবস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখনি অহা ছয় ছেপ্টেম্বৰৰ আৰম্ভ হ'ব। এইবাৰ প্ৰতিযোগিতাৰ খেলসমূহ নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামৰ উপৰি কামপুৰ আৰু ধিঙৰ খেলপথাৰতো হ'ব। কামপুৰ ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত কামপুৰ খেলপথাৰত প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। এই সম্পৰ্কত নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক প্লাৱন বৰুৱাই জনোৱা মতে কামপুৰ আৰু ধিঙত পাঁচখন খেল অনুষ্ঠিত হ'ব। নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলৰ পৰা খেলসমূহ চলিব। প্ৰতিযোগিতাত মুঠ 19 টা দলে ইতিমধ্যে যোগদান নিশ্চিত কৰিছে। যোৱাবাৰৰ চেম্পিয়ন গুৱাহাটীৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ ফুটবল দল আৰু ৰাৰ্ণাছআপ দল কেৰেলা ইউনাইটেড এফ চি দলক পোনপটীয়াকৈ কোৱাৰ্টাৰ ফাইনেলত স্থান দিয়া হৈছে। স্থানীয় নগাঁও লীগৰ সঞ্জীৱন সমাজ আৰু ষ্টাৰ স্প'ৰ্টিং ক্লাব দল দুটাৰ উপৰিও অসমৰ আগশাৰীৰ দল দুলীয়াজানৰ অইল ইণ্ডিয়া এফ চি, অসম ৰাইফলছ, কেৰালাৰ লোকা চ'কাৰ ক্লাব আদিৰ লগতে ৰাজ্যৰ আন কেইবাটাও আগশাৰীৰ দল উল্লেখনীয়। ইপিনে প্ৰতিযোগিতাখনৰ সফল আয়োজন সন্দৰ্ভত নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁইৰ সভাপতিত্বত সংস্থাৰ এখনি বিশেষ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। নগাঁও স্প'ৰ্টছ ক্লাব পেভিলিয়নত অনুষ্ঠিত এই সভাত সংস্থাৰ কাৰ্যবাহী সভাপতি তথা বিধায়ক ৰূপক শৰ্মাও উপস্থিত থাকে।

# বজালীত কাৰাটে সন্থাৰ উদ্যোগত প্ৰতিযোগিতা

**পাটাছাৰকুছি, ২৮ আগষ্ট ঃ** অসম অলিম্পিক সন্থাৰ পঞ্জীয়ন ভুক্ত অসম কাৰাটে সন্থাৰ অন্তৰ্গত বজালী জিলা কাৰাটে সন্থাৰ উদ্যোগত পোন প্ৰথমবাৰৰ বাবে বজালী জিলাত এক জিলাভিত্তিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতা পাঠশালাৰ নৈবেদ্য সভা ভৱনত অনুষ্ঠিত হ'ব। ওজন আৰু বয়স ভিত্তিত বিভিন্ন শাখাত অনুষ্ঠিত কৰিবলৈ লোৱা এই প্ৰতিযোগিতাখন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে নৰকান্ত কলিতাক সভাপতি আৰু সম্পুৰ্ণ চৌধুৰীক সম্পাদক, হিমাংশু তালুকদাৰক সহকাৰী সম্পাদক, হেমন্ত চৌধুৰীক কাৰ্যকৰী সদস্য কমলেশ চৌধুৰীক কোষাধ্যক্ষ, নৱ তালুকদাৰক উপদেষ্টা হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰা হৈছে। উদ্যোক্তাসকলে জিলা খনৰ অন্তৰ্গত বজালী জিলা কাৰটে সন্থাৰ প্ৰশিক্ষাৰ্থীৰ উপৰিও অন্য কাৰাটে প্ৰশিক্ষাৰ্থী সকলক আগতীয়াকৈ 8638342995 নম্বৰত যোগাযোগ কৰাৰ বাবে অনুৰোধ জনাইছে। বজালী জিলা কাৰাটে সন্থাৰ সম্পাদক অৰ্ণবজান শৰ্মাই যোগদানৰ ভৰ্ত্তি মাচুল 500 টকা নিৰ্ধাৰণ কৰা হৈছে বুলিও জানিব দিছে।

# গৃহভূমিত ট্ৰাউ এফ চিৰ জয়



**ইম্ফল, ২৮ আগষ্ট ঃ** ঐতিহ্যমণ্ডিত 131 সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবলৰ আজি হোৱা প্ৰথমখন মেচত টিডিম ৰ'ড এথলেটিক ইউনিয়ন এফ চিয়ে 2-1 গ'লত পৰাস্ত কৰে আৰ্মি ৰেড দলক। ইম্ফলৰ খুমান লাম্পাক ষ্টেডিয়ামত হোৱা গ্ৰুপ 'চি' মেচখনত প্ৰথমে গ'ল কৰিছিল আৰ্মি ৰেডে। খেলৰ 35 মিনিটত লিটনে গ'ল কৰি সেনাৰ দলটোক 1-0 ৰ অগ্ৰগতি দিয়ে। 81 মিনিটলৈ দলে এই অগ্ৰগতি ধৰি ৰাখে যদিও টিডিমৰ হৈ বাওৰিংডাও বড়োৱে গ'ল কৰি মেচত 1-1 ত সমতা স্থাপন কৰে। আনহাতে, 89 মিনিটত মিলন সিঙৰ গ'লেৰে মেচত চমকপ্ৰদ জয় অৰ্জন কৰে মনিপুৰৰ ক্লাবটোৱে। উল্লেখ্য যে উভয় দলে পূৰ্বে দুখনকৈ মেচ খেলিছিল যদিও জয়ৰ মুখ দেখা নাছিল। আৰ্মি ৰেড দলে দুয়োখন মেচ ড্ৰ খেলাৰ বিপৰীতে টিডিম ৰ'ড ইউনিয়ন দুয়োখনত পৰাস্ত হৈছিল। কিন্তু আজিৰ জয়ে ট্ৰাউ এফ চিৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ আশা এতিয়াও সজীৱ ৰাখিছে। বিপৰীতে ক্ষীন আশা আছে আৰ্মি ৰেড দলৰো। গ্ৰুপৰ অন্তিম লীগ মেচত টিডিমে খেলিব চেন্নাইয়ান এফ চিৰ বিৰুদ্ধে। আনহাতে, আৰ্মি ৰেডৰ অন্তিম গ্ৰুপ মেচৰ প্ৰতিদ্বন্দ্বী হায়দৰাবাদ এফ চি।

# নেহৰু ষ্টেডিয়ামত 'অনবদ্য গিলবাৰ্ট' উন্মোচন

**গুৱাহাটী,২৮ আগষ্ট ঃ** অসমৰ ক্ৰীড়া সাহিত্যৰ বাবে এক উৎসাহজনক খবৰ। বিশিষ্ট ক্ৰীড়া সাংবাদিক পবিত্ৰ গগৈৰ নৱতম গ্ৰন্থ 'অনবদ্য গিলবাৰ্ট' আজি গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ নেহৰু ষ্টেডিয়ামত হোৱা এক অনুষ্ঠানত আনুষ্ঠানিকভাবে উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে ক্ৰীড়া সঞ্চালক নিবেদন দাস পাটোৱাৰীয়ে। অনুষ্ঠান অন্য অতিথিৰ লগতে উপস্থিত থাকে কমনৱেলথ গেমছৰ স্বৰ্ণজয়ী নয়নমণি শইকীয়া। উল্লেখ্য যে 'অনবদ্য গিলবাৰ্ট' হ'ল অসমৰ আন্তৰ্জাতিক ফুটবলাৰ গিলবাৰ্টছন ছাংমাৰ বৰ্ণিল ক্ৰীড়া জীৱনৰ বিষয়ে ৰচনা কৰা এখন মনোৰম উপন্যাস। স্বৰূপাৰ্থত গিলবাৰ্টছন ছাংমা এইসময়লৈকে অসমৰ ক্ৰীড়াপ্ৰেমীৰ দৃষ্টিকোনেৰে সৰ্বকালৰ জনপ্ৰিয় ক্ৰীড়াবিদ। গিলবাৰ্টৰ খেল উপভোগ কৰিবলৈ যিদৰে ক্ৰীড়াপ্ৰেমীয়ে টিকট ক্ৰয় কৰি ষ্টেডিয়ামলৈ আহিছিল, অসমত আজিলৈকে ৰাইজক এইদৰে আকৰ্ষিত কৰিব পৰা দ্বিতীয়গৰাকী ক্ৰীড়াবিদ কোনো খেলতে ওলোৱা নাই। গিলবাৰ্টৰ আজন্ম প্ৰতিভা লগতে ৰাজ্যৰ ক্ৰীড়াপ্ৰেমীৰ লগত মহান ফুটবলাৰগৰাকীৰ আবেগৰ সম্পৰ্ক আজিও স্মৃতিৰ মধুময় সফুৰা। ফুটবলাৰ ছাংমাৰ ক্ৰীড়া জীৱন তথা সামাজিক পৰিৱেশৰ লগতে ব্যক্তিগত ঘাত-প্ৰতিঘাত, সুখ-দুখ, প্ৰাপ্তি-বিষাদ সকলোখিনি সন্নিবিষ্ট কৰি পবিত্ৰ গগৈয়ে উপন্যাসৰ আৰ্হিৰে লিখি উলিয়াইছে 'অনবদ্য গিলবাৰ্ট' উপন্যাস খন। উল্লেখ্য যে মৰমৰ তাৰকা ক্ৰীড়াবিদজনৰ অনুৰাগীসকলে ইমানদিনে নজনা বহু কথা প্ৰথমবাৰৰ বাবে জানিবলৈ পাব 'অনবদ্য গিলবাৰ্ট' পঢ়াৰ পাছত। গ্ৰন্থ লেখক তথা সাংবাদিক পবিত্ৰ গগৈয়ে গিলবাৰ্টক নিচেই ওচৰৰ পৰাই পাইছিল। যাৰবাবে অসমৰ ক্ৰীড়া সাহিত্যত সংযোজন হ'ল 'অনবদ্য গিলবাৰ্ট' উপন্যাসখন। গ্ৰন্থখন প্ৰকাশ কৰিছে অলিম্পিয়া প্ৰকাশনৰ হৈ চিৰঞ্জীৱ শৰ্মাই। উল্লেখ্য যে 'দ্য আসাম ট্ৰিবিউন'ৰ প্ৰাক্তন ক্ৰীড়া সাংবাদিক তথা লেখক পবিত্ৰ গগৈৰ এয়া চতুৰ্থখন গ্ৰন্থ তথা প্ৰথমখন ক্ৰীড়াবিদৰ জীৱনক লৈ ৰচনা কৰা উপন্যাস। ইয়াৰপূৰ্বে তেওঁ 'পেলে' আৰু 'ব্ৰেডমেন' গ্ৰন্থ দুখন লিখাৰ লগতে ক্ৰীড়া সাংবাদিকতাৰ বিভিন্ন কাহিনীৰে ৰচনা কৰিছিল ইংৰাজী ভাষাৰ গ্ৰন্থ 'প্লেয়িং উইথ মাই পেন'।



# ইউনাইটেড চিৰাং দুৱাৰ এফচিৰ খিতাপ

**অগ্ৰদূত ব্যুৰ, বঙাইগাঁও, ২৮ আগষ্ট ঃ** বঙাইগাঁৱৰ চাপৰাকাটা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত চাপৰাকাটা ক্ৰীড়া সন্থাৰ খেল পথাৰত আয়োজিত ৰহিত বসুমতাৰী সোঁৱৰণী ফুটবল প্ৰতিযোগিতাত ইউনাইটেড চিৰাং দুৱাৰ এফচিয়ে খিতাপ লাভ কৰিছে। ফাইনেল মেচত দলে কাজলগাঁৱৰ মৰ্নিং ষ্টাৰ ক্লাবক 5-1 গ'লত পৰাস্ত কৰে । বিজয়ী দলৰ হৈ মিথিংগা দৈমাৰী, লৈথ বসুমতাৰী, ডিদোম হাজোৱাৰী আৰু মনেশ্বৰ মুছাহাৰী গ'ল দিয়াৰ বিপৰীতে মৰ্নিং ষ্টাৰৰ হৈ এক মাত্ৰ গ'ল দিয়ে ডেম্পোই। আজিৰ খেল পৰিচালনা কৰে অমৃত সিংহ , জিতু সৰকাৰ , ৰবিন দাস আৰু বিকাশ লামাই । খেলৰ অন্তত কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মন আৰু সাধাৰণ পাৰিষদ হিমানী অধিকাৰীয়ে বিজয়ী আৰু বিজিত দলক বঁটা প্ৰদান কৰে।





# ৰেপিড ৰেটিং দবাত মায়াংক চেম্পিয়ন

**গুৱাহাটী , ২৮ আগষ্ট ঃ** গুৱাহটীত অনুষ্ঠিত হোৱা সদৌ অসম প্ৰথম ৰেপিড ৰেটিং দবা প্ৰতিযোগিতাত মায়ংক চক্ৰৱৰ্তীয়ে খিতাপ দখল কৰিছে। জুনিয়ৰ ৰাষ্ট্ৰীয় চেম্পিয়ন মায়ংকে মুঠ নখন খেলৰ আটাইকেইখনতে জয় লাভ কৰি এই খিতাপ অৰ্জন কৰে। আনহাতে, প্ৰথম ৰানাৰ্চআপ হয় প্ৰাক্তন অসম চেম্পিয়ন ৰাজীৱ ধৰ। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ 112 গৰাকী ছিনিয়ৰ , জুনিয়ৰ দবাৰুৱে অংশ গ্ৰহণ কৰা প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম চেম্বাৰ্চ অৱ কৰ্মাচৰ অধ্যক্ষ ৰূপম গোস্বামীয়ে । বিশিষ্ট অতিথি তথা খেলুৱৈ হিচাপে অংশ গ্ৰহণ কৰি মহানগৰ জিলা উপায়ুক্ত পল্লৱ ঝাই । সদৌ অসম দবা সন্থাৰ উদ্যোগত অনুষ্ঠিত উক্ত প্ৰতিযোগিতাখন পৰিচালনা কৰে ৰবিকান্ত তিৱাৰী আৰু অনন্ত গোস্বামীয়ে।

# যোৰহাট আন্তঃবিদ্যালয় সাঁতোৰ প্ৰতিযোগিতা

**যোৰহাট, ২৮ আগষ্ট ঃ** যোৰহাট জিলা আন্তবিদ্যালয় সাঁতোৰ প্ৰতিযোগিতাখন অহা চাৰি ছেপ্টেম্বৰৰ পৰা যোৰহাট ছুইমিং ছছাইটিৰ জলক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হব । উল্লেখ্য যে 29 সংখ্যক বৰ্ষত উপনীত হোৱা এই প্ৰতিযোগিতাত এইবাৰ 11 বছৰ ,14 বছৰ আৰু 17 Âবছৰ অনুৰ্ধ তিনিটা গ্ৰুপত ল'ৰা আৰু ছোৱালী উভয় শাখাত মুঠ 52 টা ইভেন্টত অনুষ্ঠিত হ'ব । প্ৰতিযোগিতাত যোগদানৰ বাবে বিদ্যালয়ৰ মুৰব্বীৰ স্বাক্ষৰিত প পত্ৰ জমা দি অহা পহিলা ছেপ্টেম্বৰৰ ভিতৰত যোগদান নিশ্চিত কৰিব লাগিব । সবিশেষ জানিবলৈ প্ৰতিযোগিতাৰ আহ্বায়ক প্ৰণৱ বৰঠাকুৰৰ (9435091671] লগত যোগাযোগ কৰিব পাৰিব।

# পূব নলবাৰী প্ৰশিক্ষণ কেন্দ্ৰৰ ভলীবলৰ শিবিৰ আৰম্ভ

**অগ্ৰদুত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৮ আগষ্ট ঃ** পূব নলবাৰী ক'চিং চেণ্টাৰ নলবাৰী জিলাৰ এটি অগ্ৰণী ক্ৰীড়া সংগঠন। এই কেন্দ্ৰত নিয়মীয়া ভাৱে ল'ৰা-ছোৱালীৰ উভয় শাখাতে ভলীবলৰ প্ৰশিক্ষণ উপযুক্ত প্ৰশিক্ষকৰ দ্বাৰা বিনামূলীয়া ভাৱে দি থকা হৈছে। 1997 ত জন্ম গ্ৰহন কৰা চেণ্টাৰটোৱে ইতিমধ্যে সফলতাৰো মুখ দেখিবলৈ সক্ষম হৈছে। চেণ্টাৰত প্ৰশিক্ষণপ্ৰাপ্ত খেলুৱৈয়ে নলবাৰী জিলা দলক প্ৰতিনিধিত্ব কৰি আন্তঃ জিলা ভলীবল প্ৰতিযোগিতাত কেইবাবাৰো আজুৰি আনিবলৈ সক্ষম হৈছে বিজয়ী আৰু বিজেতাৰ সন্মান। ইয়াৰ সুবাদতে খেলুৱৈ সকলে লাভ কৰিছে ক্ৰীড়া জলপানী। প্ৰায় 42 গৰাকী খেলুৱৈয়ে অসম দলৰ হৈ খেলাৰ গৌৰৱ অৰ্জন কৰিছে। 52 গৰাকী খেলুৱৈয়ে জীৱন জীৱিকাৰ পথ পাবলৈ সক্ষম হৈছে। আজিৰে পৰা পূব নলবাৰী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় খেলপথাৰত নিয়মীয়া ভলীবল প্ৰশিক্ষণ আৰম্ভ হৈছে।

# গোৰেশ্বৰত টাইকোৱান-ড' প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা, গোৰেশ্বৰ, ২৮ আগষ্ট ঃ** গোৰেশ্বৰ টাইকোৱান-ড' একাডেমীৰ উদ্যোগত তামুলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা সমাজকৰ্মী লেহুৰাম বড়োৰ সোঁৱৰণত অহা 9, 10 আৰু 11 ছেপ্টেম্বৰত আমন্ত্ৰণমূলক প্ৰথম বাৰ্ষিক টাইকোৱান-ড' প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে । গোৰেশ্বৰ লোক নিৰ্মন বিভাগৰ বঙলা প্ৰাংগনত আয়োজন কৰা প্ৰতিযোগিতাত 12 খন জিলাৰ পৰা প্ৰায় 500 প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিব বুলি উদ্যোক্তা সকলে জানিবলৈ দিছে । ইতিমধ্যে খেলখন পৰিচালনাৰ বাবে ধৰ্মেশ্বৰ ৰাজবংশীক সভাপতি, নেহৰু বড়োক সম্পাদক হিচাপে লৈ এখন আদৰণি সমিতি গঠন কৰা হৈছে।



# ছিনিয়ৰ আন্তঃজিলা ৰোলবল

**গুৱাহাটী , ২৮ আগষ্ট ঃ** দুদিনীয়াকৈ দিছপুৰ স্কেটিং ৰিংকত অনুষ্ঠিত হোৱা প্ৰথম ছিনিয়ৰ পুৰুষ শাখাৰ আন্তঃজিলা ৰোলবল প্ৰতিযোগিতাৰ খিতাপ অৰজন কৰিছে কামৰূপ মেট্ৰোই। উল্লেখ্য যে গুৱাহাটী ৰোলবল সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ ফাইনেলত কামৰূপ মেট্ৰোই প্ৰাগজ্যোতিষপুৰক 20-10 গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, দুলীয়াজানে গুৱাহাটীক 10-5 গ'লত পৰাস্ত কৰি তৃতীয় স্থান দখল কৰে। সামৰনিৰ বঁটা বিতৰনি অনুস্থানত উপস্থিত থাকে গুৱাহাটী ৰোলবল সন্থাৰ সভাপতি দীপক নাথ, কিশোৰ দাস, চুখলাং দাকাৰ, ভূমিধৰ বৰ্মন আদি।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ২৯ আগষ্ট, ২০২২ সোমবাৰ পৃষ্ঠা ১৬

### জৈৱিক পদ্ধতিৰে বিভিন্ন শাক-পাচলিৰ কৃষিকৰ্ম ঃ নিবনুৱা যুৱকসকলৰ স্বনিয়োজনৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ চৰকাৰক আহ্বান

# বৰহোলাৰ শিক্ষিত যুৱক ধ্ৰুৱজ্যোতি সোণোৱালৰ স্বাৱলম্বিতাৰ নিদৰ্শন



**বিশেষ সংবাদদাতা**
**নগাবাট, ২৮ আগষ্ট ঃ** যি সময়ত আমাৰ অত্যাৱশ্যকীয় শাক-পাচলিসমূহত অত্যধিক ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্য প্ৰয়োগৰ ফলত স্বাস্থ্যৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছে তেনে সময়তে সম্পূৰ্ণ জৈৱিক পদ্ধতিৰে পাচলি উৎপাদন কৰি এক আদৰ্শ দেখুৱাবলৈ সক্ষম হৈছে বৰহোলাৰ এগৰাকী শিক্ষিত যুৱক ধ্ৰুৱজোতি সোণোৱালে। উদ্যমী যুৱক ধ্ৰুৱজ্যোতি সোণোৱালৰ সম্পূৰ্ণ নিজা প্ৰচেষ্টাত অসম-নগালেণ্ড সীমান্তৱৰ্তী বেকাজান অঞ্চলৰ কৃষিভূমিত গঢ়ি তুলিছে এই ফাৰ্মখন। লেচেৰা, তিয়হ, গোমধান আদি বিভিন্ন শাক-পাচলিৰে বৰ্তমান ভৰি পৰিছে ফাৰ্মখন। সম্পূৰ্ণ জৈৱিকভাৱে উৎপাদিত পাচলিসমূহ বজাৰত উচিত মূল্যত বিক্ৰীৰো ব্যৱস্থা কৰিছে যুৱকজনে। ইয়াৰ জৰিয়তে ধ্ৰুৱজ্যোতি সোণোৱালে স্বাৱলম্বিতাৰ এক সুন্দৰ নিদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। উল্লেখ্য যে গণিতত স্নাতক ডিগ্ৰীধাৰী এজন যুৱক ধ্ৰুৱজ্যোতি সোণোৱাল। চাকৰি বিচাৰি একাংশ নিবনুৱাই হাহাকাৰ কৰি থকাৰ বিপৰীতে এইগৰাকী উদ্যমী যুৱকে এখন কৃষি ফাৰ্মৰে নিজক সংস্থাপিত কৰি সুন্দৰ নিদৰ্শন দেখুৱাইছে। ফাৰ্মখনৰ পৰা বৰ্তমান বছৰি কে'বা লক্ষাধিক টকা উপাৰ্জ্জন কৰিবলৈ সক্ষম হৈছে ধ্ৰুৱজ্যোতিয়ে। কিন্তু ৰাজ্য চৰকাৰৰ কোনো কৃষি আঁচনিৰ সুবিধা আজিকোপতি লাভ নকৰিলে ধ্ৰুৱজ্যোতিৰ দৰে উদ্যমী যুৱ কৃষকে। তথাপি নিজা কষ্ট, পৰিশ্ৰমৰ বলত কৃষিকৰ্মক কিছু লাভান্বিত কৰি তুলিছে ধ্ৰুৱজ্যোতিয়ে। এই কৃষি বিপ্লৱৰ সন্দৰ্ভত জানিবলৈ বিচৰাত ধ্ৰুৱজোতিয়ে সংবাদ মাধ্যমৰ আগত কয় যে আজি-কালি যুৱ প্ৰজন্মই খেতি কৰাৰ ইচ্ছাই নকৰে। কিন্তু অলপ কষ্ট কৰিলে কৃষিকৰ্মৰ দ্বাৰাও ভাল অৰ্থ উপাৰ্জন কৰিব পাৰি। ৰাজ্যৰ মেৰুদণ্ডস্বৰূপ ক্ষুদ্ৰ কৃষকসকল চৰকাৰী কৃষি আঁচনিৰ পৰা বছৰি বঞ্চিত হৈ অহা ঘটনা অতি দুৰ্ভাগ্যজনক। ৰাজ্যৰ নিবনুৱা যুৱকসকলৰ স্বনিয়োজনৰ ক্ষেত্ৰত চৰকাৰে উচিতভাৱে গুৰুত্ব আৰোপ কৰিলে কৃষিকৰ্মৰ প্ৰতি আগ্ৰহী প্ৰতিজন যুৱক যথেষ্ট উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰাৰ লগতে গ্ৰামাঞ্চলৰ ক্ষুদ্ৰ কৃষক ৰাইজ উপকৃত হোৱাকৈ এখন উচিত বজাৰ গঢ় দিয়াৰ বাবে চৰকাৰক অলপ গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায় ধ্ৰুৱজোতিয়ে।

ৱেব টেলিস্কোপৰ ইনফ্ৰায়েড স্পেক্ট্ৰ'গ্ৰাফ (এনআইআৰএছপেক)ত ধৰা পৰা দৃশ্যত দেখা গৈছে যে ৪.১ৰ পৰা ৪.৬ মাক্ৰিন ক্ষুদ্ৰ পাহাৰ আছে। গ্ৰহটোৰ আয়তন বৃহস্পতিৰ এক চতুৰ্থাংশ। গেছৰে পৰিপূৰ্ণ গ্ৰহটোৰ তাপমাত্ৰা প্ৰায় নশ ডিগ্ৰী চেলছিয়াছ। ইয়াৰ পূৰ্বে হাবল টেলিস্কোপৰ তথ্য অনুসৰি, ইয়াত জলীয় বাষ্প, ছ'ডিয়াম, পটাছিয়ামৰ দৰে ৰাসায়নিক উপাদানৰ সন্ধান পোৱা গৈছিল।



## দাবী কৰিলে নাছাৰ জেমছ ৱেব টেলিস্কোপে

# সৌৰজগতৰ বাহিৰতো আছে কাৰ্বন-ডাই-অক্সাইড!

**■ নিউজ ব্যুৰ'**
**নিউ য়ৰ্ক, ২৮ আগষ্ট ঃ** কাৰ্বন-ডাই-অক্সাইড। সাধাৰণভাৱে বিষাক্ত বুলি গণ্য কৰা হ'লেও এইবিধ উপাদান প্ৰাণ ধাৰণৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ। পৃথিৱীৰ বাহিৰত এই উপাদানৰ সন্ধান বিচাৰি দীৰ্ঘকালৰ পৰাই বিজ্ঞানীসকলে প্ৰচেষ্টা চলাই আছে। একমাত্ৰ পৃথিৱীৰ প্ৰতিবেশী গ্ৰহ মঙলে এই ক্ষেত্ৰত কিছু আশাৰ সঞ্চাৰ কৰিছিল। এইবাৰ অৱশ্যে আমাৰ সৌৰজগতৰ বাহিৰতো কাৰ্বন-ডাই-অক্সাইড পোৱা গৈছে বুলি বুলি দাবী কৰিলে নাছাৰ জেমছ ৱেব টেলিস্কোপে। গ্ৰহটোৰ নাম 'ডব্লিউএএছপি-৩৯ বি', যিটো সম্পূৰ্ণৰূপে গেছেৰে ভৰা বুলি জনা গৈছে। ইয়াতে উচ্ছ্বসিত হৈ পৰিছে নাছাৰ বিজ্ঞানীসকল। অৱশ্যে এই ক্ষেত্ৰত অধিক অনুসন্ধান চলিব বুলিও নাছাৰ সূত্ৰই জনাইছে।

জেমছ ৱেব টেলিস্কোপে কাম আৰম্ভ কৰাৰ পাছৰে পৰা নাছাই সৌৰজগতৰ বাহিৰত অনেক সৰু সৰু গ্ৰহৰ অস্তিত্ব বিচাৰি পাইছে। এইদৰেই সন্ধান ওলাইছিল 'ডব্লিউএএছপি-৩৯ বি' গ্ৰহটোৰ। ই পৃথিৱীৰ পৰা প্ৰায় সাতশ আলোকবৰ্ষ দূৰত অৱস্থিত। গেছৰে পৰিপূৰ্ণ গ্ৰহটোৰ উপাদানসমূহৰ ৰাসায়নিক গঠনেই এতিয়া বিজ্ঞানীসকলৰ অনুসন্ধানৰ মূল বিষয়। ৱেব টেলিস্কোপৰ ইনফ্ৰায়েড স্পেক্ট্ৰ'গ্ৰাফ (এনআইআৰএছপেক)ত ধৰা পৰা দৃশ্যত দেখা গৈছে যে ৪.১ৰ পৰা ৪.৬ মাক্ৰিন ক্ষুদ্ৰ পাহাৰ আছে। গ্ৰহটোৰ আয়তন বৃহস্পতিৰ এক চতুৰ্থাংশ। গেছৰে পৰিপূৰ্ণ গ্ৰহটোৰ তাপমাত্ৰা প্ৰায় নশ ডিগ্ৰী চেলছিয়াছ। ইয়াৰ পূৰ্বে হাবল টেলিস্কোপৰ তথ্য অনুসৰি, ইয়াত জলীয় বাষ্প, ছ'ডিয়াম, পটাছিয়ামৰ দৰে ৰাসায়নিক উপাদানৰ সন্ধান পোৱা গৈছিল। নিকটতম নক্ষত্ৰৰ পৰা তাৰ দূৰত্ব যথেষ্ট কম। নক্ষত্ৰক এবাৰ প্ৰদক্ষিণ কৰিবলৈ সময় লাগে মাত্ৰ চাৰি দিন।

'ডব্লিউএএছপি-৩৯ বি' গ্ৰহটোৰ সন্ধান পোৱা গৈছিল ২০১১তে। গ্ৰহটোত পোহৰ-অন্ধকাৰৰ খেলা চলিছিল। সেই সময়ত বিজ্ঞানীসকলে ব্যাখ্যা কৰিছিল যে 'ডব্লিউএএছপি-৩৯ বি'ৰ আশেপাশে ঘূৰি থকা আন এটা গ্ৰহে তাক বাৰে বাৰে ঢাকি দিছিল আৰু দুয়োটাৰ ঘূৰ্ণনবৃত্তৰ মাজেৰে নিকটতম নক্ষত্ৰৰ পোহৰ প্ৰতিফলিত হৈছিল। অৱশ্যে জেমছ ৱেব টেলিস্কোপৰ একাধিক আধুনিক যন্ত্ৰাংশৰ সাহায্যত এই গ্ৰহৰ পুংখানুপুংখ বিবৰণ পোৱা গৈছে। এই গৱেষণাৰ মূল দায়িত্বত থকা কেলিফ'ৰ্ণিয়া বিশ্ববিদ্যালয়ৰ গৱেষক নাটালি বাটালাই কয়, 'ডব্লিউএএছপি-৩৯ বিত কাৰ্ব ডাই-অক্সাইডৰ প্ৰত্যক্ষ উপস্থিতিয়ে তাৰ বায়ুমণ্ডল সম্পৰ্কে এটা বিশদ ধাৰণা দিলে। এইবাৰ আন গ্ৰহসমূহৰ সম্পৰ্কেও ধাৰণা পোৱা যাব আৰু গৱেষণাত যথেষ্ট পৰিমাণে সুবিধা হ'ব।'

# চাহ জনজাতি সমাজৰ জাতীয় উৎসৱ 'কৰম পূজা'ক লৈ উদুলি-মুদুলি ৰঙাপৰা



**বিশেষ সংবাদদাতা**
**ৰঙাপৰা, ২৮ আগষ্ট ঃ** কৰম উৎসৱৰ প্ৰস্তুতি প্ৰায় তুংগত। ৰঙাপৰাৰ ঠাকুৰবাৰী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অহা ছয় ছেপ্টেম্বৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব প্ৰথম বাৰ্ষিক কৰম উৎসৱৰ অনুষ্ঠান। ইতিমধ্যে ঠাকুৰবাৰী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত যুদ্ধকালীনভাৱে মণ্ডপ, কৰম পূজাৰ বেদী আৰু তোৰণৰ নিৰ্মাণকাৰ্য চলি আছে। ইয়াৰে প্ৰায় অধিকাংশ কাম সম্পূৰ্ণ হৈছে। কৰম উৎসৱৰ বাবে দিনে-নিশাই ব্যস্ত হৈ পৰিছে উদ্‌যাপন সমিতিৰ লগতে স্থানীয় ৰাইজ। কৰম উৎসৱৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান। কৰম উৎসৱত তুলি ধৰা হ'ব চাহ জনজাতি সমাজৰ আধ্যাত্মিক পৰম্পৰা আৰু সংস্কৃতি। এই মাহৰ পৰাই কৰম উৎসৱ উদ্‌যাপনৰ বাবে চলিছে ব্যাপক প্ৰস্তুতি। সকলো জাতি-জনগোষ্ঠীৰ লোকে সহায় কৰিছে আদৰণি সমিতিক। অসম চাহ মজদুৰ সংঘ তেজপুৰ শাখাৰ উদ্যোগত আৰু ৰঙাপৰা অঞ্চলৰ অসম চাহ মজদুৰ সংঘৰ অন্তৰ্গত চেচা, বৰজুলি, ধুলাপাদুং, ঘইৰালী, নামগাঁও, মইনাজুলি, ঠাকুৰবাৰী আৰু ৰঙাপৰা চাহ বাগিচাৰ ৰাইজৰ সহযোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ঠাকুৰবাৰী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰ প্ৰাংগণত অনুষ্ঠিত হ'ব প্ৰথম বাৰ্ষিক কৰম উৎসৱ। উৎসৱৰ কাৰ্যসূচী মৰ্মে ছয় ছেপ্তেম্বৰ পুৱা কৰম পূজাৰ বেদী স্থাপন, কৰম উৎসৱৰ পতাকা উত্তোলন, ছহিদ তৰ্পণ, জাৰা জাগৰণ, ঝুমুৰ নৃত্য সমাৰোহ প্ৰতিযোগিতা আৰু আকৰ্ষণীয় খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আবেলি তিনি বজাত বঁটা বিতৰণী অনুষ্ঠান, বিয়লি চাৰি বজাত কৰম ডালি আৰু কৰণ ৰজাৰ বিসৰ্জন। পাঁচ বজাত বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব বুলি আয়োজক সমিতিয়ে সংবাদ মাধ্যমক অৱগত কৰে। কৰম উৎসৱৰ সমূহ কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে উদ্‌যাপন সমিতিৰ সভাপতি বিৰজু ওৰাং, সম্পাদক জনবস্ক' হৰ, উপ-সভাপতি দিলিপ তাঁতী, উপ-সভাপতি বিজয় কৰুৱা, সহকাৰী সম্পাদক অমেৰিকা তাঁতী আৰু যুটিয়া সম্পাদক ৰয়ানু লহাৰে।



## সংগ্ৰহ কৰিবলৈ যাওঁতে নিহত হৈছিল ২৯জন

# এক কেজি পাচলি হেজাৰ টকাত কিনিও গ্ৰাহকৰ মুখত তৃপ্তিৰ হাঁহি

**■ নিউজ ব্যুৰ'**
**লক্ষ্ণৌ, ২৮ আগষ্ট ঃ** বজাৰত শাক-পাচলিৰ ঊৰ্দ্ধমুখী দামে সততে গ্ৰাহকক অতিষ্ঠ কৰি আহিছে। প্ৰতি কেজি পাচলিত ৬০-৭০ টকা হ'লেই চৌদিশে হুলস্থূল লাগে। অথচ আমাৰ দেশতে এনে এবিধ পাচলি আছে, যি পাচলিৰ এক কেজি হেজাৰ টকাত ক্ৰয় কৰিলেও গ্ৰাহকৰ মুখত তৃপ্তিৰ হাঁহিহে দেখা যায় ।অবিশ্বাস্য হ'লেও সত্য যে বিয়াগোম মূল্য সত্ত্বেও এইবিধ পাচলিৰ চাহিদা বিপুল।

পাচলি বিধৰ নাম কাটৰুৱা, ইয়াক নিৰামিষভোজী লোকৰ আমিষ খাদ্য বুলিও কোৱা হয়। অৱশ্যে এইবিধ পাচলিৰ খেতি কৰা নহয়, বৰঞ্চ ই গহৰা গজা। উত্তৰপ্ৰদেশৰ পিলভিত আৰু লখিমপুৰৰ জংঘলত এই মহামূল্যবান পাচলি পোৱা যায়। প্ৰ'টিনৰ বাবেই এইবিধ পাচলিৰ দাম অত্যধিক। তথ্য অনুসৰি, ইয়াত প্ৰ'টিনৰ মাত্ৰা ইমানেই বেছি যে দাম যিমান হ'লেও কাটৰুৱাৰ চাহিদা কেতিয়াও নকমে। প্ৰধানকৈ বৰ্ষাকালত এইবিধ পাচলি পোৱা যায়। দাম বেছি হোৱাৰ আন এটা কাৰণ হৈছে কাটৰুৱা কেৱল পিলভিত আৰু লখিমপুৰৰ পিলভিত ব্যাঘ্ৰ সংৰক্ষণ অঞ্চলতহে পোৱা যায়। শাল আৰু চেগুন গছৰ তলত এইবিধ পাচলি হয়। প্ৰতি বৰে কাটৰুৱাৰ দাম আগৰ বছৰৰ তুলনাত বাঢ়ে। তথাপি ইয়াৰ চাহিদা অকণো নকমে। দূৰ-দূৰণিৰ পৰা আহি মানুহে পিলভিত আৰু লখিমপুৰৰ পাচলি বজাৰৰ পৰা কাটৰুৱা কিনি নিয়ে। ভৰপূৰ প্ৰ'টিন আৰু স্বাদৰ বাবেই কাটৰুৱাৰ চাহিদা বেছি হ'লেও অৱশ্যে এইবিধ পাচলি সংগ্ৰহত নিষেধাজ্ঞাও জাৰি কৰা আছে। ব্যাঘ্ৰ সংৰক্ষণ অঞ্চলত এইবিধ পাচলি পোৱা যায় আৰু বন্য পৰিৱেশৰ ক্ষতিসাধন হ'ব পাৰে বুলিয়ে কাটৰুৱা সংগ্ৰহত নিষেধাজ্ঞা জাৰি কৰা হৈছিল। তৎসত্ত্বেও স্থানীয় লোকে গোপনে জংঘলত প্ৰৱেশ কৰি এই পাচলি সংগ্ৰহ কৰি আহিছে।

উল্লেখ্য যে এই পাচলিৰ চাহিদা মানুহৰ সমান্তৰালকৈ হৰিণাৰ মাজতো আছে। হৰিণাৰ অন্যতম প্ৰিয় খাদ্য কাটৰুৱা। ১৯৯১ত পিলভিতৰ জংঘলত একাংশ লোকে চোৰাংকৈ প্ৰৱেশ কৰি এই পাচলি সংগ্ৰহ কৰিছিল। তেতিয়াই অচিনাক্ত আততায়ীয়ে তেওঁলোকৰ ২৯জনক হত্যা কৰে। মৃতদেহবোৰ জংঘলৰ মাজতে পুতি থোৱা হয়। পৰৱৰ্তী সময়ত জনা গ'ল যে উক্ত জংঘলত এটা উগ্ৰপন্থী দৰে শিবিৰ পাতিছিল। কাটৰুৱা সংগ্ৰহ কৰিবলৈ অহা স্থানীয় লোকসকলে সেই শিবিৰ প্ৰত্যক্ষ কৰে। এই খবৰ বাহিৰত ওলাব পাৰে বুলি আশংকা কৰি উগ্ৰপন্থীয়ে তেওঁলোকক গুলীয়াই আৰু শ্বাসৰুদ্ধ কৰি হত্যা কৰে।

# ঢেকিয়াজুলিৰ বৃহৎ অঞ্চল ভয়ংকৰ খৰাঙৰ কবলত

## পথাৰত ছিৰাল ফাট ঃ শুকাইছে সেউজীয়া ধান খেতি ঃ ফুটুকাৰ ফেন জলসিঞ্চন আঁচনি ঃ দিক্‌বিদিক হেৰুৱাইছে বহু কৃষকে



**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ২৮ আগষ্ট ঃ** ৰাজ্যৰ প্ৰান্তে- প্ৰান্তে ভয়ংকৰ খৰাং পৰিস্থিতি। শুকাইছে খেতি পথাৰ। বৰষুণৰ অপেক্ষাত কৃষক ৰাইজ। খৰাঙৰ বাবে ধান খেতি বিনষ্ট হোৱাত শ শ কৃষক ৰাইজে মূৰে-কপালে হাত দিব লগা অৱস্থা হৈছে। সমান্তৰালকৈ ঢেকিয়াজুলিৰ কে'বাটাও অঞ্চল অনাবৃষ্টি আৰু খৰাঙৰ কবলত পৰিছে। খৰাঙৰ ফলত ধাননি পথাৰত ছিৰাল ফাট মেলিছে। বৰষুণৰ অভাৱত বিঘাই বিঘাই ধান খেতিত ছিৰাল ফাট। সেউজীয়া হোৱা ধাননি খৰাঙত ৰঙচুৱা হৈ পৰিছে। ঢেকিয়াজুলিৰ হুগ্ৰাজুলি, পাচনৈ, ৰৌমাৰী, প্ৰজাপথাৰ, খুঁটাপোতা, পতালিখোৱা, কঠলুডুব, নাহৰবাৰী, বৰডুবী, ভেৰগাঁও, চপাই বালিগাঁও, পানবাৰী, মিছামাৰীৰ ভেৰভেৰি, জীয়াগাভৰু, নাহৰণি, আদিকে ধৰি কে'বাটাও অঞ্চলত ভয়ংকৰ খৰাঙৰ কবলত পৰিছে। উল্লেখ্য যে কঠীয়া ৰোৱাৰ পাছতেই ধাননি পথাৰ সেউজীয়া হোৱাৰ পাছতেই খৰাং পৰিস্থিতিয়ে দেখা দিয়াত বিঘাই বিঘাই মাটিত ফাট মেলিছে। ইয়াৰ উপৰি বহু ঠাইত পানীৰ অভাৱত মাটি ছন পৰি ৰ'ল এইবাৰ। ইপিনে, মূৰৰ ঘাম মাটিত পেলাই অঞ্চলটোৰ কৃষকসকলে ঋণ-ধাৰ লৈ ধান খেতি কৰি খৰাং পৰিস্থিতিৰ ফলত মূৰে-কপালে হাত দিবলগীয়া হোৱাৰ পাছতো কিন্তু কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ। ধান খেতি কৰি খৰাঙৰ বাবে ছিৰাল ফাট মেলাত দিক্‌বিদিক হেৰুৱাইছে কৃষকসকলে। ভয়ংকৰ খৰাং পৰিস্থিতিৰ বাবে অঞ্চলটোৰ কৃষকসকলে এতিয়া হুমুনিয়াহ কাঢ়িবলগীয়া হৈছে। কৃষকসকলক সকাহ দিবলৈ কৃষি বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়তহে লক্ষ্যণীয় হ'ব। ইপিনে, পাচনৈ গাঁৱত জলসিঞ্চন আঁচনিৰ কাষতেই পথাৰত ছিৰাল ফাট। অস্তিত্বহীন হৈ পৰিছে জলসিঞ্চন আঁচনি। এই সন্দৰ্ভত পাঁচনৈ গাঁৱৰ কৃষক দিব্যজ্যোতি নাথে কয় যে চৰকাৰে জলসিঞ্চনৰ সুব্যৱস্থা কথা কৈছে যদিও অঞ্চলটোত বহু পথাৰত জলসিঞ্চনৰ নাই ব্যৱস্থা। যাৰ ফলত বৰষুণৰ পানীৰ অপেক্ষা কৰিবলগীয়া হয় প্ৰতি বছৰে। ইয়াত এটা জলসিঞ্চন আঁচনি আছে যদিও উক্ত আঁচনিৰ সা-সামগ্ৰী চুৰি হোৱাত আঁচনিখন সম্প্ৰতি বিকল হৈ পৰিছে। ইফালে, ৰাসায়নিক সাৰৰ মূল্যবৃদ্ধি, পেট্ৰ'ল-ডিজেল আদিৰ মূল্যবৃদ্ধিৰ মাজতে তেওঁলোকে ধান খেতি কৰি খৰাঙৰ বাবে মাটি ফাট মেলাত চিন্তিত হৈছে তেওঁলোক। ভয়ংকৰ খৰাং পৰিস্থিতিত কৃষকসকল এতিয়া হুমুনিয়াহ কাঢ়িবলগীয়া হৈছে। কৃষকসকলক সকাহ দিবলৈ কৃষি বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়তহে লক্ষ্যণীয় হ'ব।



# বাহিৰত পিতৃ, শহুৰ-শাহুৰ কোলাত পানী কেঁচুৱা, হাতত শিশুক দি পৰীক্ষাত বহিল একাংশ মাতৃ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৮ আগষ্ট ঃ** বিশ্বনাথ জিলাত আজি পুৱা ৩০টা কেন্দ্ৰত ১০,৮০০ গৰাকী আৰু বিয়লি ২০টা কেন্দ্ৰত ৭,৯২৬ গৰাকীসহ মুঠ ১৮,৭২৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হয় তৃতীয় বৰ্গৰ চাকৰিৰ বাচনি পৰীক্ষাত। একেসময়তে আজি বিশ্বনাথ জিলাৰ বিভিন্ন পৰীক্ষা কেন্দ্ৰত দেখিবলৈ পোৱা গ'ল এক দুৰ্লভ দৃশ্য। পৰীক্ষা কেন্দ্ৰৰ বাহিৰত কাৰোবাৰ হাতত যদি তিনি বছৰীয়া শিশু, তেন্তে কোনোবাজনৰ কোলাত আকৌ পাঁচ-ছমহীয়া পানী কেঁচুৱা। কিয়নো পৰীক্ষা কেন্দ্ৰত পৰীক্ষা দি আছে এইসকল শিশুৰ মাতৃয়ে। বিশ্বনাথ জিলাৰ বিভিন্ন স্থানৰ পৰা অহা পানী কেঁচুৱা আৰু শিশু থকা পৰীক্ষাৰ্থীসকলে স্বামী, মাতৃ, পিতৃ তথা শাহু-শহুৰক নিজৰ সন্তান গতাই দি পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰে। সেইসকল কণ কণ শিশু থকা মাতৃয়েও আশা কৰিছে যে পৰীক্ষা দিয়াৰ পাছত লাভ কৰিব এটা চৰকাৰী চাকৰি। ইফালে, কণ কণ শিশুসকলক ওমলাই-জামলাই ৰাখিছে পিতৃ তথা শহুৰ-শাহুৰে। কোনোবাটোক যদি চকোলেট খুৱাইছে, তেন্তে কোনোবাটোক আকৌ খুৱাইছে পানী। কোনোবা পিতৃয়ে আকৌ শিশুসকলক খোজ কঢ়াই ঘূৰাই ফুৰাইছে। এনেদৰেই মাতৃৰ অবিহনে আজি সময় কটালে একাংশ কণমানি শিশুৱে।



# বাগ্‌সাৰ নিমুৱাত আক্ৰাছুৰ প্ৰতাৰণা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৮ আগষ্ট ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বাগ্‌সা জিলা সমিতিৰ উদ্যোগত আৰু নিমুৱা আঞ্চলিক সমিতিৰ সহযোগত কোচ ৰাজবংশীসকলৰ বিভিন্ন সমস্যা সমাধান নকৰাৰ বাবে আজি বাগ্‌সাৰ শালবাৰীৰ নিমুৱা প্ৰাথমিক চিকিৎসালয়ৰ নিচেই কাষতে ক'লা পতাকা উৰুৱাই 'প্ৰতাৰণা দিৱস' পালন কৰি চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা দেখা গ'ল। স্মৰ্তব্য যে ১৯৪৯ৰ আজিৰ দিনটোতেই অৰ্থাৎ ২৮ আগষ্টত কোচ-কমতাপুৰ ৰাজ্যৰ অৱশিষ্ট অংশ তদানীন্তন কোচ বিহাৰৰ শেষৰজন ৰজা ছাৰ জগদ্দীপেন্দ্ৰ নাৰায়ণ ভূপ-বাহাদুৰ আৰু ভাৰত চৰকাৰৰ মাজত এক 'মাৰ্জাৰ চুক্তি' স্বাক্ষৰিত হৈছিল। সেই মাৰ্জাৰ চুক্তি মৰ্মে স্বতন্ত্ৰ কোচ বিহাৰ ৰাজ্যখন ভাৰতৰ লগত চামিল হৈছিল আৰু চুক্তি মৰ্মে কোচ বিহাৰখন ভাৰতৰ এখন 'গ' শ্ৰেণীৰ অংগ ৰাজ্য হিচাপে মৰ্যাদা লাভ কৰাৰ কথা আছিল। লগতে আন আন কিছু গুৰুত্বপূৰ্ণ বিষয় সন্নিবিষ্ট আছিল। এই ক্ষেত্ৰত আক্ৰাছুৰ সাধাৰণ সম্পাদক কেশৱ ৰায়ে কয় যে চুক্তি মৰ্মে ১৯৪৯ৰ ১২ ছেপ্টেম্বৰৰ পৰা উক্ত বছৰৰ ৩১ ডিচেম্বৰলৈকে কোচ বিহাৰখন এগৰাকী চীফ কমিছনাৰৰ অধীনত এখন কেন্দ্ৰীয় শাসিত ৰাজ্য হিচাপে ব্ৰতী আছিল। কিন্তু ১৯৫০ৰ এক জানুৱাৰীৰ পৰা পশ্চিমবংগ চৰকাৰৰ তেতিয়াৰ মুখ্যমন্ত্ৰী ড° বিধান চন্দ্ৰ ৰায় আৰু কিছুমান ভাৰতৰ ৰাষ্ট্ৰীয় নেতাৰ ষড়যন্ত্ৰৰ ফলত কোচ বিহাৰ ৰাজ্যক পশ্চিমবংগৰ এখন জিলা হিচাপে ঘোষণা কৰি কোচ-কমতাপুৰৰ ঐতিহ্যৰ কফিনত শেষ গজালটো মাৰি দিয়া হয়। আনকি চুক্তি পত্ৰৰ দফাসমূহ আখৰে আখৰে পালন নকৰাৰ ফলত ভাৰতে স্বাধীনতা লাভৰ ৭৫ বছৰ তথা চুক্তি স্বাক্ষৰিত হোৱাৰ ৭১ বছৰ গৰকাৰ পাছতো সমগ্ৰ কোচ ৰাজবংশী জনগোষ্ঠীটোৱে ভয়ংকৰ পৰিচয় সংকটত ভুগিব লগা হৈ আছে বুলি আক্ষেপ কৰে আক্ৰাছুৰ সাধাৰণ সম্পাদক কেশৱ ৰায়ে। লগতে ঐতিহাসিকভাৱে স্বাধীন কোচ ৰাজবংশী জনগোষ্ঠীৰ ভাষা-সংস্কৃতি, তথা ঐতিহ্য আজি বিপদাপন্ন, আজিৰ তাৰিখত আৰ্থ সামাজিক, শৈক্ষিক, ৰাজনৈতিক ইত্যাদি বিভিন্ন দিশৰ পৰা পিছপৰা আৰু শাসকীয় পক্ষৰ দ্বাৰা অৱহেলিত, শোষিত-বঞ্চিত জনগোষ্ঠী হিচাপে চিহ্নিত হোৱাটো খুবেই পৰিতাপৰ কথা বুলি উল্লেখ কৰি তীব্ৰ ক্ষোভ উজাৰে প্ৰতিবাদস্থলীত উপস্থিত থকা আক্ৰাছুৰ সাধাৰণ সম্পাদকগৰাকীয়ে। লগতে কয় যে চৰকাৰসমূহে কোচ জনগোষ্ঠীটোক সমস্যাৰ গৰাহত ঠেলি দি জনগোষ্ঠীটোক ধ্বংস কৰিব খোজা বুলি অভিযোগ উত্থাপন কৰে আক্ৰাছু নেতাগৰাকীয়ে। আৰু অসম চৰকাৰ, পশ্চিমবংগ চৰকাৰ তথা ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে সময় থাকোতে খিলঞ্জীয়া কোচ ৰাজবংশী জনগোষ্ঠীৰ সমস্যাসমূহৰ সমাধান সূত্ৰ উলিয়াবলৈ আহ্বান জনায়। আজি ৰূপায়িত কাৰ্যসূচীত আক্ৰাছুৰ জিলা সমিতিৰ বিষয়ববীয়াৰ লগতে আঞ্চলিক পৰ্যায়ৰ নেতা-কৰ্মীসকল উপস্থিত থাকে।

## হৰিনামৰ অমিয়া ৰসৰ নিজৰা ব'ব বটদ্ৰৱাত

# আজি ইতিহাস প্ৰসিদ্ধ বটদ্ৰৱা থানত জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৪৫৪ সংখ্যক তিৰোভাৱ তিথি



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৮ আগষ্ট ঃ** 'পৰম অমূল্য ৰত্ন/হৰিৰ নামৰ পেৰা/ অতিগুপ্ত স্বৰূপে আছিল/ লোক কৃপায়ে হৰি/শংকৰ স্বৰূপে আসি/মুদ ভাংগী সমস্তকে দিল। ।' জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক ৪৫৪ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে কাইলৈ এনেদৰেই গুৰুবন্দনাৰে মুখৰিত হৈ পৰে গুৰুজনাৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থান। কাইলৈ মহাপুৰুষজনাৰ ৪৫৪ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে 'গুৰু কীৰ্তন' উৎসৱত আজি ভকত-বৈষ্ণৱ, তীৰ্থযাত্ৰীসকলে অংশগ্ৰহণ কৰি এক আধ্যাত্মবাদী কৃষ্ণ ভক্তিৰ নান্দনিক পৰিৱেশৰ সৃষ্টি কৰিব ইতিহাস প্ৰসিদ্ধ বটদ্ৰৱা থানত। স্মৰ্তব্য যে আজি বিয়লি গুৰু কীৰ্তনৰ গন্ধ গোৱা হয় আৰু সন্ধিয়া ভোজন বেহাৰৰ নাচৰ গোৱা-বোৱা সম্পন্ন হয়। ইপিনে, গুৰু কীৰ্তন উপলক্ষে কাইলৈ পুৱা তাল কোবোৱা প্ৰসংগ, মঞ্জীৰা নামৰ পাছতেই আইসকলৰ পুৱা নাম প্ৰসংগত 'ৰুক্মিণী হৰণৰ' দিহা গোৱা হ'ব। কাহিলি পুৱাতে অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কে'বাটাও দিহানামৰ দল, উষা কীৰ্তনৰ নামতি দলে হৰি নামেৰে ভক্তিময় পৰিবেশৰ সূচনা কৰিব। ইপিনে, গায়ন-বায়নে পুৱাৰ গীতত 'পৰভাতে শ্যাম কানু ধেনু লৈয়া সংগে' শীৰ্ষক গীত পৰিৱেশন কৰিব। দুপৰীয়া কীৰ্তন ঘৰৰ নাম-প্ৰসংগ 'ৰাম নিৰঞ্জন', 'এ হৰি ৰাম নিৰঞ্জন' আৰু 'কৃষ্ণ সূৰ্য ভৈলন্ত উদিত/নাম ধৰ্ম কৰিলা বিদিত' শীৰ্ষক কীৰ্তন পৰিৱেশন কৰাৰ পাছত 'মাধৱ মাধৱ মধু ৰিপু/ গোবিন্দ কৃষ্ণ হৰি হৰি ৰাম' ঘোষা গোৱা হ'ব। দুপৰীয়া কীৰ্তন ঘৰ, দৌল মন্দিৰ আৰু পদশিলাত হোৱা নামত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হেজাৰ হেজাৰ ভকত বৈষ্ণৱ, আই মাতৃ, যুৱক-যুৱতী, কিশোৰ-কিশোৰী, শিশুৱে নাম প্ৰসংগত অংশ ল'ব আৰু নৈবেদ্য-প্ৰসাদ গ্ৰহণ কৰিব। উল্লেখ্য যে ঐতিহ্যময় পৰম্পৰাৰ ধাৰাবাহিকতা ৰক্ষা কৰি গুৰু কীৰ্তনৰ দিনা বিয়লিৰ ভাগত নাটঘৰ প্ৰাংগণত অনুষ্ঠিত হৈ থকা 'ভোজন বেহাৰ' নাটৰ অভিনয় অনুষ্ঠান কৰ'নাৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত যোৱাবাৰ বাতিল কৰা নাটখন পৰিৱেশন কৰা হ'ব। জাতীয় জীৱনৰ মণিকুট স্বৰূপ বটদ্ৰৱাত গুৰু কীৰ্তনৰ ঐতিহ্যময় পৰম্পৰা 'ভোজন বেহাৰ' নাট আৰু নাটখনিৰ অভিনয়ৰ লগত জড়িত শিল্পীসকল এইবাৰ উৎফুল্লিত হৈ পৰা পৰিলক্ষিত হৈছে। গুৰু কীৰ্তন উপলক্ষে কাইলৈ পুৱাৰে পৰা অসমৰ বিভিন্ন ঠাইৰ পৰা ভক্তপ্ৰাণ ৰাইজৰ আগমন ঘটিব ইতিহাস প্ৰসিদ্ধ বটদ্ৰৱা থানত। কীৰ্তনঘৰ, পদশিলা, পাটশিলা, দৌল মন্দিৰ আদি পূন্যস্থানসমূহত তীৰ্থযাত্ৰীসকলে শৰাই, বন্তি, নৈবেদ্য আদি প্ৰদান কৰি ঈশ্বৰৰ নিৰ্মালি গ্ৰহণ কৰিব। কাইলৈ সমগ্ৰ দিনটো গুৰু বন্দনা আৰু হৰি নামৰ অমিয়া ৰসৰ নিজৰা বোৱাব ভক্তপ্ৰাণ ৰাইজে।

অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com